

SUPREME AUDIT INSTITUTION OF INDIA
लोकहितार्थ सत्यनिष्ठा
Dedicated to Truth in Public Interest

ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকৰ
2024-25 বর্ষৰ
ৰাজ্যিক বিত্তৰ প্রতিবেদন

অসম চৰকাৰ
2026 বর্ষৰ প্রতিবেদন নং 2
(ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্রতিবেদন)

ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ
2024-25 বৰ্ষৰ
ৰাজ্যিক বিত্তৰ প্ৰতিবেদন

অসম চৰকাৰ

2026 বৰ্ষৰ প্ৰতিবেদন নং 2

(ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদন)

সূচীপত্ৰ

বিৱৰণ	দফা	দ্ৰষ্টব্য পৃষ্ঠা নং
পাতনি		vii
কার্য্যকৰী সাৰাংশ		xi
অধ্যায় I: ৰাজ্যিক বিত্তৰ আভাস		
ৰাজ্যখনৰ চমু বিৱৰণ	1.1	1
ৰাজ্যখনৰ জনগাঁথনি	1.1.1	1
ৰাজ্যখনৰ অৰ্থনীতি	1.1.2	1
মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আৰু জনমূৰি আয়	1.1.2.1	2
জি এছ ডি পিলৈ খণ্ড অনুযায়ী অৱদান	1.1.2.2	3
মূল বিত্তীয় সূচকসমূহৰ প্ৰৱনতাৰ বিশ্লেষণ (2015-16ৰ পৰা 2024-25লৈ)	1.1.2.3	4
বিত্তীয় স্থিতিৰ সংক্ষিপ্ত বিৱৰণ	1.1.3	5
পুঁজিৰ উৎস আৰু ব্যয়	1.1.4	6
চৰকাৰৰ সম্পত্তি আৰু দায়বদ্ধতাৰ সংক্ষিপ্ত স্থিতি	1.1.5	7
ৰাজ্যৰ একত্ৰিত নিধি	1.2	8
ৰাজহ প্ৰাপ্তি	1.2.1	8
মূলধনী প্ৰাপ্তি	1.2.2	23
বিত্ত আয়োগৰ প্ৰক্ষেপণ আৰু প্ৰকৃত তথ্য	1.2.3	24
ব্যয়	1.2.4	25
ৰাজহ ব্যয়	1.2.4.1	27
মূলধনী ব্যয়	1.2.4.2	33
আকস্মিক পুঁজি	1.3	39
ৰাজহুৱা হিচাপ	1.4	39
ৰাজহুৱা হিচাপৰ প্ৰকৃত উদ্বৃত্ব	1.4.1	39
সংৰক্ষিত পুঁজি	1.4.2	41
নগদ উদ্বৃত্ত	1.4.3	42
বিত্তীয় বহনক্ষমতা	1.5	43
ৰাজহুৱা দায়বদ্ধতা ব্যৱস্থাপনা	1.5.1	44
দায়বদ্ধতা প্ৰফাইল: উপাদানসমূহ	1.5.1.1	45
ঋণ লোৱা ধনৰ ব্যৱহাৰ	1.5.1.2	47
ঋণৰ প্ৰফাইল: মেচিউৰিটি আৰু ৰিপেমেণ্ট	1.5.1.3	48
বিত্তীয় ঘাটিৰ বিত্তীয় আৰ্হি	1.5.1.4	48

বিৱৰণ	দফা	দ্রষ্টব্য পৃষ্ঠা নং
হিচাপ পৰীক্ষাৰ পিছৰ ঘাটি সূচক	1.5.2	49
বিত্তীয় ভাৰসাম্য: ঘাটি আৰু মুঠ ঋণৰ লক্ষ্যত উপনীত হোৱা	1.5.3	49
ঋণ বহনক্ষমতা বিশ্লেষণ	1.5.4	52
প্রত্যাভূতি স্থিতি — সাম্ভাব্য দায়বদ্ধতা	1.5.5	54
বিত্তীয় সুস্থিৰতাৰ উপায়	1.5.6	55
ৰাজ্যখনৰ ৰাজহ বৃদ্ধি	1.5.6.1	55
ব্যয়ৰ সমস্যাসমূহ	1.5.6.2	57
মূল বিত্তীয় সূচকৰ আন্তঃৰাজ্যিক তুলনা	1.6	59
সামৰণি	1.7	63
ভাল দিশসমূহ	1.8	63
পৰামর্শ	1.9	64
অধ্যায় II: বাজেট ব্যৱস্থাপনা		
বাজেট প্রক্রিয়া	2.1	65
বাজেট প্রক্ষেপণ আৰু আশা আৰু প্রকৃতৰ মাজৰ ব্যৱধান	2.2	65
বাজেট ব্যৱস্থা আৰু ব্যয়ৰ উপাদান/ সেৱাভিত্তিক বিশ্লেষণ	2.2.1	67
বাজেট ভিন্নতাৰ ক্ষেত্রত অনুপস্থিত/ অসম্পূর্ণ ব্যাখ্যা	2.2.2	68
বাজেটৰ সঠিক পূর্বানুমান	2.3	69
বিনিয়োজন হিচাপ	2.4	70
বাজেট আৰু হিচাপ-নিকাচ প্রক্রিয়া	2.5	70
আইনৰ কর্তৃত্ব অবিহনে কৰা ব্যয়	2.5.1	70
অতিৰিক্ত ব্যয় আৰু ইয়াৰ নিয়মীয়াকৰণ	2.5.2	71
কিছুমান অনুদানত ধাৰাবাহিক অতিৰিক্ত ব্যয়	2.5.2.1	72
অপ্রয়োজনীয়ভাৱে প্রদান কৰা পৰিপূৰক অনুদান	2.5.3	72
বিবেচনাহীনভাৱে ধনৰ পুনৰ বিনিয়োজন	2.5.4	74
ব্যয় নকৰা ধন আৰু সমর্পণ কৰা বিনিয়োজন আৰু/ বা বৃহৎ সঞ্চয়/ সমর্পণ	2.5.5	75
ৰাজহ ব্যয় আৰু মূলধনী ব্যয়ৰ মাজত ভুল শ্রেণীবিভাজন	2.5.6	78
বাজেটত মূল নীতিগত ঘোষণা আৰু কার্যকৰীকৰণ নিশ্চিত কৰাৰ বাবে ইয়াৰ প্রকৃত পুঁজি	2.5.7	79
ত্রিমাসিক ব্যয়ৰ সীমা অমান্য কৰা	2.5.8	80
একক ন'ডেল এজেন্সী	2.6	84
একক ন'ডেল এজেন্সী — স্পর্শ	2.6.1	84

বিৱৰণ	দফা	দ্ৰষ্টব্য পৃষ্ঠা নং
অনুদান হিচাপ পৰীক্ষাৰ সৈতে জড়িত এছ এন এ-স্পৰ্শ ৰূপায়ণৰ সন্দৰ্ভত পৰ্যবেক্ষণ	2.6.1.1	85
চি এছ এছ আঁচনি ৰূপায়ণ	2.6.2	86
নিৰ্বাচিত অনুদানৰ বিতং পৰ্যালোচনাত লক্ষ্য কৰা অন্যান্য বিষয়সমূহ	2.7	92
অনুদান নং 38 – জনজাতী পৰিক্ৰমা (ভৈয়াম)	2.7.1	92
বাজেট আৰু ব্যয়	2.7.1.1	92
ধাৰাবাহিক সঞ্চয়	2.7.1.2	93
সমগ্ৰ বাজেট ব্যৱস্থাৰ সঞ্চয়	2.7.1.3	94
গৌণ শিতান 800ৰ নিৰ্বিচাৰ ব্যৱহাৰ	2.7.1.4	95
হিচাপৰ শিতানৰ ভুল শ্ৰেণীবিভাজন	2.7.1.5	95
স্বায়ত্তশাসিত পৰিষদ আৰু জিলা পৰিষদৰ বাকী থকা বাৰ্ষিক হিচাপ	2.7.1.6	95
অত্যাধিক ব্যৱহাৰৰ প্ৰমাণপত্ৰ (ইউ চি) দাখিল কৰা	2.7.1.7	96
অনুদান নং 51 – ভূমি আৰু জল সংৰক্ষণ	2.7.2	97
বাজেট আৰু ব্যয়	2.7.2.1	97
ধাৰাবাহিক সঞ্চয়	2.7.2.2	97
আকস্মিক নিধি	2.8	99
আকস্মিক নিধিৰ পৰা অগ্ৰিম	2.8.1	99
সামৰণি	2.9	100
ভাল দিশসমূহ	2.10	101
পৰামৰ্শসমূহ	2.11	101
অধ্যায় III: বিত্তীয় প্ৰতিবেদনৰ পদ্ধতিসমূহ		
ৰাজ্যৰ চৰকাৰৰ মালিকানাধীন পি এস ইউ/ কৰ্তৃপক্ষসমূহৰ জৰিয়তে বাজেট বৰ্হিভূত ধাৰ লোৱা	3.1	103
এ আই এফ এ নিক্ষেপ নিধি	3.1.1	105
চৰকাৰৰ পালন নকৰা দায়বদ্ধতা	3.2	105
পালন নকৰা সূতৰ দায়বদ্ধতা	3.2.1	105
ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থাত কমকৈ অৱদান	3.2.2	106
ৰাষ্ট্ৰীয় খনিজ অন্বেষণ ন্যাস পুঁজি	3.2.3	108
ঘূৰাই দিয়া বিষয়সমূহৰ বকেয়া	3.2.4	108
চৰকাৰী হিচাপৰ বাহিৰৰ ধন	3.3	109
ৰাজহুৱা হিচাপৰ পৰিৱৰ্তে বেংক একাউণ্টত বিদ্যুৎ নিয়ন্ত্ৰণ আয়োগৰ পুঁজিৰ ৰক্ষণাবেক্ষণ	3.3.1	109
ব্যৱহাৰীক প্ৰমাণ পত্ৰ জমা দিয়াত পলম হোৱা	3.4	109
সংক্ষিপ্ত আকস্মিক বিল	3.5	111

বিৱৰণ	দফা	দ্রষ্টব্য পৃষ্ঠা নং
ব্যক্তিগত জমা হিচাপ	3.6	113
গৌণ শিতান-800ৰ পৰিপালন	3.7	114
মেজৰ ছাচপেন্স আৰু ডি ডি আৰ শিতানৰ অধীনত বকেয়াৰ উদ্বৃত্ত	3.8	115
বিভাগীয় পৰিসংখ্যাৰ পুনৰ মিলন	3.9	116
নগদ ধনৰ উদ্বৃত্তৰ মিলন	3.10	118
হিচাপ-নিকাচৰ মানদণ্ড অনুসৰণ	3.11	118
স্বায়ত্তশাসিত পৰিষদ/ উন্নয়ন পৰিষদ/ চৰকাৰী সংস্থা/ কর্তৃপক্ষৰ হিচাপ দাখিল কৰা	3.12	120
বিভাগীয় বাণিজ্যিক উদ্যোগ/ নিগম/ কোম্পানী	3.13	121
সুত বহন কৰা ৰিজার্ভ ফাণ্ড	3.14	123
ৰাজ্যিক দুর্যোগ সঁহাৰি পুঁজি (এছ ডি আৰ এফ)	3.14.1	123
ৰাজ্যিক দুর্যোগ প্রশমন পুঁজি (এছ ডি এম এফ)	3.14.2	125
ৰাজ্যিক ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি	3.14.3	126
ৰিজার্ভ ফাণ্ডৰ সুত বহন নকৰা	3.15	127
কেন্দ্রীয় পথ আৰু আন্তঃগাঁথনি পুঁজি (চি আৰ আই এফ)	3.15.1	127
একত্রিত নিক্ষেপ নিধি	3.15.2	127
প্রত্যাভূতি বিমোচন পুঁজি	3.15.3	128
ৰাজ্যিক বিত্ত হিচাপ পৰীক্ষা প্রতিবেদনৰ ওপৰত অনুসৰণমূলক ব্যৱস্থা	3.16	128
নিজাববীয়া কার্য্য গ্রহণ কৰা টোকা	3.16.1	128
পি এ চি-ৰ দ্বাৰা এছ এফ এ আৰ আৰু বিনিয়োজন হিচাপৰ বিষয়ে আলোচনা	3.16.2	129
সামৰণি	3.17	129
ভাল দিশসমূহ	3.18	130
পৰামর্শ	3.19	130
পৰিশিষ্ট		
ৰাজ্য চৰকাৰৰ বিত্তীয় ক্ষেত্রত সময় শৃংখলাৰ তথ্য	1.1	133
2024-25 বর্ষৰ প্রাপ্তি আৰু বিতৰণৰ সাৰাংশ	1.2	136
2025 চনৰ 31 মার্চলৈকে অসম চৰকাৰৰ বিত্তীয় অৱস্থাৰ সাৰাংশ	1.3	139
বিত্তীয় হিচাপ আৰু এছ পি এছ ই-ৰ হিচাপ পৰীক্ষা প্রতিবেদন অনুসৰি এছ পি এছ ই-ৰ স্থিতি	1.4	141
মূল বিত্তীয় সূচকৰ আন্তঃৰাজ্যিক তুলনা	1.5	144
বাজেট ব্যৱস্থা বা পুনৰ বিনিয়োগ অবিহনে ব্যয় (প্রতিটো ক্ষেত্রত দুকোটি টকা আৰু তাতকৈ অধিক)	2.1	152

বিৱৰণ	দফা	দ্রষ্টব্য পৃষ্ঠা নং
যিবোৰ ক্ষেত্রত পৰিপূৰক ব্যৱস্থা (প্রতিটো ক্ষেত্রতে দুকোটি টকাতকৈ অধিক) অপ্রয়োজনীয় বুলি প্রমাণিত হৈছিল	2.2	153
যিবোৰ ক্ষেত্রত পৰিপূৰক ব্যৱস্থা (প্রতিটো ক্ষেত্রতে দুইকোটি টকাতকৈ অধিক) অত্যধিক বুলি প্রমাণিত হৈছিল	2.3	155
2024-25 বিত্তীয় বর্ষৰ সময়ছোৱাত অপ্রয়োজনীয়/ অপর্যাপ্ত পুঁজিৰ পুনৰ ব্যয় (দুই কোটি টকাতকৈ অধিক)	2.4	157
2024-25 বিত্তীয় বর্ষৰ সময়ত সমর্পণৰ পিছত (500 কোটিতকৈ অধিক), বৃহৎ সঞ্চয়যুক্ত অনুদান	2.5	162
2022-23 বিত্তীয় বর্ষৰ পৰা 2024-25 বিত্তীয় বর্ষৰ ভিতৰত স্থায়ী সঞ্চয় (100 কোটিতকৈ অধিক) থকা অনুদান	2.6	163
2024-25 বিত্তীয় বর্ষৰ ভিতৰত বাজেটৰ ব্যৱহাৰৰ অনুদান অনুসৰি শতাংশ	2.7	165
সঞ্চয় (100 কোটি টকাতকৈ অধিক) সমর্পণ কৰা হোৱা নাই	2.8	168
2025 চনৰ 15 ফেব্রুৱাৰীৰ পিছত ধন সমর্পণ	2.9	170
2024-25 বিত্তীয় বর্ষৰ বাবে ৰাজহ ব্যয় আৰু মূলধনী ব্যয়ৰ মাজত ভুল শ্রেণীবিভাজন (এক কোটি টকাতকৈ অধিক)	2.10 (খণ্ড A)	171
ৰাজহ প্রকৃতিৰ ব্যয়ৰ সৈতে জড়িত ভাউচাৰসমূহ 2024-25 বিত্তীয় বর্ষৰ বাবে মূলধনী ব্যয় হিচাপে বুকিং কৰা হৈছে	2.10 (খণ্ড B)	172
কোনো খৰচ নোহোৱাকৈ নীতিগত পদক্ষেপ	2.11	173
উপ-শিতানসমূহ য'ত 2025 চনৰ মার্চ মাহত সম্পূর্ণ ব্যয় (50 কোটি টকাতকৈ অধিক) হৈছিল	2.12	174
অনুদানৰ বাবে ত্রৈমাসিক অনুসৰি ব্যয় য'ত 2024-25 চনৰ ভিতৰত যোৱা ত্রৈমাসিকত 50 শতাংশতকৈ অধিক ব্যয় কৰা হৈছে	2.13	175
নির্বাচিত কেন্দ্রীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ I. পি এম এ ওৱাই-আৰ	2.14 (I)	177
নির্বাচিত কেন্দ্রীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ II. a. অংগনবাড়ী সেৱা	2.14 (IIa)	178
নির্বাচিত কেন্দ্রীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ II. b. পোশন অভিযান	2.14 (IIb)	179
নির্বাচিত কেন্দ্রীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ II. c. কিশোৰী ছোৱালীৰ বাবে আঁচনি	2.14 (IIc)	180
নির্বাচিত কেন্দ্রীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ II. d. ৰাষ্ট্রীয় ক্রেচ আঁচনি	2.14 (IId)	181

বিৱৰণ	দফা	দ্ৰষ্টব্য পৃষ্ঠা নং
নিৰ্বাচিত কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ III. বন্যপ্ৰাণীৰ বাসস্থানৰ সংহত উন্নয়ন	2.14 (III)	182
নিৰ্বাচিত কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ IV. সমগ্ৰ শিক্ষা অসম	2.14 (IV)	183
নিৰ্বাচিত কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ এছ এন এ হিচাপৰ বিৱৰণ V. আৰ চি এইছ আৰু স্বাস্থ্য ব্যৱস্থা শক্তিশালীকৰণ, ৰাষ্ট্ৰীয় স্বাস্থ্য কাৰ্যসূচী আৰু ৰাষ্ট্ৰীয় নগৰ স্বাস্থ্য অভিযানৰ বাবে নমনীয় পুল	2.14 (V)	184
ৰাজহ প্ৰকৃতিৰ ব্যয়ৰ সবিশেষ যিবোৰ মূলধনী ব্যয় হিচাপে বুক কৰা হৈছিল	2.15	185
আকস্মিক পুঁজিৰ পৰা যিবোৰ আঁচনিৰ ধন (100 কোটি টকা বা তাতকৈ অধিক) উলিওৱা হৈছিল তাৰ সবিশেষ	2.16	186
নিৰ্ধাৰিত অৱদান পেঞ্চন আঁচনিৰ অধীনত অৱদান আৰু বিনিয়োগৰ সবিশেষ	3.1	188
2005-06 চনৰ পৰা 2023-24 চনলৈকে বিভাগভিত্তিক ব্যৱহাৰৰ প্ৰমাণপত্ৰ বাকী আছে	3.2	189
2024-25 চনলৈকে এ চি বিল ড্ৰ'ৰ বাবে বিভাগভিত্তিক বাকী থকা ডি চি চি বিল	3.3	192
বিভিন্ন স্বায়ত্তশাসিত পৰিষদ/ উন্নয়ন পৰিষদ/ চৰকাৰী সংস্থা/ কৰ্তৃপক্ষৰ দ্বাৰা হিচাপ চূড়ান্ত কৰাত পেণ্ডেন্সিৰ সবিশেষ	3.4	194
বিভাগীয় বাণিজ্যিক উদ্যোগ/ নিগম/ কোম্পানীসমূহৰ দ্বাৰা হিচাপ চূড়ান্ত কৰাত পেণ্ডেন্সিৰ সবিশেষ	3.5	198

পাতনি

এই প্ৰতিবেদনখন সংবিধানৰ অনুচ্ছেদ 151 ৰ অধীনত অসমৰ ৰাজ্যপাললৈ দাখিল কৰিবলৈ প্ৰস্তুত কৰা হৈছে।

এই প্ৰতিবেদনত 2024-25 বিত্তীয় বৰ্ষৰ বিত্তীয় পাৰদৰ্শীতা মূল্যায়ন কৰা আৰু ৰাজ্যিক বিধানসভাক বিত্তীয় তথ্যৰ হিচাপ পৰীক্ষা বিশ্লেষণৰ ভিত্তিত তথ্য প্ৰদান কৰাৰ চেষ্টা কৰা হৈছে। এই প্ৰতিবেদনত তিনিটা অধ্যায় অন্তৰ্ভুক্ত কৰা হৈছে।

অধ্যায় I– ৰাজ্যিক বিত্তৰ আভাস

এই অধ্যায়ত প্ৰতিবেদনখনৰ ভিত্তি আৰু পদ্ধতি বৰ্ণনা কৰা হৈছে আৰু ৰাজ্যখনৰ বিত্তৰ এটা সামগ্ৰীক দিশ দাঙি ধৰা হৈছে। এই অধ্যায়ত মুখ্য সূচকসমূহৰ বিত্তীয় বিশ্লেষণ আৰু ৰাহি/ঘাটি, ঋণৰ ৰূপৰেখা আৰু ৰাজস্বৰা হিচাপৰ মুখ্য লেন-দেনসমূহকে ধৰি ৰাজ্যৰ বিত্তীয় স্থিতি অৱলোকন কৰা হৈছে।

অধ্যায় II – বাজেট ব্যৱস্থাপনা

এই অধ্যায়ত ৰাজ্যখনৰ বিনিয়োজন হিচাপৰ ভিত্তিত আৰু ৰাজ্যখনৰ বিনিয়োজন আৰু আৱণ্টনত অগ্ৰাধিকাৰৰ ওপৰত সমীক্ষা কৰিছে আৰু বাজেট সম্বন্ধীয় ব্যৱস্থাপনাৰ লগত জড়িত সাংবিধানিক ব্যৱস্থাৰ পৰা বিচ্যুতিৰ ওপৰত প্ৰতিবেদন দিছে।

অধ্যায় III– বিত্তীয় প্ৰতিবেদনৰ পদ্ধতিসমূহ

এই অধ্যায়ত ৰাজ্য চৰকাৰৰ বিভিন্ন কৰ্তৃপক্ষই দাখিল কৰা হিচাপ পৰিপালনৰ মানদণ্ড আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগসমূহে বিত্তীয় নীতি-নিয়মসমূহ অনুপালন নকৰা বিষয়সমূহৰ ওপৰত মন্তব্য আগবঢ়োৱা হৈছে।

বিভিন্ন বিভাগৰ কাৰ্যসম্পাদন হিচাপ পৰীক্ষা আৰু লেন-দেনৰ হিচাপ পৰীক্ষাৰ ফলাফল, বিধিবদ্ধ নিগম, ব'ৰ্ড আৰু চৰকাৰী কোম্পানীৰ হিচাপ পৰীক্ষাৰ পৰা উদ্ভৱ হোৱা পৰ্যবেক্ষণ আৰু ৰাজহ প্ৰাপ্তিৰ ওপৰত পৰ্যবেক্ষণ সন্নিৱিষ্ট প্ৰতিবেদন পৃথকে প্ৰস্তুত কৰা হৈছে।

মূল ইংৰাজী প্ৰতিবেদন "**Report of the Comptroller and Auditor General of India on State Finances for the year 2024-25 – Government of Assam (State Finances Audit Report)**" ৰ অসমীয়ালৈ ভাষান্তৰ কৰি এই প্ৰতিবেদন প্ৰস্তুত কৰা হৈছে।

অনুদিত সংস্কৰণত কোনো সন্দেহ থাকিলে ইংৰাজী সংস্কৰণটোৱে প্ৰামাণিক বুলি বিবেচিত হ'ব।

ৰাজ্যিক বিত্তৰ হিচাপ পৰীক্ষা প্ৰতিবেদনৰ ভিত্তি আৰু পদ্ধতি

ভাৰতীয় সংবিধানৰ অনুচ্ছেদ 151 (2) অনুসৰি ৰাজ্যৰ বিধান মণ্ডলত উপস্থাপন কৰিবৰ বাবে ৰাজ্যখনৰ হিচাপৰ ওপৰত ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক (চি এ জি) ৰ প্ৰতিবেদন ৰাজ্যখনৰ ৰাজ্যপাললৈ প্ৰেৰণ কৰিব লাগে। ৰাজ্য চৰকাৰৰ অধীনৰ হিচাপ ৰক্ষণৰ দায়িত্বত থকা কোষাগাৰ, কাৰ্যালয় আৰু বিভাগসমূহে দাখিল কৰা ভাওচাৰ, চালান আৰু প্ৰাৰম্ভিক আৰু পৰিপূৰক হিচাপ আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা প্ৰাপ্ত প্ৰবিৱৰণৰ পৰা প্ৰধান মহাগাণনিকে (হিচাপ আৰু প্ৰাপ্য) ৰাজ্যখনৰ বাৰ্ষিক বিত্তীয় হিচাপ আৰু বিনিয়োজন হিচাপ প্ৰস্তুত কৰে। এই হিচাপসমূহ মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ দ্বাৰা স্বাধীনভাৱে হিচাপ পৰীক্ষা কৰা হয় আৰু চি এ জি ৰ দ্বাৰা প্ৰমাণিত কৰা হয়।

এই প্ৰতিবেদনৰ মূল তথ্য হৈছে ৰাজ্যখনৰ বিত্তীয় হিচাপ আৰু বিনিয়োজনৰ হিচাপ। আন উৎসসমূহ তলত উল্লেখ কৰা হৈছে:

- ৰাজ্যিক বাজেট : বিত্তীয় মাপকাঠী আৰু প্ৰক্ষেপনৰ বিপৰীতে আৱন্টনত অগ্ৰাধিকাৰ নিৰ্ধাৰণ, দুয়োটাৰে মূল্যায়ন আৰু লগতে ইয়াৰ ৰূপায়নৰ প্ৰভাৱ আৰু প্ৰাসঙ্গিক নীতি আৰু নিৰ্ধাৰিত ব্যৱস্থা অনুপালন মূল্যায়ন কৰিবৰ বাবে।
- মহাগাণনিক (হিচাপ পৰীক্ষা)ৰ কাৰ্য্যালয়ৰ দ্বাৰা সম্পন্ন কৰা হিচাপ পৰীক্ষাৰ ফলাফলসমূহ।
- বিভাগীয় কৰ্তৃপক্ষ আৰু কোষাগাৰৰ সৈতে উপলব্ধ আন তথ্য (হিচাপ ৰক্ষণ আৰু এম আই এচ)।
- জি এচ ডি পি তথ্য আৰু অন্যান্য ৰাজ্য সম্বন্ধীয় পৰিসংখ্যা।
- ৰাজ্যৰ বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা (এফ আৰ বি এম) আইন।
- বিত্তীয় আয়োগৰ পৰামৰ্শসমূহ।
- ভাৰতৰ চি এ জি-ৰ বিভিন্ন হিচাপ পৰীক্ষা প্ৰতিবেদনসমূহ।
- ভাৰত চৰকাৰ(জি অ' আই)ৰ ভাল দিশসমূহ আৰু নিৰ্দেশনাৱলীসমূহ।

অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবৰ লগত 10 ছেপ্তেম্বৰ 2025ত এখন আৰম্ভনি বৈঠক অনুষ্ঠিত হৈছিল য'ত বিত্ত বিভাগক হিচাপ পৰীক্ষা পদ্ধতিৰ বিষয়ে অৱগত কৰা হৈছিল। বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবৰ লগত 19 ডিচেম্বৰ 2025ত এখন সামৰণি বৈঠক অনুষ্ঠিত হৈছিল য'ত হিচাপ পৰীক্ষা পৰ্য্যবেক্ষণসমূহৰ বিষয়ে আলোচনা কৰা হৈছিৱল। চৰকাৰৰ উত্তৰসমূহ যথোপযুক্তভাৱে হিচাপ পৰীক্ষা প্ৰতিবেদনৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

চৰকাৰী হিচাপৰ কাঠামো

ৰাজ্য চৰকাৰৰ হিচাপ তিনিটা ভাগত বিভক্ত

1. ৰাজ্যৰ একত্ৰিত পুঁজি (ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 266 (1))

এই পুঁজিত ৰাজ্য চৰকাৰে লাভ কৰা সকলো ৰাজহ, ৰাজ্য চৰকাৰে সংগ্ৰহ কৰা সকলো ঋণ (বজাৰ ঋণ, ব'ণ্ড, কেন্দ্ৰীয় চৰকাৰৰ পৰা ঋণ, বিত্তীয় প্ৰতিস্থানৰ পৰা ঋণ, ৰাষ্ট্ৰীয় ক্ষুদ্ৰ সঞ্চয় পুঁজিলৈ জাৰি কৰা বিশেষ প্ৰতিভূতি ইত্যাদি), ভাৰতীয় ৰিজাৰ্ভ বেংকে আগবঢ়োৱা অৰ্থোপায় অগ্ৰিম আৰু ঋণ প্ৰত্যৰ্পনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে লাভ কৰা সকলো ধন অৰ্ন্তভূক্ত থাকে। আইন অনুসৰি আৰু ভাৰতীয় সংবিধানে ব্যৱস্থা কৰাৰ উদ্দেশ্যৰ বাবে সংবিধানত উল্লেখ কৰা ধৰণে

ব্যৱহাৰ কৰাৰ বাহিৰে এই পুঁজিৰ পৰা কোনো ধন ব্যৱহাৰ কৰিব নোৱাৰি। কিছুমান শ্ৰেণীৰ ব্যয়ে (যেনে সাংবিধানিক কৰ্তৃপক্ষৰ দৰমহা, ঋণ পৰিশোধ ইত্যাদি) ৰাজ্যৰ সঞ্চিত নিধিৰ ওপৰত ভাৰ (ধাৰ্যিত ব্যয়) গঠন কৰে আৰু বিধান মণ্ডলৰদ্বাৰা গৃহীত নহয়। আন সকলো ব্যয় (গৃহীত ব্যয়) বিধান মণ্ডলৰদ্বাৰা গৃহীত হয়।

2. ৰাজ্যৰ আকস্মিকতা পুঁজি {ভাৰতৰ সংবিধানৰ অনুচ্ছেদ 267 (2)}

এই পুঁজিটো অপৰিহাৰ্য প্ৰকৃতিৰ, যাক বিধিগতভাৱে ৰাজ্যিক বিধানসভাই স্থাপিত কৰে, আৰু ইয়াক ৰাজ্যপালৰ নিষ্পত্তিত ৰখা হয় যাতে ৰাজ্যিক আইনসভাৰ দ্বাৰা অনুমোদন হোৱাৰ পূৰ্বে কিছুমান অপ্ৰত্যাশিত ব্যয় পূৰণ কৰিবৰ বাবে অগ্ৰিম প্ৰদান কৰিব পৰা যায়। ৰাজ্যৰ সঞ্চিত নিধি সম্পৰ্কীয় সংশ্লিষ্ট কাৰ্যকৰী মুখ্য শিতানৰ পৰা ব্যয়সমূহ ডেবিট কৰি এই পুঁজি পুনৰুদ্ধাৰ কৰা হয়।

3. ৰাজ্যৰ ৰাজহুৱা হিচাপ {সংবিধানৰ অনুচ্ছেদ 266 (2)}

ওপৰত উল্লেখ কৰাৰ বাহিৰেও, চৰকাৰৰ দ্বাৰা বা চৰকাৰৰ হৈ লাভ কৰা সকলো ৰাজহুৱা ধন য'ত চৰকাৰে বেংকাৰ বা ট্ৰাষ্টী হিচাপে কাম কৰে, ৰাজহুৱা হিচাপত জমা কৰা হয়। ৰাজহুৱা হিচাপত ক্ষুদ্ৰ সঞ্চয় আৰু ভৱিষ্যত নিধি, জমা (সুত বহন কৰা আৰু সুত বহন নকৰা), অগ্ৰিম, সংৰক্ষিত পুঁজি (সুত বহন কৰা আৰু সুত বহন নকৰা), প্ৰেৰণ আৰু স্থগিত শিতান (চুড়ান্ত ভাৱে নথিভূক্ত কৰিবলৈ বাকী থকা পৰিৱৰ্তনশীল শিতান) অৰ্ন্তভূক্ত থাকে। চৰকাৰৰ ওচৰত উপলব্ধ মুঠ নগদ উদ্বৃত্ত ৰাজহুৱা হিচাপৰ অধীনত অন্তৰ্ভূক্ত কৰা হৈছে। ৰাজহুৱা হিচাপ বিধানমণ্ডলত গৃহীত কৰিব নালাগে।

চৰকাৰী হিচাপৰ কাঠামো



কার্য্যকৰী সাৰাংশ

কার্য্যকৰী সাৰাংশ- এছ এফ এ আৰ

অসম ৰাজ্যৰ বিত্তৰ এই প্ৰতিবেদনে 2024-25 বিত্তীয় বৰ্ষৰ বাবে অসমৰ বিত্তীয় স্থিতিৰ স্বতন্ত্ৰ মূল্যায়নৰ ব্যৱস্থা কৰে। ই ৰাজ্যখনৰ সামগ্ৰিক বিত্তীয় অৱস্থা বিশ্লেষণ কৰে আৰু ইয়াৰ ৰাজহ আৰু ব্যয়ৰ ধাৰা পৰ্যালোচনা কৰে আৰু ৰাজ্যৰ ঋণৰ স্থিতি, ঋণ লোৱাৰ আৰ্হিৰ মূল্যায়ন কৰে, বিত্তীয় দায়বদ্ধতা আইনসমূহৰ অনুপালন মূল্যায়ন কৰে আৰু বিত্তীয় অৱস্থাৰ সূচকৰ সৈতে ইয়াৰ পা�ৰদৰ্শিতা তুলনা কৰে।

পূৰ্বৰ বিত্তীয় বৰ্ষৰ তুলনাত বিত্তীয় বৰ্ষ 2024-25ত জি এছ ডি পি-ৰ 13.07 শতাংশ বৃদ্ধিৰে অসমৰ অৰ্থনীতিয়ে মধ্যমীয়া বৃদ্ধিৰ হাৰ দেখুৱাইছে। ভাৰতৰ জি ডি পি-ত ৰাজ্যই 1.95 শতাংশ অৰিহণা যোগাইছিল। এই অৱদানে বিগত পাঁচ বছৰত বৃদ্ধি পোৱা ধাৰা দেখুৱাইছে, যিটো ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক ফলাফলৰ বাবে এক ইতিবাচক লক্ষণ। আমি পৰ্যবেক্ষণ কৰিছিলো যে বিত্তীয় বৰ্ষ 2024-25ৰ সময়ছোৱাত ৰাজ্যৰ ৰাজহ প্ৰাপ্তি 5.87 শতাংশ বৃদ্ধি পাইছে, যিটো মূলতঃ কেন্দ্ৰীয় কৰ আৰু শুল্কত ৰাজ্যৰ অংশীদাৰিত্ব বৃদ্ধি, অধিক কৰ সংগ্ৰহ, বিশেষকৈ এছ জি এছ টি-ৰ অধীনত হৈছিল। কিন্তু ৰাজ্যখনৰ কৰ বহিৰ্ভূত ৰাজহ 9.34 শতাংশ হ্ৰাস পাইছে, আৰু কেন্দ্ৰৰ পৰা অনুদানো হ্ৰাস পাইছে। ৰাজ্যখনৰ নিজা ৰাজহৰ প্ৰদৰ্শন উন্নত হৈছে যদিও কেন্দ্ৰৰ পৰা প্ৰাপ্ত সহায়ক অনুদানৰ ওপৰত নিৰ্ভৰশীলতা যথেষ্ট হৈয়ে আছে।

বছৰটোৰ ভিতৰত ৰাজ্যখনৰ ব্যয়ৰ ক্ষেত্ৰত ব্যয়ৰ মধ্যমীয়া বৃদ্ধি (6.10 শতাংশ) বিশেষকৈ প্ৰতিশ্ৰুতিবদ্ধ ব্যয় আৰু ৰাজসাহায্য (টি ই-ৰ 51.35 শতাংশ আৰ ই-ৰ 64.93 শতাংশ আৰু আৰ আৰ-ৰ 66.93 শতাংশ)ৰ প্ৰভাৱ আছিল। কিন্তু বিগত পাঁচ বছৰৰ ভিতৰত প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ হেঁচা বৃদ্ধি পোৱাৰ পিছতো ৰাজ্যখনে বিত্তীয় নমনীয়তাৰ এক সামঞ্জস্যপূৰ্ণ স্তৰ বজাই ৰাখিবলৈ সক্ষম হৈছিল, যদিও বিবেচনাধীন আৰু উন্নয়নমূলক ব্যয়ৰ সম্প্ৰসাৰণৰ পৰিসৰ সীমিত আছিল। মূলধনী ব্যয়, বিগত পাঁচ বছৰৰ ভিতৰত, অস্থিৰ আৰু বাজেট স্তৰৰ তলত (বিত্তীয় বৰ্ষ 2021-22ৰ বাহিৰে) আছিল, যিয়ে আন্তঃগাঁথনি বিনিয়োগৰ বাধাসমূহ প্ৰতিফলিত কৰে। ৰাজসাহায্য, চলিত বৰ্ষৰ ভিতৰত, মূলতঃ বিদ্যুৎ ৰাজসাহায্যৰ বাবে তীব্ৰভাৱে বৃদ্ধি পাইছে (124.63 শতাংশ),। ফলত ৰাজ্যখনে ৰাজ্যিক এফ আৰ বি এম আইনখনৰ লক্ষ্য স্তৰৰ ভিতৰত ৰাজহ আৰু বিত্তীয় ঘাটি বজাই ৰাখিব নোৱাৰিলে, যাৰ ফলত বিত্তীয় একত্ৰীকৰণৰ সুবিধা কম হৈছিল। যদিও বাকী থকা দায়বদ্ধতাসমূহ সংখ্যাগত লক্ষ্যৰ ভিতৰত আছিল, ইয়াক প্ৰত্যাভূতিৰ জৰিয়তে বাকী থকা বাজেট বৰ্হিভূত ঋণ আৰু আকস্মিক দায়বদ্ধতা বৃদ্ধিৰ পৰিপ্ৰেক্ষিত চোৱাটো প্ৰয়োজন। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে এছ ডি আৰ এফ, এছ ডি এম এফ, এন পি এছ আদিৰ ক্ষেত্ৰত চৰকাৰৰ কম অৱদানৰ ক্ষেত্ৰতো উল্লেখযোগ্য পৰিমানৰ পালন নকৰা দায়বদ্ধতা সৃষ্টি কৰিছিল, যি 2024-25 বিত্তীয় বৰ্ষত 3,282.83 কোটি টকা (টি ই-ৰ 2.60 শতাংশ) আছিল।

বিভিন্ন প্ৰতিবেদনৰ জৰিয়তে হিচাপ পৰীক্ষাই ইতিমধ্যে কৰ ৰাজহৰ বকেয়া আদায় কৰা, কৰসমূহৰ অনুসৰণৰ বিপদ হ্ৰাস কৰা, এছ পি এছ ইসমূহত কৰা মূলধনী বিনিয়োগসমূহ পুনৰ ব্যৱহাৰ আৰু ৰাজহ বৃদ্ধিৰ লগত সংগতি ৰাখি ব্যয়ৰ যুক্তিসংগতকৰণৰ ক্ষেত্ৰত ৰাজ্যই ল'বলগীয়া বৰ্ধিত প্ৰচেষ্টাসমূহৰ ওপৰত আলোকপাত কৰিছে।

বিত্তীয় বৰ্ষটোত ৰাজহ/ মূলধন, 34টা অনুদান আৰু এটা ব্যয়ৰ ধাৰ্য আৰু গৃহীত ধাৰাত বৃহৎ পৰিসৰৰ সঞ্চয় (প্ৰতিটো ক্ষেত্ৰতে 100 কোটি টকাতকৈ অধিক) আৰু এটা অনুদানৰ ৰাজহ-গৃহীত কৰা অংশত অতিৰিক্ত হোৱাৰ সাক্ষী হৈ থাকিল। বিত্তীয় বৰ্ষ 2024-25ত 604.40 কোটি টকাৰ অতিৰিক্ত ব্যয়ৰ বাবে বিধানসভাৰ

দ্বাৰা নিয়মীয়াকৰণৰ প্ৰয়োজন আছে। ব্যৱহাৰৰ প্ৰমাণপত্ৰ দাখিল কৰাত পলম হোৱাৰ ফলতো উদ্বেগ সৃষ্টি হয়, ইয়াৰে কিছুমান 2005-06 চনৰ, বিভাগীয় প্ৰতিষ্ঠান আৰু স্বায়ত্তশাসিত সংস্থাসমূহৰ বাবে হিচাপ বাকী থকা, আৰু বিত্তীয় প্ৰতিবেদনত স্বচ্ছতাক প্ৰভাৱিত কৰা গৌণ শিতান 800-অন্যান্য প্ৰাপ্তি/ ব্যয়ৰ যথেষ্ট ব্যৱহাৰ হৈছিল। বাজেট বৰ্হিভূত ঋণৰ আশ্ৰয় লোৱাটোৱে বাজেটত সাৰ্বজনীনতা আৰু ঐক্য বজাই ৰখাত বাধাৰ সৃষ্টি কৰিছিল। পুঁজি, অৰ্থাৎ এ আই এফ এ নিক্ষেপ নিধি চৰকাৰী একাউণ্টৰ বাহিৰত ৰখা হৈছিল যিয়ে ভাৰতৰ সংবিধানৰ 266 নং অনুচ্ছেদৰ বিধান উলংঘা কৰে।

প্ৰতিবেদনত কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহত উন্নত পুঁজি অনুসৰণৰ বাবে একক ন'ডেল এজেন্সী (এছ এন এ) আৰু এছ এন এ-স্পৰ্শ ৰূপায়ণৰ দৰে ইতিবাচক পদক্ষেপসমূহ উল্লেখ কৰা হৈছে। কিন্তু এই ব্যৱস্থাসমূহলৈ সম্পূৰ্ণ হস্তান্তৰ বাকী আছে। ভাল দিশসমূহ আছিল, সহায়ক অনুদানৰ পৰা ব্যয়ক 2023-24 চনত 5,658.63 কোটি টকাৰ পৰা 2024-25 চনত 30.96 কোটি টকালৈ মূলধনী ব্যয় হিচাপে ভুল শ্ৰেণীবিভাজনত হোৱা উল্লেখযোগ্য হ্ৰাস জুলাই 2024ৰ পৰা ই-খাজনা সেৱা আৰম্ভ কৰা, যাৰ ফলত নাগৰিকে নিজৰ ভূমিৰ ৰাজহ অনলাইনযোগে সুবিধাজনকভাৱে পৰিশোধ কৰিব পাৰিব।

বৰ্ধিত ঋণৰ বোজা, অধিক প্ৰতিশ্ৰুতিবদ্ধ ব্যয়, আৰু সীমিত মূলধনী বিনিয়োগে বিত্তীয় বহনক্ষমতাৰ বিষয়ে উদ্বেগ সৃষ্টি কৰে। দীৰ্ঘম্যাদী বিত্তীয় অৱস্থা নিশ্চিত কৰিবলৈ ৰাজহ বৃদ্ধি, উন্নত ব্যয় নিয়ন্ত্ৰণ, আৰু গাঁথনিগত সংস্কাৰৰ প্ৰয়োজন আছে। সময়মতে হিচাপ-নিকাচ আৰু প্ৰতিবেদন দাখিল কৰাটো নিশ্চিত কৰি বাজেট বাৰ্হিভূত ঋণ লোৱাত স্বচ্ছতা বৃদ্ধি কৰিব লাগে। অধিক বিবেচনাপূৰ্ণ বাজেট ব্যৱস্থাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাটো উচিত।

অধ্যায় I

ৰাজ্যিক বিত্তৰ আভাস

অধ্যায় -I: ৰাজ্যিক বিত্তৰ আভাস

এই অধ্যায়ত জনগাঁথনি, অর্থনৈতিক সূচক, আৰু ৰাজ্যৰ বিত্তীয় গাঁথনি সামৰি 2024-25ৰ সময়ছোৱাৰ অসমৰ বিত্তৰ এখন ছবি দাঙি ধৰা হৈছে। এই অধ্যায়ত ধাৰাবাহিক ভাৰসাম্যহীনতা আৰু ঋণৰ ওপৰত নির্ভৰশীলতাক প্রকট কৰি ৰাজহ আৰু ব্যয়, ঋণৰ মাত্রা, আৰু বিত্তীয় ঘাটিৰ ধাৰা বিশ্লেষণ কৰা হৈছে। এই অধ্যায়টোত উচ্চ প্রতিশ্রুতিবদ্ধ ব্যয়, বিনিয়োগৰ ওপৰত কম ৰিটার্ণ, ইত্যাদি প্রত্যাহ্বানসমূহক চিনাক্ত কৰা হৈছে।

1.1 ৰাজ্যখনৰ চমু বিৰৰণ

উত্তৰ-পূব ভাৰতৰ দ্বিতীয় বৃহত্তম ৰাজ্য অসম 78,438 বর্গ কিলোমিটাৰ (দেশৰ মুঠ ভৌগোলিক ক্ষেত্রফলৰ 2.4 শতাংশ) এলেকাত বিস্তৃত আৰু ইয়াত 35খন জিলা আৰু 26,395খন গাঁও আছে। প্রতি বর্গ কিলোমিটাৰত 398 ঘনত্বৰ সৈতে 2011 চনলৈকে ইয়াৰ জনসংখ্যা 3.12 কোটি (ভাৰতৰ মুঠ জনসংখ্যাৰ 2.6 শতাংশ) আছিল। এই খণ্ডত ৰাজ্যখনৰ জনগাঁথনি, জি এছ ডি পি, আৰু ৰাজ্যখনৰ জনমূৰি আয়ৰ এক আভাস দিয়া হৈছে।

1.1.1 ৰাজ্যখনৰ জনগাঁথনি

ৰাষ্ট্রীয় গড়ৰ বিপৰীতে ৰাজ্যখনৰ জনগাঁথনিৰ বিৰৰণ **সাৰণী 1.1**ত উপস্থাপন কৰা হৈছে।

সাৰণী 1.1: ৰাজ্যখনৰ জনগাঁথনিৰ চমু বিৰৰণ

	অসম	ৰাষ্ট্রীয় গড়
গ্রামীন জনসংখ্যা *(শতাংশ); ভাৰতৰ লোকপিয়ল, 2011*	85.90	68.86
নগৰীয়া জনসংখ্যা *(শতাংশ); ভাৰতৰ লোকপিয়ল, 2011*	14.10	31.14
জনসংখ্যা ঘনত্ব *(ভাৰতৰ লোকপিয়ল, 2011)*	398	382
লিংগ অনুপাত, প্রতি 1000 পুৰুষ *(ভাৰতৰ লোকপিয়ল, 2011)*	958	943
প্রতি 1000 জীৱিত জন্মৰ বিপৰীতে শিশুৰ মৃত্যুৰ হাৰ *{নমুনা পঞ্জীয়ন ব্যৱস্থা (এছ আৰ এছ), পৰিসংখ্যা প্রতিবেদন 2023}*	30	25
প্রতি 1000 জীৱিত জন্মৰ বিপৰীতে মাতৃ মৃত্যুৰ হাৰ *(মাতৃ মৃত্যুৰ বুলেটিন 2021-23)*	6	5
মুঠ উর্ৱৰতাৰ হাৰ (ৰাষ্ট্রীয় পৰিয়াল স্বাস্থ্য জৰীপ – *5; 2019-21*)	1.87	1.99
জন্মৰ সময়ত প্রত্যাশিত আয়ুস *(এছ আৰ এছ ভিত্তিক সংক্ষিপ্ত জীৱন সাৰণী 2019-23)*	68.60	70.30
দৰিদ্র সীমাৰেখাৰ তলৰ জনসংখ্যা (দৰিদ্র লোকৰ অনুপাত) *(বহুমাত্রিক দৰিদ্রতা সূচক, 2023, নীতি আয়োগ)*	19.35	14.96
সাক্ষৰতাৰ হাৰ *(সাময়িক শ্রমিক শক্তি জৰীপ-বার্ষিক প্রতিবেদন, 2023-24, এম অ' এছ পি আই)*	87	80.90

1.1.2 ৰাজ্যখনৰ অর্থনীতি

পৰৱর্তী দফাসমূহত আলোচনা কৰা অনুসৰি মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এছ ডি পি) আৰু জনমূৰি আয় ৰাজ্যখনৰ অর্থনীতিৰ গুৰুত্বপূর্ণ সূচক।

1.1.2.1 মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন আৰু জনমূৰি আয়

মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) হৈছে এখন দেশৰ ভিতৰত উৎপাদিত সামগ্ৰী আৰু সেৱাৰ মুঠ মূল্য, আনহাতে ৰাজ্যিক পৰ্যায়ত ইয়াক জি এছ ডি পি-ত জুখিব পাৰি, আৰু দুয়োটাই অৰ্থনৈতিক উন্নয়ন আৰু সামগ্ৰিক অগ্ৰগতি প্ৰতিফলিত কৰে। জি এছ ডি পি আৰু জি ডি পিৰ প্ৰৱণতা **সাৰণী 1.2**ত দিয়া হৈছে। জি এছ ডি পি আৰু জি ডি পিৰ বছৰ অনুযায়ী বৃদ্ধি, আৰু জি ডি পিত জি এছ ডি পিৰ অৱদান **চিত্ৰ তালিকা 1.1**ত দেখুওৱা হৈছে আৰু দেশৰ জনমূৰি আয় (পি চি আই) আৰু ৰাজ্যখনৰ পি চি আই **চিত্ৰ তালিকা 1.2**ত দেখুওৱা হৈছে।

সাৰণী 1.2: ভাৰতৰ জি ডি পি-ৰ তুলনাত জি এছ ডি পিৰ প্ৰৱণতা (চলিত মূল্যত)

বৰ্ষ	2020-21	2021-22	2022-23	2023-24	2024-25
ভাৰতৰ জি ডি পি *(কোটি টকাত)*	1,98,54,096	2,35,97,399	2,68,90,473 (এফ ই)	3,01,22,956 (এফ আৰ ই)	3,30,68,145 (পি ই)
অসমৰ জি এছ ডি পি *(কোটি টকাত)*	3,39,803	4,10,724	4,84,985	5,69,287 (পি ই)	6,43,667 (এ ই)
ভাৰতৰ পি চি আই *(টকাত)*	1,27,244	1,50,906	1,69,145	1,88,892	2,05,324
অসমৰ পি চি আই *(টকাত)*	86,947	1,03,371	1,21,573	1,43,852	1,59,185

উৎস: জি এছ ডি পিৰ বাবে অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয় আৰু জি ডি পিৰ বাবে এম অ' এছ পি আই-ৰ তথ্য। (এফ ই—চূড়ান্ত প্ৰাক্কলন, এফ আৰ ই—প্ৰথম সংশোধিত প্ৰাক্কলন, পি ই- অস্থায়ী প্ৰাক্কলন, এ ই- অগ্ৰিম প্ৰাক্কলন)

চিত্ৰ তালিকা 1.1: জি ডি পি আৰু জি এছ ডি পি-ৰ বছৰৰ পিছত বছৰ ধৰি বৃদ্ধি আৰু জি ডি পি-ত জি এছ ডি পি-ৰ অৱদান



চিত্ৰ তালিকা 1.2: ভাৰত আৰু অসমৰ জনমূৰি আয়



চলিত মূল্যত অসমৰ জি এছ ডি পি 2020-21 চনত 3,39,803 কোটি টকাৰ পৰা 2024-25 চনত 6,43,667 কোটি টকালৈ গড়ে বছৰি 18 শতাংশ উচ্চ হাৰত বৃদ্ধি পাইছিল। এই সময়ছোৱাত জি ডি পিৰ বৃদ্ধিৰ হাৰ জি ডি পি-তকৈ যথেষ্ট অধিক আছিল। জি ডি পি-ত জি ডি পি-ৰ অৱদানো 2020-21 চনত 1.71 শতাংশৰ পৰা 2024-25 চনত 1.95 শতাংশলৈ ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে, যিয়ে ৰাজ্যৰ অৰ্থনীতিৰ বিকাশ দেখুৱাইছে। এই সময়ছোৱাত ৰাজ্যখনৰ জনমূৰি আয় ৰাষ্ট্ৰীয় গড়তকৈ কম হ'লেও 86,947 টকাৰ পৰা 1,59,185 টকালৈ ক্ৰমাগত বৃদ্ধি দেখুৱাইছে।

1.1.2.2 জি এছ ডি পিলৈ খণ্ড অনুযায়ী অৱদান

2024-25ৰ সময়ছোৱাত বিভিন্ন খণ্ডৰ খণ্ড অনুযায়ী অৱদান আৰু যোৱা পাঁচ বছৰত জি এছ ডি পিৰ খণ্ড অনুযায়ী বৃদ্ধি ক্ৰমে **চিত্ৰ তালিকা 1.3** আৰু **চিত্ৰ তালিকা 1.4**ত দেখুওৱা হৈছে।

চিত্ৰ তালিকা 1.3: 2024-25 ৰ খণ্ড অনুসৰি অৱদান



চিত্ৰ তালিকা 1.4 : জি এছ ডি পি-ত খণ্ড অনুসৰি বৃদ্ধি



উৎসঃ জি এছ ডি পিৰ বাবে অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয় আৰু জি ডি পিৰ বাবে এম অ' এছ পি আইৰ তথ্য।

প্ৰধান অৰিহণা যোগোৱা খণ্ডসমূহৰ সন্দৰ্ভত **চিত্ৰ তালিকা 1.5**ত 2024-25 বিত্তীয় বৰ্ষৰ বাবে প্ৰতিটো খণ্ডৰ গঠন দেখুওৱা হৈছে।

চিত্ৰ তালিকা 1.5: খণ্ড অনুযায়ী বিতৰণ, এফ ৰাই 2024-25



উৎস: অসম চৰকাৰৰ অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়

2024-25ৰ সময়ছোৱাত তৃতীয় খণ্ডই অসমৰ জি এছ ডি পিত 38 শতাংশৰ সৈতে সৰ্বাধিক অৱদান যোগাইছিল, তাৰ পিছতে প্ৰাথমিক খণ্ডই 33 শতাংশ আৰু মাধ্যমিক খণ্ডই 20 শতাংশ, আনহাতে বাকী ন শতাংশ নিকা কৰ আৰু ৰাজসাহায্য আছিল। 2020-21[1] চনৰ বিপৰীতে 2024-25 চনৰ খণ্ডগত গঠনৰ তুলনাত দেখা গৈছিল যে কৃষি অংশীদাৰিত্ব যথেষ্ট যদিও ৰাজ্যখন এখন সেৱা-প্ৰধান অৰ্থনীতি। 2020-21 চনৰ তুলনাত 2024-25 চনত সকলো খণ্ডতে খণ্ডগত বৃদ্ধিত তাৰতম্য আছিল, ইয়াৰে প্ৰাথমিক খণ্ডত মূলতঃ কৃষি উৎপাদনৰ সৈতে জড়িত তাৰতম্য প্ৰতিফলিত হৈছিল, মাধ্যমিক খণ্ডত প্ৰতিফলিত হোৱা তাৰতম্য ঔদ্যোগিক উৎপাদনৰ সৈতে সাদৃশ্য আছিল, আৰু তৃতীয় খণ্ডত মহামাৰীৰ পিছত উত্থান দেখা

[1] প্ৰাথমিক খণ্ড: 31 শতাংশ; মাধ্যমিক খণ্ড: 20 শতাংশ; তৃতীয় খণ্ড: 40 শতাংশ; নিকা কৰ আৰু ৰাজসাহায্য: ন শতাংশ

গৈছিল যদিও ইয়াৰ পিছত সেৱা খণ্ড প্ৰশমিত হৈছিল। সামগ্ৰিক ধাৰাটোৱে 2024-25 চনত ব্যাপক কিন্তু অনিয়মীয়া, স্থিৰ আৰু বৰ্ধিত অৰ্থনীতিৰ ইংগিত দিয়ে।

1.1.2.3 মূল বিত্তীয় সূচকসমূহৰ প্ৰৱনতাৰ বিশ্লেষণ (2015-16ৰ পৰা 2024-25লৈ)

অসমৰ মূল বিত্তীয় সূচকসমূহৰ বিশ্লেষণৰ সন্দৰ্ভত 10 বছৰৰ (2015-16ৰ পৰা 2024-25) এটা ধাৰা তলত দিয়া হৈছে।

চিত্ৰ তালিকা 1.6: মুখ্য বিত্তীয় সূচকৰ ধাৰা





উৎস: বিত্ত হিচাপ আৰু অৰ্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়

1.1.3 বিত্তীয় স্থিতিৰ সংক্ষিপ্ত বিৱৰণ

সাৰণী 1.3ত 2024-25 বৰ্ষৰ বাজেট প্ৰাক্কলন (বি ই), সংশোধিত প্ৰাক্কলন (আৰ ই) আৰু জি এছ ডি পিৰ বিপৰীতে 2023-24 আৰু 2024-25 বৰ্ষৰ অসম চৰকাৰৰ প্ৰকৃত বিত্তীয় ফলাফলৰ সবিশেষ দেখুওৱা হৈছে।

সাৰণী 1.3: বিত্তীয় স্থিতিৰ সংক্ষিপ্ত বিৱৰণ

(কোটি টকাত)

ক্ৰ নং	উপাদান	2023-24 (প্ৰকৃত)	2024-25 (বি ই)	2024-25 (আৰ ই)	2024-25 (প্ৰকৃত)	বি ই অনুপাতে প্ৰকৃতৰ শতাংশ	অনুপাতে প্ৰকৃতৰ শতাংশ
1	কৰ ৰাজহ	63,508.69	74,148.42	74,402.18	70,306.13	94.82	10.92
(i)	*নিজা কৰ ৰাজহ*	*28,178.12*	*34,148.36*	*34,148.36*	*30,052.36*	*88.01*	*4.67*
(ii)	ৰাজ্যিক কৰ/ শুল্কৰ অংশ	*35,330.57*	*40,000.06*	*40,253.82*	*40,253.77*	*100.63*	*6.25*
2	অনা কৰ ৰাজহ	5,902.90	8,871.28	8,854.02	5,351.70	60.33	0.83
3	সহায়ক অনুদান অৱদান	22,122.90	28,924.14	28,949.14	21,250.08	73.47	3.30
4	**ৰাজহ প্ৰাপ্তি (1+2+3)**	**91,534.49**	**1,11,943.84**	**1,12,205.34**	**96,907.91**	**86.57**	**15.06**
5	ঋণ আৰু অগ্ৰিম আদায়	3,282.45	2,221.03	2,270.76	879.30	39.59	0.14
6	অন্যান্য প্ৰাপ্তি	0.00	0.00	0.00	0.00	--	0.00
7	ঋণ আৰু অন্যান্য দায়বদ্ধতা *	20,854.69	22,534.03	37,004.90	28,529.52	126.61	4.43
8	**মূলধনী প্ৰাপ্তি (5+6+7)**	**24,137.14**	**24,755.06**	**39,275.66**	**29,408.82**	**118.80**	**4.57**
9	**মুঠ প্ৰাপ্তি (4+8)**	**1,15,671.63**	**1,36,698.90**	**1,51,481.00**	**1,26,316.73**	**92.41**	**19.62**

ক্ৰ নং	উপাদান	2023-24 (প্ৰকৃত)	2024-25 (বি ই)	2024-25 (আৰ ই)	2024-25 (প্ৰকৃত)	বি ই অনুপাতে প্ৰকৃতৰ শতাংশ	অনুপাতে প্ৰকৃতৰ শতাংশ
10	**ৰাজহ ব্যয়**	**94,162.90**	**1,10,091.86**	**1,17,572.93**	**99,907.96**	**90.75**	**15.52**
11	সুত পৰিশোধ	8,139.17	9,597.38	9,687.38	9,467.75	98.65	1.47
12	মূলধনী ব্যয়	21,444.23	26,595.58	33,896.60	26,404.20	99.28	4.10
13	বিতৰণ কৰা ঋণ আৰু অগ্ৰিম	64.50	11.47	11.47	4.57	39.84	0.00
14	**মুঠ ব্যয় (10+12+13)**	**1,15,671.63**	**1,36,698.91**	**1,51,481.00**	**1,26,316.73**[2]	**92.41**	**19.62**
15	**ৰাজহ ঘাটি (-)/লাভ (+) (4-10)**	**-2,628.41**	**1,851.98**	**-5,367.59**	**-3,000.05**[3]	**-161.99**	**-0.47**
16	**বিত্তীয় ঘাটি {(4+5+6)-14}**	**-20,854.69**	**-22,534.04**	**-37,004.90**	**-28,529.52**	**126.61**	**-4.43**
17	**প্ৰাথমিক ঘাটি (16+11)**	**-12,715.52**	**-12,936.66**	**-27,317.52**	**-19,061.77**[4]	**147.35**	**-2.96**

উৎস: বিত্তীয় হিচাপ আৰু বাজেট নথিপত্ৰ

** ঋণ আৰু অন্যান্য দায়বদ্ধতা: নিকা ৰাজহুৱা ঋণ (প্ৰাপ্তি - বিতৰণ) + নিকা আকস্মিক পুঁজি + নিকা ৰাজহুৱা হিচাপ (প্ৰাপ্তি - বিতৰণ) + আৱণ্টি আৰু সামৱণি নগদ উদ্বৃত্ত।*

2020-21ৰ পৰা 2024-25 চনলৈকে ৰাজ্য চৰকাৰৰ বিত্তৰ সবিশেষ ***পৰিশিষ্ট 1.1***ত দিয়া হৈছে।

1.1.4 পুঁজিৰ উৎস আৰু ব্যয়

চলিত বৰ্ষত ৰাজ্যৰ পুঁজিৰ উৎস আৰু ব্যয়ৰ উপাদানসমূহৰ তুলনা **চিত্ৰ তালিকা 1.7**ত দিয়া হৈছে।

চিত্ৰ তালিকা 1.7: 2024-25 চনৰ ভিতৰত পুঁজিৰ[5] উৎস আৰু ব্যয়ৰ সবিশেষ

(কোটি টকাত)



উৎস: বিত্ত হিচাপ

পৰিশিষ্ট 1.2ত চলিত বৰ্ষৰ লগতে পূৰ্বৰ বছৰৰ ৰাজ্যখনৰ প্ৰাপ্তি আৰু বিতৰণ আৰু সামগ্ৰিক বিত্তীয় স্থিতিৰ বিৱৰণ দিয়া হৈছে।

[2] শিক্ষাৰ বাবে 22,262.22 কোটি টকা আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণৰ বাবে 6,399.23 কোটি টকা ব্যয় অন্তৰ্ভুক্ত কৰা হৈছে।

[3] হিচাপ পৰীক্ষাৰ পিছৰ সময়ৰ সমন্বিত ৰাজহ ঘাটি হৈছে (-) 3,090.85 কোটি টকা

[4] হিচাপ পৰীক্ষাৰ পিছৰ সমন্বিত প্ৰাথমিক ঘাটি হৈছে (-) 19,061.77 টা

[5] একত্ৰিত নিধি (প্ৰকৃত অগ্ৰিম আৰু অৰ্থোপায়)

1.1.5 চৰকাৰৰ সম্পত্তি আৰু দায়বদ্ধতাৰ সংক্ষিপ্ত স্থিতি

চৰকাৰী হিচাপত চৰকাৰৰ আৰ্থিক দায়বদ্ধতা, আৰু ব্যয়ৰ পৰা সৃষ্টি হোৱা সম্পত্তিসমূহৰ বিৱৰণ থাকে। ***পৰিশিষ্ট 1.3***ত পূৰ্বৰ বছৰৰ দায়বদ্ধতা আৰু সম্পত্তিৰ বিৱৰণৰ বিপৰীতে 31 মাৰ্চ 2025ৰ সংশ্লিষ্ট স্থিতিৰ বিমূর্ত বিৱৰণ দিয়া হৈছে। দায়বদ্ধতাসমূহত মূলতঃ অভ্যন্তৰীণ ঋণ, ভাৰত চৰকাৰৰ পৰা প্ৰাপ্ত ঋণ আৰু অগ্ৰিম, ৰাজহুৱা হিচাপ আৰু সংৰক্ষিত পুঁজিৰ পৰা প্ৰাপ্ত পুঁজি অন্তর্ভূক্ত থাকে। সম্পত্তিসমূহত মূলতঃ মূলধনী ব্যয়, আৰু ৰাজ্য চৰকাৰে দিয়া ঋণ আৰু অগ্ৰিম ধন আৰু নগদ উদ্বৃত্ত অন্তর্ভূক্ত থাকে। 2023-24 আৰু 2024-25 বিত্তীয় বৰ্ষৰ সম্পত্তি আৰু দায়বদ্ধতাৰ সংক্ষিপ্ত স্থিতি **সাৰণী 1.4**ত দিয়া হৈছে।

সাৰণী 1.4: সম্পত্তি আৰু দায়বদ্ধতাৰ সংক্ষিপ্ত স্থিতি

(কোটি টকাত)

দায়বদ্ধতা					সম্পত্তি				
		2023-24	**2024-25**	*শতাংশ* বৃদ্ধি/ হ্ৰাস			**2023-24**	**2024-25**	*শতাংশ* বৃদ্ধি/ হ্ৰাস
একত্রিত নিধি									
A	অভ্যন্তৰীণ ঋণ	1,11,972.66	1,27,718.02	14.06	A	মুঠ মূলধনী ব্যয়	1,40,980.13	1,67,384.33	18.73
B	ভাৰত চৰকাৰৰ পৰা প্ৰাপ্ত ঋণ আৰু অগ্ৰিম	14,417.67	22,152.08	53.65	B	ঋণ আৰু অগ্ৰিম	3,345.54	2,470.82	-26.15
আকস্মিক নিধি		**2,000**	**2,000**	**0**	-				
ৰাজহুৱা হিচাপ									
A	ক্ষুদ্র সঞ্চয়, ভৱিষ্য নিধি, ইত্যাদি।	14,376.34	13,907.73	-3.26	A	বিভাগীয় বিষয়াৰ সৈতে অগ্ৰিম	3,840.81	3,840.81	0
B	জমা	4,517.36	5,869.78	29.94	B	প্ৰেৰণ	880.23	915.68	4.03
C	সংৰক্ষিত পুঁজি	7,453.60	10,110.70	35.65	C	স্থগিত আৰু বিবিধ	760.67	624.59	-17.89
D	প্ৰেৰণ	--	--	--	**নগদ উদ্বৃত্ত (নির্দিষ্ট পুঁজিত বিনিয়োগকে ধৰি)**		**9,882.75**	**10,374.53**	**4.98**
E	স্থগিত আৰু বিবিধ	--	--	--	**মুঠ**		**1,59,690.13**	**1,85,610.76**	**16.23**
	-				**ৰাউণ্ডিং-অফৰ বাবে পার্থক্য**		--	--	--
	চৰকাৰী হিচাপত ৰাহি	**4,952.50**	**3,852.45**	**-22.21**	**ৰাজহ হিচাপত ঘাটি**		--	--	--
মুঠ		**1,59,690.13**	**1,85,610.76**	**16.23**			**1,59,690.13**	**1,85,610.76**	**16.23**

উৎস:সংশ্লিষ্ট বছৰৰ বিত্তীয় হিচাপ

1.2 ৰাজ্যৰ একত্রিত নিধি

ৰাজ্য চৰকাৰে লাভ কৰা সকলো ৰাজহ, ৰাজ্য চৰকাৰে লোৱা সকলো ঋণ, ভাৰতীয় ৰিজাৰ্ভ বেংকে প্রদান কৰা অর্থোপায় অগ্রিম আৰু ঋণ পৰিশোধৰ বাবে ৰাজ্য চৰকাৰে লাভ কৰা সকলো ধন ৰাজ্যৰ একত্রিত নিধিৰ অংশ।

1.2.1 ৰাজহ প্রাপ্তি

পাঁচ বছৰৰ সময়ছোৱাত (2020-25) মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এছ ডি পি) অনুপাতে ৰাজহ প্রাপ্তিৰ ধাৰা আৰু বৃদ্ধি **সাৰণী 1.5**ত দেখুওৱা হৈছে।

সাৰণী 1.5: ৰাজহ প্রাপ্তিৰ ধাৰা

(কোটি টকাত)

মাপকাঠী	2020-21	2021-22	2022-23	2023-24	2024-25
ৰাজহ প্রাপ্তি	**64,902.19**	**79,815.19**	**89,742.30**	**91,534.49**	**96,907.91**
কৰ ৰাজহ	**35,762.93**	**47,683.65**	**54,196.28**	**63,508.69**	**70,306.13**
নিজা কৰ ৰাজহ	17,133.61	19,533.10	24,502.02	28,178.12	30,052.36
কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজিক অংশ	18,629.32	28,150.55	29,694.26	35,330.57	40,253.77
অনা কৰ ৰাজহ	**2,899.61**	**3,579.75**	**5,761.31**	**5,902.90**	**5,351.70**
ভাৰত চৰকাৰৰ পৰা সহায়ক অনুদান	**26,239.65**	**28,551.79**	**29,784.71**	**22,122.90**	**21,250.08**
ৰাজ্যৰ নিজা ৰাজহ (নিজা কৰ আৰু অনাকৰ ৰাজহ)	20,033.22	23,112.85	30,263.33	34,081.02	35,404.06
জি এছ ডি পি (2011-12 শৃংখলা)	3,39,802.98	4,10,723.56	4,84,984.94	5,69,287.29 (পি ই)	6,43,666.69 (এ ই)
বছৰৰ অনুযায়ী বৃদ্ধিৰ হাৰ (*শতাংশত*)					
ৰাজহ প্রাপ্তি	0.63	22.98	12.44	2.00	5.87
ৰাজ্যৰ নিজা ৰাজহ	-9.22	15.37	30.94	12.61	3.88
জি এছ ডি পি	-2.03	20.87	18.08	17.38	13.07
প্লাৱন অনুপাত[6]					
জি এছ ডি পি-ৰ সন্দর্ভত ৰাজহ উত্থান	*	1.10	0.69	0.11	0.45
জি এছ ডি পি-ৰ সন্দর্ভত ৰাজ্যৰ নিজা ৰাজহ	*	0.74	1.71	0.73	0.30

উৎস: ৰাজহ প্রাপ্তিৰ বাবে বিত্ত হিচাপ আৰু জি এছ ডি পিৰ বাবে অর্থনীতি আৰু পৰিসংখ্যা সঞ্চালকালয়, অসম চৰকাৰ
পি ই: সাময়িক প্রাক্কলন; এ ই: অগ্রিম প্রাক্কলন
**জি এছ ডি পি বৃদ্ধিৰ হাৰ ঋণাত্মক হোৱাৰ বাবে প্লাৱন অনুপাত গণনা কৰা হোৱা নাছিল।*

2020-25ৰ সময়ছোৱাত 2020-21 আৰু 2021-22 বর্ষৰ বাহিৰে বাকী সময়ত অসমৰ ৰাজহ বৃদ্ধিৰ হাৰ অর্থনীতিৰ বৃদ্ধিৰ হাৰতকৈ কম আছিল, যিটো উঠা-নমা কৰা প্লাৱন অনুপাতত প্রতিফলিত হৈছিল। প্রতি বছৰে প্রাপ্তি বৃদ্ধি পাইছিল যদিও যোৱা পাঁচ বছৰৰ তিনিটা বছৰত ই ৰাজ্যখনৰ জি এছ ডি পিতকৈ কম পৰিমাণত বৃদ্ধি পাইছে, যিয়ে জি এছ ডি পি বৃদ্ধিৰ অনুপাতে প্রাপ্তিৰ সীমিত স্থিতিস্থাপকতাৰ ইংগিত দিয়ে। অর্থাৎ অর্থনীতিৰ পৰা উপার্জন হোৱা প্রতি এক টকাৰ বিপৰীতে চৰকাৰে ৰাজহ হিচাপে কম অংশ লাভ কৰিছিল। কৰ আৰু অনা-কৰ উৎসসমূহকে ধৰি ৰাজ্যৰ নিজা আয়ৰ উৎসসমূহে অসমান বৃদ্ধিৰ ধাৰা দেখুৱাইছে, যি 2020-21 চনত হ্রাস পোৱাৰ পিছত 2022-23 চনলৈকে মহামাৰীৰ পিছত উত্থান আৰু পৰৱর্তী দুবছৰত মন্থৰতা দেখুৱাইছিল, যি ৰাজহ সংগ্রহ শক্তিশালী কৰাৰ বাবে ধাৰাবাহিক প্রচেষ্টাৰ প্রয়োজনীয়তাৰ ইংগিত দিয়ে।

[6] প্লাৱন অনুপাতে ভিত্তি চলকটোৰ এটা নির্দিষ্ট পৰিৱর্তনৰ সৈতে বিত্তীয় চলকৰ সঁহাৰিৰ মাত্রা সূচায়।

জি এছ ডি পিৰ শতাংশ হিচাপে ৰাজহ প্ৰাপ্তি আৰু ৰাজহৰ বিভিন্ন উৎসৰ অৱদান **চিত্ৰ তালিকা 1.8** আৰু **চিত্ৰ তালিকা 1.9**ত দিয়া হৈছে।

চিত্ৰ তালিকা 1.8: জি এছ ডি পি-ৰ শতাংশ হিচাপে ৰাজহ লাভ



চিত্ৰ তালিকা 1.9: ৰাজহ প্ৰাপ্তিত অৱদান



উৎস: বিত্ত হিচাপ

জি এছ ডি পি-ৰ শতাংশ হিচাপে 2020-21 চনত 19.10 শতাংশৰ পৰা 2024-25 চনত 15.06 শতাংশলৈ প্ৰশমিত ৰাজহ প্ৰাপ্তিৰ ধাৰাই ৰাজ্যৰ অৰ্থনীতিৰ আকাৰৰ তুলনাত দুৰ্বল ৰাজহ আহৰণৰ প্ৰচেষ্টাৰ ইংগিত দিয়ে। প্ৰাপ্তিৰ গঠনৰ পৰা বুজা যায় যে কেন্দ্ৰীয় কৰত ৰাজ্যৰ অংশীদাৰিত্বৰ ওপৰত অধিক নিৰ্ভৰশীলতা বৃদ্ধি পাইছে, আনহাতে ভাৰত চৰকাৰৰ পৰা সাহাৰ্য্যৰ পৰিমাণ এই সময়ছোৱাত প্ৰায় আধালৈ হ্ৰাস পাইছে। ইয়াৰ দ্বাৰা কেন্দ্ৰীয় হস্তান্তৰৰ ওপৰত নিৰ্ভৰশীলতা ক্ৰমান্বয়ে হ্ৰাস পোৱাৰ ইংগিত পোৱা যায় যদিও নিজা কৰ আৰু অনা-কৰ ৰাজহ মুঠ প্ৰাপ্তিৰ প্ৰায় এক তৃতীয়াংশহে, যিয়ে সীমিত আভ্যন্তৰীণ ৰাজহ সংগ্ৰহৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সেয়েহে বিত্তীয় স্থিতিশীলতা বজাই ৰাখিবলৈ নিজা কৰ আৰু অনা-কৰ ৰাজহ বৃদ্ধি কৰাৰ প্ৰয়োজন যাতে বৰ্ধিত প্ৰাপ্তিয়ে জি এছ ডি পি সম্প্ৰসাৰণৰ সৈতে সামঞ্জস্যতা বজাই ৰাখিব পাৰে।

A. ৰাজ্যৰ নিজা সম্পদ

চিত্ৰ তালিকা 1.10: ৰাজ্যৰ নিজা ৰাজহৰ বিৱৰণ



(i) নিজা কৰ ৰাজহ

নিজা কৰ ৰাজহ হ'ল ৰাজ্য চৰকাৰে কৰৰ যোগেদি সংগ্ৰহ কৰা ৰাজহ, যাক সংবিধানৰ অধীনত আৰোপ কৰাৰ ক্ষমতা প্ৰদান কৰা হৈছে। 2023-24 বিত্তীয় বৰ্ষৰ বাবে প্ৰকৃত, আৰু 2024-25 বিত্তীয় বৰ্ষৰ বাজেট প্ৰাক্কলন (বি ই), সংশোধিত প্ৰাক্কলন (আৰ ই), নিজা কৰ ৰাজহৰ প্ৰকৃত তথ্য **সাৰণী 1.6**ত দিয়া হৈছে আৰু

2024-25 বিত্তীয় বর্ষৰ বাবে প্রকৃতৰ গঠন **চিত্র তালিকা 1.11**ত দিয়া হৈছে।

সাৰণী 1.6: নিজা কৰ ৰাজহ: 2023-24 (প্রকৃত) আৰু 2024-25 (বি ই, আৰ ই আৰু প্রকৃত)

(টকা টকাত)

কৰ ৰাজহ	2023-24 (প্রকৃত)	2024-25 (বি ই)	2024-25 (আৰ ই)	2024-25 (প্রকৃত)
ৰাজ্যিক সামগ্রী আৰু সেৱা কৰ (এছ জি এছ টি)	14,653.64	17,237.96	17,499.52	15,533.82
বিক্রী, বাণিজ্য আদিৰ কৰ	7,462.99	8,718.00	8,711.19	7,864.21
ৰাজ্যিক আৰকাৰী	3,038.67	4,100.82	4,240.88	3,610.34
ভূমি ৰাজহ	333.63	228.24	366.99	160.59
মোহৰ শুল্ক আৰু পঞ্জীয়ন মাচুল	694.78	1,226.17	1,136.01	649.94
যান বাহনৰ কৰ	1,689.80	2,197.71	1,858.78	1,911.62
অন্যান্য	304.61	439.46	334.99	321.84
মুঠ	**28,178.12**	**34,148.36**	**34,148.36**	**30,052.36**

উৎস: ৰাজ্যৰ বিত্ত হিচাপ আৰু বাজেটৰ নথি

2024-25ৰ সময়ছোৱাত ৰাজ্যৰ নিজা কৰ ৰাজহ 30,052.36 কোটি টকা আছিল, যি পূর্বৰ বছৰৰ 28,178.12 কোটি টকাৰ তুলনাত 1,874.24 কোটি টকা (6.65 শতাংশ) অধিক আছিল। কিন্তু, ই 34,148.36 কোটি টকাৰ বাজেট আৰু সংশোধিত প্রাক্কলনতকৈ 4,006 কোটি টকা (11.99 শতাংশ) কম আছিল, যিয়ে লক্ষ্যভিত্তিক আদায়ৰ ক্ষেত্রত ঘাটিৰ ইংগিত দিয়ে।

চিত্র তালিকা 1.11: 2024-25ৰ নিজা কৰ ৰাজহৰ উপাদান

(কোটি টকাত)



উৎস: বিত্ত হিচাপ

2020-21 চনৰ পৰা 2024-25 চনলৈকে নিজা কৰ ৰাজহ আৰু ইয়াৰ উপাদানসমূহৰ ধাৰা ক্ৰমে **চিত্ৰ তালিকা 1.12** আৰু **চিত্ৰ তালিকা 1.13**ত দেখুওৱা হৈছে।

চিত্ৰ তালিকা 1.12: বিত্তীয় বৰ্ষ 2020-21ৰ পৰা 2024-25ৰ নিজা কৰ ৰাজহৰ ধাৰা



উৎস:বিত্ত হিচাপ

ৰাজ্যৰ নিজা কৰ ৰাজহে 2020-21 চনত 17,133.61 কোটি টকাৰ পৰা 2024-25 চনত 30,052.36 কোটি টকালৈ ধাৰাবাহিক ঊৰ্ধমুখী ধাৰা প্ৰদৰ্শন কৰিছে, যিয়ে ৰাজহ সংগ্ৰহত অবিৰত বৃদ্ধি প্ৰতিফলিত কৰে। কিন্তু জি এছ ডি পিৰ শতাংশ হিচাপে নিজা কৰ ৰাজহে নিম্নগামী ধাৰা দেখুৱাইছে, যি 2020-21 চনত 5.04 শতাংশৰ পৰা 2024-25 চনত 4.67 শতাংশলৈ হ্ৰাস পাইছিল যিটোৱে ইংগিত দিয়ে যে ৰাজহ বৃদ্ধিয়ে ৰাজ্যিক অৰ্থনীতিৰ সম্প্ৰসাৰণৰ সৈতে খোজ মিলাব পৰা নাছিল।

চিত্ৰ তালিকা 1.13: ৰাজ্যৰ নিজা কৰ ৰাজহৰ মূখ্য উপাদানসমূহ

(কোটি টকাত)





উৎস: বিত্তীয় হিচাপ

2020-21ৰ পৰা 2024-25ৰ সময়ছোৱাত ৰাজ্যৰ নিজা কৰ ৰাজহৰ গঠনত দেখা গৈছে যে ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (এছ জি এছ টি) প্ৰধান উৎস, যি 2020-21 চনত 8,549.02 কোটি টকাৰ পৰা 2024-25 চনত 15,533.82 কোটি টকালৈ ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। ইয়াৰ পিছতে আছে বিক্ৰী, বাণিজ্য আদিৰ ওপৰত কৰ, যি এই সময়ছোৱাত 5,070.97 কোটি টকাৰ পৰা 7,864.21 কোটি টকালৈ বৃদ্ধি পাইছে। অন্যান্য উপাদানসমূহৰ লগতে ৰাজ্যিক আৱকাৰী আৰু বাহনৰ ওপৰত কৰ যথেষ্ট বৃদ্ধি পাইছে, যি উপভোক্তা আৰু পৰিবহণ খণ্ডত সংগ্ৰহৰ কাৰ্যক্ষমতা আৰু মহামাৰীৰ পিছৰ পুনৰুদ্ধাৰ প্ৰতিফলিত কৰিছে। ইয়াৰ বিপৰীতে মোহৰ আৰু পঞ্জীয়ন মাচুলৰ উঠা-নমা হৈছিল, যি 2022-23 চনত সৰ্বাধিক 851.51 কোটি টকা হোৱাৰ পিছতপ্ৰশমিত হৈছিল। ভূমি ৰাজহ, অন্যান্য কৰ, আৰু সামগ্ৰী আৰু যাত্ৰীৰ ওপৰত কৰে মিশ্ৰিত প্ৰদৰ্শনৰ সৈতে মুঠ ৰাজহত সামান্য অৰিহণা যোগাইছিল।

2023-24ৰ তুলনাত 2024-25ৰ সময়ছোৱাত নিজা কৰ ৰাজহৰ পৰিৱৰ্তন মূলতঃ তলত উল্লেখ কৰা কাৰণসমূহৰ বাবে হৈছিল:

- এছ জি এছ টিৰ সুত আৰু জৰিমনা উপাদান বৃদ্ধি আৰু কৰৰ অধীনত ৰাজহ সংগ্ৰহে এছ জি এছ টি ৰাজহ বৃদ্ধিত অৰিহণা যোগাইছিল।
- মূল্য সংযোজিত কৰ (ভেট)ৰ অধীনত প্ৰাপ্তি বৃদ্ধিৰ ফলত বিক্ৰী, বাণিজ্য আদিৰ ওপৰত কৰ বৃদ্ধি পায়।
- ৰাজ্যিক আৱকাৰীৰ অধীনত ৰাজহ বৃদ্ধি পোৱাৰ কাৰণ আছিল সুৰাজাতীয় সামগ্ৰী, আফিং, আৰু অন্যান্য বিবিধ প্ৰাপ্তিৰ অধীনত উন্নত সংগ্ৰহ।
- বাহনৰ কৰৰ অধীনত প্ৰাপ্তি মূলতঃ ভাৰতীয় যান-বাহন আইনৰ অধীনত প্ৰাপ্তি সংগ্ৰহ আৰু অন্যান্য বিবিধ প্ৰাপ্তিৰ বাহে বৃদ্ধি হৈছিল।
- ভূমি ৰাজহ হ্ৰাস পোৱাৰ মূল কাৰণ আছিল ভূমি ৰাজহৰ, ভূমি, জৰীপ আৰু নিষ্পত্তি পৰিচালনাৰ হাৰ আৰু উপকৰ, আৰু অন্যান্য বিবিধ প্ৰাপ্তিৰ অধীনত প্ৰাপ্তি হ্ৰাস হোৱা।
- মোহৰ শুল্ক আৰু পঞ্জীয়ন মাচুল হ্ৰাস পোৱাৰ মূল কাৰণ আছিল মোহৰ বিক্ৰী আৰু অন্যান্য বিবিধ প্ৰাপ্তি আদিৰ অধীনত সংগ্ৰহ হ্ৰাস পোৱা।

অসম মূল্য সংযোজিত কৰ আইন, 2003ৰ অধীনত 2024-25ৰ সময়ছোৱাত অসমৰ কৰ বিভাগে কৰ হাৰ যুক্তিসংগত কৰাৰ বাবে কেইবাটাও ব্যৱস্থা গ্ৰহণ কৰিছিল। 05 জুন 2024ৰ পৰা কাৰ্যকৰী হোৱাকৈ ডিজেলৰ ওপৰত ভেটৰ হাৰ এটকাত 22.19 পইচা বা প্ৰতি লিটাৰত 14.60 টকা, যিটো বেছি হয়, সেই পৰিমানলৈ সংশোধন কৰা হৈছিল আৰু ৰাজ্যৰ ভিতৰত খুচুৰা বিক্ৰীৰ ক্ষেত্ৰত তেল কোম্পানীসমূহক প্ৰতি লিটাৰত 1.50 টকাৰ আংশিক ৰেহাই প্ৰদান কৰা হ'ব। একেদৰে পেট্ৰ'ল আৰু অন্যান্য মটৰ স্পিৰিটৰ ভেটৰ হাৰ এটকাত 23.45 পইচা বা প্ৰতি লিটাৰত 17.80 টকালৈ সংশোধন কৰি, যিটো সৰ্বাধিক হয়, 05 জুন 2024ৰ পৰা কাৰ্যকৰী কৰা হৈছিল আৰু পিছলৈ এটকাত 24.77 পইচা বা প্ৰতি লিটাৰত 18.80 টকালৈ সংশোধন কৰি, যিটো সৰ্বাধিক হয়, 10 অক্টোবৰ 2024ৰ পৰা কাৰ্যকৰী কৰা হৈছিল। ইয়াৰ উপৰিও 06 আগষ্ট 2024ৰ পৰা কাৰ্যকৰী হোৱাকৈ সংকোচিত প্ৰাকৃতিক গেছৰ (চি এন জি) ওপৰত ভেটৰ হাৰ পাঁচ শতাংশলৈ হ্ৰাস কৰা হয়, যাৰ ফলত গ্ৰাহকে সকাহ লাভ কৰে আৰু পৰিষ্কাৰ ইন্ধন ব্যৱহাৰক প্ৰসাৰিত কৰে।

শেহতীয়াকৈ, অসম চৰকাৰৰ আবকাৰী বিভাগে কৰ প্ৰশাসনৰ দক্ষতা বৃদ্ধিৰ বাবে কেতবোৰ ব্যৱস্থাভিত্তিক ব্যৱস্থা ৰূপায়ণ কৰিছে। বিশ্ব বেংকৰ পুঁজিৰে অসম ৰাজ্যিক ৰাজহুৱা বিত্ত প্ৰতিষ্ঠান সংস্কাৰ (এ এছ পি আই আৰ ই) প্ৰকল্পৰ অধীনত লাইচেঞ্চ ব্যৱস্থাপনা, পাৰমিট আৰু পাছ প্ৰদান, আৰু মাচুল আৰু শুল্ক সংগ্ৰহ আদি মূল প্ৰক্ৰিয়াসমূহ ডিজিটেলাইজ কৰিবলৈ অসম আবকাৰী ৰাজহ ব্যৱস্থাপনা ব্যৱস্থা (এ ই আৰ এম এছ) প্ৰস্তুত কৰা হৈছিল। এই ব্যৱস্থাসমূহে প্ৰক্ৰিয়াৰ স্বচ্ছতা শক্তিশালী কৰিছে, হস্তচালিত পৰিচালনা হ্ৰাস কৰিছে, আৰু অনলাইন লেনদেনৰ সুবিধা কৰিছে। নিৰীক্ষণ আৰু অনুপালন অধিক বৃদ্ধি কৰিবলৈ বিভাগে সুৰা উৎপাদন আৰু যোগান শৃংখলত ট্ৰেক এণ্ড ট্ৰেচ ব্যৱস্থা সম্প্ৰসাৰণ কৰিছে। ভাৰতত প্ৰস্তুত বিদেশী সুৰা (আই এম এফ এল) বটলিং প্লাণ্টত এই ব্যৱস্থা কাৰ্যক্ষম হৈ পাইকাৰী আৰু খুচুৰা পৰ্যায়লৈ সম্প্ৰসাৰণ হৈছে। এ ই আৰ এম এছ-ত ডিজিটেল স্বাক্ষৰ বৈশিষ্ট্যই পাৰমিট আৰু পাছ অনলাইনভাৱে জাৰি কৰিবলৈ সক্ষম কৰিছে। অসমত উৎপাদিত সুৰাৰ গুণগত মানৰ পৰিমাপ নিশ্চিত কৰাৰ বাবে গুৱাহাটী বায়'টেক পাৰ্কতো এটা আধুনিক আবকাৰী ৰাসায়নিক পৰীক্ষাগাৰ স্থাপন কৰা হৈছে। এই ব্যৱস্থাসমূহে নিৰীক্ষণ শক্তিশালী কৰিব, অনুপালন উন্নত কৰিব, আৰু স্থায়ী ৰাজহ বৃদ্ধিত সহায় কৰিব বুলি আশা কৰা হৈছে।

ভূমি আৰু কৰ প্ৰশাসনত স্বচ্ছতা বৃদ্ধি কৰিবলৈ আৰু ব্যৱসায় কৰাত সহজতা অনাৰ বাবেও অসম চৰকাৰে উল্লেখযোগ্য ডিজিটেল পদক্ষেপ গ্ৰহণ কৰিছে। জুলাই 2024ৰ পৰা ৰাজ্যজুৰি আৰম্ভ হোৱা ই-খাজানা সেৱাৰ অধীনত (ষষ্ঠ অনুসূচীৰ এলেকা, কাছাৰ, আৰু হাইলাকান্দিৰ বাহিৰে) নাগৰিকে সুবিধাজনকভাৱে নিজৰ ভূমিৰ ৰাজহ অনলাইনযোগে পৰিশোধ কৰিব পাৰিব। এই পদক্ষেপে পট্টাদাৰ আৰু সহ-পট্টাদাৰৰ বাবে ধন পৰিশোধ প্ৰক্ৰিয়া সৰল কৰি তোলে। ইয়াৰ উপৰিও ৰাজ্যখনে জুলাই 2023ৰ পৰা ভৌতিক অ-ন্যায়িক ষ্টাম্প পেপাৰৰ ঠাইত 100% ই-ষ্টাম্পিং প্ৰৱৰ্তন কৰে। লাইচেঞ্চপ্ৰাপ্ত বিক্ৰেতাসকলে এতিয়া ষ্টক হোল্ডিং কৰ্পৰেশ্যন অৱ ইণ্ডিয়া লিমিটেড (এছ এইছ চি আই এল)ৰ অধীনত ই-ষ্টাম্পিং কেন্দ্ৰৰ জৰিয়তে ই-ষ্টাম্পিং সেৱা প্ৰদান কৰে, যিয়ে ডিজিটেলাইজেচন আৰু ষ্টাম্প শুল্কৰ লেনদেনত প্ৰৱঞ্চনামূলক প্ৰথা ৰোধ কৰাৰ দিশত এক ডাঙৰ পদক্ষেপ হিচাপে চিহ্নিত হৈছে।

(ii) অনা-কৰ ৰাজহ

ৰাজ্যৰ অনা-কৰ ৰাজহ বুলিলে ৰাজ্য চৰকাৰে কৰৰ বাহিৰে আন উৎসৰ পৰা প্ৰাপ্ত কৰা ভাড়া, মাচুল, ৰয়েল্টি আৰু অন্যান্য প্ৰাপ্তিক বুজায়।

2023-24 বিত্তীয় বৰ্ষৰ বাবে প্ৰকৃত তথ্য, বাজেট প্ৰাক্কলন (বি ই), সংশোধিত প্ৰাক্কলন (আৰ ই), আৰু 2024-25 বিত্তীয় বৰ্ষৰ বাবে অনা-কৰ ৰাজহৰ প্ৰকৃত তথ্য **সাৰণী 1.7**ত দিয়া হৈছে আৰু 2024-25 বিত্তীয় বৰ্ষৰ বাবে প্ৰকৃত তথ্যৰ গঠন **চিত্ৰ তালিকা 1.14**ত দিয়া হৈছে।

সাৰণী 1.7: মূখ্য অনা-কৰ ৰাজহ: 2023-24 (প্ৰকৃত) আৰু 2024-25 (বি ই, আৰ ই আৰু প্ৰকৃত)

(কোটি টকা)

অনা-কৰ ৰাজহ	2023-24 (প্ৰকৃত)	2024-25 (বি ই)	2024-25 (আৰ ই)	2024-25 (প্ৰকৃত)
সূত প্ৰাপ্তি	828.11	466.10	952.33	216.53
লভ্যাংশ আৰু লাভ	185.10	644.57	212.86	15.00
পেট্ৰ'লিয়াম	3,840.48	5,860.37	5,860.38	3,860.41
বন আৰু বন্যপ্ৰাণী	564.67	1,250.00	1254.80	567.71

অনা-কৰ ৰাজহ	2023-24 (প্ৰকৃত)	2024-25 (বি ই)	2024-25 (আৰ ই)	2024-25 (প্ৰকৃত)
ব্যৱহাৰকাৰীৰ মাচুল[7]	115.80	70.98	133.17	213.50
অন্যান্য	368.74	579.26	440.48	478.55
মুঠ	**5,902.90**	**8,871.28**	**8,854.02**	**5,351.70**

উৎস: বিত্তীয় হিচাপ আৰু ৰাজ্যৰ বাজেট নথি

2024-25 চনত অনা-কৰ ৰাজহত মূখ্য অৰিহণা পেট্ৰলিয়ামে (3,860.41 কোটি টকা) যোগাইছিল। কিন্তু, ৰাজ্যখনৰ অনা-কৰ ৰাজহ 2023-24 চনত 5,902.90 কোটি টকাৰ পৰা 5,351.70 কোটি টকালৈ হ্ৰাস পাইছে, যিটো বাজেট আৰু সংশোধিত প্ৰাক্কলন দুয়োটাতকৈ কম। এই হ্ৰাসৰ মূল কাৰণ হৈছে পূৰ্বৰ বছৰৰ তুলনাত সুত লাভ (216.53 কোটি টকা), লভ্যাংশ আৰু লাভ (15.00 কোটি টকা)ৰ অধীনত সংগ্ৰহ হ্ৰাস হোৱা। বন আৰু বন্যপ্ৰাণীৰ অধীনতো 1,250.00 কোটি টকাৰ বাজেট প্ৰাক্কলনৰ বিপৰীতে প্ৰাপ্তি 567.71 কোটি টকাহে আছিল। কিন্তু, বছৰটোত 70.98 কোটি টকাৰ বাজেট প্ৰাক্কলনৰ বিপৰীতে ব্যৱহাৰকাৰীৰ মাচুল তিনিগুণতকৈও অধিক বৃদ্ধি পাই 213.50 কোটি টকা হৈছিল, যি ৰাজহুৱা সেৱাৰ বাবদ উন্নত মাচুল আদায়ৰ ইংগিত দিয়ে। সামগ্ৰিকভাৱে, মুখ্য শিতানসমূহত হোৱা ঘাটিয়ে অনা-কৰ কম সংগ্ৰহ হোৱা আৰু পেট্ৰ'লিয়াম ৰয়েল্টিৰ দৰে অস্থিৰ উৎসৰ ওপৰত নিৰ্ভৰশীলতাৰ দিশটো আঙুলিয়াই দিয়ে।

চিত্ৰ তালিকা 1.14: 2024-25ৰ সময়ছোৱাত অনা-কৰ ৰাজহৰ উপাদানসমূহ

(কোটি টকাত)



উৎস: বিত্তীয় হিচাপ

2020-21ৰ পৰা 2024-25লৈকে অনা-কৰ ৰাজহ আৰু ইয়াৰ উপাদানসমূহৰ ধাৰা ক্ৰমে **চিত্ৰ তালিকা 1.15** আৰু **চিত্ৰ তালিকা 1.16**ত দেখুওৱা হৈছে।

[7] মুখ্য শিতান 0202, 0210, 0215, 0700, 0701, 1054 আৰু 1452ৰ সৈতে জড়িত শিক্ষা, স্বাস্থ্য, পানী যোগান আৰু অনাময়, জলসিঞ্চন, পৰিবহণ আৰু পৰ্যটনৰ অধীনত সকলো অনা-কৰ ৰাজহ ইউজাৰ চাৰ্জ।

চিত্ৰ তালিকা 1.15: অনা-কৰ ৰাজহৰ ধাৰা



উৎস: বিত্তীয় হিচাপ

2020-21ৰ পৰা 2024-25লৈকে পাঁচ বছৰৰ সময়ছোৱাত ৰাজ্যৰ অনা-কৰ ৰাজহ 2,899.61 কোটি টকাৰ পৰা 5,351.70 কোটি টকালৈ সামগ্ৰিক বৃদ্ধি পঞ্জীয়ন কৰিছে যদিও বছৰৰ পিছত বছৰ ধৰি যথেষ্ট অস্থিৰতা দেখা গৈছিল। 2024-25 চনত হ্ৰাস পোৱাৰ পূৰ্বে 2023-24 চনত এই ৰাজহ 5,902.90 কোটি টকাৰ সৰ্বাধিক পৰ্যায়ত উপনীত হয়। জি এছ ডি পিৰ অংশ হিচাপে অনা-কৰ ৰাজহ 0.83ৰ পৰা 1.19 শতাংশৰ ভিতৰত উঠা-নমা কৰিছিল, 2022-23 চনত শীৰ্ষত উপনীত হোৱাৰ পিছত ক্ৰমান্বয়ে হ্ৰাস পাইছিল, যাৰ পৰা অনুমান কৰিব পাৰি যে অনা-কৰ ৰাজহৰ বৃদ্ধিয়েও অৰ্থনৈতিক সম্প্ৰসাৰণৰ সৈতে খোজ মিলাব পৰা নাই।

চিত্ৰ তালিকা 1.16: ৰাজ্যৰ অনা-কৰ ৰাজহৰ প্ৰধান উপাদানসমূহ

(কোটি টকাত)



বিগত পাঁচ বছৰৰ গোটেই সময়ছোৱাত কৰ বহির্ভূত ৰাজহৰ উপাদান অনুযায়ী ধাৰাৰ আতাইকেইটা শ্রেণীতে ব্যাপক উঠা-নমা দেখা গৈছিল। 2020-21ৰ পৰা 2024-25ৰ সময়ছোৱাত পেট্রˈলিয়ামৰ অধীনত প্রাপ্তিয়ে ব্যাপক উঠা-নমাৰ ধাৰা দেখুৱাইছিল। 2020-21 বর্ষৰ প্রাপ্তি 1,468.55 কোটি টকা আছিল যিটো পূর্বৰ বছৰৰ তুলনাত যথেষ্ট কম আছিল, যি মূলতঃ আন্তঃৰাষ্ট্রীয় খাৰুৱা তেলৰ মূল্য হ্রাস, ক'ভিড-19 মহামাৰীৰ প্রভাৱ, আৰু বাঘজানৰ ঘটনা[৪]ৰ পিছত উৎপাদন কার্যকলাপ স্থগিত ৰখাৰ বাবে হৈছিল। 2021-22ত প্রাকৃতিক গেছৰ অধিক উৎপাদন আৰু ৰয়েলিটিৰ হাৰ বৃদ্ধি হোৱাৰ বাবে প্রাপ্তিৰ পৰিমান 2,505.30 কোটি টকালৈ যথেষ্ট পৰিমানে বৃদ্ধি পাইছিল। খাৰুৱা তেল আৰু প্রাকৃতিক গেছৰ ৰয়েল্টি হাৰ বৃদ্ধিৰ বাবে আৰু লগতে অইল ইণ্ডিয়া লিমিটেড আৰু তেল আৰু প্রাকৃতিক গেছ নিগম লিমিটেডৰ পেট্রলিয়াম খনন পট্টা পুনৰ প্রদান কৰাৰ বাবে, অইলমেক্স এনার্জি প্রাইভেট লিমিটেডে আমগুৰিত উৎপাদনৰ কাম পুনৰ আৰম্ভ কৰাৰ বাবে, আৰু বেদান্ত লিমিটেডে ডিস্কভাৰড স্মল ফিল্ড (ডি এছ এফ)ৰ পৰা উৎপাদন আৰম্ভ কৰাৰ বাবে 2022-23ত প্রাপ্তি 4,087.06 কোটি টকালৈ তীব্রভাৱে বৃদ্ধি পায়। কিন্তু তাৰ পিছৰ বছৰবোৰত বৃদ্ধিৰ পৰিমাণ প্রশমিত হয় আৰু আন্তঃৰাষ্ট্রীয় খাৰুৱা তেলৰ ৰয়েল্টি হাৰ হ্রাস আৰু খাৰুৱা তেল, প্রাকৃতিক গেছ, আৰু সংশ্লিষ্ট খনিজ পদার্থৰ উৎপাদন হ্রাস পোৱাৰ বাবে প্রাপ্তি 2023-24 চনত 3,840.48 কোটি টকা আৰু 2024-25 চনত 3,860.41 কোটি টকালৈ হ্রাস পায়।

বন আৰু বন্যপ্রাণীৰ অধীনত 2023-24 চনত 564.67 কোটি টকাৰ পৰা 2024-25 চনত 567.71 কোটি টকালৈ সামান্য বৃদ্ধি পাইছে। 2023-24 চনত সুত প্রাপ্তি 828.11 কোটি টকাৰ সর্বাধিক শিখৰত উপনীত হৈছিল যদিও 2024-25 চনত 216.53 কোটি টকালৈ হ্রাস পাইছিল, আনহাতে 2022-23 চনৰ পিছত লভ্যাংশ আৰু লাভৰ পৰিমাণ বহু পৰিমাণে হ্রাস পাইছে। অন্যান্য উৎসৰ ভিতৰত 2024-25 চনত অ-লৌহ খননৰ পৰা প্রাপ্তি যথেষ্ট বৃদ্ধি পাই 51.40 কোটি টকা হয়, যিয়ে খনিজ কার্য্যকলাপ বৃদ্ধিৰ প্রতিফলন ঘটায়। ব্যৱহাৰকাৰীৰ মাচুলো ক্রমাগত বৃদ্ধি পাই 2024-25 চনত 213.50 কোটি টকা হয়।

2023-24ৰ তুলনাত 2024-25ত অনা-কৰ ৰাজহৰ পৰিৱর্তন মূলতঃ তলত উল্লেখ কৰা কাৰণসমূহৰ বাবেই হৈছিল:

- সুত প্রাপ্তি হ্রাস পোৱাৰ মূল কাৰণ আছিল ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু অন্যান্য বিবিধ প্রাপ্তিৰ অধীনত সুত কমকৈ সংগ্রহ হোৱা।
- অ-লৌহ খনি আৰু ধাতু উদ্যোগৰ অধীনত সংগ্রহ বৃদ্ধি মূলতঃ মূখ্য আৰু গৌণ খনিজ ৰেহাই মাচুল, ভাড়া আৰু ৰয়েল্টিৰ পৰা হৈছিল।
- লভ্যাংশ আৰু লাভ কম হোৱাৰ মূল কাৰণ আছিল ৰাজহুৱা খণ্ডৰ উদ্যোগৰ পৰা কমকৈ লভ্যাংশ প্রাপ্ত হোৱা।

B. কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজ্যিক অংশ

কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজ্যিক অংশৰ উপাদানসমূহৰ ধাৰা **সাৰণী 1.8**ত দেখুওৱা হৈছে।

সাৰণী 1.8: কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজ্যিক অংশ

(কোটি টকাত)

উপাদান	2020-21	2021-22	2022-23	2023-24	2024-25
কেন্দ্রীয় সামগ্রী আৰু সেৱা কৰ (চি জি এছ টি)	5,497.76	7,895.43	8,393.50	10,722.38	11,756.55
নিগম কৰ	5,648.64	8,298.61	9,949.02	10,604.68	11,422.24
নিগম কৰৰ বাহিৰে আন আয়ৰ ওপৰত কৰ	5,794.53	8,272.50	9,722.45	12,246.98	14,566.82

[৪] বাঘজানৰ ঘটনাই 2020 চনত অসমৰ বাঘজানৰ অইল ইণ্ডিয়া লিমিটেডৰ এটা গেছ কুঁৱাত সংঘটিত হোৱা বিস্ফোৰণ আৰু অগ্নিকাণ্ডক বুজাইছে

উপাদান	2020-21	2021-22	2022-23	2023-24	2024-25
সীমা শুল্ক	964.41	2,073.20	1,167.68	1,238.11	2,047.95
কেন্দ্রীয় আবকাৰী শুল্ক	622.41	1,156.10	366.32	468.53	394.13
সেৱা কৰ	86.82	424.25	46.40	6.59	1.29
অন্যান্য কৰ	14.75	30.46	48.89	43.30	64.79
মুঠ	**18,629.32**	**28,150.55**	**29,694.26**	**35,330.57**	**40,253.77**

উৎস: বিত্তীয় হিচাপ

কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজ্যিক অংশ 2020-21 চনত 18,629.32 কোটি টকাৰ পৰা 2024-25 চনত 40,253.77 কোটি টকালৈ যথেষ্ট বৃদ্ধি পাইছে, যি পাঁচ বছৰৰ সময়ছোৱাত 116.08 শতাংশতকৈ অধিক বৃদ্ধিৰ ইংগিত দিয়ে। এই বৃদ্ধিৰ মূল কাৰণ হৈছে কেন্দ্রীয় সামগ্রী আৰু সেৱা কৰ (চি জি এছ টি), নিগম কৰ, আৰু নিগম কৰৰ বাহিৰে আন আয়ৰ ওপৰত কৰৰ অধিক হস্তান্তৰন, যি সামগ্রিকভাৱে 2024-25 চনত মুঠ অংশীদাৰিত্বৰ প্রায় 94 শতাংশ অংশ গঠন কৰিছিল।

জি এছ ডি পি অনুপাতৰ শতাংশ হিচাপে কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজ্যৰ মুঠ অংশ **চিত্র তালিকা 1.17**ত দিয়া হৈছে।

চিত্র তালিকা 1.17: জি এছ ডি পি অনুপাতৰ শতাংশ হিচাপে কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজ্যৰ মুঠ অংশ



উৎস: বিত্ত হিচাপ

চিত্র তালিকাৰ পৰা দেখা গৈছে যে জি এছ ডি পিৰ শতাংশ হিচাপে কেন্দ্রীয় কৰ আৰু শুল্কত ৰাজ্যৰ অংশ পাঁচ বছৰৰ সময়ছোৱাত মধ্যমীয়াভাৱে উঠা-নমা কৰিছিল। 2020-21 চনত 5.48 শতাংশৰ পৰা 2021-22 চনত সর্বাধিক 6.85 শতাংশলৈ বৃদ্ধি পাইছিল আৰু তাৰ পিছত 2024-25 চনত প্রায় 6.25 শতাংশ হৈছিল। শেহতীয়া বছৰবোৰত তুলনামূলকভাৱে স্থবিৰ অনুপাতে ইংগিত দিয়ে যে কেন্দ্রৰ পৰা বিভাজনৰ বৃদ্ধি ৰাজ্যিক অর্থনীতিৰ সম্প্রসাৰণৰ সৈতে একেই আছিল, যাৰ ফলত বিভাজিত কৰৰ পৰা এক স্থিৰ বিত্তীয় অৱদান নিশ্চিত হৈছিল।

C. ভাৰত চৰকাৰৰ পৰা সহায়ক অনুদান

ভাৰত চৰকাৰ (জি আই এ)ৰ পৰা প্রাপ্ত সহায়ক অনুদানৰ ধাৰা আৰু ইয়াৰ উপাদানসমূহ **সাৰণী 1.9**ত দেখুওৱা হৈছে।

সাৰণী 1.9: ভাৰত চৰকাৰৰ পৰা সহায়ক অনুদান

(কোটি টকাত)

উপাদান	2020-21	2021-22	2022-23	2023-24	2024-25
কেন্দ্রীয় পৃষ্ঠপোষকতা কৰা আঁচনিৰ বাবে অনুদান	13,832.87	18,186.82	21,557.33	16,205.52	19,528.28
বিত্ত আয়োগৰ অনুদান	10,533.90	8,916.05	7,355.00	5,599.23	1,355.73
বিধানসভা থকা ৰাজ্য/ কেন্দ্রীয় শাসিত প্রদেশলৈ অন্যান্য হস্তান্তৰ/ অনুদান	1,872.88	1,448.92	872.38	318.15	366.07
মুঠ	**26,239.65**	**28,551.79**	**29,784.71**	**22,122.90**	**21,250.08**

উৎস: বিত্ত হিচাপ

2024-25ত ভাৰত চৰকাৰৰ পৰা সহায়ক অনুদান (জি আই এ) 2023-24 চনত 22,122.90 কোটি টকাৰ পৰা 21,250.08 কোটি টকালৈ হ্রাস পাইছে, যি বছৰৰ পিছত বছৰ ধৰি 3.95 শতাংশ হ্রাসৰ ইংগিত দিয়ে। মূলতঃ বিত্ত আয়োগৰ অনুদানৰ তীব্র সংকোচনৰ বাবেই এই পতন ঘটিছে, যিটো 5,599.23 কোটি টকাৰ পৰা 1,355.73 কোটি টকালৈ তীব্রভাৱে হ্রাস পাইছে। বছৰটোত ৰাজহ ঘাটি অনুদান আৰু গ্রাম্য স্থানীয় নিকায়ৰ বাবে অনুদান শাখাৰ অধীনত পুঁজি মুকলি নকৰাটো ইয়াৰ কাৰণ আছিল। কেন্দ্রীয় পৃষ্ঠপোষকতাপ্রাপ্ত আঁচনি (চি এছ এছ) অনুদান বৃদ্ধিয়ে এই ঘাটিৰ পৰিমাণ আংশিকভাৱে মসৃণ কৰিছিল, যি 2023-24 চনত 16,205.52 কোটি টকাৰ পৰা 2024-25 চনত 19,528.28 কোটি টকালৈ বৃদ্ধি পাইছিল। কেন্দ্রীয় শাসিত অঞ্চলসমূহলৈ অন্যান্য হস্তান্তৰ আৰু অনুদান প্রান্তীয় হৈয়েই থাকিল।

জি এছ ডি পি অনুপাতে ভাৰত চৰকাৰৰ পৰা পোৱা অনুদানৰ শতকৰা হাৰ **চিত্র তালিকা 1.18**ত দিয়া হৈছে।

চিত্র তালিকা 1.18: জি এছ ডি পি অনুপাতে ভাৰত চৰকাৰৰ পৰা প্রাপ্ত সহায়ক অনুদানৰ শতকৰা হাৰ



উৎস: বিত্ত হিচাপ

চিত্র তালিকাত দেখুওৱাৰ দৰে জি এছ ডি পিৰ শতাংশ হিচাপে সহায়ক অনুদান 2020-21 চনত 7.72 শতাংশৰ পৰা 2024-25 চনত 3.30 শতাংশলৈ ধাৰাবাহিকভাৱে হ্রাস পাইছে, যিয়ে ৰাজ্যখনৰ আয়ত কেন্দ্রীয় অনুদানৰ আপেক্ষিক অৱদানৰ তীব্র হ্রাস প্রতিফলিত কৰিছে। নিম্নগামী ট্রেজেক্টৰীয়ে কেন্দ্রীয় হস্তান্তৰৰ ওপৰত নির্ভৰশীলতা হ্রাস পোৱা আৰু ব্যয় আৰু উন্নয়নৰ অগ্রাধিকাৰ বজাই ৰাখিবলৈ ৰাজ্যখনে নিজা ৰাজহৰ ভিত্তি শক্তিশালী কৰাৰ ক্রমবর্ধমান প্রয়োজনীয়তাৰ কথা সূচায়।

(i) পৃষ্ঠপোষকতা কৰা আঁচনিৰ বাবে অনুদান

2024-25ত কেন্দ্ৰীয় পৃষ্ঠপোষকতা কৰা আঁচনিসমূহৰ বাবে আৱণ্টন দিয়া মুঠ 19,528.28 কোটি টকাৰ অনুদানৰ ভিতৰত, **সাৰণী 1.10**ত দেখুওৱা আঁচনিসমূহলৈ অধিকাংশ আবণ্টন দিয়া হৈছিল।

সাৰণী 1.10: অনুদান প্ৰাপ্ত কৰা মূখ্য আঁচনিসমূহ

আঁচনিৰ নাম	2024-25 পৰিমাণ *(কোটি টকাত)*	2023-24 পৰিমাণ *(কোটি টকাত)*	পূৰ্বৰ বছৰৰ তুলনাত শতাংশ পৰিৱৰ্তন
পি এম এ ওৱাই- গ্ৰাম্য	4,336.24	1,811.49	139.37
সংহত শিশু বিকাশ সেৱা আঁচনি	2,482.34	1,595.68	55.57
সমগ্ৰ শিক্ষা - প্ৰাথমিক শিক্ষা	2,101.50	1,027.03	104.62
ৰাষ্ট্ৰীয় নগৰ স্বাস্থ্য অভিযান	1,750.66	1,650.40	6.07
প্ৰধানমন্ত্ৰী পোষণ শক্তি নিৰ্মাণ (পি এম পোষণ)	851.02	425.06	100.21

উৎস: বিত্ত হিচাপ

(ii) পঞ্চদশ বিত্ত আয়োগ অনুদান

স্থানীয় নিকায় আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (এছ ডি আৰ এফ), ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (এছ ডি এম এফ) আৰু স্বাস্থ্য খণ্ডৰ অনুদানৰ বাবে ৰাজ্যসমূহক পঞ্চদশ বিত্ত আয়োগৰ (15 নং এফ চি) অনুদান প্ৰদান কৰা হৈছিল। চৰকাৰে প্ৰদান কৰা অনুদানৰ বিৱৰণ **সাৰণী 1.11**ত দিয়া হৈছে।

সাৰণী 1.11: পৰামৰ্শ দিয়া পৰিমাণ, প্ৰকৃত মুকলি আৰু সহায়ক অনুদানৰ হস্তান্তৰ

(কোটি টকাত)

হস্তান্তৰ		2024-25ৰ বাবে পঞ্চদশ এফ চি-ৰ পৰামৰ্শ	2024-25ত ভাৰত চৰকাৰে কৰা প্ৰকৃত মুকলি	ৰাজ্য চৰকাৰৰ দ্বাৰা মুকলি (ৰাজ্য চৰকাৰে মুকলি কৰা পুঁজিৰ মুঠ শতাংশ)
(i)পি আৰ আই-ক অনুদান		**1,315**	**0**	**0 (-)**
(a) প্ৰদৰ্শন/ টাইড গ্ৰাণ্ট		789	0	0 (-)
(b) আনটাইড গ্ৰান্ট		526	0	0 (-)
(ii) ইউ এল বি-ক অনুদান		**677**	**639.73**	**639.73 (100)**
(a) নন মিলিয়ন প্লাচ চিটি (প্ৰদৰ্শন/ টাইড গ্ৰাণ্ট)		406.20	452.58	452.58 (100)
(b) নন মিলিয়ন প্লাচ চিটি (জেনেৰেল বেচিক/ আনটাইড গ্ৰান্ট)		270.80	187.15	187.15 (100)
(iii) স্বাস্থ্য খণ্ডলৈ অনুদান		**308**	**0**	**0 (-)**
স্থানীয় নিকায়ৰ মুঠ (i+ii+iii)		**2,300**	**639.73**	**639.73 (100)**
ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (এছ ডি আৰ এফ)	কেন্দ্ৰীয় অংশ	716	716	716 (100)
	ৰাজ্যিক অংশ	79.20	-	79.20 (-)
ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (এছ ডি এম এফ)	কেন্দ্ৰীয় অংশ	179	0	0 (-)
	ৰাজ্যিক অংশ	19.89	-	0 (-)
এছ ডি আৰ এম এফ-ৰ মুঠ *		**994.09**	**716**	**795.20 (111.06)**

উৎস:বিত্ত হিচাপ, পঞ্চদশ বিত্ত আয়োগৰ প্ৰতিবেদন আৰু অসম চৰকাৰৰ বিত্ত বিভাগ (অৰ্থনৈতিক পৰিক্ৰমা বিভাগ)ৰ পৰা প্ৰাপ্ত তথ্য

*টোকা: i) * 2023-24ৰ ভিতৰত প্ৰাপ্ত 340.40 কোটি টকাৰ কেন্দ্ৰীয় অংশৰ লগতে এছ ডি আৰ এফ-ৰ অধীনত প্ৰাপ্ত 38 কোটি টকাৰ ৰাজ্যিক অংশ আৰু 2024-25ত এছ ডি এম এফৰ অধীনত প্ৰাপ্ত 18 কোটি টকাৰ ৰাজ্যিক অংশৰ সৈতে 2023-24ত প্ৰাপ্ত 162.20 কোটি টকাৰ কেন্দ্ৰীয় অংশৰ হস্তান্তৰ বাদ দিয়া হৈছে।*

2024-25ত পঞ্চদশ বিত্ত আয়োগে পৰামর্শ দিয়া 3,294.09 কোটি টকাৰ অনুদানৰ বিপৰীতে ভাৰত চৰকাৰৰ পৰা নগৰীয়া স্থানীয় নিকায় (ইউ এল বি)সমূহে 639.73 কোটি টকা লাভ কৰিছিল আৰু সম্পূর্ণ পৰিমাণ বছৰটোত ৰাজ্য চৰকাৰে মুকলি কৰি দিছিল। অনুদান লাভ কৰিবলৈ নির্বাচনৰ জৰিয়তে স্থানীয় নিকায়সমূহ যথাযথভাৱে গঠন কৰাটো আয়োগে বাধ্যতামূলক কৰিছে। নির্বাচিত প্রতিনিধি অবিহনে পঞ্চায়তলৈ পুঁজি মুকলি কৰিব নোৱাৰিব। 2023 চনত অনুষ্ঠিত হ'বলগীয়া ৰাজ্যখনৰ পঞ্চায়ত নির্বাচন 2025 চনৰ মে' মাহত অনুষ্ঠিত হৈছিল। ফলত 2023-25ত পি আৰ আইসমূহৰ বাবে নির্ধাৰিত বিত্ত আয়োগৰ অনুদান 31 মার্চ 2025লৈকে মুকলি কৰা হোৱা নাছিল। ইয়াৰ ফলত পানী যোগান, অনাময় আৰু অন্যান্য নাগৰিক সেৱাৰ বাবে নির্ধাৰিত মূল অনুদান আৰু টাইড অনুদান দুয়োটাতে প্রভাৱ পৰিছিল। ৰাজ্যিক দুর্যোগ সঁহাৰি আৰু প্রশমন পুঁজি (এছ ডি আৰ এম এফ)ৰ অধীনত ৰাজ্যখনে ভাৰত চৰকাৰৰ পৰা 716 কোটি টকা (কেন্দ্রীয় অংশীদাৰিত্ব) লাভ কৰিছিল, যিটো ৰাজ্যই নিজৰ অংশীদাৰিত্বৰ 79.20 কোটি টকাৰ সৈতে সম্পূর্ণৰূপে মুকলি কৰি দিছিল।

পঞ্চদশ বিত্ত আয়োগৰ অনুদান পৰিচালনাৰ সৈতে জড়িত বিষয়সমূহ

পঞ্চদশ এফ চি অনুদানৰ পুঁজি অকর্তৃত্বশীলভাৱে চেভিংছ বেংক একাউণ্টত ৰখা

2020-21 বর্ষৰ বাবে পঞ্চদশ বিত্ত আয়োগে প্রদান কৰা অনুদানৰ ভিতৰত পঞ্চায়ত আৰু গ্রামোন্নয়ন বিভাগৰ আয়ুক্তই 689.01 কোটি টকা (টাইড আৰু আনটাইড দুয়োটা অনুদানৰ প্রথম কিস্তি হিচাপে 668.56 কোটি টকা আৰু অসম চৰকাৰৰ পৰা সুত হিচাপে 20.45 কোটি টকা) এটা চেভিং বেংক একাউণ্টলৈ হস্তান্তৰ কৰিছিল। চি পি আৰ ডিয়ে অক্টোবৰ 2020ৰ পৰা জুলাই 2022ৰ সময়ছোৱাত চেভিং একাউণ্টৰ পৰা বিভিন্ন পি আৰ আইলৈ এই পৰিমাণ মুকলি কৰি দিছিল। চি পি আৰ ডিয়ে উক্ত চেভিং বেংক একাউণ্টত পঞ্চদশ এফ চিৰ অনুদান এইদৰে অকর্তৃত্বশীলভাৱে ৰখাৰ ফলত 31-03-2025 পর্যন্ত 5.41 কোটি টকাৰ সুত প্রাপ্ত হৈছিল যিবোৰ পি আৰ আই-লৈ স্থানান্তৰিত হোৱা নাছিল। কিন্তু, নির্দেশ অনুসৰি পঞ্চদশ এফ চি-ৰ অধীনত পৰৱর্তী সকলো অনুদান পোনপটীয়াকৈ কোষাগাৰৰ পৰা পি আৰ আইলৈ মুকলি কৰা হৈছিল।

পি আৰ আইলৈ পঞ্চদশ এফ চি-ৰ পুঁজি হস্তান্তৰত উদাসীন দৃষ্টিভংগী

2020-21ত জি পিৰ বাবে টাইড গ্রাণ্টৰ 50 শতাংশ (2য় কিস্তি) অর্থাৎ 116.99 কোটি টকা 2,197 খন গ্রাম পঞ্চায়ত (জি পি)লৈ মুকলি কৰে। অৱশ্যে, 26 খন জি পিয়ে এই অনুদান লাভ নকৰাৰ বিষয়ে চি পি আৰ ডি, অসমক (জুন 2022ৰ পৰা) অৱগত কৰে। চি পি আৰ ডিয়ে বেংকক বিষয়টো জনায় (ফেব্রুৱাৰী 2023), এছ বি আই, দিছপুৰ শাখাই চি পি আৰ ডিক জনাই (মার্চ 2023) যে 131 খন জি পিৰ বিৰুদ্ধে কৰা এন ই এফ টি বিফল হৈছিল আৰু ঘূৰি অহা ধনৰাশি চতুর্দশ এফ চিৰ বেংক একাউণ্টত (চতুর্দশ এফ চিৰ অধীনত প্রশাসনিক ব্যয়ৰ বাবে) জমা কৰা হৈছে। 131 খন জি পিৰ সন্দর্ভত শেহতীয়া স্থিতি তলত দিয়া ধৰণে আছিল:

- 44 খন জি পিৰ সন্দর্ভত আবণ্টিত পুঁজি ছেপ্টেম্বৰ 2024ৰ ভিতৰত চি পি আৰ ডি, অসমে পুনৰ হস্তান্তৰ কৰে।
- 34 খন জি পিৰ 1.82 কোটি টকাৰ পুঁজি আৱণ্টনৰ প্রক্রিয়া ফেব্রুৱাৰী 2023ত আৰম্ভ কৰা বুলি কোৱা হৈছে যদিও হিচাপ পৰীক্ষাৰ তাৰিখলৈকে চূড়ান্ত হোৱা নাছিল।
- 2.70 কোটি টকা জড়িত বাকী 53 খন জি পিৰ ক্ষেত্রত মে' 2025লৈকে ঘূৰি অহা পুঁজি পুনৰ বিতৰণৰ বাবে কোনো পদক্ষেপ গ্রহণ কৰা হোৱা নাই।

1.2.2 মূলধনী প্ৰাপ্তি

মূলধনী প্ৰাপ্তিৰ ভিতৰত বিবিধ মূলধনী প্ৰাপ্তি যেনে নিৰ্বিনিয়োগৰ পৰা পোৱা ধন, ঋণ আৰু অগ্ৰিম ধন আদায়, আভ্যন্তৰীণ উৎসৰ পৰা ঋণ প্ৰাপ্তি (বজাৰ ঋণ, বিত্তীয় প্ৰতিষ্ঠান/ বাণিজ্যিক বেংকৰ পৰা ঋণ) আৰু ভাৰত চৰকাৰৰ পৰা প্ৰাপ্ত ঋণ আৰু অগ্ৰিম ধন।

2020-21ৰ পৰা 2024-25লৈকে মূলধনী প্ৰাপ্তি আৰু ইয়াৰ উপাদানসমূহৰ বৃদ্ধিৰ ধাৰা **সাৰণী 1.12**ত দেখুওৱা হৈছে।

সাৰণী 1.12: মূলধনী প্ৰাপ্তি আৰু ইয়াৰ উপাদানসমূহৰ বৃদ্ধিৰ ধাৰা

(কোটি টকাত)

ৰাজ্যিক প্ৰাপ্তিৰ উৎস	2020-21	2021-22	2022-23	2023-24	2024-25
মূলধনী প্ৰাপ্তি#	**17,942.74**	**19,769.64**	**23,666.45**	**31,054.05**	**31,552.31**
বিবিধ মূলধনী প্ৰাপ্তি	0	0	0	0	0
ঋণ আৰু অগ্ৰিম ধন আদায়	2.56	3,099.49	5.07	3,282.45	879.30
ৰাজহুৱা ঋণ প্ৰাপ্তি	17,940.18	16,670.15	23,661.38	27,771.60	30,673.01
*অভ্যন্তৰীন ঋণ **	*16,382.36*	*14,138.94*	*19,225.76*	*21,766.42*	*22,870.47*
ভাৰত চৰকাৰৰ পৰা প্ৰাপ্ত ঋণ আৰু অগ্ৰিম ধন	*1,557.82*	*2,531.21*	*4,435.62*	*6,005.18*	*7,802.54*
বছৰ অনুযায়ী বৃদ্ধিৰ হাৰ (শতাংশ)					
জি এছ ডি পি	(-) 2.03	20.87	18.08	17.38	13.07
মূলধনী প্ৰাপ্তি	25.85	10.18	19.71	31.22	1.60
ঋণ মূলধনী প্ৰাপ্তি	25.90	(-)7.08	41.94	17.37	10.45
অভ্যন্তৰীন ঋণ	15.83	(-)13.69	35.98	13.21	5.07
ভাৰত চৰকাৰৰ পৰা প্ৰাপ্ত ঋণ আৰু অগ্ৰিম ধন	1364.94	62.48	75.24	35.39	29.93

***উৎস:** বিত্ত হিচাপ আৰু অৰ্থনৈতিক পৰিসংখ্যা সঞ্চালকালয়, অসমৰ জি এছ ডি পি-ৰ তথ্য*

 # কেৱল সঞ্চিত পুঁজিৰ অধীনৰ প্ৰাপ্তি অন্তৰ্ভুক্ত কৰা হৈছে।

** অৰ্থোপায় অগ্ৰিম/অভাৰড্ৰাফ্ট/স্পেচিয়েল ড্ৰৱিং ফেচিলিটিৰ অধীনৰ নিকা সংখ্যা অন্তৰ্ভুক্ত কৰা হৈছে।*

ৰাজ্যখনৰ মূলধনী প্ৰাপ্তি 2023-24 চনত 31,054.05 কোটি টকাৰ পৰা 1.60 শতাংশ বৃদ্ধি পাই 2024-25ত 31,552.31 কোটি টকা হৈছিল। এই গঠনত ৰাজহুৱা ঋণৰ প্ৰাপ্তিৰ প্ৰভাৱ অব্যাহত আছিল, যিয়ে মুঠ মূলধনী লাভৰ প্ৰায় 97 শতাংশ আছিল। 2023-24ত আভ্যন্তৰীণ ঋণ 21,766.42 কোটি টকাৰ পৰা 2024-25ত 22,870.47 কোটি টকালৈ বৃদ্ধি পোৱাৰ বিপৰীতে ভাৰত চৰকাৰৰ পৰা ঋণ আৰু অগ্ৰিম ধন 7,802.54 কোটি টকালৈ বৃদ্ধি পাইছে। ৰাজ্যই আৰ বি আইৰ পৰা 9,819.70 কোটি টকাৰ অৰ্থোপায় অগ্ৰিমো লাভ কৰিছিল আৰু বছৰৰ শেষত এই পৰিমাণ প্ৰদান কৰিছিল। বছৰৰ পিছত বছৰ ধৰি হোৱা তাৰতম্যই ইংগিত দিয়ে যে ঋণ আৰু অগ্ৰিম ধন আদায়ৰ দৰে ঋণ বৰ্হিভূত উৎসৰ পৰা সীমিত অৱদানৰ সৈতে মূলধনৰ প্ৰবাহ বহুলাংশে ঋণৰ আৰ্হিৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

জি এছ ডি পি-ৰ শতাংশ হিচাপে মূলধনী প্ৰাপ্তি **চিত্ৰ তালিকা 1.19**ত দেখুওৱা হৈছে।

চিত্র তালিকা: 1.19 জি এছ ডি পিৰ শতাংশ হিচাপে মূলধনী প্রাপ্তি



উৎস: বিত্ত হিচাপ

চিত্র তালিকা 1.19ত প্রকাশ পাইছে যে জি এছ ডি পিৰ শতাংশ হিচাপে মূলধনী প্রাপ্তি বিগত দুবছৰত ধাৰাবাহিকভাৱে বৃদ্ধি পোৱাৰ পিছত 2023-24ত 5.45 শতাংশৰ পৰা 2024-25ত 4.90 শতাংশলৈ হ্রাস পাইছে। একে সময়ছোৱাত ঋণ প্রাপ্তিও জি এছ ডি পিৰ 4.88 শতাংশৰ পৰা 4.77 শতাংশলৈ হ্রাস পাইছে।

1.2.3 বিত্ত আয়োগৰ প্রক্ষেপণ আৰু প্রকৃত তথ্য

পঞ্চদশ বিত্ত আয়োগে প্রদান কৰা প্রাকল্পিত ৰাজহ, ঘাটি আৰু জি এছ ডি পি-ৰ তথ্য আৰু 2020-21 বিত্তীয় বর্ষৰ পৰা 2024-25 বিত্তীয় বর্ষৰ বাবে প্রকৃতৰ তথ্য **সাৰণী 1.13**ত দিয়া হৈছে।

সাৰণী 1.13: প্রকৃতৰ বিপৰীতে পঞ্চদশ এফ চি-ৰ প্রক্ষেপণ

(কোটি টকাত)

	2020-21		2021-22		2022-23		2023-24		2024-25	
	প্রক্ষেপণ	প্রকৃত	প্রক্ষেপণ	প্রকৃত	প্রক্ষেপণ	প্রকৃত	প্রক্ষেপণ	প্রকৃত	প্রক্ষেপণ	প্রকৃত
জি এছ ডি পি (2011-12 শৃংখলা - চলিত মূল্য)	3,81,408.00	3,39,802.98	3,44,959.00	4,10,723.56	3,72,556.00	4,84,984.94	4,06,086.00	5,69,287.29	4,44,664.00	6,43,666.69
নিজা ৰাজহ প্রাপ্তি	26,689.00	20,033.22	22,036.00	23,112.85	24,005.00	30,263.33	26,421.00	34,081.02	29,226.00	35,404.06
ৰাজ্যৰ নিজা কৰ ৰাজহ	21,190.00	17,133.61	16,440.00	19,533.10	17,917.00	24,502.02	19,730.00	28,178.12	21,836.00	30,052.36
ৰাজ্যৰ নিজা অনা কৰ ৰাজহ	5,499.00	2,899.61	5,596.00	3,579.75	6,088.00	5,761.31	6,691.00	5,902.90	7,390.00	5,351.70
কেন্দ্রীয় কৰ/শুল্কত ৰাজ্যৰ অংশ	26,776.00	18,629.32	20,600.73	28,150.55	22,916.60	29,694.26	25,786.76	35,330.57	29,295.82	40,253.77
জি এছ ডি পি-ৰ শতাংশ হিচাপে ৰাজহ ঘাটি (-)/ ৰাহি (+)	NIL	-1.46	NIL	-2.04	NIL	-3.88	NIL	-1.47	0.02	-0.48
জি এছ ডি পি-ৰ শতাংশ হিচাপে বিত্তীয় ঘাটি	-4.50	-3.56	-4.00	-4.84	-3.50	-6.23	-3.00	-3.66	-3.00	-4.43

উৎস: বিত্ত হিচাপ

1.2.4 ব্যয়

চৰকাৰী ব্যয়ক ৰাজহ ব্যয়, মূলধনী ব্যয়, আৰু ঋণ আৰু অগ্রিম হিচাপে ভাগ কৰা হয়। প্ৰশাসনিক আৰু প্ৰতিষ্ঠানিক ব্যয়কে ধৰি ৰক্ষণাবেক্ষণ, মেৰামতি, আৰু বিভাগসমূহৰ দৈনন্দিন কাম-কাজৰ বাবে হোৱা ব্যয় ৰাজহ ব্যয়ত অন্তর্ভূক্ত। মূলধনী ব্যয় প্ৰকল্পৰ প্ৰাৰম্ভিক নিৰ্মাণ আৰু সম্পত্তিৰ অনুমোদিত উন্নীতকৰণ বা সংযোজনৰ সৈতে জড়িত। ঋণ আৰু অগ্রিমৰ ভিতৰত চৰকাৰে ৰাজহুৱা খণ্ডৰ উদ্যোগ আৰু অন্যান্য সত্তাক প্ৰদান কৰা পুঁজি অন্তর্ভূক্ত থাকে, যিবোৰ পৰৱর্তী সময়ত আদায়যোগ্য। ব্যয়ৰ বিৱৰণ, জি এছ ডি পিৰ শতাংশ হিচাপে মুঠ ব্যয় আৰু ইয়াৰ উপাদানসমূহৰ অংশ ক্রমে **সাৰণী 1.14, চিত্র তালিকা 1.20** আৰু **চিত্র তালিকা** 1.21ত দিয়া হৈছে।

সাৰণী 1.14: মুঠ ব্যয় আৰু ইয়াৰ গঠন

(কোটি টকাত)

মাপকাঠী	2020-21	2021-22	2022-23	2023-24	2024-25
মুঠ ব্যয় (টি ই)	**77,006.78**	**1,02,777.80**	**1,19,952.20**	**1,15,671.63**	**1,26,316.73**
ৰাজহ ব্যয় (আৰ ই)	64,519.59	82,547.96	1,01,814.65	94,162.90	99,907.96
মুলধনী ব্যয় (চি ই)	12,399.39	20,125.83	15,997.71	21,444.23	26,404.20
ঋণ আৰু অগ্রিম	87.80	104.01	339.84	64.50	4.57
আকস্মিক পুঁজিলৈ বিনিয়োজন	0	0	1,800.00	0	0

উৎস: বিত্ত হিচাপ

ৰাজ্যৰ মুঠ ব্যয় 2023-24ত 1,15,671.63 কোটি টকাৰ পৰা 2024-25ত 1,26,316.73 কোটি টকালৈ বৃদ্ধি পাইছে, যি পূৰ্বৰ বছৰৰ তুলনাত 9.20 শতাংশৰ সামগ্রিক বৃদ্ধি প্রতিফলিত কৰিছে। এই বৃদ্ধিৰ মূল কাৰণ হৈছে 2023-24ত মূলধনী ব্যয় 21,444.23 কোটি টকাৰ পৰা 2024-25ত 26,404.20 কোটি টকালৈ বৃদ্ধি (23.13 শতাংশ), যিয়ে মূলধন সৃষ্টি আৰু সম্পত্তি নিৰ্মাণৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ ইংগিত দিয়ে। মূলতঃ দৰমহা, পেঞ্চন, আৰু ৰাজসাহার্য্যৰ ওপৰত প্রতিশ্রুতিবদ্ধ দায়বদ্ধতা বৃদ্ধি হোৱাৰ বাবে ৰাজহ ব্যয় 94,162.90 কোটি টকাৰ পৰা 99,907.96 কোটি টকালৈ 6.10 শতাংশ বৃদ্ধি পাইছে।

ঋণ আৰু অগ্রিমৰ পৰিমাণ 2023-24ত 64.50 কোটি টকাৰ পৰা 2024-25ত 4.57 কোটি টকালৈ তীব্র হ্রাস পঞ্জীয়ন কৰে, যি আদায়যোগ্য অগ্রিমৰ অধীনত কম বিতৰণৰ ইংগিত দিয়ে। সামগ্রিক ধাৰাটোৱে বিগত পাঁচ বছৰৰ সময়ছোৱাত মূলধনী ব্যয়ৰ বৃদ্ধিৰ লগতে ব্যয়ত অবিৰত বৃদ্ধিৰ ওপৰত আলোকপাত কৰে।

চিত্র তালিকা 1.20: জি এছ ডি পিৰ শতাংশ হিচাপে মুঠ ব্যয়



চিত্র তালিকা 1.21: মুঠ ব্যয়ৰ উপাদানৰ অংশ



উৎস: বিত্ত হিচাপ

জি এছ ডি পিৰ শতাংশ হিচাপে 19.62 শতাংশৰ পৰা 25.02 শতাংশৰ ভিতৰত মুঠ ব্যয় 2020-21 চনৰ পৰা 2024-25 চনলৈ উঠা-নমা হৈ আছিল। যোৱা পাঁচ বছৰৰ মুঠ ব্যয়ৰ ধাৰাৰ পৰা দেখা যায় যে মুঠ ব্যয়ৰ 79 শতাংশৰ পৰা 85 শতাংশ হিচাপে, ৰাজহ ব্যয় ধাৰাবাহিকভাৱে ব্যয়ৰ প্ৰধান অংশ আছিল। একে সময়ছোৱাতে মূলধনী ব্যয়ৰ পৰিমাণ 13ৰ পৰা 21 শতাংশ আছিল, বিনিয়োগ ব্যয় 2022-23 চনত কম হোৱাৰ বাহিৰে বাকী সময়ত ক্ৰমান্বয়ে বৃদ্ধি হৈছিল। ঋণ আৰু অগ্ৰিম আৰু আকস্মিক পুঁজিলৈ কৰা বিনিয়োজন একেলগে এই সময়ছোৱাত দুই শতাংশৰ তলত আছিল।

2024-25 বিত্তীয় বৰ্ষত ৰাজ্যই কৰা মুঠ 1,26,316.73 কোটি টকাৰ ব্যয়ৰ ভিতৰত 22,214.85 কোটি টকা[9] বিত্ত আয়োগৰ অনুদান, চি এছ এছৰ কেন্দ্ৰীয় অংশ, কৰ্মচাৰীৰ এন পি এছ অৱদান, ৰাষ্ট্ৰীয় খনিজ অন্বেষণ ন্যাস (এন এম ই টি), কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি পুঁজি (চি আৰ আই এফ), ইত্যাদিৰ দৰে পাছ-থ্ৰু লেনদেনৰ সৈতে জড়িত।

খণ্ডভিত্তিক মুঠ ব্যয়

ব্যয়ৰ খণ্ডভিত্তিক গঠন **সাৰণী 1.15**ত দিয়া হৈছে আৰু মুঠ ব্যয়ত বিভিন্ন খণ্ডৰ আপেক্ষিক অংশ **চিত্ৰ তালিকা 1.22**ত দেখুওৱা হৈছে।

সাৰণী 1.15: খণ্ডভিত্তিক মুঠ ব্যয়

(কোটি টকাত)

মাপকাঠী	2020-21	2021-22	2022-23	2023-24	2024-25
সাধাৰণ সেৱা	23,410.78	37,231.32	36,404.69	41,171.09	44,788.80
সামাজিক সেৱা	31,368.38	36,182.86	54,542.10	48,120.26	52,766.62
অৰ্থনৈতিক সেৱা	21,762.87	28,953.48	26,349.34	25,982.55	28,405.07
স্থানীয় নিকায়সমূহক অনুদান	376.95	306.13	516.23	333.23	351.67
ঋণ আৰু অগ্ৰিম	87.80	104.01	339.84	64.50	4.57
আকস্মিক নিধিলৈ ব্যয়	0	0	1,800	0	0
মুঠ	**77,006.78**	**1,02,777.80**	**1,19,952.20**	**1,15,671.63**	**1,26,316.73**

উৎস: বিত্ত হিচাপ

2024-25ত মুঠ ব্যয়ৰ খণ্ডগত বিতৰণে সকলো প্ৰধান শ্ৰেণীতে ব্যাপক বৃদ্ধি প্ৰতিফলিত কৰে। সাধাৰণ সেৱাৰ ব্যয় 2023-24 চনত 41,171.09 কোটি টকাৰ পৰা প্ৰায় 8.79 শতাংশ বৃদ্ধি পাই 2024-25 চনত 44,788.80 কোটি টকা হৈছিল। এই সময়ছোৱাত, মুঠ ব্যয়ৰ সৰ্ববৃহৎ উপাদান সমাজ সেৱাত ব্যয় 48,120.26 কোটি টকাৰ পৰা প্ৰায় 9.66 শতাংশ বৃদ্ধি পাই 52,766.62 কোটি টকা হৈছিল। অৰ্থনৈতিক সেৱা খণ্ডত ব্যয় 2023-24 চনত 25,982.55 কোটি টকাৰ পৰা 9.32 শতাংশ বৃদ্ধি হৈ 2024-25 চনত 28,405.07 কোটি টকা হৈছিল। বছৰটোৰ সময়ছোৱাত সামাজিক আৰু অৰ্থনৈতিক সেৱাত ব্যয় যথেষ্ট বৃদ্ধি পায়ছিল, যি ৰাজ্য চৰকাৰৰ উন্নয়নমূলক ব্যয়ৰ প্ৰতি বৰ্ধিত মনোযোগৰ ইংগিত দিয়ে।

[9] এছ এন এলৈ হস্তান্তৰ কৰা চি এছ এছৰ কেন্দ্ৰীয় অংশীদাৰিত্ব 18,867.33 কোটি টকা, কৰ্মচাৰীৰ এন পি এছ অৱদান 1,488.08 কোটি টকা, ৰাষ্ট্ৰীয় খনিজ অন্বেষণ ট্ৰাষ্ট (এন এম ই টি) 1.11 কোটি টকা, আৰু বিত্ত আয়োগৰ অনুদান 1,858.33 কোটি টকা।

চিত্ৰ তালিকা 1.22: মুঠ ব্যয়ত বিভিন্ন খণ্ডৰ আপেক্ষিক অংশ



উৎস: বিত্ত হিচাপ

2020-21 চনৰ পৰা 2024-25 চনলৈকে মুঠ ব্যয়ত খণ্ডসমূহৰ আপেক্ষিক অংশই দেখুৱাইছে যে 2020-21 চনত 40.73 শতাংশৰ তুলনাত 2024-25 বৰ্ষত 41.77 শতাংশৰ সৈতে সমাজ সেৱাত ধাৰাবাহিকভাৱে সৰ্বাধিক ব্যয় হৈছিল, যিয়ে ৰাজ্যখনৰ কল্যাণমুখীতাক প্ৰতিফলিত কৰিছে। সাধাৰণ সেৱাৰ অংশ 30ৰ পৰা 37 শতাংশৰ ভিতৰত আছিল, যি 2020-21 চনত 30.40 শতাংশৰ পৰা 2024-25 চনত 35.46 শতাংশলৈ বৃদ্ধি পাইছে। এই সময়ছোৱাত অৰ্থনৈতিক সেৱাই প্ৰায় 21–29 শতাংশ অংশ বজাই ৰাখিছিল। স্থানীয় নিকায়সমূহলৈ অনুদানৰ পৰিমাণ সমগ্ৰ সময়ছোৱাত মুঠ ব্যয়ৰ এক শতাংশতকৈও কম আছিল।

1.2.4.1 ৰাজহ ব্যয়

সেৱাৰ বৰ্তমানৰ স্তৰ বজাই ৰাখিবলৈ আৰু অতীতৰ বাধ্যবাধকতাৰ বিৰুদ্ধে পৰিশোধ কৰিবলৈ ৰাজহ ব্যয় কৰা হয়। সেইবাবেই ইয়াৰ ফলত ৰাজ্যৰ আন্তঃগাঁথনি আৰু সেৱা নেটৱৰ্কত কোনো ধৰণৰ সংযোজন নহয়। ৰাজহ ব্যয়ৰ বৃদ্ধি, মুঠ ব্যয়ৰ সৈতে ইয়াৰ অনুপাত, জি এছ ডি পি আৰু ৰাজহ প্ৰাপ্তি **সাৰণী 1.16**ত দেখুওৱা হৈছে।

সাৰণী 1.16: ৰাজহ ব্যয় – মৌলিক মাপকাঠী

(কোটি টকাত)

মাপকাঠী	2020-21	2021-22	2022-23	2023-24	2024-25
মুঠ ব্যয় (টি ই)	77,006.78	1,02,777.80	1,19,952.20	1,15,671.63	1,26,316.73
ৰাজহ ব্যয় (আৰ ই)	64,519.59	82,547.96	1,01,814.65	94,162.90	99,907.96
ৰাজহ প্ৰাপ্তিৰ শতাংশ হিচাপে আৰ ই	99.41	103.42	113.45	102.87	103.10
টি ই-ৰ শতাংশ হিচাপে আৰ ই	83.78	80.32	84.88	81.41	79.09
আৰ ই / জি এছ ডি পি (*শতাংশ*)	18.99	20.10	20.99	16.54	15.52
বছৰ অনুযায়ী বৃদ্ধি (*শতাংশ*)					
ৰাজহ ব্যয়	-1.97	27.94	23.34	-7.52	6.10
জি এছ ডি পি বৃদ্ধি	-2.03	20.87	18.08	17.38	13.07

উৎস: বিত্ত হিচাপ

ৰাজহ ব্যয় 2023-24 চনত 94,162.90 কোটি টকাৰ পৰা 6.10 শতাংশ বৃদ্ধি হৈ 2024-25 চনত 99,907.96 কোটি টকা হৈছিল। একে সময়ছোৱাত মুঠ ব্যয়ো 9.20 শতাংশ বৃদ্ধি পাইছে। কিন্তু মুঠ ব্যয়ত ৰাজহ ব্যয়ৰ অংশ 81.41 শতাংশৰ পৰা 79.09 শতাংশলৈ হ্রাস পাইছে, যিয়ে মূলধনী ব্যয়ৰ বিত্তীয় ব্যয় সাপেক্ষে ইতিবাচক পৰিৱৰ্তনৰ ইংগিত দিয়ে।

A. খণ্ডভিত্তিক ৰাজহ ব্যয়

ৰাজহ ব্যয়ৰ খণ্ডভিত্তিক গঠন **সাৰণী 1.17**ত দিয়া হৈছে আৰু ৰাজহ ব্যয়ত বিভিন্ন খণ্ডৰ আপেক্ষিক অংশ **চিত্র তালিকা 1.23**ত দেখুওৱা হৈছে। খণ্ডভিত্তিক ব্যয়ৰ বিশদ বিৱৰণ ***পৰিশিষ্ট 1.2***ত দিয়া হৈছে।

সাৰণী 1.17: খণ্ডভিত্তিক ৰাজহ ব্যয়

(কোটি টকা)

মাপকাঠী	2020-21	2021-22	2022-23	2023-24	2024-25
সাধাৰণ সেৱা	22,892.34	36,368.53	34,483.18	38,120.59	41,005.93
সামাজিক সেৱা	29,014.03	33,182.34	51,903.99	43,509.48	46,257.12
অর্থনৈতিক সেৱা	12,236.27	12,690.96	14,911.25	12,199.60	12,293.24
সহায়ক অনুদান আৰু অৱদান	376.95	306.13	516.23	333.23	351.67

উৎস: বিত্ত হিচাপ

2024-25 চনৰ ভিতৰত সাধাৰণ সেৱাৰ অধীনত ব্যয় পূর্বৰ বছৰৰ তুলনাত 7.57 শতাংশ বৃদ্ধি পোৱাৰ বিপৰীতে সমাজ সেৱাত 6.32 শতাংশ বৃদ্ধি পঞ্জীয়ন হৈছে। অর্থনৈতিক সেৱাৰ ব্যয় অৱশ্যে 0.77 শতাংশ প্রান্তীয় বৃদ্ধিৰে বহুলাংশে স্থিৰ হৈ আছে। ৰাজহ ব্যয়ৰ গঠনত সামাজিক আৰু সাধাৰণ সেৱাৰ আধিপত্য অব্যাহত আছিল, যিয়ে সামাজিক খণ্ডৰ ব্যয় আৰু প্রশাসনিক কাম-কাজৰ ওপৰত চৰকাৰৰ স্থায়ী মনোনিৱেশক প্রতিফলিত কৰিছিল।

চিত্র তালিকা 1.23: ৰাজহ ব্যয়ত বিভিন্ন খণ্ডৰ আপেক্ষিক অংশ



উৎস: বিত্ত হিচাপ

পাঁচ বছৰৰ সময়ছোৱাত (2020-21ৰ পৰা 2024-25) ৰাজহ ব্যয়ৰ খণ্ডগত আৰ্হিয়ে 2022-23 চনৰ বাহিৰে বাকী সময়ত তুলনামূলকভাৱে সুস্থিৰ বিতৰণ দেখুৱাইছে। সমাজ সেৱাৰ অংশ সর্বাধিক হৈয়েই থাকিল, 40ৰ পৰা 51 শতাংশৰ ভিতৰত উঠা-নমা কৰি শিক্ষা, ক্রীড়া কলা আৰু সংস্কৃতি; সমাজ কল্যাণ আৰু পুষ্টি; পানী যোগান, অনাময়, গৃহ নির্মাণ আৰু নগৰ উন্নয়ন আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ব্যয়ৰ চাৰিটা প্রধান ক্ষেত্র আছিল। সাধাৰণ সেৱা 34ৰ পৰা 44 শতাংশৰ ভিতৰত আছিল। মুঠ ব্যয়ৰ 12ৰ পৰা 19 শতাংশ অর্থনৈতিক সেৱাই লাভ কৰিছিল (কৃষি আৰু সংশ্লিষ্ট কার্য্যকলাপ আৰু গ্রাম্য উন্নয়ন দুটা প্রধান ক্ষেত্র), যিয়ে শেহতীয়া বছৰবোৰত ক্রমান্বয়ে সংকোচন দেখুৱাইছে। অনুদান-সাহায্য আৰু অৱদানৰ অনুপাত এক শতাংশৰ তলত

নগণ্য হৈয়েই থাকিল। সামগ্রিক ধাৰাটোৱে ইংগিত দিয়ে যে কিছু বার্ষিক তাৰতম্যৰ মাজতো অর্থনৈতিক সেৱাৰ সীমিত অংশৰ সৈতে ৰাজ্যখনৰ বিত্তীয় অগ্রাধিকাৰ সামাজিক আৰু প্রশাসনিক খণ্ডৰ সপক্ষে অব্যাহত আছে।

B. প্রতিশ্রুতিবদ্ধ ব্যয়

ৰাজহ হিচাপত ৰাজ্য চৰকাৰৰ প্রতিশ্রুতিবদ্ধ ব্যয়ত সুত পৰিশোধ; দৰমহা আৰু মজুৰিৰ ব্যয়; আৰু পেঞ্চন ব্যয় অন্তর্ভূক্ত। চৰকাৰী সম্পদৰ ওপৰত ইয়াৰ প্রথম ভাৰ থাকে। প্রতিশ্রুতিবদ্ধ ব্যয়ৰ উপাদান **সাৰণী 1.18**ত দিয়া হৈছে আৰু প্রতিশ্রুতিবদ্ধ ব্যয়ক ৰাজহ প্রাপ্তিৰ শতাংশ হিচাপে আৰু অন্যান্য ব্যয়ৰ বাবে বাকী থকা বিত্তীয় পুঁজিৰ বিৱৰণ **চিত্র তালিকা 1.24**ত দিয়া হৈছে।

সাৰণী 1.18: প্রতিশ্রুতিবদ্ধ ব্যয়ৰ উপাদান

(কোটি টকাত)

	2020-21	2021-22	2022-23	2023-24	2024-25
প্রতিশ্রুতিবদ্ধ ব্যয়ৰ উপাদান					
দৰমহা আৰু মজুৰি[10]	27,227.09	29,351.09	31,841.12	34,652.65	35,604.33
পেঞ্চনৰ ওপৰত ব্যয়	10,329.01	17,223.74	16,406.63	17,654.21	18,769.36
সূত পৰিশোধ	5,199.18	6,051.47	6,874.97	8,139.17	9,467.75
মুঠ	**42,755.28**	**52,626.30**	**55,122.72**	**60,446.03**	**63,841.44**
ৰাজহ ব্যয়ৰ শতাংশ হিচাপে প্রতিশ্রুতিবদ্ধ ব্যয়	66.27	63.75	54.14	64.19	63.90

উৎস: বিত্ত হিচাপ

প্রতিশ্রুতিবদ্ধ ব্যয় 2023-24 চনত 60,446.03 কোটি টকাৰ পৰা 2024-25 চনত 63,841.44 কোটি টকালৈ বৃদ্ধি পাইছিল, যিয়ে 5.62 শতাংশ বৃদ্ধিৰ প্রতিফলন ঘটায়। এই বৃদ্ধিৰ মূল কাৰণ হৈছে দৰমহা আৰু মজুৰিৰ ওপৰত অধিক ব্যয়, যি 951.68 কোটি টকা (2.75 শতাংশ) বৃদ্ধি পাইছিল, আৰু সুত পৰিশোধৰ ওপৰত ব্যয়, যি 1,328.58 কোটি টকা (16.32 শতাংশ) যথেষ্টভাৱে বৃদ্ধি পাইছিল। পেঞ্চন ব্যয়তো 1,115.15 কোটি টকা (6.32 শতাংশ) বৃদ্ধি হৈছিল।

চিত্র তালিকা 1.24: ৰাজহ প্রাপ্তিৰ শতাংশ হিচাপে প্রতিশ্রুতিবদ্ধ ব্যয় অন্যান্য ব্যয়ৰ বাবে বাকী থকা পুঁজি



উৎস: বিত্ত হিচাপ

[10] সহায়ক অনুদান (দৰমহা): 2021-22 (2,844.51 কোটি টকা), 2022-23 (2,838.40 কোটি টকা), 2023-24 (3,693.93 কোটি টকা) আৰু 2024-25 (3,411.10 কোটি টকা) অন্তর্ভূক্ত।

2020-21 চনৰ পৰা 2024-25 চনলৈকে পাঁচ বছৰৰ সময়ছোৱাত 35.48ৰ পৰা 41.95 শতাংশৰ সৈতে দৰমহা আৰু মজুৰি ধাৰাবাহিকভাৱে প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ সৰ্ববৃহৎ উপাদান আছিল। পেঞ্চন ব্যয়ৰ অংশ এই সময়ছোৱাত 15.91 শতাংশৰ পৰা 19.37 শতাংশলৈ বৃদ্ধি পাইছে, যি বৃদ্ধি পোৱা পেঞ্চনৰ বোজাক প্ৰতিফলিত কৰিছে। সুত পৰিশোধৰ অংশও ক্ৰমান্বয়ে 8.01 শতাংশৰ পৰা 9.77 শতাংশলৈ বৃদ্ধি পাই উপলব্ধ পুঁজিৰ ওপৰত অধিক হেঁচা প্ৰয়োগ কৰিছে।

বাকী থকা পুঁজি, যিয়ে প্ৰতিশ্ৰুতিবদ্ধ দায়বদ্ধতা পূৰণ কৰাৰ পিছত উন্নয়নমূলক ব্যয়ৰ বাবে উপলব্ধ ৰাজহ লাভৰ অংশক প্ৰতিনিধিত্ব কৰে, এই সময়ছোৱাত প্ৰায় 34-39 শতাংশ হৈয়েই থাকিল। ইয়াৰ পৰা বুজা যায় যে প্ৰতিশ্ৰুতিবদ্ধ ব্যয়ৰ পৰা হেঁচা বৃদ্ধি পোৱাৰ পিছতো ৰাজ্যখনে বিত্তীয় নমনীয়তাৰ এক সামঞ্জস্যপূৰ্ণ স্তৰ বজাই ৰাখিবলৈ সক্ষম হৈছিল, যদিও বিবেচনাধীন আৰু উন্নয়নমূলক ব্যয়ত সম্প্ৰসাৰণৰ পৰিসৰ সীমিত আছিল।

C. ৰাজসাহায্য

চলিত বৰ্ষত ৰাজসাহায্য পূৰ্বৰ বছৰৰ তুলনাত 568.04 কোটি টকা (124.63 শতাংশ) বৃদ্ধি পাইছে। এই বৃদ্ধিৰ মূল কাৰণ হৈছে অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এ পি ডি চি এল)ক বিদ্যুৎ ৰাজসাহায্য হিচাপে 400 কোটি টকা, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আঁচনিৰ বাবে 153.59 কোটি টকা আৰু নতুন ঔদ্যোগিক নীতি ৰূপায়ণৰ বাবে 14.45 কোটি টকা ৰাজসাহায্য হিচাপে প্ৰদান কৰা। সামগ্ৰিক বৃদ্ধিয়ে বছৰটোৰ ভিতৰত অত্যাৱশ্যকীয় উপভোক্তা আৰু শক্তি খণ্ডত নবীকৃত বিত্তীয় হস্তক্ষেপৰ ইংগিত দিয়ে।

বিত্তীয় বৰ্ষ 2020-21 চনৰ পৰা 2024-25 চনলৈকে প্ৰদান কৰা গুৰুত্বপূৰ্ণ ৰাজসাহায্যৰ বিভাগ ভিত্তিক বিৱৰণ **সাৰণী 1.19**ত দেখুওৱা হৈছে।

সাৰণী 1.19: বিত্তীয় বৰ্ষ 2020-21ৰ পৰা 2024-25 চনলৈকে প্ৰদান কৰা ৰাজসাহায্যৰ বিভাগ ভিত্তিক বিৱৰণ

(কোটি টকাত)

ক্ৰ নং	বিভাগ	2020-21	2021-22	2022-23	2023-24	2024-25
1.	খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমা	603.27	767.68	648.41	455.78	609.37
2.	সমবায় বিভাগ	1.81	0.00	1.56	0.00	0.00
3.	নগৰ উন্নয়ন (টি এণ্ড চি) বিভাগ	432.70	257.91	380.24	0.00	0.00
4.	শক্তি (বিদ্যুৎ) বিভাগ	903.35	943.00	625.00	0.00	400
5.	অন্যান্য বিভাগসমূহ	25.02	37.10	7.37	0.00	14.45
মুঠ ৰাজসাহায্য		**1,966.15**	**2,005.69**	**1,662.58**	**455.78**	**1,023.82**

উৎস: অসম চৰকাৰৰ সংশ্লিষ্ট বছৰৰ বিত্ত হিচাপ

ওপৰৰ **সাৰণী**ত 2020-21 চনৰ পৰা 2024-25 চনলৈকে ৰাজসাহায্যৰ বিভাগভিত্তিক বিতৰণ উপস্থাপন কৰা হৈছে, আনহাতে পৰৱৰ্তী **চিত্ৰ তালিকা**ত একে সময়ছোৱাত ৰাজসাহায্য ব্যয়ৰ সামগ্ৰিক ধাৰা চিত্ৰিত কৰা হৈছে, য'ত ৰাজসাহায্যৰ মুখ্য শিতানসমূহত হোৱা পৰিৱৰ্তনসমূহৰ ওপৰত আলোকপাত কৰা হৈছে।

চিত্ৰ তালিকা 1.25: ৰাজসাহায্যৰ ধাৰা বিশ্লেষণ



উৎস: বিত্ত হিচাপ

2020-21 চনৰ পৰা 2024-25 চনলৈকে ৰাজসাহায্যৰ ধাৰা বিশ্লেষণত লক্ষণীয় সংকোচন আৰু তাৰ পিছত আংশিক বৃদ্ধি দেখা গৈছে। ৰাজহ ব্যয়ৰ শতাংশ হিচাপে ৰাজসাহায্য 2020-21 চনত 3.05 শতাংশৰ পৰা 2023-24 চনত 0.48 শতাংশলৈ হ্ৰাস পোৱাৰ পিছত 2024-25 চনত 1.02 শতাংশলৈ বৃদ্ধি পাইছে। একেদৰে একে সময়ছোৱাত মুঠ ব্যয়ত ইয়াৰ অংশ 2.55 শতাংশৰ পৰা 0.81 শতাংশলৈ হ্ৰাস পোৱাৰ বিপৰীতে জি এছ ডি পিৰ অনুপাত 0.58 শতাংশৰ পৰা 0.16 শতাংশলৈ হ্ৰাস পাইছে। সামগ্ৰিক ধাৰাটোৱে ৰাজসাহায্য একত্ৰীকৰণৰ দিশত স্থায়ী প্ৰচেষ্টাৰ ইংগিত দিছিল, যদিও 2024-25ত প্ৰতিশ্ৰুতিদ্ধ ৰাজসাহায্যৰ সামগ্ৰিক সম্প্ৰসাৰণৰ পৰিৱৰ্তে নিৰ্বাচিত খণ্ডসমূহত লক্ষ্য নিৰ্ধাৰিতবিত্তীয় সমৰ্থন প্ৰতিফলিত কৰে।

ইয়াৰ উপৰিও 2020-21ৰ পৰা 2024-25ৰ সময়ছোৱাত ৰাজ্যখনৰ ব্যয়ৰ বিশ্লেষণে বিত্তীয় অগ্ৰাধিকাৰৰ ক্ষেত্ৰত দৃশ্যমান পৰিৱৰ্তনৰ ইংগিত দিয়ে। মূলধনী ব্যয় 2022-23 চনত হ্ৰাস পোৱা সত্ত্বেও 2020-21 চনত 12,399.40 কোটি টকাৰ পৰা 2024-25 চনত 26,404.20 কোটি টকালৈ বৃদ্ধি পাইছে, আনহাতে জি এছ ডি পিৰ সৈতে ইয়াৰ অনুপাত 3.30 শতাংশৰ পৰা 4.90 শতাংশৰ ভিতৰত উঠা-নমা কৰি 2024-25 চনত 4.10 শতাংশলৈ হ্ৰাস পাইছিল। ইয়াৰ বিপৰীতে 2023-24 চনত তীব্ৰ সংকোচনৰ সৈতে ৰাজসাহায্য ব্যয়ে 2020-21 চনত 1,966.15 কোটি টকাৰ পৰা 2024-25 চনত 1,023.82 কোটি টকালৈ হ্ৰাস পোৱাৰ ধাৰা প্ৰদৰ্শন কৰে। এই হ্ৰাসৰ মূল কাৰণ হৈছে শক্তি (বিদ্যুৎ), নগৰ উন্নয়ন, আৰু সমবায়ৰ অধীনত কম ব্যয়, আনহাতে খাদ্য, অসামৰিক যোগান আৰু উপভোক্তা পৰিক্ৰমাৰ সৈতে জড়িত ৰাজসাহায্য তুলনামূলকভাৱে অধিক হৈয়েই আছে। বিচ্ছিন্ন ধাৰাসমূহে কল্যাণমুখী ব্যয় আৰু মূলধনী বিনিয়োগৰ মাজৰ ট্ৰেড-অফসমূহক ফুটাই তুলিছে, যি ৰাজসাহায্যৰ প্ৰতিশ্ৰুতিক যুক্তিসংগত কৰাৰ লগতে আন্তঃগাঁথনি সৃষ্টিৰ দিশত পুনৰ অভিমুখী হোৱাৰ ইংগিত দিয়ে।

মূখ্য কল্যাণমূলক আঁচনিসমূহৰ ব্যয় আৰু ব্যৱহাৰৰ ধাৰা

ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে বিভিন্ন কল্যাণমূলক আঁচনিৰ বাবে পুঁজি আবণ্টন কৰিছে, যিবোৰ হিচাপত ৰাজসাহায্য হিচাপে বুকিং কৰা নহয় যদিও তলৰ সাৰণীত বিতংভাৱে উল্লেখ কৰা অনুসৰি পৰোক্ষভাৱে ৰাজসাহায্য ব্যয়ক প্ৰতিনিধিত্ব কৰে –

সাৰণী 1.20: মূখ্য কল্যাণমূলক আঁচনি আৰু পৰোক্ষ ৰাজসাহায্য ব্যয়ৰ প্ৰকাৰ (2024-25)

আঁচনিৰ নাম	বাজেট ব্যৱস্থা *(কোটি টকা)*	ব্যয় *(কোটি টকা)*	ব্যৱহাৰ *(কোটি টকা)*
অৰুণোদয়	3,750	3,680	98.13
স্বহীদ কুশল কোঁৱৰ সার্বজনীন বৃদ্ধ পেঞ্চন আঁচনি	363	363	100
ক্ষুদ্র উদ্যোগী সহায় আঁচনি	540.12	223.26	41.34
আমাৰ অলহী গ্রাম্য হোমষ্টে আঁচনি	300	100	33.33
অসম চাহ উদ্যোগ বিশেষ প্রৰোচনামূলক আঁচনি	99.15	99.04	99.89
মিছিং স্বায়ত্তশাসিত পৰিষদলৈ সহায় (এম এ চি)	93.50	93.50	100
ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদলৈ সহায় (আৰ এইচ এ চি)	66	66	100
আপেন ঘৰ সূত ৰেহাই আঁচনি	150	63.45	42.30
সখী এক্সপ্রেছ	52	52	100
অনুসূচিত জাতি উন্নয়নৰ বাবে এককালীন বিশেষ অনুদান	90	44.99	50

উৎস: বিত্ত বিভাগ, অসম চৰকাৰ

সাৰণী 1.20ৰ পৰা দেখা যায় যে ক্ষুদ্র উদ্যোগী সহায়ক আঁচনি, আমাৰ আলহী গ্রাম্য হোমষ্টে আঁচনি[11], অসম চাহ উদ্যোগ বিশেষ প্রৰোচনা আঁচনি[12]ৰ দৰে আঁচনিসমূহ মূলধন গঠনৰ সৈতে প্রত্যক্ষভাৱে জড়িত আছিল। সাৰণীত প্রতিফলিত সর্বাধিক ৰাজসাহায্যৰ ভিতৰত অৰুণোদয়ত 3,750 কোটি টকাৰ বাজেট ব্যৱস্থাৰ বিপৰীতে 3,680 কোটি টকাৰ সর্বাধিক ব্যয় হৈছিল, অর্থাৎ 98.13 শতাংশৰ সৈতে প্রায় সম্পূর্ণ পৰিমাণ ব্যৱহাৰ হৈছিল। ইয়াৰ পিছতে স্বহীদ কুশল কোঁৱৰ সার্বজনীন বৃদ্ধ পেঞ্চন আঁচনি (363 কোটি টকা)ৰ অধীনত বাজেট ব্যৱস্থাৰ সম্পূর্ণ ব্যৱহাৰৰ সৈতে দ্বিতীয় সর্বাধিক ব্যয় হৈছিল।

সাৰণীত প্রতিফলিত পুঁজি ব্যৱহাৰৰ আৰ্হিয়ে বৃহৎ পৰিসৰৰ আয় সমর্থন আঁচনিৰ সন্দর্ভত সাহায্যৰ স্পষ্ট অগ্রাধিকাৰৰ ইংগিত দিয়ে। ইয়াৰ বিপৰীতে কিছুমান আঁচনি যেনে ক্ষুদ্র উদ্যোগী সহায় আঁচনিত তুলনামূলকভাৱে কম ব্যৱহাৰ দেখা গৈছিল, য'ত 540.12 কোটি টকা বাজেট ব্যৱস্থাৰ বিপৰীতে 41.34 শতাংশ অর্থাৎ 223.26 কোটি টকা ব্যয় হৈছিল, আমাৰ আলহী গ্রাম্য হোমষ্টে আঁচনি, য'ত 33.33 শতাংশ ব্যৱহাৰ হৈছিল আৰু আপোন ঘৰ সুত ৰেহাই আঁচনি, য'ত 42.30 শতাংশ পুঁজি ব্যৱহাৰ হৈছিল। সাৰণীত অন্তর্ভুক্ত আন কিছুমান ৰেহাইপ্রাপ্ত আঁচনি যেনে অসম চাহ উদ্যোগৰ বিশেষ প্রৰোচনা আঁচনি, মিছিং স্বায়ত্তশাসিত পৰিষদলৈ সাহায্য, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদলৈ সাহায্য আৰু সখী এক্সপ্রেছত বাজেট ব্যৱস্থাৰ সম্পূর্ণ বা প্রায় সম্পূর্ণ ব্যৱহাৰ লিপিবদ্ধ কৰা হৈছে।

D. স্থানীয় নিকায় আৰু অন্যান্য প্রতিষ্ঠানলৈ ৰাজ্য চৰকাৰৰ আর্থিক সাহায্য

2020-21 চনৰ পৰা 2024-25 চনলৈকে স্থানীয় নিকায় আৰু অন্যান্য প্রতিষ্ঠানসমূহক অনুদানৰ জৰিয়তে প্রদান কৰা সাহায্যৰ বিৱৰণী **সাৰণী 1.21**ত উপস্থাপন কৰা হৈছে।

সাৰণী 1.21: স্থানীয় নিকায় আৰু অন্যান্য প্রতিষ্ঠানলৈ আর্থিক সাহায্য

(কোটি টকাত)

প্রতিষ্ঠান	2020-21	2021-22	2022-23	2023-24	2024-25
(A) স্থানীয় নিকায়					
পৌৰ নিগম আৰু পৌৰসভা	354.96	826.37	1,310.92	1,005.64	1,051.56
পৌৰ নিগম আৰু পৌৰসভাত মূলধনী সম্পত্তি সৃষ্টি কৰিবলৈ জি আই এ	49.52	150.59	233.65	116.49	4.77
জিলা পৰিষদ আৰু অন্যান্য পঞ্চায়তীৰাজ প্রতিষ্ঠান	682.48	1,339.39	252.96	326.94	281.14
পি আৰ আই-ত মূলধনী সম্পত্তি সৃষ্টি কৰিবলৈ জি আই	0.08	71.90	34.15	28.28	22.50

[11] মূলধনী ৰাজসাহায্য, প্রচাৰমূলক ৰাজসাহায্য, কার্য্যকৰী ৰাজসাহায্য আদি অন্তর্ভুক্ত।

[12] ইয়াত ঋণৰ ওপৰত সুত ৰাজসাহায্য, উৎপাদন ৰাজসাহায্য, মূলধনী ৰাজসাহায্য আদি উপাদানসমূহ অন্তর্ভুক্ত কৰা হৈছে।

প্ৰতিষ্ঠান	2020-21	2021-22	2022-23	2023-24	2024-25
এ					
মুঠ (A)	**1,037.44**	**2,165.76**	**1,563.88**	**1,332.58**	**1,332.70**
(B) অন্যান্য					
শিক্ষানুষ্ঠান (সমৰ্থন প্ৰাপ্ত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় আদি)	118.23	780.31	1,104.41	1,332.22	1,153.40
উন্নয়ন কৰ্তৃপক্ষ	180.74	415.59	2,033.93	1,324.11	1,919.31
চিকিৎসালয় আৰু অন্যান্য দাতব্য প্ৰতিষ্ঠান	3,309.67	3,849.02	2,881.15	2,940.62	2,577.62
অন্যান্য প্ৰতিষ্ঠান	19,089.66	24,569.41	39,097.44	31,931.46	25,888.42
মুঠ (B)	**22,698.30**	**29,614.33**	**45,116.93**	**37,528.40**	**31,538.75**
মুঠ (A+B)	**23,735.74**	**31,780.09**	**46,680.81**	**38,860.98**	**32,871.45**
মূলধনী সম্পত্তি সৃষ্টি কৰিবলৈ প্ৰদান কৰা মুঠ জি আই এ	3,002.98	3,650.94	15,479.46	6,453.39	5,314.50
ৰাজহ ব্যয়	64,519.59	82,547.96	1,01,814.65	94,162.90	99,907.96
ৰাজহ ব্যয়ৰ শতাংশ হিচাপে সাহায্য	36.79	38.50	45.85	41.27	32.90

উৎস: বিত্ত হিচাপ (বিবৃত্তি 10 আৰু পৰিশিষ্ট III)

চলিত বৰ্ষত স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠানসমূহক প্ৰদান কৰা আৰ্থিক সাহায্য পূৰ্বৰ বছৰৰ তুলনাত 5,989.53 কোটি টকা (15.41 শতাংশ) হ্ৰাস পাইছে। এই হ্ৰাসৰ মূল কাৰণ হৈছে অন্যান্য প্ৰতিষ্ঠানসমূহক দিয়া সাহায্য (6,043.04 কোটি টকা: 18.93 শতাংশ) হ্ৰাস হোৱা। ৰাজহ ব্যয়ৰ শতাংশ হিচাপে স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠানসমূহ প্ৰদান কৰা আৰ্থিক সাহায্যৰ পৰিমাণ চলিত বৰ্ষত সামগ্ৰিকভাৱে 32.90 শতাংশলৈ হ্ৰাস পাইছে, যিটো পূৰ্বৰ বছৰত 41.27 শতাংশ আছিল।

1.2.4.2 মূলধনী ব্যয়

মূলধনী ব্যয় মূলতঃ পথ, অট্টালিকা আদিৰ দৰে স্থাৱৰ আন্তঃগাঁথনি সম্পত্তি সৃষ্টিৰ ব্যয়। কেন্দ্ৰ আৰু ৰাজ্য উভয়তে মূলধনী ব্যয় বাজেটীয় সহায় আৰু অতিৰিক্ত বাজেটীয় সাধন/বাজেট বহির্ভূতৰ পৰা পূৰণ কৰা হয়। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে কোম্পানী/নিগমত কৰা বিনিয়োগো অন্তর্ভুক্ত কৰা হৈছে। 2020-25 চনৰ সময়ছোৱাৰ মূলধনী ব্যয়ৰ ধাৰা **চিত্ৰ তালিকা 1.26**ত দিয়া হৈছে।

চিত্ৰ তালিকা 1.26: ৰাজ্যত মূলধনী ব্যয়



উৎস: বিত্ত হিচাপ

26,404.20 কোটি টকাৰ মূলধনী ব্যয়ৰ উপৰিও ৰাজ্য চৰকাৰে স্থানীয় নিকায় আৰু অন্যান্য প্ৰতিষ্ঠানলৈ মূলধনী সম্পত্তি সৃষ্টিৰ বাবে অনুদান সহায়ক হিচাপে 5,314.50 কোটি টকা হস্তান্তৰ কৰে। তদুপৰি, ঋণ প্ৰাপ্তিৰ তুলনাত মূলধনী ব্যয় (অৰ্থোপায় অগ্ৰিম বাদ দি) 86.08 শতাংশ আছিল, যি ইংগিত দিয়ে যে ঋণৰ কিছু অংশ আন্তঃগাঁথনিগত উন্নয়নলৈ ৰূপান্তৰিত হোৱা নাছিল।

ইয়াৰ উপৰিও, ভাৰত চৰকাৰৰ একাউণ্টিং ষ্টোণ্ডার্ড-IV উলংঘা কৰি, ***পৰিশিষ্ট 3.11***ৰ অধীনত বিতংভাৱে আলোচনা কৰা অনুসৰি, প্ৰকৃত ব্যয় নোহোৱাকৈ পূৰ্বৰ সময়ৰ সমাযোজনসমূহক চলিত বৰ্ষৰ ব্যয় হিচাপে বুকিং কৰাৰ বাবে 2024-25 চনত মূলধনী ব্যয় 842.85 কোটি টকা অতিৰিক্তভাৱে উল্লেখ কৰা হৈছিল।

A. খণ্ডভিত্তিক মূলধনী ব্যয়

মূলধনী ব্যয়ৰ খণ্ডভিত্তিক গঠন **সাৰণী 1.22**ত দিয়া হৈছে। খণ্ডভিত্তিক ব্যয়ৰ বিশদ ***পৰিশিষ্ট 1.2***ত দিয়া হৈছে।

সাৰণী 1.22: খণ্ডভিত্তিক মূলধনী ব্যয়

(কোটি টকাত)

মাপকাঠী	2020-21	2021-22	2022-23	2023-24	2024-25
সাধাৰণ সেৱা	518.45	862.79	1,921.50	3,050.50	3,782.87
সামাজিক সেৱা	2,354.35	3,000.52	2,638.12	4,610.78	6,509.50
অৰ্থনৈতিক সেৱা	9,526.60	16,262.52	11,438.08	13,782.95	16,111.83

উৎস: বিত্ত হিচাপ

খণ্ডসমূহৰ ভিতৰত অৰ্থনৈতিক সেৱাত সৰ্বাধিক ব্যয় অব্যাহত আছে, যি 2023-24 চনত 13,782.95 কোটি টকাৰ পৰা 2024-25 চনত 16,111.83 কোটি টকা (16.90 শতাংশ বৃদ্ধি)লৈ বৃদ্ধি পাইছে, আনহাতে সমাজিক সেৱাত 41.18 শতাংশ তীব্ৰ বৃদ্ধি ৰেকৰ্ড কৰিছে, যি 4,610.78 কোটি টকাৰ পৰা 6,509.50 কোটি টকালৈ বৃদ্ধি হৈছে, যিয়ে সামাজিক আন্তঃগাঁথনিৰ ওপৰত ক্ৰমবৰ্ধমান গুৰুত্ব প্ৰতিফলিত কৰে। বছৰটোৰ ভিতৰত সাধাৰণ সেৱাৰ ব্যয় মধ্যমীয়াভাৱে 24 শতাংশ বৃদ্ধি পাইছে।

চিত্ৰ তালিকা 1.27: মূলধনী ব্যয়ত বিভিন্ন খণ্ডৰ আপেক্ষিক অংশ



উৎস: বিত্ত হিচাপ

খণ্ডগত অংশীদাৰীত্বৰ বিশ্লেষণে পাঁচ বছৰৰ সময়ছোৱাত ক্ৰমান্বয়ে গাঁথনিগত পৰিৱৰ্তনৰ কথা প্ৰকাশ কৰে। মুঠ মূলধনী ব্যয়ত অৰ্থনৈতিক সেৱাৰ অংশ 2020-21 চনত 76.83 শতাংশৰ পৰা 2024-25 চনত 61.02 শতাংশলৈ হ্ৰাস পাইছে, যিয়ে বিনিয়োগৰ অগ্ৰাধিকাৰৰ বৈচিত্ৰতাৰ ইংগিত দিয়ে। ইয়াৰ বিপৰীতে সমাজ

সেৱাৰ অংশীদাৰীত্ব 18.99 শতাংশৰ পৰা 24.65 শতাংশলৈ বৃদ্ধি পাইছে, যিয়ে শিক্ষা, স্বাস্থ্য, আৰু সামাজিক আন্তঃগাঁথনিৰ দিশত অধিক আবণ্টন প্ৰতিফলিত কৰিছে। সাধাৰণ সেৱাই কম হ'লেও বৃদ্ধি পোৱা অংশ বজাই ৰাখিছে, যি 2020-21 চনত 4.18 শতাংশৰ পৰা 2024-25 চনত 14.33 শতাংশলৈ বৃদ্ধি পাইছে।

B. কোম্পানী, নিগম আৰু অন্যান্য নিকায়সমূহত বিনিয়োগৰ মানদণ্ড

2025 চনৰ 31 মাৰ্চলৈকে কোম্পানী, নিগম আৰু অন্যান্য নিকায়সমূহত ৰাজ্য চৰকাৰৰ বিনিয়োগ 13,427.39 কোটি টকা আছিল, য'ত 27টা চৰকাৰী কোম্পানী (2,813.85 কোটি টকা), চাৰিটা বিধিবদ্ধ নিগম (8,090.10 কোটি টকা), 18টা অন্যান্য যৌথ ষ্টক আৰু অংশীদাৰ কোম্পানী (2,258.34 কোটি টকা), 20খন সমবায় সমিতি (165.09 কোটি টকা) আৰু চাৰিটা গ্ৰাম্য বেংক (100.01 কোটি টকা) অন্তৰ্ভুক্ত।

কোম্পানী, নিগম, আৰু সমবায় বেংক আৰু ছ'চাইটিত বছৰৰ শেষত বিনিয়োগৰ ধাৰা আৰু এই বিনিয়োগৰ ওপৰত লাভ কৰা ৰিটার্ণ **চিত্ৰ তালিকা 1.28**ত দেখুওৱা হৈছে। চৰকাৰী ঋণৰ ওপৰত গড় সুতৰ হাৰৰ বিপৰীতে বিনিয়োগৰ ওপৰত লাভ কৰা ৰিটার্ণৰ হাৰ **চিত্ৰ তালিকা 1.29**ত দেখুওৱা হৈছে।





উৎস: বিত্ত হিচাপ

2024-25ত বিনিয়োগৰ ওপৰত ৰিটার্ণ 15 কোটি টকা (0.11 শতাংশ) আছিল (ঐতিহাসিক খৰচৰ ভিত্তিত আৰু বৰ্তমানৰ প্ৰকৃত মূল্যৰ ভিত্তিত নহয়)। 2020-21 আৰু 2022-23 চনত মাজে সময়ে সৰ্বাধিক ৰিটার্ণ আৰু যোৱা চাৰি বছৰৰ ভিতৰত তিনিটা বছৰত অতি কম ৰিটার্ণৰ সৈতে 2020-25ত এই ৰিটার্ণ 0.11 শতাংশৰ পৰা 18.25 শতাংশৰ ভিতৰত ব্যাপকভাৱে উঠা-নমা কৰিছিল। একে সময়ছোৱাত ৰাজ্য চৰকাৰে ঋণৰ ওপৰত গড় 6.58 শতাংশৰ পৰা 6.81 শতাংশ হাৰত সুত পৰিশোধ কৰি আছিল। যোৱা পাঁচ বছৰত এছ পি এছ ইত চৰকাৰী ঋণৰ ওপৰত ব্যয় আৰু বিনিয়োগৰ ওপৰত ৰিটার্ণৰ মাজত 30,069.11 কোটি টকাৰ পাৰ্থক্য আছিল।

দেখা গৈছিল যে 2024-25 বিত্তীয় বৰ্ষলৈকে 31টা এছ পি এছ ই (27টা চৰকাৰী কোম্পানী আৰু চাৰিটা বিধিবদ্ধ নিগম)ত 10,903.95 কোটি টকা বিনিয়োগ কৰা হৈছিল। 31টা এছ পি এছ ইৰ ভিতৰত মাত্ৰ এটা এছ পি এছ ই (অসম শক্তি উৎপাদন নিগম লিমিটেড)য়ে 2024-25 বিত্তীয় বৰ্ষত 15.00 কোটি টকাৰ ৰিটার্ণ

দিছিল যিটো মুঠ বিনিয়োগৰ মাত্ৰ 0.11 শতাংশহে আছিল। কিন্তু চৰকাৰে গড়ে 6.76 শতাংশ সুতৰ হাৰত ঋণ লৈছিল।

চাৰিটা বিধিবদ্ধ নিগমৰ ভিতৰত তিনিটাত লোকচান হৈছিল আৰু সেই সমূহৰ সঞ্চিত লোকচান 112.90 কোটি টকা[13] আছিল। একেদৰে ৰাজ্যখনৰ 27টা চৰকাৰী কোম্পানীৰ ভিতৰত 17টা কোম্পানীয়ে লোকচান ভুগিছিল, আৰু সেই সমূহৰ সঞ্চিত লোকচান 592.30 কোটি টকা আছিল।

চৰকাৰী কোম্পানী আৰু বিধিবদ্ধ নিগমৰ হিচাপৰ সৈতে চৰকাৰী বিনিয়োগৰ সমিলমিলকৰণ

ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহত (এছ পি এছ ই) ইকুইটি হিচাপে চৰকাৰী বিনিয়োগৰ পৰিসংখ্যা এছ পি এছ ইসমূহৰ হিচাপত উল্লেখ কৰা পৰিসংখ্যাৰ সৈতে একেই হ'ব লাগে। এছ পি এছ ই আৰু ৰাজ্য চৰকাৰৰ বিত্তীয় হিচাপৰ পাৰ্থক্য নিৰ্ণয় কৰিবলৈ পৰিসংখ্যাৰ সমিলমিলকৰণ কৰাটো প্ৰয়োজনীয়। এছ পি এছ ই-ৰ[14] সংখ্যা (নটা এছ পি এছ ই) আৰু বিত্ত হিচাপত লিপিবদ্ধ হোৱা (31টা এছ পি এছ ই-ৰ দ্বাৰা 10,903.95 কোটি টকাৰ বিনিয়োগ) ৰাজ্য চৰকাৰে কৰা বিনিয়োগ (4,339.11 কোটি টকা) আৰু এছ পি এছ ইৰ ওপৰত হিচাপ পৰীক্ষা প্ৰতিবেদন (40টা কাৰ্যকৰী আৰু অ-কাৰ্যকৰী এছ পি এছ ইৰ দ্বাৰা 15,243.06 কোটি টকাৰ বিনিয়োগ)ৰ মাজত পাৰ্থক্য আছে)। ৰাজ্য চৰকাৰে মহাগাণনিক (এ এণ্ড ই), অসমক দিয়া বিনিয়োগৰ তথ্য আৰু সংশ্লিষ্ট এছ পি এছ ইৰ পৰা লাভ কৰা হিচাপ পৰীক্ষা প্ৰতিবেদনত দিয়া সবিশেষৰ বাবেই এই পাৰ্থক্যৰ সৃষ্টি হৈছে।

এই ক্ষেত্ৰত প্ৰকৃত স্থিতি চিত্ৰণ সম্ভৱ হ'ব পৰাকৈ পাৰ্থক্যসমূহ মিলাই শুদ্ধ পৰিসংখ্যাসমূহ মহাগাণনিকৰ কাৰ্যালয়লৈ (এ এণ্ড ই) প্ৰেৰণ কৰিবলৈ ৰাজ্য চৰকাৰক কেইবাবাৰো অনুৰোধ জনোৱা হৈছে।

বিত্ত হিচাপ অনুসৰি এছ পি এছ ইৰ বিৱৰণ আৰু হিচাপ পৰীক্ষা প্ৰতিবেদন অনুসৰি পি এছ ইউ-ৰ বিৱৰণ ***পৰিশিষ্ট 1.4***ত দিয়া হৈছে।

লভ্যাংশ নীতিৰ অভাৱ আৰু ইয়াৰ প্ৰভাৱ

লাভজনক উদ্যোগৰ পৰা নূন্যতম ৰিটাৰ্ণ বাধ্যতামূলক কৰা এটা সুনিৰ্দিষ্ট লভ্যাংশ নীতিয়ে ৰাজ্য চৰকাৰক ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ (এছ পি এছ ই)ত বিনিয়োগৰ পৰা অনুকূল ৰিটাৰ্ণ লাভ কৰিবলৈ সক্ষম কৰে আৰু এছ পি এছ ইৰ বিত্তীয় প্ৰদৰ্শনৰ নিৰীক্ষণ বৃদ্ধি কৰে। দেখা গ'ল যে ৰাজ্যখনে নিজৰ এছ পি এছ ইৰ বাবে লভ্যাংশ নীতি প্ৰণয়ন কৰা নাই বা বলবৎ কৰা নাই। কিন্তু ৰাজ্য চৰকাৰে (24 জুন 2019) অধিসূচনা কৰা ৰাজহুৱা উদ্যোগ নীতিৰ 8 নং দফা অনুসৰি, *"কোনো সঞ্চিত লোকচান নথকা আৰু পৰিচালনা লাভ থকা এছ পি এছ ইসমূহে পূৰ্বৰ বিত্তীয় বৰ্ষত প্ৰদানযোগ্য কৰ পৰিশোধ কৰাৰ পিছত ইয়াৰ শ্বেয়াৰহোল্ডাৰসকলক নূন্যতম লভ্যাংশ প্ৰদান কৰিব লাগিব যদিহে এই বিষয়ে এছ পি এছ ইৰ আৰ্টিকেলছ অৰ এছ'চিয়েচন/আৰ্টিকেলছ অৰ ইনকৰ্প'ৰেচনত নিৰ্ধাৰণ কৰা হয়"*। নূন্যতম লভ্যাংশ অৱশ্যে নীতিত সংজ্ঞায়িত কৰা হোৱা নাছিল। ফলত চৰকাৰৰ ইকুইটি বিনিয়োগ আৰু তৰ ওপৰত পোৱা ৰিটাৰ্ণৰ মাজত 30,069.11 কোটি টকাৰ কোৱাণ্টাম ব্যৱধান আছে, ফলত কৰবিহীন ৰাজহ আহৰণৰ সম্ভাৱনাক প্ৰভাৱিত কৰে।

19 ডিচেম্বৰ 2025ত অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগ (এছ পি এছ ই)ৰ বাবে স্পষ্টভাৱে নিৰ্ধাৰিত লভ্যাংশ নীতিৰ অনুপস্থিতিৰ সৈতে জড়িত বিষয়টো চোৱাচিতা কৰা হ'ব বুলি আশ্বাস দিয়ে। তাৰ পিছত বিত্ত (হিচাপ

[13] অসম ৰাজ্যিক পণ্যাগাৰ নিগম: 8.37 কোটি টকা (31-03-2018 তাৰিখলৈকে); অসম ৰাজ্যিক পৰিবহণ নিগম: 94.80 কোটি টকা (31-03-2017 তাৰিখলৈকে); অসম বিত্তীয় নিগম, গুৱাহাটী: 9.73 কোটি টকা (31-03-2019 তাৰিখলৈকে)

[14] বিধিবদ্ধ নিগম আৰু চৰকাৰী কোম্পানী

পৰীক্ষা আৰু পুঁজি) বিভাগে 26 ডিচেম্বৰ 2025ৰ পত্ৰাচাৰৰ জৰিয়তে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগক হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ বিষয়ে মনোযোগ আকৰ্ষন কৰে।

এ পি ডি চি এলৰ বিত্তীয় প্ৰদৰ্শন আৰু অসম চৰকাৰৰ পৰা প্ৰাপ্ত ৰাজসাহায্য

সাৰণী 1.23: এ পি ডি চি এলৰ লাভ/লোকচান আৰু চৰকাৰী ৰাজসাহায্য

(কোটি টকাত)

বিৱৰণ	2020-21	2021-22	2022-23	2023-24	2024-25
পৰিচালনা ৰাজহ	5,695.97	6,436.34	7,927.19	9,267.02	10,380.67
শুল্ক হিচাপে উপভোক্তাৰ বাবে লক্ষ্য নিৰ্ধাৰিত ৰাজসাহায্য	417.65	459.70	284.43	260.94	844.63
শক্তি ক্ৰয় খৰচ	5,807.24	5,917.01	8,478.85	8,481.15	9,289.07
ৰাজহ বিলিং আৰু সংগ্ৰহত ব্যয়	76.33	114.07	123.04	112.47	456.84
লাভ (+)/ লোকচান (-)	-292.42	336.35	-806.22	375.04	296.24

উৎস: ৰাজ্য চৰকাৰৰ প্ৰত্যুত্তৰ

অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ (এ পি ডি চি এল) কাম-কাজৰ পৰা ৰাজহ 2020-21 চনত 5,695.97 কোটি টকাৰ পৰা 2024-25 চনত 10,380.67 কোটি টকালৈ ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে, যিয়ে পাঁচ বছৰৰ ভিতৰত প্ৰায় 82 শতাংশ বৃদ্ধিৰ প্ৰতিফলন ঘটায়। চৰকাৰী শুল্ক ৰাজসাহায্যও 2020-21 চনত 417.65 কোটি টকাৰ পৰা 2024-25 চনত 844.63 কোটি টকালৈ বৃদ্ধি পাইছে, য'ত চৰকাৰৰ অনুমোদন অবিহনে কোম্পানীয়ে উপলব্ধ আঁচনিৰ পুঁজিৰ পৰা 582.33 কোটি টকা ডাইভাৰ্ট কৰাও অন্তৰ্ভুক্ত।

ব্যয়ৰ দিশত 2020-21 চনত শক্তি ক্ৰয়ৰ ব্যয় 5,807.24 কোটি টকাৰ পৰা 2024-25 চনত 9,289.07 কোটি টকালৈ যথেষ্ট বৃদ্ধি পাইছে। ৰাজহ বিলিং আৰু সংগ্ৰহ ব্যয়ও তীব্ৰভাৱে বৃদ্ধি পাইছে, বিশেষকৈ 2020-21 চনত 76.33 কোটি টকাৰ পৰা 2024-25 চনত 456.84 কোটি টকালৈ বৃদ্ধি পাইছে।

এই সময়ছোৱাত লাভ কম বেছি হোৱাৰ পিছতো এ পি ডি চি এলে 2020-21 চনত 292.42 কোটি টকা লোকচানৰ পৰা 2024-25 চনত 296.24 কোটি টকা লাভ অৰ্জন কৰিবলৈ সক্ষম হয়, যিয়ে অধিক ৰাজহ আৰু ৰাজসাহায্যৰ সৈতে কাৰ্য্যকৰী প্ৰদৰ্শন উন্নত হোৱাৰ ইংগিত দিয়ে।

এ পি ডি চি এলে গ্ৰহণ কৰা সংস্কাৰ ব্যৱস্থা {উজ্জ্বল ডিচকম নিশ্চয়তা যোজনা (উদয়)কে ধৰি}

2024-25 চনৰ ভিতৰত এ পি ডি চি এলে স্মাৰ্ট মিটাৰিং, ফিডাৰ মিটাৰিং, আৰু বিতৰণ ট্ৰেন্সফৰ্মাৰ মিটাৰিঙৰ দৰে সংস্কাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। 2025 চনৰ 31 মাৰ্চলৈকে ফিডাৰ মিটাৰিঙৰ কাম সম্পূৰ্ণ হৈছিল। বিতৰণ ট্ৰেন্সফৰ্মাৰ মিটাৰিঙৰ প্ৰায় 90 শতাংশ কাম সম্পূৰ্ণ হয়। কিন্তু স্মাৰ্ট মিটাৰিঙৰ ক'ভাৰেজ মুঠ প্ৰয়োজনীয়তাৰ প্ৰায় 53 শতাংশ আছিল, যিয়ে আংশিক ৰূপায়ণৰ ইংগিত দিয়ে।

সাৰণী 1.24: 31 মাৰ্চ 2025লৈকে মিটাৰিঙৰ স্থিতি

সংশোধিত মাপকাঠী	লক্ষ্য	সফলতা
স্মাৰ্ট মিটাৰিং	63,64,798	33,51,196
ফিডাৰ মিটাৰিং	2,847	2,847
বিতৰণ ট্ৰেন্সফৰ্মাৰ মিটাৰিঙ	77,547	69,675

উৎস: ৰাজ্য চৰকাৰৰ প্ৰত্যুত্তৰ

কোম্পানীটোৱে 2020-21 চনত 1000 কোটি টকা, 2021-22 চনত 1000 কোটি টকা, 2022-23 চনত 3,854.44 কোটি টকা, 2023-24 চনত 4,134.56 কোটি টকা আৰু 2024-25 চনত 2,150.61 কোটি টকাৰ মূলধনী ব্যয় কৰিছিল। ইয়াৰ উপৰিও এ পি ডি চি এলে বিদ্যুৎ যোগানৰ গুণগত মান আৰু নির্ভৰযোগ্যতা উন্নত কৰাৰ বাবে পুনৰ সংস্কাৰ কৰা বিতৰণ খণ্ড আঁচনি (আৰ ডি এছ্ এছ্) ৰূপায়ণ কৰি আছে আৰু 2025 চনৰ 31 মার্চলৈকে আৰ ডি এছ্ এছ্-ৰ অধীনত 840.24 কোটি টকা ব্যয় কৰা হৈছে। 2022-25 চনৰ ভিতৰত উদয় আঁচনিৰ অধীনত কোনো ব্যয় কৰা হোৱা নাছিল।

চৰকাৰী বিভাগৰ বকেয়া

চৰকাৰী বিভাগৰ পৰা এ পি ডি চি এলে লাভ কৰিবলগীয়া বকেয়া ধন, 2021-22 চনত 21.16 কোটি টকাৰ পৰা 2023-24ত 98.53 কোটি টকালৈ বৃদ্ধি হোৱাৰ পিছত 2024-25ত 27.41 কোটি টকালৈ হ্ৰাস পায়।

সাৰণী 1.25: চৰকাৰী বিভাগৰ বকেয়া

(কোটি টকাত)

বর্ষ	2020-21	2021-22	2022-23	2023-24	2024-25
পৰিমাণ	তথ্য উপলব্ধ নাই	21.16	24.17	98.53	27.41

উৎস: ৰাজ্য চৰকাৰৰ প্ৰত্যুত্তৰ

তদুপৰি এই বকেয়া পৰিমাণ নিষ্কাশন কৰাৰ বাবে সংশ্লিষ্ট চৰকাৰী বিভাগসমূহে কৰা বাজেট ব্যৱস্থাসমূহৰ সন্দর্ভত সবিশেষ উপলব্ধ নাছিল। বছৰৰ পিছত বছৰ ধৰি হোৱা তাৰতম্যই চৰকাৰী বিভাগসমূহৰ দ্বাৰা অসামঞ্জস্যপূর্ণ বিদ্যুৎ মাচুল নিষ্পত্তিৰ ইংগিত দিয়ে, যিয়ে কোম্পানীৰ লিকুইডিটিৰ স্থিতিত প্ৰভাৱ পেলায়।

C. ৰাজ্য চৰকাৰে প্ৰদান কৰা ঋণ আৰু অগ্ৰিম

সমবায় সমিতি, নিগম আৰু কোম্পানীত বিনিয়োগৰ উপৰিও ৰাজ্য চৰকাৰে বহু প্ৰতিষ্ঠান/সংগঠনলৈ ঋণ আৰু অগ্ৰিম ধন প্ৰদান কৰি আহিছে। **সাৰণী 1.26**ত 2025 চনৰ 31 মার্চলৈকে বাকী থকা ঋণ আৰু অগ্ৰিম ধনৰ স্থিতি আৰু ৰাজ্য চৰকাৰে বিগত পাঁচ বছৰত ঋণৰ ওপৰত পৰিশোধ কৰা সুতৰ বিপৰীতে লাভ কৰা সুতৰ বিৱৰণ দাঙি ধৰা হৈছে।

সাৰণী 1.26: 2020-25ত বিতৰণ আৰু আদায় কৰা ঋণ

(কোটি টকাত)

বিৱৰণ	2020-21	2021-22	2022-23	2023-24	2024-25
বকেয়া ঋণৰ আৰম্ভণি উদ্বৃত্ত	6,056.98	6,142.22	3,146.74	5,720.65*	3,345.55*
বছৰটোত প্ৰদান কৰা ঋণ	87.80	104.01	339.84	64.50	4.57
বছৰটোত আদায় কৰা পৰিমাণ	2.56	3,099.49	5.07	3,282.45	879.30
বকেয়া ঋণৰ সামৰণি উদ্বৃত্ত	6,142.22	3,146.74	3,481.51	2,502.70	2,470.82
প্ৰকৃত সংযোজন	85.24	-2,995.48	334.77	-3,217.95	-874.73
প্ৰাপ্ত সূত	167.20	49.67	296.98	815.23	197.58
চৰকাৰে প্ৰদান কৰা ঋণ আৰু অগ্ৰিমৰ ওপৰত সূতৰ হাৰ (*শতাংশ*)	2.72	1.58	8.53	32.57	8
চৰকাৰী ঋণৰ ওপৰত গড় সুতৰ হাৰ (*শতাংশ*)	6.81	6.75	6.58	6.63	6.76
লাভ কৰা সুত আৰু প্ৰদান কৰা সুতৰ মাজৰ পার্থক্য	-4.09	-5.17	1.95	25.94	1.24

বিৱৰণ	2020-21	2021-22	2022-23	2023-24	2024-25
(*শতাংশ*)					

উৎস: বিত্ত হিচাপ

*টোকা: *ৰাজ্য চৰকাৰৰ অনুৰোধত পূৰ্বৰ সময়ছোৱাত ক্ৰমে 2,239.13 কোটি টকা আৰু 842.85 কোটি টকাৰ সমাযোজন কৰাৰ বাবে 2023-24 আৰু 2024-25 বৰ্ষৰ আৱন্তণি উদ্বৃত্ত পূৰ্বৰ বছৰৰ সামৰণি উদ্বৃত্তৰ পৰা পৃথক আছিল।*

2024-25ৰ ভিতৰত চৰকাৰে প্ৰদান কৰা ঋণ 2023-24 চনত 64.50 কোটি টকাৰ পৰা 4.57 কোটি টকালৈ তীব্ৰভাৱে হ্ৰাস পাইছে, যিয়ে নূন্যতম নতুন ঋণৰ কাৰ্যকলাপৰ ইংগিত দিয়ে। বছৰটোৰ ভিতৰত আদায়ৰ পৰিমাণ 879.30 কোটি টকা আছিল, যিটো পূৰ্বৰ বছৰত 3,282.45 কোটি টকা আছিল, যাৰ ফলত বাকী থকা ঋণৰ উদ্বৃত্তত 874.73 কোটি টকা হ্ৰাস পাই 2,470.82 কোটি টকা হৈছিল। চৰকাৰী কোম্পানীসমূহক প্ৰদান কৰা ঋণ 2023-24 চনত 59.84 কোটি টকাৰ পৰা 2024-25 চনত এক কোটি টকালৈ তীব্ৰভাৱে হ্ৰাস পোৱাৰ বিপৰীতে আদায়ৰ পৰিমাণ 2,908.37 কোটি টকাৰ পৰা 876.45 কোটি টকালৈ হ্ৰাস পাইছে, যিয়ে ঋণৰ কাৰ্য্যকলাপ মন্থৰ হোৱাৰ ইংগিত দিয়ে। স্থানীয় নিকায়ৰ ক্ষেত্ৰত 2023-24 চনত 1.71 কোটি টকাৰ পৰা 2024-25 চনত 1.46 কোটি টকালৈ অগ্ৰিম ঋণ সামান্য হ্ৰাস পাইছে, আনহাতে আদায় 276.80 কোটি টকাৰ পৰা শূণ্য হৈছে। দুয়োটা বৰ্ষতে স্থানীয় নিকায়, সমবায় প্ৰতিষ্ঠান, বেচৰকাৰী ব্যক্তিগত প্ৰতিষ্ঠান আৰু চৰকাৰী কৰ্মচাৰীৰ ক্ষেত্ৰত বিতৰণ আৰু পুনৰ পৰিশোধ সামান্য বা শূন্য আছিল।

2023-24 চনত সুত প্ৰাপ্তি 815.23 কোটি টকাৰ পৰা 2024-25 চনত 197.58 কোটি টকালৈ হ্ৰাস পাইছে, যিয়ে মূলতঃ কম আদায় আৰু অগ্ৰিমৰ প্ৰতিফলন ঘটায়। লগতে 2023-24 চনৰ ভিতৰত সুত প্ৰাপ্তি তীবভাৱে বৃদ্ধি পাইছিল, মূলতঃ "ৰাজহুৱা খণ্ড আৰু অন্যান্য উদ্যোগৰ পৰা সুত"ৰ অধীনত 435.02 কোটি টকা ব্যতিক্ৰমভাৱ প্ৰাপ্ত কৰাৰ বাবে, যাৰ ফলত পূৰ্বৰ বছৰৰ তুলনাত সামগ্ৰিকভাৱে উত্থান ঘটিছিল। 2024-25 চনৰ ভিতৰত চৰকাৰে দিয়া ঋণ আৰু অগ্ৰিম ধনৰ ওপৰত সুতৰ হাৰ 2023-24 বিত্তীয় বৰ্ষত 32.57 শতাংশৰ পৰা আঠ শতাংশলৈ হ্ৰাস পাইছে, আনহাতে চৰকাৰী ঋণৰ গড় খৰচ 6.76 শতাংশ আছিল। দুয়োটাৰ মাজৰ পাৰ্থক্য যোৱা বছৰৰ 25.94 শতাংশৰ পৰা 1.24 শতাংশ পইণ্টলৈ হ্ৰাস পাইছে, যিয়ে ঋণ প্ৰদানৰ কাৰ্য্যকলাপৰ পৰা লাভজনকতা হ্ৰাস পোৱাৰ ইংগিত দিয়ে।

1.3 আকষ্মিক পুঁজি

ৰাজ্যিক বিধানসভাৰ পৰৱৰ্তী অনুমোদন সাপেক্ষে অসম চৰকাৰে অপ্ৰত্যাশিত ব্যয় পূৰণৰ উদ্দেশ্যে অগ্ৰিম প্ৰদান কৰে। বিধানসভাই অতিৰিক্ত ব্যয় অনুমোদন জনোৱাৰ পিছত এই পুঁজি ৰি-কুপ কৰা হয়।

2025 চনৰ 31 মাৰ্চলৈকে আকস্মিক পুঁজিৰ অধীনত 2000 কোটি টকা আছিল আৰু বিত্তীয় বৰ্ষৰ শেষলৈকে কোনো ধন ৰি-কুপ নোহোৱাকৈ পৰি থকা নাছিল।

আকস্মিক পুঁজিৰ পৰা কৰা ব্যয়ৰ সবিশেষ অধ্যায়- II ৰ দফা 2.8ত আলোচনা কৰা হৈছে।

1.4 ৰাজহুৱা হিচাপ

ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্য নিধি, সংৰক্ষিত পুঁজি, জমা, চাচপেন্স, প্ৰেৰণ আদি কিছুমান লেনদেনৰ সন্দৰ্ভত প্ৰাপ্তি আৰু বিতৰণ, যিবোৰ একত্ৰিত পুঁজিৰ অংশ নহয়, সংবিধানৰ 266 (2) অনুচ্ছেদৰ অধীনত স্থাপন কৰা ৰাজহুৱা একাউণ্টত ৰখা হয়, যি ৰাজ্যিক বিধানসভাৰ দ্বাৰা গৃহীত হোৱাৰ প্ৰয়োজন নাই। বছৰৰ ভিতৰত বিতৰণৰ পিছত বাকী থকা ধন হ'ল চৰকাৰৰ হাতত বিভিন্ন কামত ব্যৱহাৰৰ বাবে উপলব্ধ পুঁজি।

1.4.1 ৰাজহুৱা হিচাপৰ প্ৰকৃত উদ্বৃত্ত

ৰাজ্যিক ৰাজহুৱা হিচাপৰ প্ৰকৃত উদ্বৃত্তৰ উপাদান অনুসৰি বিৱৰণ **সাৰণী 1.27**ত দিয়া হৈছে।

সাৰণী 1.27: ৰাজহুৱা হিচাপৰ প্ৰকৃত উদ্বৃত্তৰ উপাদান অনুসৰি বিৱৰণ

(কোটি টকাত)

খণ্ড	উপ খণ্ড	2020-21	2021-22	2022-23	2023-24	2024-25
ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্য নিধি ইত্যাদি	ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্য নিধি ইত্যাদি	888.85	601.53	100.17	-370.73	-468.61
সংৰক্ষিত পুঁজি	(a) সুত বহন কৰা সংৰক্ষিত পুঁজি	43.20	-49.37	703.89	-533.30	1,037.60
	(b) সুত বহন নকৰা সংৰক্ষিত পুঁজি	0.00	0.00	0.00	0.00	0.00
জমা আৰু অগ্ৰিম	(a) সুত বহন কৰা জমা	-19.83	-59.63	23.76	48.04	-120.85
	(b) সুত বহন নকৰা জমা	-559.15	648.83	438.00	98.38	1,473.26
	(c) অগ্ৰিম	349.26	-542.68	560.66	-919.39	0.00
চাচপেন্স আৰু বিবিধ	(a) চাচপন্স	-459.46	-38.11	226.57	191.87	136.08
	(b) অন্য হিচাপ	-3,970.09	-1,387.80	6,627.09	-2,441.71	1,073.76
	(c) বহিঃ ৰাষ্ট্ৰৰ চৰকাৰৰ সৈতে থকা হিচাপ	---	---	---	---	---
	(d) বিবিধ	---	---	---	---	---
প্ৰেৰণ	(a) মানি অৰ্ডাৰ আৰু অন্যান্য প্ৰেৰণ	-54.60	0.57	-71.52	-56.52	-36.23
	(b) আন্তঃচৰকাৰী সমাযোজন হিচাপ	8.21	23.19	9.39	3.50	0.79
মুঠ		**-3,773.61**	**-803.47**	**8,618.00**	**-3,979.86**	**3,095.80**

উৎস: বিত্ত হিচাপ

টোকা: প্ৰকৃত উদ্বৃত্তই ব্যয়ৰ ওপৰত লাভৰ অতিৰিক্ততাক বুজায়; ছাচপেন্স আৰু বিবিধৰ অধীনত থকা অন্যান্য হিচাপসমূহৰ ভিতৰত আছে নগদ উদ্বৃত্ত বিনিয়োগ হিচাপ

2023-24 চনত 3,979.86 কোটি টকাৰ ঋণাত্মক বেলেঞ্চৰ বিপৰীতে 2024-25 চনত ৰাজহুৱা হিচাপৰ প্ৰকৃত উদ্বৃত্ত 3,095.80 কোটি টকা হৈ ধনাত্মক হৈ পৰে। ইয়াৰ মূল কাৰণ হৈছে সংৰক্ষিত পুঁজিৰ অধীনত যথেষ্ট পৰিমাণৰ প্ৰবাহ, যিয়ে পূৰ্বৰ বছৰত 533.30 কোটি টকাৰ ঋণাত্মক বেলেঞ্চৰ বিপৰীতে 2024-25 চনত 1,037.60 কোটি টকাৰ ধনাত্মক বেলেঞ্চ পঞ্জীয়ন কৰিছিল। সুত বহন নকৰা জমাত 1,473.26 কোটি টকাৰ উদ্বৃত্ত আছিল, যি ক্ষুদ্ৰ সঞ্চয় আৰু জমা আৰু প্ৰেৰণৰ কিছুমান উপ-খণ্ডৰ অধীনত ঋণাত্মক বেলেঞ্চ অফছেট কৰিছে। ছাচপেন্স আৰু বিবিধ হিচাপ আৰু সংৰক্ষিত পুঁজিৰ অধীনত অত্যধিক উদ্বৃত্তই অনা-ৰাজহ চেনেলত ফাণ্ড পাৰ্কিং বৃদ্ধিৰ প্ৰতিফলন ঘটায়, যিয়ে নগদ ধন ব্যৱস্থাপনাক প্ৰভাৱিত কৰে।

2020-21, 2021-22, আৰু 2023-24 চনত পৰ্যবেক্ষণ কৰা ঋণাত্মক উদ্বৃত্তই ইংগিত দিয়ে যে ৰাজহুৱা হিচাপত অৰ্ন্তপ্ৰবাহতকৈ বহিঃপ্ৰবাহ আছিল, অৰ্থাৎ এই পুঁজিৰ পৰা চৰকাৰে প্ৰাপ্ত কৰা ধনতকৈ অধিক ধন পৰিশোধ কৰা হৈছিল। ৰাজহুৱা হিচাপ মূলতঃ জনসাধাৰণৰ হৈ চৰকাৰে ৰখা ধনেৰে গঠিত, যেনে ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্য নিধি, আৰু বিভিন্ন জমা ধন ইত্যাদি। যেতিয়া এই পুঁজিৰ পৰা আহৰণ কৰা ধন জমা কৰা ধনতকৈ বেছি হয়, তেতিয়া বুজা যায় যে ৰাজহুৱা দায়বদ্ধতা হ্ৰাস পাইছে আৰু চৰকাৰী একাউণ্টত নতুন জমা কম হৈছে।

2024-25 চনত মুঠ পৰিমাণ ধনাত্মকলৈ পৰিণত হৈছিল যদিও, ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্য নিধি, সুত বহন কৰা জমা ধন, আৰু মানি অৰ্ডাৰ আৰু অন্যান্য প্ৰেৰণৰ অধীনত ঋণাত্মক বেলেঞ্চ লক্ষ্য কৰা হৈছিল, যিয়ে ইংগিত দিয়ে যে এই শিতানসমূহৰ অধীনত নতুনকৈ কৰা জমা ধনতকৈ পুনৰ পৰিশোধ কৰা আৰু আহৰণ কৰা পৰিমাণ বেছি আছিল। লগতে, যোৱা পাঁচ বছৰত ক্ষুদ্ৰ সঞ্চয়, ভৱিষ্য নিধি আদিৰ অধীনক প্ৰকৃত উদ্বৃত্ত অবিৰতভাৱে

হ্ৰাস পোৱাটোৱে ঘৰুৱা আৰু প্ৰতিষ্ঠানিক সঞ্চয়ৰ ক্ৰমাগত হ্ৰাসৰ দিশটোকে সূচায়, ইয়াৰ পৰা অনুমান কৰিব পাৰি যে ভৱিষ্যতে ৰাজ্যখনে নিজৰ পুঁজিৰ প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ঋণৰ ওপৰত অধিক নিৰ্ভৰ কৰিবলগীয়া হ'ব পাৰে।

1.4.2 সংৰক্ষিত পুঁজি

ৰাজ্য চৰকাৰৰ ৰাজহুৱা হিচাপৰ অধীনত নিৰ্ধাৰিত আৰু নিৰ্দিষ্ট উদ্দেশ্যৰ বাবে সংৰক্ষিত পুঁজি সৃষ্টি কৰা হয়। এই ধনৰাশি ৰাজ্যৰ একত্ৰিত পুঁজিৰ অৱদান বা অনুদানৰ পৰা পূৰণ কৰা হয়। ইয়াত সুত বহন কৰা সংৰক্ষিত পুঁজি আৰু সুত বহন নকৰা সংৰক্ষিত পুঁজি অন্তৰ্ভুক্ত।

31 মাৰ্চ 2025লৈকে এটা সুত বহনকাৰী সংৰক্ষিত পুঁজি আৰু সুত বহন নকৰা পাঁচটা সংৰক্ষিত পুঁজি আছিল। 31 মাৰ্চ 2025লৈকে এই সংৰক্ষিত পুঁজিসমূহত থকা পুঁজিৰ উদ্বৃত্বৰ বিৱৰণী **সাৰণী 1.28**ত দিয়া হৈছে।

সাৰণী 1.28: সংৰক্ষিত পুঁজিৰ বিৱৰণ

(কোটি টকাত)

ক্ৰ নং	সংৰক্ষিত পুঁজিৰ নাম	আৰম্ভণি উদ্বৃত্ব	বছৰটোত প্ৰাপ্তি	সুত প্ৰাপ্তি	বছৰটোত পৰিশোধ	31 মাৰ্চ 2025ত উদ্বৃত্ব
A	**সুত বহন কৰা সংৰক্ষিত পুঁজি**	**1,450.46**	**1,663.38**	**0**	**625.78**	**2,488.06**
1.	সাধাৰণ আৰু অন্যান্য সংৰক্ষিত পুঁজি[15]	1,450.46	1663.38	0	625.78	2,488.06
B	**সুত বহন নকৰা সংৰক্ষিত পুঁজি**	**6,003.14**	**3519.49**	**0**	**1,899.99**	**7,622.64**
1.	নিক্ষেপ নিধি	5,910.06	3,513.06	0	1,899.99	7,523.13
2.	পথ আৰু দলং পুঁজি	1.23	0	0	0	1.23
3.	মূল্য হ্ৰাস/ নবীকৰণ সংৰক্ষিত পুঁজি	0.12	0	0	0	0.12
4.	উন্নয়ন আৰু কল্যাণমূলক পুঁজি	3.44	0	0	0	3.44
5.	সাধাৰণ আৰু অন্যান্য সংৰক্ষিত পুঁজি	88.29	6.43	0	0	94.72
	সৰ্ব মুঠ	**7,453.60**	**5,182.87**	**0**	**2,525.77**	**10,110.70**

উৎস: বিত্ত হিচাপ

2025 চনৰ 31 মাৰ্চলৈকে সংৰক্ষিত পুঁজিৰ মুঠ উদ্বৃত্ব 10,110.70 কোটি টকা আছিল, য'ত সুত বহন কৰা পুঁজিৰ অধীনত 2,488.06 কোটি টকা আৰু সুত বহন নকৰা পুঁজিৰ অধীনত 7,622.64 কোটি টকা আছিল। সুত বহন কৰা পুঁজিৰ ভিতৰত অসম চৰকাৰে মুক্ত বজাৰ ঋণ পৰিশোধৰ উদ্দেশ্যে বছৰটোৰ ভিতৰত নিক্ষেপ নিধিৰ পৰা প্ৰায় 1900 কোটি টকা নিৰ্বিনিয়োগ কৰে।

[15] **ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (এছ ডি আৰ এফ):** (প্ৰাপ্তি: 1,202.61 কোটি টকা; পৰিশোধ: 617.80 কোটি টকা); **ৰাজ্যিক ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি (এছ চি এ এফ):** (প্ৰাপ্তি: 280.56 কোটি টকা; পৰিশোধ: শূন্য); **ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (এছ ডি এম এফ):** (প্ৰাপ্তি: 180.20 কোটি টকা; পৰিশোধ: 7.98 কোটি টকা);

উল্লেখযোগ্য সংৰক্ষিত পুঁজি আৰু বছৰটোত কৰা লেনদেনৰ সবিশেষ দফা 3.15 আৰু 3.16ৰ অধীনত আলোচনা কৰা হৈছে।

1.4.3 নগদ উদ্বৃত্ত

ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সৈতে হোৱা চুক্তি অনুসৰি ৰাজ্য চৰকাৰসমূহে বেংকৰ সৈতে দৈনিক নগদ ধনৰ নূন্যতম উদ্বৃত্ত ৰাখিব লাগিব। বৰ্তমান অসম ৰাজ্যৰ বাবে এই সীমা 1.08 কোটি টকা নির্ধাৰণ কৰা হৈছে। যদি যিকোনো দিনত উদ্বৃত্ত চুক্তিবদ্ধ নূন্যতমতকৈ কম হয়, তেন্তে সাধাৰণ ৰেজ এণ্ড মিন্স এডভান্স (ডব্লিউ এম এ)/ স্পেচিয়েল ৰেজ এণ্ড মিন্স এডভান্স (এছ ডব্লিউ এম এ)/অভাৰড্ৰাফ্ট (অ' ডি)ৰ দৰে যন্ত্ৰৰ জৰিয়তে ঘাটিটো ভাল কৰা হয়, য'ত আৰ বি আইৰ দ্বাৰা সময়ে সময়ে ডব্লিউ এম এ সংশোধন কৰা হয়।

ৰাজ্য চৰকাৰে নিজৰ উদ্বৃত্ত নগদ ধনৰ উদ্বৃত্ত হ্ৰস্ব আৰু দীর্ঘম্যাদী চৰকাৰী সুৰক্ষা আৰু কোষাগাৰ বিলত বিনিয়োগ কৰে। এনে বিনিয়োগৰ পৰা পোৱা সুত '0049-সুত প্ৰাপ্তি' শিৰোনামৰ অধীনত প্ৰাপ্তি হিচাপে জমা কৰা হয়।

ৰাজ্য চৰকাৰে বৃহৎ অব্যৱহৃত নগদ ধনৰ উদ্বৃত্ত ৰাখি বজাৰ ঋণ সংগ্ৰহ কৰাটো অবাঞ্ছিত, কিয়নো ইয়াৰ ফলত উৎপাদনশীল ব্যৱহাৰৰ পৰিৱর্তে অচল পুঁজিৰ সৃষ্টি হয়। 2023-24 আৰু 2024-25 চনৰ বাবে নগদ ধনৰ উদ্বৃত্ত আৰু বিনিয়োগৰ বিৱৰণ **সাৰণী 1.29**ত দিয়া হৈছে।

সাৰণী 1.29: নগদ ধনৰ উদ্বৃত্ত আৰু বিনিয়োগ

(কোটি টকাত)

	01 এপ্ৰিল 2024 তাৰিখে প্ৰাৰম্ভিক উদ্বৃত্ত	31 মার্চ 2025 তাৰিখে সামৰণি উদ্বৃত্ত
A. বিবিধ নগদ উদ্বৃত্ত		
ভাৰতীয় ৰিজাৰ্ভ বেংকত জমা ধন[16]	(-) 223.00	(-) 276.95
নগদ ধনৰ উদ্বৃত্ত বিনিয়োগ হিচাপত ৰখা বিনিয়োগ	4,109.12	3,035.36
মুঠ (A)	**3,886.12**	**2,758.41**
B. অন্যান্য নগদ উদ্বৃত্ত আৰু বিনিয়োগ		
বিভাগীয় বিষয়া অর্থাৎ ৰাজহুৱা কাম, বন বিষয়াৰ সৈতে নগদ ধন	7.47	7.47
বিভাগীয় বিষয়াৰ সৈতে আকস্মিক ব্যয়ৰ বাবে স্থায়ী অগ্ৰিম ধন	0.47	0.47
নির্দিষ্ট ধনত বিনিয়োগ	5,988.68	7,608.18
মুঠ (B)	**5,996.62**	**7,616.12**
মুঠ (A + B)	**9,882.74**	**10,374.53**
সুত আহৰণ	12.88	17.72

উৎস: বিত্ত হিচাপ

বিগত পাঁচ বছৰৰ ভিতৰত নগদ উদ্বৃত্ত বিনিয়োগ হিচাপৰ বিৱৰণ **সাৰণী 1.30**ত দিয়া হৈছে।

সাৰণী 1.30: নগদ উদ্বৃত্ত বিনিয়োগ হিচাপ (মুখ্য শিতান-8673)

(কোটি টকাত)

বর্ষ	প্ৰাৰম্ভিক উদ্বৃত্ত	সামৰণি উদ্বৃত্ত	বৃদ্ধি (+)/হ্ৰাস (-)	সুত আহৰণ
2020-21	2,932.60	6,905.27	3,972.67	68.66
2021-22	6,905.27	8,295.14	1,389.87	71.19
2022-23	8,295.14	1,666.93	-6,628.21	26.70
2023-24	1,666.93	4,109.12	2,442.19	12.88

[16] হিচাপ অনুসৰি সামৰণি নগদ উদ্বৃত্ত (223.00 কোটি টকা) আৰু আৰ বি আই অনুসৰি (24.16 কোটি টকা) 247.16 কোটি টকাৰ পার্থক্য আছে।

বর্ষ	প্রাৰম্ভিক উদ্বৃত্ত	সামৰণি উদ্বৃত্ত	বৃদ্ধি (+)/হ্রাস (-)	সুত আহৰণ
2023-24	1,666.93	4,109.12	2,442.19	12.88
2024-25	4,109.12	3,035.36	-1,073.76	17.72

উৎস: বিত্ত হিচাপ

চলিত বর্ষৰ শেষত ৰাজ্য চৰকাৰৰ নগদ ধনৰ উদ্বৃত্ব 2023-24 চনত 9,882.74 কোটি টকাৰ পৰা 2024-25 চনত 10,374.53 কোটি টকালৈ 491.79 কোটি টকা বৃদ্ধি পাইছে।

ৰাজ্য চৰকাৰৰ নগদ ধনৰ ভাৰসাম্য বিনিয়োগৰ ধাৰা বিশ্লেষণত প্রকাশ পাইছে যে 2020-25 চনৰ ভিতৰত ট্রেজাৰী বিলত বিনিয়োগৰ যথেষ্ট উঠা-নমা হৈছে। ফলত এনে বিনিয়োগৰ পৰা লাভ কৰা সুতেও উঠা-নমা কৰা ধাৰা দেখুৱাইছিল আৰু 2024-25 চনৰ শেষত 17.72 কোটি টকা আছিল।

2024-25 চনৰ ভিতৰত ৰাজ্য চৰকাৰে আৰ বি আইৰ সৈতে নূন্যতম দৈনিক নগদ ধনৰ উদ্বৃত্ত 303 দিনৰ বাবে বজাই ৰাখিছিল আৰু 2024-25 চনৰ ভিতৰত বাকী 62 দিনৰ বাবে এছ ডব্লিউ এম এৰ সুবিধা লৈছিল। নিৰপেক্ষভাৱে ক'বলৈ গ'লে ৰাজ্য চৰকাৰে 9,819.70 কোটি টকা মূল্যৰ এছ ডব্লিউ এম এ-য়ে গ্রহণ কৰে আৰু বছৰটোত সুত হিচাপে 5.05 কোটি টকা পৰিশোধ কৰে।

নির্দিষ্ট পুঁজি মূলতঃ দুটা পুঁজি অর্থাৎ কনচলিডেটেড ছিংকিং ফাণ্ড আৰু গ্যাৰাণ্টী ৰিডেম্পচন ফাণ্ড। আর্মার্কড ফাণ্ডত মুঠ 7,608.18 কোটি টকা সঞ্চয়ৰ ভিতৰত 7,515.89 কোটি টকা কনচলিডেটেড ছিংকিং ফাণ্ড আৰু 91.87 কোটি টকা গ্যাৰাণ্টী ৰিডেম্পচন ফাণ্ড বছৰৰ শেষত আৰ বি আইয়ে বিনিয়োগ কৰে। নির্দিষ্ট পুঁজিৰ পৰা উপার্জন কৰা সুত আৰ বি আইৰ বিনিয়োগৰ বাবে এইবোৰ যিবোৰ পুঁজিৰ সৈতে জড়িত, সেইবোৰলৈ ঘূৰাই জমা কৰা হয়।

1.5 বিত্তীয় বহনক্ষমতা

বিত্তীয় বহনক্ষমতা হ'ল চৰকাৰে নিজৰ ৰাজহ আৰু ব্যয় এনেদৰে পৰিচালনা কৰাৰ ক্ষমতা যাতে ই অত্যধিক ঋণ লোৱা বা অস্থায়ী ঋণ জমা নকৰাকৈয়ে নিজৰ বর্তমান আৰু ভৱিষ্যতৰ বাধ্যবাধকতা যেনে ৰাজহুৱা সেৱা, আন্তঃগাঁথনি, আৰু ঋণ পৰিশোধ কৰাটো নিশ্চিত কৰিব পাৰে। ইয়াৰ অর্থ হ'ল দীর্ঘম্যাদীভাৱে ৰাজহ আহৰণ আৰু ব্যয়ৰ মাজত সুস্থিৰ ভাৰসাম্য বজাই ৰখা। **চিত্র তালিকা 1.30** আৰু **চিত্র তালিকা 1.31**ত ৰাজ্যখনৰ লাভ আৰু ব্যয় জি এছ ডি পিৰ শতাংশ হিচাপে দেখুওৱা হৈছে, 2020-25 বিত্তীয় বর্ষৰ ভিতৰত।



উৎস: বিত্ত হিচাপ

[32] পি টি এণ্ড বি চি-ৰ কল্যাণ বিভাগ আৰু সমাজ কল্যাণ বিভাগক তিনিটা বিভাগত পুনৰ্গঠন কৰা হয় যেনে: মহিলা আৰু শিশু উন্নয়ন বিভাগ, সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগ, আৰু জনজাতী পৰিক্ৰমা বিভাগ (ভৈয়াম)।

[33] i) 2022-23 আৰু 2023-24 বৰ্ষৰ সময়ছোৱাত 200.00 কোটি টকাকৈ আৰু 2024-25 বৰ্ষৰ সময়ছোৱাত 145.56 কোটি টকাৰ বাজেট ব্যৱস্থা আৰু "জগন্নাথ কমিউনিটি এণ্ড স্কিল চেণ্টাৰ" আঁচনিৰ বিপৰীতে বুকিং কৰা 129.29 কোটি টকা ব্যয়।
ii) 2022-23, 2023-24 আৰু 2024-25 বৰ্ষৰ সময়ছোৱাত যথাক্ৰমে 90.00 কোটি টকা, 81.00 কোটি টকা আৰু 48.52 কোটি টকা বাজেট ব্যৱস্থা কৰা হৈছে আৰু "অসমৰ আই টি ডি পি আৰু আই টি ডি পি-ৰ বাহিৰৰ অঞ্চলত আন্তঃগাঁথনি উন্নয়ন" আঁচনিৰ বিপৰীতে 61.13 কোটি টকা, 67.93 কোটি টকাৰ 39.50 কোটি টকা বুকিং কৰা হৈছে।

সাৰণী 2.20: উপ-শিতানৰ অধীনত ধাৰাবাহিক সঞ্চয়

(কোটি টকাত)

হিচাপৰ শিতান	বর্ষ	মুঠ বাজেট	ব্যয়	ৰাহি (-)	
				পৰিমান	শতাংশ
2225-03-800-{2612} চাহ বাগিচা আঁচনিৰ বাবে প্রকল্প ব্যৱস্থাপনা গোট (পি এম ইউ)।	2020-21	3.69	-	-3.69	-100.00
	2021-22	2.50	-	-2.50	-100.00
	2022-23	0.22	-	-0.22	-100.00
	2023-24	1.80	-	-1.80	-100.00
	2024-25	2.00	-	-2.00	-100.00
2225-03-800-{5977} চাহ জনজাতি ছাত্র আৰু ছাত্রী নিবাসৰ মেৰামতি আৰু ৰক্ষণাবেক্ষণ	2020-21	1.00	-	-1.00	-100.00
	2021-22	1.50	0.39	-1.11	-74.01
	2022-23	6.00	0.65	-5.35	-89.11
	2023-24	5.48	0.94	-4.54	-82.84
	2024-25	2.00	0.26	-1.74	-86.92

উৎস: বিতং বিনিয়োজন হিচাপ

চাহ জনজাতি আৰু আদিবাসী কল্যাণ সঞ্চালকালয়ে (নৱেম্বৰ 2025) জনাইছিল যে প্রকল্প পৰিচালনা ইউনিটৰ (পি এম ইউ) পদ পূৰণ নকৰাৰ বাবে "চাহ বাগিচাৰ আঁচনিৰ বাবে পি এম ইউ" আঁচনিৰ অধীনত বাজেটৰ ব্যৱস্থা ব্যৱহাৰ কৰিব পৰা নগ'ল যদিও "চাহ জনজাতি ছাত্র আৰু ছাত্রী নিৱাস মেৰামতি আৰু ৰক্ষণাবেক্ষণ" আঁচনিৰ অধীনত সঞ্চয়ৰ কাৰণ হৈছে অ-ৰিচিপট/ এফ অ' চি লাভ কৰাত পলম হোৱা বাবে।

বছৰ বছৰ ধৰি বাজেট ব্যৱস্থাৰ ব্যৱহাৰ নকৰা/ আংশিক ব্যৱহাৰৰ বাবে আঁচনিসমূহৰ ৰূপায়ণত ক্ষতি হৈছিল। এইদৰে, ধাৰাবাহিক সঞ্চয়ে বাজেটৰ দুর্বল নিৰীক্ষণৰ ইংগিত দিয়ে আৰু ইয়াৰ পৰা দেখা যায় যে বাজেট আবণ্টন পূর্বৰ বছৰৰ ব্যয়ৰ ধাৰা বিবেচনা নকৰাকৈ কৰা হৈছিল।

2.7.1.3 সমগ্র বাজেট ব্যৱস্থাৰ সঞ্চয়

অনুদান নং 38ৰ অধীনত 2024-25 বর্ষৰ বাবে প্রত্যেকটোৰ ক্ষেত্রত দুই কোটিতকৈ অধিক আবণ্টনৰ সৈতে তলত উল্লেখ কৰা চাৰিটা উপ-শিতানৰ অধীনত কৰা 35.97 কোটি টকাৰ বাজেট ব্যৱস্থা বছৰৰ শেষত অব্যৱহৃত হৈ থাকিল। আঁচনি অনুসৰি বিৱৰণ **সাৰণী 2.21**ত দিয়া হৈছে।

সাৰণী 2.21: বাজেটৰ ব্যৱস্থাৰ ব্যৱহাৰ নকৰা

(কোটি টকাত)

ক্র নং	হিচাপৰ শিতান	মুঠ বাজেট ব্যৱস্থা	ব্যয়
1	2225-02-800-{2951} আমৰি কার্বি উন্নয়ন পৰিষদলৈ সাহায্য	18.02	0.00
2	2225-03-102-{5683} চাহ জনজাতিৰ বাবে দক্ষতা বিকাশ আৰু উদ্যোগীকৰণ অনুদান	12.00	0.00
3	2225-03-800-{4742} চাইকেল বিতৰণ (ল'ৰা আৰু ছোৱালী)	3.45	0.00
4	2225-03-800-{4201} ফুটবল একাডেমীকে ধৰি ক্রীড়া আৰু যুৱ কল্যাণমূলক কার্য্যকলাপত উদগনি	2.50	0.00
	মুঠ	**35.97**	**0.00**

উৎস: বিনিয়োজন হিচাপ

অসমৰ চাহ জনজাতি আৰু আদিবাসী কল্যাণ সঞ্চালকালয়ে (অক্টোবৰ 2025) জনাইছিল যে আঁচনিসমূহৰ অধীনত হিতাধিকাৰীক সামৰি ল'বলগীয়া আৰু সম্পন্ন হ'বলগীয়া কাম-কাজসমূহৰ বাবে চৰকাৰৰ অনুমোদন লাভ নকৰাৰ বাবে বাজেট ব্যৱস্থাটো ব্যৱহাৰ কৰিব পৰা নগ'ল।

2.7.1.4 গৌণ শিতান 800ৰ নিৰ্বিচাৰ ব্যৱহাৰ

অনুদান নং 38ৰ অধীনত মুঠ ব্যয় 820.13 কোটি টকাৰ ভিতৰত 556.19 কোটি টকা (67.82 শতাংশ) ব্যয় গৌণ শিতান 800ৰ অধীনত লিপিবদ্ধ কৰা হৈছিল।

হিচাপ পৰীক্ষাই গৌণ শিতান 800ৰ অধীনত লিপিবদ্ধ নিৰ্বাচিত ক্ষেত্ৰ পৰীক্ষা কৰিছিল (ব্যয় এক কোটি টকাতকৈ অধিক), আৰু লক্ষ্য কৰিছিল যে তিনিটা ক্ষেত্ৰত, 800ৰ বাহিৰেও এটা বৈধ গৌণ শিতান, এই লেনদেনসমূহ বুকিং কৰাৰ বাবে এল এম এম এইচ এ-ত উপলব্ধ আছিল, যিদৰে **সাৰণী 2.22**ত বিতংভাৱে উল্লেখ কৰা হৈছে।

সাৰণী 2.22: ৰাজ্যিক হিচাপত গৌণ শিতানৰ ভুল চিত্ৰণ (2024-25)

(কোটি টকাত)

ক্ৰ নং	এল এম এম এইচ এ-ত নিৰ্দ্ধাৰিত শিতান	বিতং বিনিয়োজন হিচাপৰ প্ৰকৃত শিতান	ব্যয়
1	2225-02-190 ৰাজহুৱা খণ্ড আৰু অন্যান্য উদ্যোগসমূহলৈ সাহায্য	2225-02-800-{2874} দৰমহাৰ বাবে এ পি টি ডি চি লিমিটেডলৈ অনুদান	11.07
2	2225-03-277 শিক্ষা	2225-03-800-{2125} উচ্চ শিক্ষাৰ বাবে আৰ্থিক সাহায্য	9.49
3	2225-03-277 শিক্ষা	2225-03-800-{2369} এ এন এম/ জি এন এম/ কাৰিকৰী পাঠ্যক্ৰমৰ বাবে আৰ্থিক সাহায্য	4.38

উৎস: বিনিয়োজন হিচাপ আৰু হিচাপৰ মুখ্য আৰু গৌণ শিতানৰ তালিকা

এইদৰে বিভাগে গৌণ শিতান 800 — অন্যান্য ব্যয়ৰ অধীনত কৰা আঁচনিৰ সকলো শ্ৰেণীবিভাজন পৰ্যালোচনা কৰিব লাগে, আৰু মহাগাণনিক (এ এণ্ড ই)ৰ সৈতে আলোচনাৰ পিছত, বৰ্তমানৰ এল এম এম এইচ এ অনুসৰি উপযুক্তভাৱে শ্ৰেণীবিভাজন কৰিব লাগে, বা হিচাপত স্বচ্ছতা আনিবলৈ নতুন গৌণ শিতান সংযোজন কৰিব লাগে।

2.7.1.5 হিচাপৰ শিতানৰ ভুল শ্ৰেণীবিভাজন

চৰকাৰী হিচাপ-নিকাচৰ নিয়ম, 1990ৰ বিধি 30 অনুসৰি যিবোৰ ব্যয়ৰ ফলত কেৱল কংক্ৰিট, বস্তুগত আৰু স্থায়ী সম্পত্তিৰ সৃষ্টি হয়, সেইবোৰক মূলধনী ব্যয়ত শ্ৰেণীভুক্ত কৰিব লাগে। বিগত পাঁচটা বিত্তীয় বৰ্ষৰ (2020-25) সময়ছোৱাত ৰাজ্য চৰকাৰে অনুদান নং 38ৰ অধীনত মূলধনী ব্যয় হিচাপে 376.08 কোটি টকা লিপিবদ্ধ কৰিছিল। হিচাপ পৰীক্ষাই এই ধনৰ সৈতে জড়িত অনুমোদন আদেশ আৰু পুঁজি আহৰণ আদেশ পৰীক্ষা কৰিছিল, আৰু লক্ষ্য কৰিছিল যে 443.56 কোটি টকাৰ ভিতৰত 3.48 কোটি টকা ব্যয় মেৰামতি আৰু নৱীকৰণ আদিৰ ক্ষেত্ৰত ***(পৰিশিষ্ট 2.15)*** যিসমূহ ৰাজহ প্ৰকৃতিৰ আছিল মূলধনী ব্যয়ৰ অধীনত লিপিবদ্ধ কৰা হৈছিল। চৰকাৰী হিচাপ-নিকাচ নিয়ম, 1990ৰ নিয়ম 31 (2) (b) অনুসৰি এনে ব্যয়ৰ সৈতে জড়িত সকলো ব্যয় ৰাজহ একাউণ্টত বহন কৰিব লাগে। এইদৰে 3.94 কোটি টকাৰ ভুল শ্ৰেণীবিভাজন হৈছিল, যাৰ ফলত মূলধনী শিতানৰ অধীনত সেই পৰিমাণে ব্যয়ৰ অতিৰিক্ত মূল্যায়ণ কৰা হৈছিল।

2.7.1.6 স্বায়ত্তশাসিত পৰিষদ আৰু জিলা পৰিষদৰ বাকী থকা বাৰ্ষিক হিচাপ

16 ছেপ্টেম্বৰ 2020 তাৰিখৰ অসমৰ ৰাজ্যপালৰ অধিসূচনাত চি এণ্ড এ জি-ৰ ডি পি চি আইন, 1971ৰ ধাৰা 19(3) আৰু 20(1)ৰ অধীনত ছয়খন স্বায়ত্তশাসিত পৰিষদ আৰু 19খন উন্নয়ন পৰিষদৰ হিচাপ পৰীক্ষাৰ দায়িত্ব অৰ্পণ কৰিছিল। 2020-25ৰ পাঁচ বছৰৰ সময়ছোৱাত অনুদান নং 38ৰ অধীনত ধন লাভ কৰা (মুঠ ব্যয় 10 কোটি টকাতকৈ অধিক) স্বায়ত্বশাসিত/ জিলা পৰিষদৰ সবিশেষ **সাৰণী 2.23**ত দিয়া হৈছে।

সাৰণী 2.23: অনুদান নং 38ৰ অধীনত 2020-21ৰ পৰা 2024-25লৈকে স্বায়ত্তশাসিত/ উন্নয়ন পৰিষদসমূহক সাহায্য/ অনুদান প্রদানৰ বাবে কৰা বাজেট ব্যৱস্থা আৰু ব্যয়

(কোটি টকাত)

শ্রেণী	নাম	ন্যস্ত কৰাৰ স্থিতি	মুঠ বাজেট ব্যৱস্থা (2020-25)	মুঠ ব্যয় (2020-25)
স্বায়ত্তশাসিত পৰিষদ	বড়ো কছাৰী স্বায়ত্তশাসিত পৰিষদ	নহয়	60.95	59.16
	দেউৰী স্বায়ত্তশাসিত পৰিষদ	হয়	126.42	105.56
	কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদ	নহয়	25.04	23.54
	মটক স্বায়ত্তশাসিত পৰিষদ	*	117.53	52.89
	মিছিং স্বায়ত্তশাসিত পৰিষদ	হয়	484.02	406.31
	মৰাণ স্বায়ত্তশাসিত পৰিষদ	*	117.77	53.04
	ৰাভা হ'জং স্বায়ত্তশাসিত পৰিষদ	হয়	331.24	283.38
	সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ	হয়	203.35	159.77
	ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ	হয়	121.55	96.33
	তিৰা স্বায়ত্ত শাসিত পৰিষদ	হয়	216.98	185.65
উন্নয়ন পৰিষদ	চুতীয়া উন্নয়ন পৰিষদ	হয়	112.50	50.00
	কোচ ৰাজবংশী উন্নয়ন পৰিষদ	হয়	25.00	25.00
	টাই আহোম উন্নয়ন পৰিষদ	হয়	212.00	83.89
মুঠ			**2,154.35**	**1,584.52**

উৎস: বিনিয়োজন হিচাপৰ সবিশেষ

**মটক উন্নয়ন পৰিষদ আৰু মৰাণ উন্নয়ন পৰিষদৰ বার্ষিক হিচাপ পৰীক্ষা চি এ জি-ৰ ওপৰত ন্যস্ত কৰা হৈছিল; ইয়াৰ পিছত অক্টোবৰ 2020ত সেইসমূহ মটক স্বায়ত্তশাসিত পৰিষদ আৰু মৰাণ স্বায়ত্তশাসিত পৰিষদ হিচাপে পুনৰ গঠন কৰা হয়*

সাৰণী 2.23ৰ পৰা দেখা যায় যে অনুদান নং 38ৰ অধীনত 2020-21ৰ পৰা 2024-25লৈকে স্বায়ত্তশাসিত/ উন্নয়ন পৰিষদসমূহৰ ক্ষেত্রত ৰাজ্য চৰকাৰে মুঠ 1,584.52 কোটি টকা ব্যয় কৰিছিল। কিন্তু ন্যস্ত কৰা স্বায়ত্তশাসিত/ উন্নয়ন পৰিষদসমূহৰ কোনোধৰণৰ বার্ষিক হিচাপ চি এ জি-য়ে লাভ কৰা নাই। বার্ষিক হিচাপ আৰু ইয়াৰ হিচাপ পৰীক্ষাৰ অভাৱত প্রদান কৰা ধনৰ সঠিক ব্যৱহাৰৰ নিশ্চয়তা দিব নোৱাৰি।

2.7.1.7 অত্যাধিক ব্যৱহাৰৰ প্রমাণপত্র (ইউ চি) দাখিল কৰা

হিচাপ পৰীক্ষাৰ বাবে প্রদান কৰা নথি আৰু তথ্যৰ পৰীক্ষাত দেখা গ'ল যে জনজাতি পৰিক্রমা সঞ্চালকে (ভৈয়াম) **সাৰণী 2.24**ত দেখুওৱা দুটা হিচাপৰ শিতানৰ অধীনত প্রকৃত ব্যৱহাৰতকৈ অধিক ধনৰ ব্যৱহাৰ দেখুওৱা ইউ চি দাখিল কৰিছিল।

সাৰণী 2.24: ভুল ইউ চি দাখিল

(কোটি টকাত)

হিচাপৰ শিতান আৰু আঁচনিৰ নাম	বর্ষ	চৰকাৰৰ পৰা লাভ কৰা মুঠ ধন	ব্যৱহৃত মুঠ পুঁজি	যি পৰিমানৰ ধনৰ বাবে ইউ চি দাখিল কৰিছিল
2225-02-102-{6234} মদাহী উন্নয়ন পৰিষদ	2023-24	0.34	0.17	0.34
	2024-25	0.34	0.27	0.34
2225-02-102-{6229} বর্মন ডিমাছা কছাৰী উন্নয়ন পৰিষদ	2023-24	0.34	0.10	0.34
	2024-25	0.34	0.00	0.34

উৎস:বিনিয়োজন হিচাপ আৰু বিভাগৰ উত্তৰ

জনজাতি পৰিক্ৰমা (ভৈয়াম) সঞ্চালকে (নৱেম্বৰ 2025) জনাইছিল যে বিত্তীয় বৰ্ষৰ শেষত এই ধনসমূহ লাভ কৰা হৈছিল। সেয়েহে বিত্তীয় বৰ্ষৰ ভিতৰত সম্পূৰ্ণ পৰিমান ব্যৱহাৰ কৰিব পৰা নগ'ল আৰু পৰৱৰ্তী বিত্তীয় বৰ্ষৰ বাবে ব্যৱহাৰৰ প্ৰমাণ পত্ৰ পুঁজি উলিয়াবলৈ দাখিল কৰিবলগীয়া হৈছিল।

2.7.2 অনুদান নং 51 – ভূমি আৰু জল সংৰক্ষণ

ভূমি আৰু জল সংৰক্ষণ বিভাগে মাটি, পানী আৰু গছ-গছনি সংৰক্ষণ, ভূমিৰ অৱক্ষয় পৰীক্ষা আৰু বহনক্ষম ভিত্তিত ভূমিৰ উৎপাদনশীলতা উন্নত কৰাৰ কৌশল প্ৰস্তুত কৰাৰ বাবে দায়বদ্ধ। বিভাগটোৱে এটা বিশেষ আৰু সামগ্ৰিকভাৱে ৰাজ্যখনৰ কৃষকৰ সামাজিক আৰু অৰ্থনৈতিক মৰ্যাদা উন্নীত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

2.7.2.1 বাজেট আৰু ব্যয়

2020-25ৰ পাঁচ বছৰৰ সময়ছোৱাত এই অনুদানৰ অধীনত বাজেট ব্যৱস্থা, প্ৰকৃত ব্যয় আৰু সঞ্চয়/ অতিৰিক্তিৰ সামগ্ৰিক স্থিতি **সাৰণী 2.25**ত দিয়া হৈছে।

সাৰণী 2.25: বাজেট আৰু ব্যয়

(কোটি টকাত)

অনুদান নং 51		2020-21	2021-22	2022-23	2023-24	2024-25
মুঠ (ৰাজহ + মূলধনী)	বাজেট ব্যৱস্থা	332.12	246.69	196.97	226.99	274.58
	ব্যয়	261.58	99.86	138.83	208.15	133.29
	ৰাহি (-)/ অতিৰিক্ত (+)	-70.54	-146.83	-58.14	-18.84	-141.29
	ৰাহি (-)/ অতিৰিক্ত (+) (শতাংশত)	**-21.24**	**-59.52**	**-29.52**	**-8.30**	**-51.46**
i) ৰাজহ-গৃহীত	বাজেট ব্যৱস্থা	226.28	185.87	151.89	182.92	213.84
	ব্যয়	210	59.63	100.23	168.36	77.41
	ৰাহি (-)/ অতিৰিক্ত (+)	-16.28	-126.24	-51.66	-14.56	-136.43
	ৰাহি (-)/ অতিৰিক্ত (+) (শতাংশত)	**-7.19**	**-67.92**	**-34.01**	**-7.96**	**-63.80**
ii) মূলধনী-গৃহীত	বাজেট ব্যৱস্থা	105.84	60.82	45.08	44.07	60.74
	ব্যয়	51.58	40.23	38.6	39.79	55.88
	ৰাহি (-)/ অতিৰিক্ত (+)	-54.26	-20.59	-6.48	-4.28	-4.86
	ৰাহি (-)/ অতিৰিক্ত (+) (শতাংশত)	**-51.27**	**-33.85**	**-14.37**	**-9.71**	**-8.00**

উৎস: বিনিয়োজন হিচাপ

সাৰণীৰ পৰা দেখা যায় যে অনুদানটোৱে সামগ্ৰিকভাৱে বৃহৎ সঞ্চয় দেখুৱাইছে, 2020-25 চনৰ সময়ছোৱাত মুঠ বাজেট ব্যৱস্থাৰ শতাংশ হিচাপে সঞ্চয় 8.30 শতাংশৰ পৰা 59.52 শতাংশলৈকে আছিল। বিভাগে জনাইছিল (আগষ্ট 2025) যে সঞ্চয় মূলতঃ এফ অ' চি-ৰ আংশিক/ মুকলি নকৰা আৰু খালী পদ পূৰণ নকৰাৰ বাবেই হৈছে।

2.7.2.2 ধাৰাবাহিক সঞ্চয়

ছখন আঁচনিত বৃহৎ সঞ্চয় (প্ৰতিটো ক্ষেত্ৰতে এক কোটি টকা আৰু তাতকৈ অধিক) হৈছিল, য'ত চূড়ান্ত সঞ্চয় 2024-25ৰ সময়ছোৱাত মুঠ বাজেট ব্যৱস্থাৰ 20 শতাংশতকৈ অধিক আছিল। আঁচনিসমূহৰ সবিশেষ **সাৰণী 2.26**ত দিয়া হৈছে।

সাৰণী 2.26: 2024-25ৰ সময়ছোৱাত আঁচনি অনুসৰি উল্লেখযোগ্য সঞ্চয়

(কোটি টকাত)

ক্ৰ নং	হিচাপৰ শিতান	মুঠ বাজেট ব্যৱস্থা	ব্যয়	ৰাহি (শতাংশ)
1	2402-00-789-{6116} অনুসূচিত জাতি এলেকাৰ বাবে সংহত জলচ্ছেদ ব্যৱস্থাপনা কার্যসূচীৰ কেন্দ্রীয় অংশ	27.36	4.33	23.03 (84.17)
2	2402-00-796-{6115} এছ টি এলেকাৰ বাবে সংহত জলচ্ছেদ ব্যৱস্থাপনা কার্যসূচীৰ কেন্দ্রীয় অংশ	12.25	1.94	10.31 (84.16)
3	2402-00-103-{4922} সংহত জলচ্ছেদ ব্যৱস্থাপনা কার্যসূচী (আই ডব্লিউ এম পি)	99.28	18.87	80.41 (80.99)
4	2415-02-004-{0262} আঞ্চলিক গৱেষণা	4.93	2.39	2.54 (51.52)
5	2402-00-001-{0172} মুখ্যালয় প্রতিষ্ঠান	5.12	3.61	1.51 (29.49)
6	2402-00-001-{0240} অধীনস্থ প্রতিষ্ঠান	58.91	41.69	17.22 (29.23)
	মুঠ	**207.85**	**72.83**	**135.02 (64.96)**

উৎস: বিনিয়োজন হিচাপ

সাৰণী 2.26ৰ পৰা দেখাৰ দৰে "সংহত জলচ্ছেদ ব্যৱস্থাপনা কার্যসূচী (আই ডব্লিউ এম পি)" আঁচনিসমূহৰ ক্ষেত্রত যথেষ্ট সঞ্চয় (80 শতাংশৰ ওপৰত) হৈছে। মাটি, পানী আৰু গছ-গছনিৰ দৰে প্রাকৃতিক সম্পদ সংৰক্ষণ আৰু বিকাশৰ জৰিয়তে পৰিৱেশ ভাৰসাম্য পুনৰুদ্ধাৰৰ বাবে 2009-10 চনত আৰম্ভ কৰা ভাৰত চৰকাৰৰ এক পদক্ষেপ আছিল আই ডব্লিউ এম পি। পিছত 2015-16ত ইয়াক প্রধানমন্ত্রী কৃষি সিঞ্চায়ী যোজনাৰ (ডব্লিউ ডি চি-পি এম কে এছ ৰাই) জলচ্ছেদ উন্নয়ন উপাদানৰ সৈতে একত্রিত কৰা হয়। এই কার্যসূচীৰ লক্ষ্য আছিল মাটিৰ খহনীয়া প্রতিৰোধ কৰা, গছ-গছনি পুনৰ উৎপাদন কৰা, আৰু ভূগর্ভস্থ পানীৰ গৱেষণা কৰা, যাৰ ফলত গ্রাম্য জীৱিকাৰ উন্নতি সাধন হয়। ডব্লিউ ডি চি-পি এম কে এছ ৰাই কেন্দ্র আৰু ৰাজ্যৰ মাজত 90:10 খৰচৰ ভাগ-বতৰাৰ ভিত্তিত কেন্দ্রীয় পৃষ্ঠপোষকতা কৰা কার্যসূচী। 2021-26ৰ সময়ছোৱাত ডব্লিউ ডি চি-পি এম কে এছ ৰাই-ক "ডব্লিউ ডি চি-পি এম কে এছ ৰাই 2.0" হিচাপে সংশোধন কৰা হৈছে।

আই ডব্লিউ এম পি-ৰ অধীনত যথেষ্ট সঞ্চয় হৈছিল কাৰণ ৰাজ্যিক পর্যায়ৰ ন'ডেল সংস্থাই (এছ এল এন এ) ডিচেম্বৰ 2024ত পুঁজি হস্তান্তৰৰ এছ এন এ - এছ পি আৰ এছ এইচ মডেলত আৰম্ভণি কৰাৰ ফলত কার্যসূচীৰ অধীনত লাভ কৰা ধন নিজ নিজ একত্রিত পুঁজিলৈ ঘুৰাই দিবলগীয়া হৈছিল। কার্যসূচীৰ অধীনত হোৱা যথেষ্ট সঞ্চয়ৰ বাবে বছৰটোৰ ভিতৰত জলচ্ছেদ উন্নয়ন কার্য্যকলাপ ৰূপায়ণত বাধাৰ সৃষ্টি হৈছিল।

মুঠ বাজেট ব্যৱস্থাৰ 20 শতাংশতকৈ অধিক আৰু এক কোটি টকাতকৈ অধিক সঞ্চয় কৰা এই ছখন আঁচনিৰ ভিতৰত তিনিখনে বিগত পাঁচ বছৰৰ সময়ছোৱাত অর্থাৎ 2020-25 চনত চাৰি বছৰত একেধৰণৰ অধিক সঞ্চয় দেখুৱাইছে। আঁচনিসমূহৰ সবিশেষ **সাৰণী 2.27**ত দেখুওৱা হৈছে।

সাৰণী 2.27: উপ-শিতানৰ অধীনত ধাৰাবাহিক সঞ্চয়

(কোটি টকাত)

হিচাপৰ শিতান	বর্ষ	মুঠ বাজেট	ব্যয়	ৰাহি (-)	
				পৰিমান	শতাংশ
2402-00-001-{0172} মুখ্য কার্যালয় প্রতিষ্ঠান	2020-21	5.44	2.42	-3.02	-55.51
	2021-22	6.08	2.64	-3.44	-56.58
	2022-23	6.47	3.78	-2.69	-41.58

হিচাপৰ শিতান	বর্ষ	মুঠ বাজেট	ব্যয়	ৰাহি (-)	
				পৰিমান	শতাংশ
	2023-24	4.26	3.45	-0.81	-19.01
	2024-25	5.12	3.61	-1.51	-29.49
2402-00-001-{0240} অধীনস্থ প্ৰতিষ্ঠান	2020-21	42.01	35.26	-6.75	-16.07
	2021-22	49.93	36.60	-13.33	-26.70
	2022-23	54.03	38.63	-15.40	-28.50
	2023-24	51.23	40.20	-11.03	-21.53
	2024-25	58.91	41.69	-17.22	-29.23
2415-02-004-{0262} আঞ্চলিক গৱেষণা	2020-21	2.73	2.25	-0.48	-17.58
	2021-22	3.29	2.21	-1.08	-32.83
	2022-23	3.92	2.56	-1.36	-34.69
	2023-24	4.30	2.51	-1.79	-41.63
	2024-25	4.93	2.39	-2.54	-51.52

উৎস: বিনিয়োজন হিচাপৰ সবিশেষ

বিভাগে জনাইছিল (নৱেম্বৰ 2025) যে সঞ্চালকালয়ৰ লগতে অধীনস্থ প্ৰতিষ্ঠানসমূহত খালী পদ পূৰণ নকৰাৰ বাবে ধাৰাবাহিকভাৱে সঞ্চয় হৈছে। ধাৰাবাহিক সঞ্চয়ে বাজেটৰ দুৰ্বল নিৰীক্ষণৰ ইংগিত দিয়ে আৰু ইয়াৰ পৰা দেখা যায় যে বাজেট আবণ্টন পূৰ্বৰ বছৰৰ ব্যয়ৰ ধাৰা বিবেচনা নকৰাকৈ কৰা হৈছিল।

2.8 আকস্মিক নিধি

অসম আকস্মিক নিধি আইন, 1950ৰ অধীনত অসম চৰকাৰৰ আকস্মিক নিধি গঠন কৰা হৈছিল আৰু অসম ৰাজ্যৰ আকস্মিক নিধিৰ পৰা অনাকাংক্ষিত ব্যয় পূৰণৰ বাবে ধন পৰিশোধ আৰু তাৰ পৰা ধন উলিওৱাৰ জিম্মাৰ সৈতে জড়িত বা আনুষংগিক সকলো বিষয় নিয়ন্ত্রণৰ বাবে ৰাজ্য চৰকাৰে অসম আকস্মিক নিধিৰ নিয়ম, 1950 ৰূপায়ণ কৰিছিল। ৰাজ্যিক বিধানসভাই অতিৰিক্ত ব্যয়ৰ অনুমোদন দিলে এই পুঁজিৰ পূৰণ কৰা হয়।

31 মার্চ 2025লৈকে এই পুঁজিৰ কৰ্পাছ আছিল 2,000 কোটি টকা আৰু বিত্তীয় বর্ষৰ শেষত কোনো ধন আদায় নোহোৱাকৈ পৰি থকা নাছিল।

2.8.1 আকস্মিক নিধিৰ পৰা অগ্রিম

আকস্মিক নিধিৰ পৰা অগ্রিম ধন কেৱল অভাৱনীয় আৰু জৰুৰী ধৰণৰ ব্যয় পূৰণৰ বাবেহে দিব লাগে, যিটো বিধানসভাৰ অনুমোদন নোহোৱালৈকে পিছুৱাই দিয়াটো অবাঞ্ছিত হ'ব।

01 জানুৱাৰী 2025ত অধিসূচনা কৰা অসম আকস্মিক পুঁজি (কৰ্পাছ বৃদ্ধি) অধ্যাদেশ, 2024ৰ জৰিয়তে ৰাজ্য চৰকাৰে আকস্মিক পুঁজিৰ কৰ্পাছ 2,000 কোটি টকাৰ পৰা 6,000 কোটি টকালৈ অস্থায়ীভাৱে বৃদ্ধি কৰে। 2024-25 বিত্তীয় বর্ষৰ ভিতৰত ৰাজ্য চৰকাৰে আকস্মিক পুঁজিৰ পৰা 211 বাৰত 6,050.04 কোটি টকা উলিয়াইছিল। উলিওৱা মুঠ 691.82 কোটি টকা (11.44 শতাংশ)ৰ ভিতৰত ৰাজ্য চৰকাৰৰ প্ৰতিশ্রুতিবদ্ধ ব্যয় (দৰমহা, মজুৰি আৰু পেঞ্চন)ৰ বাবে ব্যৱহাৰ কৰা হৈছিল। 20খন আঁচনিৰ বিৱৰণ (উপ শিতান পর্যায়লৈকে)। ***পৰিশিষ্ট 2.16*** দিয়া হৈছে য'ত 100 কোটি টকা আৰু তাৰ ওপৰৰ ধন আকস্মিক পুঁজিৰ পৰা অগ্রিম হিচাপে উলিওৱা হৈছিল। সেই 20খন আঁচনিৰ ভিতৰত **সাৰণী 2.28**ত বিতংভাৱে উল্লেখ কৰা অনুসৰি পাঁচটা উপ-শিতানত চূড়ান্ত সঞ্চয় আছিল 100 কোটি বা তাতকৈ অধিক।

সাৰণী 2.28: সঞ্চয় হোৱা আকস্মিক পুঁজিৰ পৰা অগ্রিম হিচাপে ধন উলিওৱা আঁচনিৰ সবিশেষ

(কোটি টকাত)

আঁচনিৰ নাম আৰু হিচাপৰ শিতান	প্রকৃত বাজেট	পৰিপূৰক বাজেট	পুনঃ বিনিয়োজন	মুঠ বাজেট	ব্যয়	ৰাহি (-)/ অতিৰিক্ত (+)	আকস্মিক পুঁজিৰ পৰা অগ্রিম
G: 39 2235-02-102-{0177} আই চি ডি এছ	1,599.32	694.40	30.99	2,324.72	1,709.97	-614.75	694.40
G: 64 5054-03-337-{0337} সাধাৰণ পথৰ কাম	2,733.74	1,453.00	-47.00	4,139.74	3,789.46	-350.28	600.00
G: 63 4711-01-103-{2855} ৰাজ্যিক নির্দিষ্ট আঁচনি	205.57	300.00	33.00	538.57	393.55	-145.02	300.00
G: 26 2202-03-103-{4556} বেচৰকাৰী মহাবিদ্যালয়ত সেৱা আগবঢ়োৱা প্রাদেশিক শিক্ষক/ কর্মচাৰী	1,893.14	251.50	10.74	2,155.38	1,851.68	-303.70	251.50
G: 11 3451-00-091-{1421} মহকুমা উন্নয়ন আঁচনি	372.00	352.00	-	724.00	599.32	-124.68	100.00

উৎস: আকস্মিক পুঁজিৰ আদেশ আৰু সবিশেষ বিনিয়োজন হিচাপ

অনা-আকস্মিক উদ্দেশ্যৰ বাবে আকস্মিক পুঁজিৰ পৰা ধন উলিওৱা, যিটো শেষত অব্যৱহৃত হৈয়েই থাকিল, ই আকস্মিক পুঁজিৰ সাংবিধানিক বিধান উলংঘা কৰে কাৰণ এইসমূহ কেৱল জৰুৰী অভাৱনীয় ব্যয় পূৰণৰ বাবেহে আছিল।

2.9 সামৰণি

- 2024-25 চনৰ ভিতৰত অসম চৰকাৰৰ বাজেট ধাৰণাসমূহ অতিৰিক্তভাৱে অনুমান কৰা হৈছিল, কিয়নো ৰাজ্য চৰকাৰে 80টা অনুদানৰ বিপৰীতে 1,45,546.64 কোটি টকা আৰু তিনিটা বিনিয়োজনত 1,68,672.70 কোটি টকা ব্যয় কৰিছিল, যাৰ ফলত বছৰটোৰ ভিতৰত 23,126.06 কোটি টকা সামগ্রিকভাৱে সঞ্চয় হৈছিল। এই সঞ্চয়ৰ পৰিমাণ বছৰটোৰ বাবে কৰা মুঠ অনুদান আৰু ব্যয়ৰ 13.71 শতাংশ আছিল।
- এই সঞ্চয় ৰাজ্য চৰকাৰে 1,57,805.94 কোটি টকাৰ লাভৰ অতিৰিক্ত অনুমান আৰু ব্যয়ৰ ফালৰ পৰা 2024-25 বর্ষৰ ভিতৰত 1,68,672.70 কোটি টকাৰ অনুমানৰ পৰিপ্রেক্ষিতত দেখা যায়। আনুমানিক লাভৰ বিপৰীতে প্রকৃত লাভ আছিল 1,38,279.92 কোটি টকা মাত্র যাৰ ফলত বছৰটোৰ ভিতৰত মুঠ ব্যয় 1,45,546.64 কোটি টকাত সীমাবদ্ধ হৈ পৰে। ইয়াৰ অর্থ আছিল যে সঞ্চয় ধাৰণাত্মক আছিল, কিয়নো ধনখিনি প্রকৃততে ব্যয়ৰ বাবে উপলব্ধ নাছিল।
- 2024-25 চনৰ ভিতৰত বাজেটৰ ব্যৱস্থা অবিহনে এটা ব্যয়ৰ অধীনৰ 13টা উপ শিতানত 509.59 কোটি টকা ব্যয় কৰা হৈছিল (প্রতিটো ক্ষেত্রতে দুই কোটি টকা আৰু তাৰ ওপৰৰ)।

- চলিত বৰ্ষত মুঠ 23,126.06 কোটি টকা সঞ্চয়ৰ ভিতৰত মাত্ৰ 0.63 শতাংশ (145.31 কোটি টকা) সমৰ্পণ কৰা হৈছিল, যাৰ ফলত আন বিভাগসমূহে সেই পৰিমানৰ ধন ব্যৱহাৰ কৰাৰ পৰা বঞ্চিত হৈছিল, যিয়ে দুৰ্বল বিত্তীয় ব্যৱস্থাপনাৰ ইংগিত দিয়ে।
- 2024-25 বৰ্ষৰ বাবে ৰাজ্য চৰকাৰৰ বৃহৎ ঘোষণা আৰু ইয়াৰ কাৰ্যকৰীকৰণৰ বাবে বাজেট ঘোষণা আৰু প্ৰকৃত ব্যয়ৰ মাজত তাৰতম্য আছিল কাৰণ মুখ্যমন্ত্ৰী আৱাস যোজনা আৰু স্ব-নিয়োজন মিছনৰ দৰে মুখ্য সামাজিক আৰু উন্নয়নমূলক পদক্ষেপসমূহত যথেষ্ট পৰিমানে বাজেট ব্যৱস্থা থকাৰ পিছতো কোনো ধৰণৰ ব্যয় কৰিব পৰা নাছিল।
- অনুদান নং 38 — জনজাতী পৰিক্ৰমা (ভেয়াম)ৰ পৰ্যালোচনাই দেখুৱাইছে যে বিগত পাঁচ বছৰত অনুদানটোৰ অধীনত সঞ্চয়ৰ লক্ষণীয় উন্নতি হৈছে, মুঠ বাজেট ব্যৱস্থাৰ শতাংশ হিচাপে সঞ্চয় 2020-21ত 78.59 শতাংশৰ পৰা 2024-25ত 15.03 শতাংশলৈ হ্ৰাস পাইছে।
- অনুদান নং 51 — ভূমি আৰু জল সংৰক্ষণৰ পৰ্যালোচনাই সামগ্ৰিকভাৱে বৃহৎ সঞ্চয় দেখুৱাইছে, 2020-25ৰ সময়ছোৱাত মুঠ বাজেট ব্যৱস্থাৰ শতাংশ হিচাপত 8.30 শতাংশৰ পৰা 59.52 শতাংশ পৰ্যন্ত সঞ্চয় হৈছে। 2024-25ৰ ভিতৰত মুঠ বাজেট ব্যৱস্থা 274.58 কোটি টকাৰ ভিতৰত মাত্ৰ 133.29 কোটি টকাহে ব্যৱহাৰ কৰা হৈছিল যাৰ ফলত সামগ্ৰিকভাৱে 141.29 কোটি টকা সঞ্চয় হৈছিল (মুঠ বাজেট ব্যৱস্থাৰ 51.46 শতাংশ)।

2.10 ভাল দিশসমূহ

1. 80টা অনুদান আৰু তিনিটা ব্যয়ৰ অধীনত 2023-24ত 17.95 শতাংশ (30,516.47 কোটি টকা)ৰ পৰা 2024-25 চনত 13.71 শতাংশ (23,126.06 কোটি টকা)লৈ হ্ৰাসৰে মুঠ বাজেট ব্যৱস্থাৰ শতাংশ হিচাপে সঞ্চয়ৰ লক্ষণীয় উন্নতি দেখা গৈছে।
2. 2023-24 চনত 5,658.63 কোটি টকাৰ পৰা 2024-25 চনত 30.96 কোটি টকালৈ সহায়ক অনুদানৰ পৰা ব্যয়ক মূলধনী ব্যয় হিচাপে ভুল শ্ৰেণীবিভাজন যথেষ্ট হ্ৰাস পাইছে।

2.11 পৰামৰ্শসমূহ

i. ৰাজ্য চৰকাৰে সম্ভাব্য সম্পদ সংগ্ৰহৰ নিৰ্ভৰযোগ্য অনুমান, বিভাগসমূহৰ মূল্যায়ন কৰা প্ৰয়োজনীয়তা আৰু উপলব্ধ সম্পদৰ সৈতে মিল নোহোৱা অতিৰিক্ত বাজেটৰ পৰা হাত সাৰিবলৈ আবণ্টিত সম্পদসমূহ ব্যৱহাৰৰ ক্ষমতাৰ ওপৰত ভিত্তি কৰি বাস্তৱসন্মত বাজেট প্ৰস্তুত কৰিব পাৰে।

ii. ৰাজ্য চৰকাৰে বাজেটৰ সঠিক ৰূপায়ণ আৰু নিৰীক্ষণ বলবৎ কৰাৰ বাবে আনুষ্ঠানিক ব্যৱস্থা প্ৰতিষ্ঠা কৰিব পাৰে যাতে অনুদান/ ব্যৱহাৰৰ ভিতৰত বৃহৎ সঞ্চয় নিয়ন্ত্ৰিত হয় আৰু নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত প্ৰত্যাশিত সঞ্চয় চিনাক্ত আৰু সমৰ্পণ কৰা হয়।

iii. বিত্ত বিভাগে বাস্তৱিক বাজেট আবণ্টন আৰু ব্যয়ৰ নিৰীক্ষণৰ বাবে ধাৰাবাহিক সঞ্চয় থকা বিভাগসমূহ পৰ্যালোচনা কৰিব পাৰে।

iv. ৰাজ্য চৰকাৰে বাজেটত ঘোষণা কৰা বৃহৎ নীতিসমূহ যাতে নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰূপায়ণ কৰাটো সম্ভৱ হয় তাৰ বাবে ৰূপায়ণ আৰু ইয়াৰ নিৰীক্ষণ ব্যৱস্থা শক্তিশালী কৰিব পাৰে।

v. ৰাজ্য চৰকাৰে বাজেটৰ ব্যৱস্থাতকৈ অধিক ব্যয়সমূহৰ ক্ষেত্ৰত ৰাজ্যিক বিধানসভাৰ দ্বাৰা নিয়মীয়াকৰণ কৰিব পাৰে।

অধ্যায় III

বিত্তীয় প্ৰতিবেদনৰ পদ্ধতিসমূহ

অধ্যায়-III: বিত্তীয় প্রতিবেদনৰ পদ্ধতিসমূহ

এই অধ্যায়টো ৰাজ্য চৰকাৰৰ বিভিন্ন কর্তৃপক্ষ দ্বাৰা প্রদান কৰা হিচাবৰ গুণগত মান আৰু নির্ধাৰিত আর্থিক নিয়ম, প্রক্রিয়া আৰু নির্দেশনাসমূহ মানি চলাৰ ৰাজ্য চৰকাৰৰ অৱস্থা সম্পর্কে বিস্তৃত দৃষ্টিভংগী দাঙি ধৰে।

আর্থিক নিয়ম, প্রক্রিয়া আৰু নির্দেশনাৰ সৈতে সংহতি বজাই ৰখা আৰু এনে সংহতিৰ অৱস্থা সম্পর্কীয় প্রতিবেদনসমূহৰ সম্পূর্ণতা, সময়োপযোগীতা আৰু গুণগতমান প্রতিবেদনত দিয়া তথ্যৰ প্রাসঙ্গিকতা আৰু নির্ভৰযোগ্যতা বৃদ্ধি কৰে।

হিচাবৰ সম্পূর্ণতাৰ সৈতে সম্পর্কিত বিষয়সমূহ

3.1 ৰাজ্যৰ চৰকাৰৰ মালিকানাধীন পি এস ইউ/ কর্তৃপক্ষসমূহৰ জৰিয়তে বাজেট বহির্ভূত ধাৰ লোৱা

ভাৰতৰ সংবিধানৰ ধাৰা 293(3) অনুসৰি ৰাজ্য চৰকাৰৰ ঋণ গ্রহণৰ বাবে ভাৰত চৰকাৰৰ অনুমতি লোৱাটো বাধ্যতামূলক কৰিছে যদিহে ইয়াৰ ভাৰত চৰকাৰৰ পৰা কোনো বকেয়া ঋণ বা নিশ্চয়তা থাকে। ইয়াৰোপৰি, পঞ্চদশ বিত্ত আয়োগে 2023-24ৰ পৰা 2025-26লৈ ৰাজ্য চৰকাৰসমূহৰ বাবে সাধাৰণ প্রকৃত ঋণ সীমা (এন বি চি) জি এছ ডি পি-ৰ তিনি শতাংশ হিচাপে নির্ধাৰণ কৰিবলৈ পৰামর্শ দিছে।

উপৰোক্ত নির্ধাৰিত প্রকৃত ঋণ সীমা পাৰ হৈ ৰাজ্য চৰকাৰৰ বিভিন্ন ৰাজহুৱা উদ্যোগ (এছ পি এছ ইউ)/ নিগম/ অন্য সংস্থাৰ জৰিয়তে বহির্ভুত নিয়মীয়া ঋণ লোৱাত, যদিও ৰাজ্যই সেই ঋণৰ পৰিশোধৰ বাবে দায়বদ্ধ, চৰকাৰী বিত্তত এইধৰণৰ কার্যই অর্থনৈতিক স্থিতি আৰু স্বচ্ছতাৰ বাবে গুৰুত্বপূর্ণ বিপদ সৃষ্টি কৰে। ৰাজ্যৰ এক বিত্তীয় বর্ষৰ বাবে ধাৰ লোৱাৰ সীমা বর্তমান কেন্দ্রীয় চৰকাৰে বাজেট বহির্ভূত ধাৰ লোৱাৰ পৰিমাণলৈকে কমাই দিছে।

অসম ৰাজ্যিক বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা (এফ আৰ বি এম) আইন, 2005-য়ে উল্লেখ কৰিছে যে ৰাজ্য চৰকাৰে ৰাজ্যৰ ৰাজহুৱা বিত্তৰ ব্যৱস্থাপনাত বিত্তীয় স্থিৰতা, স্থিতিশীলতা নিশ্চিত কৰিবলৈ, কার্যক্ষমতা আৰু পৰদর্শিতা উন্নত কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্রহণ কৰিব।

2024-25 বর্ষৰ বাবে, বকেয়াৰ দায়বদ্ধতা এম টি এফ পি-ৰ অধীনত জি এছ ডি পি-ৰ 25.23 শতাংশ আৰু এ এফ আৰ বি এম আইনৰ অধীনত 32 শতাংশ হিচাপে লক্ষ্য নির্দ্ধাৰণ কৰা হৈছিল। তাৰোপৰি, ভাৰত চৰকাৰে বিদ্যুৎ ক্ষেত্রৰ সংস্কাৰৰ বাবে ধাৰ লোৱাৰ সীমা 18,882 কোটি টকা (প্রকল্পিত জি এছ ডি পি-ৰ 3 শতাংশ) আৰু অতিৰিক্ত 3,147 কোটি টকা (প্রকল্পিত জি এছ ডি পি-ৰ 0.5 শতাংশ) নির্ধাৰণ কৰিছিল।

ৰাজ্য চৰকাৰে প্রদান কৰা তথ্য অনুসৰি, 31 মার্চ 2025-ত বকেয়া অফ-বজেট ঋণ 2,639.20 কোটি টকা আছিল, য'ত 2024-25 বর্ষত হোৱা 542.11 কোটি টকা ঋণো অন্তর্ভুক্ত আছিল, যাৰ বিৱৰণ **সাৰণী 3.1**ত দিয়া হৈছে।

সাৰণী 3.1: ৰাজ্য চৰকাৰে প্ৰকাশ কৰা অনুসৰি 31 মাৰ্চ 2025 তাৰিখত বাজেট বহিৰ্ভূত ধাৰৰ বিৱৰণ

(কোটি টকাত)

চৰকাৰৰ হৈ ঋণ লোৱা সংস্থা	বিত্তীয় বৰ্ষ	বিত্তীয় বৰ্ষৰ আৰম্ভণিতে বকেয়া বাজেট বহিৰ্ভূত ঋণ	বিত্তীয় বৰ্ষৰ সময়ছোৱাত লোৱা ঋণ	বিত্তীয় বৰ্ষৰ সময়ছোৱাত কৰা পৰিশোধ		বিত্তীয় বৰ্ষৰ শেষত সামৰণি উদ্বৃত্ত
				প্ৰধান	সুত	
অসম আন্তঃগাঁথনি বিত্তীয় কৰ্তৃপক্ষ (এ আই এফ এ)	2021-22	নাই	238.62	নাই	নাই	238.62
	2022-23	238.62	852.62	নাই	34.71	1,091.24
	2023-24	1,091.24	1,101.89	নাই	94.65	2,193.13
	2024-25	2,193.13	542.11	96.04	217.88	2,639.20

কাৰণ, অৱস্থাটো বাজেট বহিৰ্ভূত ঋণৰ অৱস্থাৰ পৰা বেলেগ, যাক ব্যয় বিভাগ, বিত্ত মন্ত্ৰালয়ৰ, 23 জুন 2025 তাৰিখৰ অ' এম-ত দৰ্শাইছে। অ' এম অনুসৰি, অসমৰ এছ পি এছ ই/ এছ পি ভি-ৰ দ্বাৰা বাজেট বহিৰ্ভূতৰ ঋণ 2024-25 বৰ্ষৰ বাবে 1,801.31 কোটি টকা আছিল। প্ৰাৰম্ভিক বৈঠক (ছেপ্টেম্বৰ 2025)ৰ সময়ছোৱাত, বিত্ত বিভাগে জনাইছিল যে বিষয়টো বিত্ত মন্ত্ৰালয়েৰ সৈতে সমন্বয়ৰ অধীনত আছে।

বিত্ত (বাজেট) বিভাগে জনাইছিল (জুন 2025) যে এ আই এফ এ-ৰ ঋণ গ্ৰহণৰ উদ্দেশ্য আছিল সমগ্ৰ ৰাজ্যতে বিভিন্ন আন্তঃগাঠনি প্ৰকল্পসমূহৰ বাবে ধনৰ যোগান ধৰা। লগতে, উল্লেখ কৰা হৈছে যে বাজেট বহিৰ্ভূত ঋণৰ ওপৰত সুত নিক্ষেপ নিধি এ আই এফ এ-ৰ পৰা আৰু হিচাপৰ শিতান: 2075-800-1640-000-32-01-99-এছ অ' পি ডি-জি-ৰ অধীনত কৰা হৈছে।

ইয়াৰ উপৰিও, অসমৰ এছ পি এছ ই-ৰ পৰা প্ৰাপ্ত তথ্যই প্ৰকাশ কৰিছে যে এটা এছ পি এছ ই অৰ্থাৎ অসম ভৈয়াম জনজাতি উন্নয়ন নিগম লিমিটেডে 1992-93ৰ পৰা 2002-03 পৰ্যন্ত ৰাষ্ট্ৰীয় অনুসূচীত জনজাতি বিত্ত আৰু উন্নয়ন নিগমৰ পৰা 18.21 কোটি টকা বাজেট বহিৰ্ভূত ঋণ গ্ৰহণ কৰিছিল, যি ঋণ টাৰ্ম লোন আৰু কৃষি আৰু সম্প্ৰসাৰিত খণ্ড, উদ্যোগ খণ্ড আৰু সেৱা খণ্ড — পৰিবহন আৰু সেৱা আঁচনিৰ অধীনত মাইক্ৰো ক্ৰেডিট ফাইনান্স আঁচনি হিচাপে আছিল। এছ পি এছ ই-ৰ 31 মাৰ্চ 2025 পৰ্যন্ত বকেয়া ঋণ আছিল 44.58 কোটি টকা (মূলধন: 18.21 কোটি টকা, সুত: 26.37 কোটি টকা)।

এই বাজেট বহিৰ্ভূত ঋণসমূহ ৰাজ্যৰ বকেয়া দায়বদ্ধতাৰ প্ৰতিনিধিত্ব কৰে আৰু দীৰ্ঘম্যাদী ঋণৰ স্থিতিশীলতাক প্ৰভাৱ পেলায়। প্ৰকৃত অৱস্থাৰ স্পষ্ট প্ৰকাশ নোহোৱাকৈ এনে ঋণৰ ওপৰত নিৰ্ভৰশীলতা অব্যাহত থাকিলে ৰাজ্যৰ প্ৰকৃত দেনা অৱস্থাক কম কৰিব পাৰে আৰু ভৱিষ্যত আৰ্থিক নমনীয়তা সীমিত হয়।

19 ডিচেম্বৰ 2025 তাৰিখে অনুষ্ঠিত সামৰণি বৈঠকত, অফ বাটে ঋণৰ সৈতে সম্পৰ্কিত সংখ্যাৰ ভিন্নতা বিত্ত বিভাগে স্বীকাৰ কৰিছিল। এক চৰকাৰী যোগাযোগত, বিভাগে জনাইছিল যে 31 মাৰ্চ 2025 তাৰিখে বাজেট বহিৰ্ভূত ঋণ 2,639.20 কোটি টকা আছিল, ইয়াত 2024-25 সময়ছোৱাত নাবার্ডৰ পৰা সংগ্ৰহ কৰা 542.11 কোটি টকা ধৰা হৈছে। লগতে, এইটো জনোৱা হৈছিল যে এতিয়া অসমৰ বাজেট বহিৰ্ভূতৰ কোনো ঋণ নাই আৰু নাবার্ডৰ পৰা এ আই এফ এ ঋণ সম্পূৰ্ণৰূপে বন্ধ হৈছে।

3.1.1 এ আই এফ এ নিক্ষেপ নিধি

ৰাজ্য চৰকাৰে 23 জুন, 2023 তাৰিখৰ কার্যালয় স্মাৰকপত্ৰ (অ' এম) অনুসৰি এ আই এফ এ নিক্ষেপ নিধি গঠন কৰিছিল। এই পুঁজি 2023-24 বিত্তীয় বর্ষৰ পৰা কার্যকৰী হৈছিল। অ' এম অনুসৰি অসম চৰকাৰে আন্তঃগাঁথনি উন্নয়ন সহায়ৰ বাবে নাবার্ডৰ সৈতে বুজাবুজিৰ চুক্তি (এন আই ডি এ) কৰিছিল। সময়ে সময়ে লাভ কৰা অনুদানৰ লগতে পুঁজিৰ পৰা অর্জন কৰা প্ৰাপ্ত উপার্জনৰ সৈতে সমন্বিত পুঁজি একত্ৰিত নিধি আৰু ৰাজ্যৰ ৰাজহুৱা হিচাপৰ বাহিৰত ৰাখিব লাগিব। এ আই এফ এ-য়ে নিক্ষেপ নিধিৰ নিয়ম অনুসৰি, ৰাজ্য চৰকাৰে 2023-24 বিত্তীয় বর্ষৰ আৰম্ভণিৰে পৰা পুজিৰ কর্পাচ হিচাপে পুঁজিৰ একাউন্টত প্ৰতিমাহে 50কোটি টকাকৈ বৰঙণি আগবঢ়াব লাগে। এ আই এফ এ-য়ে এনেদৰে সংগ্ৰহ কৰা পুঁজিবোৰ ভাৰত চৰকাৰৰ চৰকাৰী চিকিউৰিটিজ, ট্ৰেজাৰী বিল আৰু ৰাজ্য চৰকাৰৰ চিকিউৰিটিজত বিনিয়োগ কৰিব লাগিব। এ আই এফ এ-য়ে পুঁজিৰ এটা অংশ ইকুইটি, মিউচুৱেল ফাণ্ড আৰু ডেবট চিকিউৰিটিজত বিনিয়োগ কৰিব পাৰে।

2024-25 বর্ষত অসম চৰকাৰে 2075-00-800-{1640} অসম আন্তঃগাঠনি বিত্তীয় কর্তৃপক্ষৰ হিচাপৰ শিতানত ডেবিট কৰি 600.00 কোটি টকা অৱদান আগবঢ়াইছে।

3.2 চৰকাৰৰ পালন নকৰা দায়বদ্ধতা

পালন নকৰা দায়বদ্ধতা, যেনে ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থালৈ (এন পি এছ) কমকৈ পৰিশোধ, বা সুত বহনকাৰী জমাৰ ওপৰত/ ৰিজার্ভ ফাণ্ড আদিত সুতৰ বাধ্যবাধকতাৰ অসম্পূর্ণ নির্গমনে দীর্ঘম্যাদী বিত্তীয় আৰু চৰকাৰী প্ৰশাসনত গুৰুতৰ প্ৰভাৱ পেলাব পাৰে। এই প্ৰদান নকৰা দায়িত্বসমূহ সময়ৰ সৈতে সঞ্চিত হয়, যিয়ে লুকাই থকা দায়বদ্ধতা সৃষ্টি কৰে আৰু ৰাজ্যৰ প্ৰকৃত আর্থিক অৱস্থানক বিকৃত কৰে। লগতে, এন পি এছ-লৈ কম স্থানান্তৰসমূহ কেৱল আইনগত প্ৰতিশ্ৰুতি ভংগ কৰা নহয়, বৰঞ্চ কর্মচাৰীসকলৰ আর্থিক সুৰক্ষাকো প্ৰভাৱিত কৰে। বছৰৰ পিছত এনে প্ৰবৃত্তিসমূহে বিশ্বাস হ্ৰাস কৰিব পাৰে, আইনগত দায়িত্ব সৃষ্টি কৰিব পাৰে আৰু ভৱিষ্যৎ ব্যয়ৰ বাধ্যবাধকতা বৃদ্ধি কৰিব পাৰে, ফলস্বৰূপে, অর্থনৈতিক স্থান সীমিত হ'ব আৰু অর্থনৈতিক স্থায়িত্বৰ অৱনতি ঘটিব। এনে ঘটনাসমূহ পৰৱর্তী দফাসমূহত আলোচনা কৰা হৈছে।

3.2.1 পালন নকৰা সূতৰ দায়বদ্ধতা

চৰকাৰে ধনৰাশিৰ ওপৰত হোৱা সুত/ সংৰক্ষিত পুঁজিত থকা ধনৰ ওপৰত পৰিশোধ আৰু সুত দিবলৈ দায়বদ্ধ।

হিচাপ পৰীক্ষাত পর্যবেক্ষণ কৰা হৈছিল যে **সাৰণী 3.2**ত দেখুওৱাৰ দৰে 31 মার্চ 2025 তাৰিখলৈকে সুতবহনকাৰী জমা/ সংৰক্ষিত পুঁজিত পৰি থকা 1,050.38 কোটি টকাৰ 134.75 কোটি টকা সুত হিচাপে পৰিশোধ কৰা প্ৰয়োজন।

সাৰণী 3.2: সুতবহনকাৰী জমা/ সংৰক্ষিত পুঁজিৰ ক্ষেত্ৰত পৰিশোধ নকৰা সুতৰ দায়বদ্ধতাৰ বিৱৰণ

(কোটি টকাত)

ক্ৰ নং	সুত বহনকাৰী জমা ধনৰ নাম/ শিতান	01 এপ্ৰিল 2024 তাৰিখলৈকে আৰম্ভণি উদ্বৃত্ত	সুত গণনাৰ ভিত্তি	ব্যৱস্থা নকৰা সুতৰ পৰিমাণৰ
1.	সুতযুক্ত জমা - চৰকাৰী কর্মচাৰীসকলৰ বাবে সংজ্ঞায়িত অৱদান পেঞ্চন স্কীম (ডি চি পি এছ) (এন পি এছ)	**318.65**	*@ 7.10 শতাংশ**	**17.05**
2.	সুতবহনকাৰী সংৰক্ষিত পুঁজি (এছ ডি আৰ	**527.69**	*@8.46 শতাংশ (এছ ডি আৰ*	**94.90**

ক্র নং	সুত বহনকাৰী জমা ধনৰ নাম/ শিতান	01 এপ্রিল 2024 তাৰিখলৈকে আৰম্ভণি উদ্বৃত্ত	সুত গণনাৰ ভিত্তি	ব্যৱস্থা নকৰা সুতৰ পৰিমাণৰ
	এফ)		*এফ-ৰ নির্দেশনা অনুসৰি)*	
3.	সুতবহনকাৰী সংৰক্ষিত পুঁজি (এছ ডি এম এফ)	**170.00**	*@8.46 শতাংশ (এছ ডি এম এফ-ৰ নির্দেশনা অনুসৰি)*	**22.00**
4.	ডি চি পি এছ-ৰ বাহিৰে সুতবহনকাৰী জমা	**34.04**	*@ 2.35 শতাংশ (অর্থাৎ, ৰিভার্ছ ৰেপ' ৰেট বিয়োগ এক শতাংশ)।*	**0.80**
	মুঠ	**1,050.38**		**134.75**

উৎস: বিত্তীয় হিচাপ

** ৰাজ্য চৰকাৰে 04 নৱেম্বৰ 2020 তাৰিখৰ অ' এম ৰাজৰ যোগেদি এন পি এছ-ৰ সুদৰ হাৰ জি পি এফ-ত প্রযোজ্য হিচাপে নির্ধাৰিত কৰিছে (সময়-সময়ত সংশোধন কৰা হোৱাৰ সৈতে)*

134.75 কোটি টকা সুতৰ দায়বদ্ধতাৰ ফলত বহুবটোৰ সময়ছোৱাত ৰাজহ ঘাটি আৰু বিত্তীয় ঘাটিত সেই পৰিমাণে কম দেখুওৱা হৈছে। ৰাজ্য চৰকাৰে পৰৱর্তী একাউণ্টসমূহত সুতৰ সঠিক ব্যৱস্থা, সুতৰ পৰিমাণসমূহ সময়মতে স্থানান্তৰ, লগতে ৰাজ্যৰ বিত্তীয় স্থিতি পৰিষ্কাৰ আৰু সঠিকভাৱে প্রদর্শন হ'বলৈ প্রাসঙ্গিক আইনগত বিধানসমূহৰ তৎপৰতা নিশ্চিত কৰিব লাগিব।

3.2.2 ৰাষ্ট্রীয় পেঞ্চন ব্যৱস্থাত কমকৈ অৱদান

অসম চৰকাৰে 01 ফেব্রুৱাৰী 2005 বা তাৰ পিছত খালি মঞ্জুৰীকৃত পদ (পদসমূহৰ) বিপৰীতে নিয়মীয়া ভিত্তিত ৰাজ্য চৰকাৰৰ চাকৰিত যোগদান কৰা সকলো নতুন প্ররেশকাৰীৰ বাবে প্রযোজ্য 'ৰাষ্ট্রীয় পেঞ্চন পদ্ধতি' (এন পি এছ) সূচনা (জানুৱাৰী 2010) কৰিছিল।

এই পদ্ধতিৰ অধীনত কর্মচাৰীসকলে মূল দৰমহা আৰু মৰগীয়া ভাট্টাৰ 10 শতাংশ অৱদান দিয়ে আৰু ইয়াৰ সমপৰিমাণ ৰাজ্য চৰকাৰে এন পি এচ-ৰ আৰম্ভণিৰ পৰাই মিলাই আহিছে। ৰাজ্য চৰকাৰে 01 এপ্রিল 2019ৰ পৰা কার্যকৰী হোৱাকৈ নিয়োগকর্তাৰ অৱদান 14 শতাংশলৈ বৃদ্ধি কৰিছে। জমাৰ পৰিমাণটো অর্থাৎ কর্মচাৰী আৰু নিয়োগ কর্তাৰ অৱদান দুয়োটাকে প্রথমতে ৰাজহুৱা হিচাপলৈ হস্তান্তৰ কৰা হয় (মুখ্য শিতান '8342-117-নির্দ্ধাৰিত অৱদান পেঞ্চন আঁচনি)। এন পি এচ-ৰ নির্দেশনা অনুসৰি ৰাজ্য চৰকাৰৰ পৰৱর্তী বিনিয়োগৰ বাবে কর্মচাৰী আৰু বিনিয়োগকর্তা দুয়োটাৰ অংশ নির্দ্ধাৰিত কর্তৃপক্ষ অর্থাৎ ৰাষ্ট্রীয় সুৰক্ষা জমা লিমিটেড (এন এচ ডি এল)/ ট্রাষ্টী বেংকত জমা ৰখাৰ দায়িত্ব। আঁচনিখনৰ নির্দেশনা অনুসৰি অসম চৰকাৰে এন এচ ডি এল-লৈ হস্তান্তৰ নকৰা পুঁজিৰ ওপৰত সুত পৰিশোধ কৰাৰ বাবে দায়বদ্ধ। চৰকাৰৰ পৰা প্রয়োজনীয় তথ্য/নথি-পত্র প্রাপ্ত কৰি এই ব্যৱস্থাৰ অধীনত নথিভুক্ত কৰা প্রত্যেকজন কর্মচাৰীক এটা স্থায়ী অৱসৰ একাউণ্ট নম্বৰ (পি আৰ এ এন) আৱণ্টন কৰা হয়।

2024-25 বর্ষত অসম চৰকাৰে এন পি এছ-ৰ বাবে কর্মচাৰীসকলৰ পৰা 1,488.08 কোটি টকাৰ অৱদান সংগ্রহ কৰিছিল আৰু নিযুক্তিকর্তাৰ অংশ হিচাপে 2,083.31 কোটি টকাৰ বিপৰীতে 1,929.25 কোটি টকা অৱদান আগবঢ়াইছিল, যাৰ ফলত 154.06 কোটি টকাৰ অৱদান কমকৈ হৈছিল। 2024-25 বর্ষত মুঠ উপলব্ধ পুঁজিৰ 3,751.41 কোটি টকা (যাৰ ভিতৰত প্রাৰম্ভিক উদ্বৃত্ত 334.08 কোটি টকা, কর্মচাৰী অংশ 1,488.08 কোটি টকা আৰু নিযুক্তিকর্তাৰ অংশ 1,929.25 কোটি টকা)ৰ পৰা চৰকাৰে 3,542.03 কোটি টকা বিতৰণ কৰিছিল, যেতিয়া 209.38 কোটি টকা এন এছ ডি এল-লৈ স্থানান্তৰিত হ'ব লগা আছিল।

2010-25 চনৰ ভিতৰত, ডি চি পি এছ-ৰ অধীনত মুঠ আহৰণ আছিল 19,360.01 কোটি টকা (কৰ্মচাৰী: 8,710.13 কোটি টকা, নিয়োগকৰ্তা: 10,649.88 কোটি টকা), যেতিয়া কেৱল 19,145.49 কোটি টকা পেঞ্চন পুঁজিলৈ স্থানান্তৰ কৰা হৈছিল, ফলস্বৰূপে 209.38 কোটি টকাৰ সঞ্চিত কমকৈ স্থানান্তৰ হৈছিল (5.46 কোটি টকা হিতাধিকাৰীলৈ প্ৰদান কৰা আৰু 0.32 কোটি টকা একাউণ্টত মুঠ ঘূৰাই দিয়াক বিৰত ৰাখি)। 209.38 কোটি টকাৰ বাকি অংশৰ ভিতৰত, 193.95 কোটি টকা ৰাজহুৱা হিচাপত আছিল আৰু বাকী 15.43 কোটি টকা কাৰেণ্ট একাউন্টত আছিল। কৰ্মচাৰী অংশ, চৰকাৰৰ অৱদান, তাৰ ওপৰত সঞ্চিত সুত আৰু পেঞ্চন পুজিত বিনিয়োগৰ বিস্তাৰিত বিবৰণ ***পৰিশিষ্ট 3.1***ত দিয়া আছে।

অসম চৰকাৰৰ হিচাপ আৰু কোষাগাৰ সঞ্চালকে (জুলাই 2025) জনাই যে মুঠ 3,10,739 কৰ্মচাৰীৰ ভিতৰত 31 মাৰ্চ 2025 তাৰিখত 18,899 কৰ্মচাৰীক পি আৰ এ এন জাৰি কৰা হোৱা নাছিল। পি আৰ এ এন জাৰি নকৰাৰ মূল কাৰণ আছিল ডি ডি অ'-সমূহৰ দ্বাৰা কমন ছাবস্ক্ৰাইবাৰ ৰেজিষ্ট্ৰেশ্যন (চি এছ আৰ) ফৰ্ম দাখিল কৰিবলৈ বিলম্ব হোৱা, বিত্তীয় কৰ্মচাৰী পৰিদৰ্শন ইউনিট (এছ আই ইউ) বিভাগৰ পৰা অনুমোদন পাবলৈ বিলম্ব হোৱা, ব্যৱস্থাত কৰ্মচাৰী তথ্য ভুল হোৱা, আৰু ফিনআছাম ব্যৱস্থাত চি এছ আৰ ফৰ্ম আপলোড বাকী থকাৰ বাবে।

কৰ্টন অৱদান স্থানান্তৰত বিলম্বৰ লগতে ৰাজ্য চৰকাৰৰ কমকৈ দিয়া অৱদানে চৰকাৰী কৰ্মচাৰীৰ আৰ্থিক সুৰক্ষাক ক্ষতিগ্ৰস্ত কৰে, কাৰণ তেওঁলোকৰ অৱসৰ সঞ্চয় সম্পূৰ্ণভাৱে মিলাই নিদিয়া আৰু সময়মতে বিনিয়োগ নোহোৱাৰ বাবে সম্ভাব্যভাৱে তেওঁলোকে লাভ কৰা ৰিটাৰ্ণসমূহক প্ৰভাৱিত কৰিব পাৰে। লগতে, ৰাজহুৱা হিচাপত 193.95 কোটি টকা আৰু কাৰেণ্ট একাউণ্টত 15.43 কোটি টকা ৰখা হৈছে বুলি এন পি এছ কাৰ্যকৰী নীতিৰ পৰা বিচ্যুতি প্ৰতিফলিত কৰে। বিনিয়োগ নকৰা এন পি এছ ধনৰ ওপৰত 17.05 কোটি টকা সুত নোহোৱাৰ বাবে কেৱল এটি বকেয়া ঋণ নহয়, ইয়াৰ ফলত ৰাজহ আৰু বিত্তীয় ঘাটি দুয়োটাতে কমকৈ প্ৰতিফলিত হৈছে।

19 ডিচেম্বৰ 2025 তাৰিখে অনুষ্ঠিত সামৰণি বৈঠকত, অসমৰ চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্তৰ আৰু সচিবে সংক্ষিপ্ত অবদানৰ সৈতে জড়িত সমস্যাৰ বিষয়ে উল্লেখ কৰে আৰু জনায় যে এই সমস্যা প্ৰধানকৈ কোষাগাৰত কৰ্মৰত কৰ্মচাৰীলৈ প্ৰশাসনিক ক্ষমতাৰ দায়িত্ব আৰোপ কৰাৰ ফল, আৰু ৰাজ্য এফ এম আই এছ অন্তৰ্গত কাৰ্যক্ৰমৰ অধীনত এই বিষয়সমূহ ধৰা পৰিছিল, আৰু বৰ্তমান এই সমস্যা সমাধান হৈছে। তাৰ পিছত, অসমৰ হিসাব আৰু কোষাগাৰ সঞ্চালকে স্পষ্ট কৰি দিছে যে, বিলম্বৰ প্ৰধান কাৰণ কিছুমান বিশেষ ক্ষেত্ৰত পি আৰ এ এন উৎপত্তি নোহোৱাৰ কাৰণে হয়, যাৰ ফলত পুঁজিসমূহ সাময়িকভাবে ৰাজহুৱা হিচাপত ৰখা হৈছিল। ইয়াত আৰু উল্লেখ কৰা হৈছে যে উল্লেখযোগ্য পৰিমাণৰ ধন ইতিমধ্যে এন এছ ডি এল-লৈ স্থানান্তৰ কৰা হৈছে, আৰু অৱশিষ্টখিনি সম্ভাৱিতভাৱে 2025-26 বিত্তীয় ৰ্যত নিষ্পত্তি কৰা হ'ব। চৰকাৰে লগতে জনাই যে বিকেন্দ্ৰীকৃত আপলোড প্ৰণালী গ্ৰহণ, মানক কাৰ্য্যপদ্ধতি (ষ্টেণ্ডার্ড অ'পাৰেটিং প্ৰ'চিডিউৰ) জাৰি কৰা, কোষাগাৰ বিষয়াৰ বাবে বিত্তীয় ক্ষমতা প্ৰদান কৰা, আৰু স্থায়ী পেঞ্চন একাউণ্ট নম্বৰ (পি আৰ এ এন)ৰ স্থলত পি আৰ এ এন ব্যৱহাৰ কৰাটো বাধ্যতামূলক কৰাৰ লগতে এন পি এছ অৱদানসমূহ এন এছ ডি এল-লৈ সোনকালে আৰু সময়মতে স্থানান্তৰ হোৱাৰ নিশ্চয়তা দিয়াৰ বাবে ধাৰাবাহিক নিৰিক্ষণ আৰু সমিলমিল অভিযান চলোৱাকে সামৰি এক শৃঙ্খলাপূৰ্ণ ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে।

3.2.3 ৰাষ্ট্রীয় খনিজ অন্বেষণ ন্যাস পুঁজি

ৰাষ্ট্রীয় খনিজ অনুসন্ধান ন্যাস (এন এম ই টি) আগষ্ট 2015ত এম এম ডি আৰ আইন, 1957ৰ ধাৰা 9C অনুসৰি প্রতিষ্ঠা কৰা হৈছিল। এই আইনৰ ধাৰা 9C (4) অনুসৰি, খনন লীজ বা খনন লীজৰ বা প্রসপেক্টিং লীজ থকা খননধাৰকে ন্যাসলৈ প্রদত্ত ৰয়েল্টীৰ 2 শতাংশ যোগদান কৰিবলৈ বাধ্য কৰা হৈছে। এন এম ই টি বিধি অনুসৰি, লীজৰ ধাৰকে এই পৰিমাণ ৰাজ্যিক ৰাজহুৱা হিচাপত সঠিক শিতান (8449-123-এন এম ই টি জমা)ত জমা দিব লাগিব, আৰু ৰাজ্য চৰকাৰে এই ধন সংগ্রহ কৰি মাহেকীয়াভাৰে ভাৰতৰ একত্রিত পুঁজিলৈ স্থানান্তৰ কৰাৰ দায়িত্ব ল'ব।

01 এপ্রিল 2024 তাৰিখত, পুঁজিৰ অৱশিষ্ট 0.31 কোটি টকা আছিল। বর্ষ 2024-25ৰ সময়ছোৱাত, ৰাজ্য চৰকৰে খনি-ধাৰকৰ পৰা এন এম ই টি অৱদান হিচাপে ৰয়েলটিৰ দুই শতাংশ শিতান 8449-123-এ এম ই টি জিপোজিত শিতানৰ অধীনত 0.88 কোটি টকা লাভ কৰিছিল। ৰাজ্য চৰকৰে 1.11 কোটি টকা ৰাষ্ট্রীয় খনিজ অন্বেষণ ন্যাসলৈ স্থানান্তৰ কৰিছিল। এইদৰে, 31 মার্চ 2025 তাৰিখত এন এম ই টি-লৈ স্থানান্তৰ কৰিবলৈ 0.08 কোটি টকা বাকী আছিল।

0.08 কোটি টকা স্থানান্তৰ নকৰাৰ বাবে কেৱল নগদ উদ্বৃত্তক অধিক দেখুৱাই নাছিল, লগতে ৰাষ্ট্রীয় খনিজ অন্বেষণ পুঁজিৰ প্রদানত বিলম্বৰ বাট দেখুৱাইছিল। ৰাজ্য চৰকাৰে ৰাজহুৱা একাউণ্টৰ পৰা এন এম ই টি ফাণ্ডলৈ মাহেকীয়া স্থানান্তৰ স্বয়ংক্রিয় কৰাৰ লগতে এন এম ই টি পুঁজিসমূহ নিয়মীয়া সমিলমিল কৰি সময়মতে পঠিওৱা আৰু সঠিক বিত্তীয় প্রতিবেদন নিশ্চিত কৰাৰ পৰামর্শ বিবেচনা কৰিব পাৰে।

ভাৰত চৰকাৰৰ খনিসম্পদ মন্ত্রনালয়ে, 19 নৱেম্বৰ 2024 তাৰিখৰ পত্রৰ জৰিয়তে, সকলো ৰাজ্য চৰকাৰক ৰাষ্ট্রীয় খনিসম্পদ অন্বেষণ ন্যাস (এন এম ই টি)-ৰ ধাৰণাৰ আধাৰত ৰাজ্যিক খনি অন্বেষণ ন্যাস (এছ এম ই টি)/ ৰাজ্যিক খনি বিকাশ পুঁজি (এম এম ডি এফ) প্রতিষ্ঠা কৰিবলৈ পৰামর্শ দিছিল, যি খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্রণ) আইন, 1957-ৰ ধৰা 15ৰ উপ-ধাৰা (A)-ৰ ধাৰা (g)-ৰ অধীনত বাধ্যতামূলক। সেই অনুসৰি, অসম চৰকাৰে 25 জুন 2025 তাৰিখৰ গেজেট অধিসূচনা অনুসৰি অসম ৰাজ্যিক খনিজ অন্বেষণ ন্যাস নিয়ম, 2025 ঘোষণা কৰে। তাৰ পাছত, চৰকাৰে 15 ছেপ্টেম্বৰ 2025 তাৰিখৰ নিজৰ অধিসূচনাৰে অসম ৰাজ্যিক খনিজ অন্বেষণ ন্যাসৰ প্রশাসনীয় পৰিষদ গঠন কৰে।

19 ডিচেম্বৰ 2025 তাৰিখে অনুষ্ঠিত হোৱা সামৰণি বৈঠকত, বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে, হিচাপ পৰীক্ষাৰ পর্যবেক্ষণসমূহ লক্ষ্য কৰিছিল আৰু নির্ধাৰিত হিচাপ-নিকাচ আৰু স্থানান্তৰ প্রক্রিয়া অনুসৰণৰ নিশ্চয়তা প্রদান কৰিছিল।

3.2.4 ঘূৰাই দিয়া বিষয়সমূহৰ বকেয়া

ঘূৰাই দিয়া বিষয়সমূহৰ নিষ্পত্তিত তৎকালিনতা হোৱাটো সংশ্লিষ্ট বিভাগৰ কার্যক্ষমতাৰ এটা গুৰুত্বপূর্ণ সূচক। ছয়টা কৰ সংগ্রহ বিভাগৰ মাজৰ চাৰিটাই ঘূৰাই দিয়াৰ তথ্য প্রদান কৰিছে।

2024-25 বর্ষৰ সময়ছোৱাত সংশ্লিষ্ট বিভাগসমূহে প্রদান কৰা ঘূৰাই দিয়া বিষয়সমূহৰ বিৱৰণ, **সাৰণী 3.3**ত দিয়া হৈছে।

সাৰণী 3.3: ঘূৰাই দিয়া বিষয়সমূহৰ বিস্তাৰিত তথ্য

(কোটি টকাত)

ক্ৰ নং	বিৱৰণ	জি এছ টি		বিক্ৰী কৰ/ ভেট		মুঠ	
		বিষয়ৰ সংখ্যা	পৰিমান	বিষয়ৰ সংখ্যা	পৰিমান	বিষয়ৰ সংখ্যা	পৰিমান
1	2024-25 বৰ্ষৰ আৰম্ভণিতে বাকী থকা দাবী	204	25.80	64	32.28	268	58.08
2	2024-25 বৰ্ষৰ ভিতৰত লাভ কৰা দাবী	1,468	74.85	16	11.54	1,484	86.39
3	2024-25 বৰ্ষৰ ভিতৰত কৰা ধন ঘূৰাই দিয়া	566	12.83	06	3.42	572	16.25
4	2024-25 বৰ্ষৰ ভিতৰত ধন ঘূৰাই দিয়া ধন নাকচ কৰা হৈছে	61	1.29	04	6.75	65	8.04
5	বৰ্ষৰ শেষত বাকী থকা উদ্বৃত্ত	1,045	86.53	70	33.65	1,115	120.18

উৎস: বিভাগীয় তথ্য

2024-25 বৰ্ষৰ ভিতৰত জি এছ টি-ৰ সৈতে জড়িত মুঠ 1,115টা বকেয়া ঘূৰাই দিয়া মুঠ বকেয়া ঘূৰাই দিয়া বিষয়ত 316.04 শতাংশ বৃদ্ধি পাইছে, দাবীৰ ভিতৰত 1,045টা অমীমাংসিত ঘূৰাই দিয়া দাবীৰ যথেষ্ট বেকলগে ব্যৱসায়িক লিকুইডিটিত বিৰূপ প্ৰভাৱ পেলাব পাৰে, বিশেষকৈ সৰু উদ্যোগসমূহৰ বাবে।

3.3 চৰকাৰী হিচাপৰ বাহিৰৰ ধন

3.3.1 ৰাজহুৱা হিচাপৰ পৰিৱৰ্তে বেংক একাউণ্টত বিদ্যুৎ নিয়ন্ত্রণ আয়োগৰ পুঁজিৰ ৰক্ষণাবেক্ষণ

ভাৰতীয় সংবিধানৰ 266(2) অনুচ্ছেদত উল্লেখ আছে যে 'এখন ৰাজ্য চৰকাৰে বা তাৰ হৈ লাভ কৰা আন সকলো ৰাজহুৱা ধন ৰাজ্যৰ ৰাজহুৱা একাউণ্টত জমা হ'ব'। অসম বিদ্যুৎ নিয়ন্ত্রণ আয়োগ (এ ই আৰ চি) বিদ্যুৎ আইন, 2003ৰ অধীনত গঠন কৰা হৈছিল। আইনৰ 103 নং ধাৰাত 'ৰাজ্যিক বিদ্যুৎ নিয়ন্ত্রণ আয়োগৰ পুঁজি' নামৰ এটা পুঁজি সৃষ্টিৰ কথা উল্লেখ আছে য'ত আয়োগৰ প্ৰাপ্তিসমূহ জমা কৰিব লাগে আৰু তাত খৰচ কৰিব লাগে। অসম চৰকাৰে এ ই আৰ চি (পুঁজি) নিয়ম, 2005 প্ৰণয়ন কৰিছিল আৰু 3 নং নিয়মৰ পৰিপ্ৰেক্ষিতত এ ই আৰ চি-ক এনে প্ৰাপ্তিসমূহ ৰখাৰ বাবে আৰু তাৰ পৰা খৰচ কৰাৰ বাবে বেংক একাউণ্ট খোলাৰ অনুমতি দিয়া হৈছিল। এই নিয়ম অনুসৰি ধন বেংক একাউণ্টত ৰখা হৈছিল আৰু মার্চ 2024লৈকে ৰাজ্যৰ ৰাজহুৱা হিচাপৰ পৰিৱৰ্তে 32.61 কোটি টকা বেংক একাউণ্টত থাকি গৈছিল। ফলত কেৱল সাংবিধানিক আদেশ উলংঘা হোৱাই নহয়, ৰাজহুৱা হিচাপৰ উদ্বৃত্ত 32.61 কোটি টকা কম কৰা হৈছিল, যিয়ে বিত্তীয় ঘাটিৰ বিত্তীয় সাহায্যত সহায় কৰিব পাৰিলেহেঁতেন। এই প্ৰসংগত হয়তো উল্লেখ কৰা হৈছে যে কেন্দ্ৰীয় বিদ্যুৎ নিয়ন্ত্রণ আয়োগৰ ধন ভাৰত চৰকাৰৰ ৰাজহুৱা হিচাপত ৰখা হয়।

19 ডিচেম্বৰ 2025ত অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে এ ই আৰ চি-ৰ পুঁজি ব্যৱস্থাপনা সম্পৰ্কীয় বিষয়টো চোৱাচিতা কৰি সমাধান কৰা হ'ব বুলি আশ্বাস দিয়ে।

স্বচ্ছতাৰ সৈতে জড়িত বিষয়সমূহ

3.4 ব্যৱহাৰীক প্ৰমাণ পত্ৰ জমা দিয়াত পলম হোৱা

অসম বিত্তীয় নিয়ম, 1939 ৰ নিয়ম 517 (পৰিশিষ্ট 16)ৰ অনুসৰি নিৰ্দ্দিষ্ট উদ্দেশ্যত অনুমোদন প্ৰদান কৰা প্ৰতিটো অনুদানৰ বিপৰীতে কেতবোৰ চৰ্ত আৰোপ কৰা থাকে - যেনে (i) যি উদ্দেশ্যত অনুদান দিয়া হয় সেই উদ্দেশ্যতহে অনুদান ব্যয় কৰিব লাগিব আৰু যদি অনুমোদন কৰা কৰ্তৃপক্ষই কোনো সময় বান্ধি নিদিয়ে

তেতিয়াহ'লে এটা যুক্তিসংগত সময়ৰ মাজতে ব্যয় কৰিব লাগিব আৰু (ii) ব্যয় কৰিব লগা ধনৰ কোনো অংশ যদি প্রয়োজন নহয় তেতিয়াহ'লে সেই পৰিমাণৰ ধন চৰকাৰক সমর্পন কৰিব লাগিব।

তদুপৰি, অসম কোষাগাৰ বিধি, 2017ৰ 256 নং নিয়ম অনুসৰি অনুমোদন প্রদানকাৰী কর্তৃপক্ষই ব্যৱহাৰীক প্রমাণ পত্র আৰু অনুদানপ্রাপ্ত সংস্থা/ প্রতিষ্ঠানৰ পৰা হিচাপ পৰীক্ষা কৰা হিচাপসমূহ লাভ কৰি মহাগাণনিকলৈ প্রেৰণ কৰিব লাগে।

এইদৰে, চর্তসাপেক্ষ অনুদান লাভ কৰা ৰাজ্য চৰকাৰৰ কর্তৃপক্ষই অনুদানৰ সঠিক ব্যৱহাৰৰ বিষয়ে আনুষ্ঠানিক ব্যৱহাৰীক প্রমাণপত্র (ইউ চি) প্রদান কৰিব লাগিব, যদিহে নির্দিষ্ট কৰা হোৱা নাই, অনুদান লাভ কৰাৰ তাৰিখৰ পৰা এবছৰৰ ভিতৰত বা একেটা বিষয়ৰ ওপৰত অধিক অনুদানৰ বাবে আবেদন কৰাৰ সময়ত, যিটো আগতে হয়।

2024-25 চনৰ ভিতৰত 31 মার্চ 2025লৈকে 6,929টা ইউ চি-ৰ সৈতে জড়িত 23,240.56 কোটি টকাৰ ইউ চি প্রদান কৰিবলগীয়া আছিল। **সাৰণী 3.4**ত দিয়া অনুসৰি 31 মার্চ 2025লৈকে 6,545টা ইউ চি-ৰ সৈতে জড়িত 20,736.09 কোটি টকাৰ বকেয়া ইউ চি-ৰ 384 খন বকেয়া ইউ চি-ৰ সৈতে জড়িত 2504.47 কোটি টকাৰ ইউ চি মুকলি কৰা হৈছে। 2023-24লৈকে প্রদান কৰা অনুদানৰ বাবে বকেয়া ইউ চিসমূহৰ বিভাগভিত্তিক বিভাজন ***পৰিশিষ্ট 3.2***ত দিয়া হৈছে। পাঁচটা প্রধান বিভাগৰ ক্ষেত্রত বকেয়া ইউ চি-ৰ স্থিতি **চিত্র তালিকা 3.1**ত দিয়া হৈছে।

সাৰণী 3.4: ব্যৱহাৰীক প্রমাণপত্রৰ বয়স অনুসৰি বকেয়া

(কোটি টকাত)

ইউ চি-ৰ নির্ধাৰিত বছৰ*	বাকী থকা ইউ চিৰ সংখ্যা	পৰিমান
2019-20 চনৰ আগতে	1,644	4,732.0042
2019-20	430	1,042.31
2020-21	1,103	2,663.56
2021-22	900	1,936.44
2022-23	1,090	1,750.05
2023-24	833	4,447.42
2024-25	545	4,164.31
মুঠ	**6,545**	**20,736.09**

উৎস: বিত্তীয় হিচাপ 2024-25 আৰু মহাগাণনিকৰ কার্যালয় (এ এণ্ড ই), অসম

** ওপৰত উল্লেখ কৰা বছৰটো "নির্ধাৰিত বছৰ"ৰ সৈতে জড়িত, অর্থাৎ প্রকৃততে আহৰণ কৰাৰ 12 মাহৰ পিছত*

চিত্র তালিকা 3.1: 31 মার্চ 2025লৈকে পাঁচটা মুখ্য বিভাগৰ ক্ষেত্রত অসাধাৰণ ইউ চি



উৎস: মহাগাণনিকৰ কার্যালয় (এ এণ্ড ই), অসম

যিহেতু ইউ চি দাখিল নকৰাটো অপব্যৱহাৰৰ আশংকাৰে ভৰি থাকে, গতিকে ৰাজ্য চৰকাৰে এই দিশটো তীক্ষ্ণ দৃষ্টিৰে নিৰীক্ষণ কৰাটো অতি প্ৰয়োজনীয় আৰু সময়মতে ইউ চি দাখিলৰ বাবে সংশ্লিষ্ট ব্যক্তিসকলক জবাবদিহি কৰাটো অতি প্ৰয়োজনীয়।

হিচাপ পৰীক্ষাই (মার্চ 2024, ফেব্রুৱাৰী 2025 আৰু আগষ্ট 2025) অসম চৰকাৰৰ বিত্ত বিভাগৰ ওচৰত বকেয়া ইউ চি সমূহৰ বিষয়টো উত্থাপন কৰিছিল যাতে তেওঁলোকে আগতীয়াকৈ মহাগাণনিক (এ এণ্ড ই), অসমৰ কার্যালয়ত দাখিল কৰে। ইয়াৰ পিছতে বিত্ত বিভাগে সকলো বিভাগকে নিজৰ নিজৰ বকেয়া ইউ চি সমূহ এ জি (এ এণ্ড ই), অসমৰ কার্যালয়ত দাখিল কৰিবলৈ নির্দেশ দিয়ে। ফলস্বৰূপে 2022-23ত দাখিল কৰিবলীয়া 14,159 ইউ চি (37,991.70 কোটি টকা)ৰ পৰা 2023-24ত দাখিল কৰিবলগীয়া 6,335 ইউ চি (18,669.55 কোটি টকা) বকেয়া ইউ চি দাখিলত লক্ষণীয় হ্ৰাস দেখা যায়। কিন্তু 31 মার্চ 2025লৈকে 6,545টা ইউ চি (20,736.09 কোটি টকা) জমা দিবলগীয়া আছিল যিয়ে পূৰ্বৰ বছৰৰ তুলনাত সামান্য বৃদ্ধি দেখুৱাইছে। বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে 13-14 অক্টোবৰ 2025ত বকেয়া ইউ চি সন্দর্ভত ধাৰাবাহিক বৈঠক আহ্বান কৰি সকলো বিভাগকে ডিচেম্বৰ 2025ৰ শেষৰ ফালে 100 শতাংশ নিষ্পত্তিৰ লক্ষ্যৰে 30 নৱেম্বৰ 2025ৰ ভিতৰত বকেয়া ইউ চিসমূহৰ 50 শতাংশ দাখিল কৰিবলৈ নির্দেশ দিয়ে। যিহেতু ইউ চি-ৰ অনুপস্থিতিত, প্ৰাপকে অনুদানসমূহ যিবোৰ উদ্দেশ্যত দিয়া হৈছিল, সেইবোৰ ব্যৱহাৰ কৰিছিল নে নাই সেয়া নিশ্চিত কৰিব নোৱাৰি, তাৰ বাবে ৰাজ্য চৰকাৰে বকেয়া ইউ চি-ৰ সংখ্যা কমাবলৈ ধাৰাবাহিক প্ৰচেষ্টা অব্যাহত ৰাখিছে।

19 ডিচেম্বৰ 2025ত অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে হিচাপ পৰীক্ষাৰ পর্যবেক্ষণসমূহ স্বীকাৰ কৰি ব্যৱহাৰীক প্ৰমাণপত্ৰ (ইউ চি)ৰ বাকী থকা অৱস্থা আৰু অধিক হ্ৰাস কৰিবলৈ পর্যালোচনা বৈঠক আৰু নিৰন্তৰ নিৰীক্ষণৰ কাম হাতত লোৱা হৈছে বুলি অৱগত কৰে। ইয়াৰ উপৰিও জনোৱা হৈছিল যে ইউ চি-ৰ বকেয়া যথেষ্ট হ্ৰাস পাইছে[34]।

3.5 সংক্ষিপ্ত আকস্মিক বিল

যেতিয়া আগতীয়াকৈ ধনৰ প্ৰয়োজন হয় বা যেতিয়া তেওঁলোকে প্ৰয়োজনীয় সঠিক পৰিমাণ গণনা কৰিব নোৱাৰে, তেতিয়া আহৰণ আৰু বিতৰণ বিষয়াসকলক (ডি ডি অ') সহায়ক নথি-পত্ৰ অবিহনে, সংক্ষিপ্ত আকস্মিক (এ চি) বিলৰ জৰিয়তে, সেৱা শিতানক ডেবিট কৰি ধন উলিয়াবলৈ অনুমতি দিয়া হয় আৰু খৰচটো সেৱা শিতানৰ অধীনত ব্যয় হিচাপে প্ৰতিফলিত হয়।

অসম সম্ভাৱ্য হাতপুথি 1989 ৰ নিয়ম 21 ৰ অধীনত, আহৰণ আৰু বিতৰণ বিষয়া সকল (ডি ডি অ') প্ৰমাণক অবিহনে সংক্ষিপ্ত আকস্মিক বিল (এ চি) প্ৰস্তুতৰ দ্বাৰা সীমাবদ্ধ উদ্দেশ্যৰ বাবে এক নির্দিষ্ট পৰিমানৰ ধন আহৰণ ক্ষমতাৰে কর্তৃত্ব সম্পন্ন আছিল। পৰৱর্তী সময়ত আহৰণ কৰা পৰিমাণৰ বিতং আকস্মিক বিল (চূড়ান্ত খৰচৰ সমর্থনত দিয়া প্ৰমানক) পৰৱর্ত্তী মাহৰ 25 তাৰিখতকৈ অধিক পলম নকৰি মহাগাণনিকক (এ এণ্ড ই) দাখিল কৰাৰ প্ৰয়োজন। ডি চি চি বিল দাখিল কৰাত পলম হ'লে বা দীর্ঘদিন ধৰি দাখিল নকৰাৰ ফলত হিচাপৰ সম্পূর্ণতা আৰু শুদ্ধতাত প্ৰভাৱ পৰিব পাৰে।

31 মার্চ 2025লৈকে সমাযোজনৰ বাবে বাকী থকা এ চি বিলৰ বিৱৰণ, **সাৰণী 3.5**ত দিয়া হৈছে।

[34] 20 ডিচেম্বৰ 2025 তাৰিখৰ পত্ৰৰ ভিত্তিত বিত্ত (হিচাপ পৰীক্ষা আৰু পুঁজি) বিভাগে জনাইছে যে অসমৰ মহাগাণনিক (এ এণ্ড ই)ৰ কার্যালয়ৰ পৰা পোৱা শেহতীয়া প্ৰতিবেদন অনুসৰি ডিচেম্বৰ 2025লৈকে বাকী থকা ইউ চি 26,682.37 কোটি টকাৰ পৰা 14,100.78 কোটি টকালৈ হ্ৰাস কৰা হৈছে।

সাৰণী 3.5: বয়স অনুসৰি এ চি বিলৰ সমাযোজন বাকী আছে

(কোটি টকাত)

নির্ধাৰিত বছৰ	সমাযোজন নোহোৱা এ চি বিলৰ সংখ্যা	পৰিমান
2023-24 চনলৈকে	1,180	665.38
2024-25	42	88.23
মুঠ	**1,222**	**753.61**

উৎস: বিত্তীয় হিচাপ 2024-25 আৰু মহাগাণনিকৰ কার্যালয় (এ এণ্ড ই), অসম

এইটো দেখা গ'ল যে 2024-25 চনত উলিওৱা 88.23 কোটি টকাৰ 42খন এ চি বিল 31 মার্চ 2025লৈকে সমাযোজন নোহোৱাকৈ আছে, ইয়াৰে মার্চ 2025ত 11.96 কোটি টকা (12.99 শতাংশ) টকাৰ ছখন এ চি বিল উলিওৱা হৈছিল। মার্চ 2025ত উলিওৱা ছখন এ চি বিলৰ ভিতৰত নৱেম্বৰ 2025লৈকে চাৰিখন এ চি বিল নিষ্পত্তি কৰা হৈছিল। 2024-25 চনৰ ভিতৰত মুঠ 156খন এ চি বিলৰ সন্দর্ভত ডি চি চি বিল লাভ কৰা হৈছিল যাৰ মূল্য আছিল 86.89 কোটি টকা। হিচাপ পৰীক্ষাৰ নিৰীক্ষণত দেখা গ'ল যে 31 মার্চ 2025লৈকে 39টা বিভাগে 1,222খন এ চি বিলৰ বিপৰীতে 753.61 কোটি টকাৰ ডি চি চি বিল দাখিল কৰা নাছিল। 2024-25 চনলৈকে বছৰসমূহৰ বাবে বিভাগভিত্তিক ডি চি চি বিলসমূহ ***পৰিশিষ্ট 3.3***ত বিতংভাৱে উল্লেখ কৰা হৈছে, আনহাতে পাঁচটা প্রধান বিভাগৰ ক্ষেত্রত বাকী থকা ডি চি চি বিলসমূহৰ স্থিতি **চিত্র তালিকা 3.2**ত দিয়া হৈছে।

চিত্র তালিকা 3.2: পাঁচটা মুখ্য বিভাগৰ সন্দর্ভত ডি চি চি বিল বাকী আছে



উৎস: মহাগাণনিকৰ কার্যালয় (এ এণ্ড ই), অসম

হিচাপ পৰীক্ষাই (মার্চ 2024, ফেব্রুৱাৰী 2025 আৰু আগষ্ট 2025) অসম চৰকাৰৰ বিত্ত বিভাগৰ ওচৰত বাকী থকা ডি চি চি বিলৰ বিষয়টো উত্থাপন কৰিছিল যাতে সেইবোৰ সোনকালে মহাগাণনিক (এ এণ্ড ই), অসমৰ কার্যালয়ত দাখিল কৰা হয়। পৰৱর্তী সময়ত বিত্ত বিভাগে সকলো বিভাগকে নিজৰ নিজৰ বাকী থকা ডি চি চি বিলসমূহ এ জি (এ এণ্ড ই), অসমৰ কার্যালয়ত দাখিল কৰিবলৈ নির্দেশ দিয়ে। ফলত 31 মার্চ 2024ৰ পৰা 1,316 বাকী থকা ডি চি চি বিলৰ পৰা 31 মার্চ 2025লৈকে 1,222 বাকী থকা ডি চি চি বিলৰ সংখ্যা সামান্য হ্রাস পায়। বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে 13-14 অক্টোবৰ 2025ত বাকী থকা ডি চি চি বিল সন্দর্ভত ধাৰাবাহিক বৈঠক আহ্বান কৰি সকলোকে নির্দেশ দিয়ে। পুৰনি বা উচ্চ মূল্যৰ ডি চি চি বিল থকা বিভাগসমূহে ক্ষেত্রভিত্তিকভাৱে চম্ভালিব আৰু এ জি-ৰ কার্যালয় (এ এণ্ড ই), অসমৰ সৈতে তথ্যৰ সমিলমিল ঘটাব।

বছৰৰ শেষত এ চি বিলৰ বিপৰীতে ব্যয়ে ৰাজহুৱা ব্যয় ব্যৱস্থাপনাৰ দুৰ্বলতাৰ ইংগিত দিয়ে। দীৰ্ঘ সময়ৰ বাবে অগ্ৰিম ধনৰ সালসলনি নকৰাটো অপব্যৱহাৰৰ আশংকাৰে ভৰা আৰু সেয়েহে, ডি চি চি বিল দাখিল কৰাটো নিশ্চিত কৰাৰ বাবে নিজ নিজ ডি ডি অ'ৰ দ্বাৰা তীক্ষ্ণ নিৰীক্ষণৰ প্ৰয়োজন। তদুপৰি, ডি চি চি বিল লাভ নকৰাৰ পৰিসৰলৈকে বিত্তীয় হিচাপত দেখুওৱা ব্যয়ক শুদ্ধ বা চূড়ান্ত বুলি নিশ্চিত কৰিব নোৱাৰি।

19 ডিচেম্বৰ 2025ত অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে আশ্বাস দিয়ে যে বাকী থকা সংক্ষিপ্ত আকস্মিক বিলৰ হ্ৰাস কৰিবলৈ বিতং প্ৰতিস্বাক্ষৰিত আকস্মিক বিলসোনকালে দাখিল কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। তাৰোপৰি বিত্ত বিভাগে (হিচাপ পৰীক্ষা আৰু পুঁজি) 20 ডিচেম্বৰ 2025 তাৰিখৰ পত্ৰৰ জৰিয়তে জনাইছিল যে ডিচেম্বৰ 2025 লৈকে 166.44 কোটি টকাৰ এ চি বিল ইতিমধ্যে মুকলি কৰা হৈছে।

3.6 ব্যক্তিগত জমা হিচাপ

বিশেষ পৰিস্থিতিত চৰকাৰে মনোনীত প্ৰশাসকৰ দ্বাৰা পৰিচালনাৰ বাবে ব্যক্তিগত জমা (পি ডি) হিচাপ খোলাৰ কৰ্তৃত্ব দিব পাৰে। ৰাজ্যিক সঞ্চিত পুঁজিৰ অধীনত ব্যয় হিচাপে সেৱামূলক মুখ্য শিতানক লিপিবদ্ধ কৰি পি ডি হিচাপলৈ পুঁজি হস্তান্তৰ কৰিব পাৰি। কোষাগাৰ নিয়ম 2017ৰ নিয়ম 325ৰ অধীনত প্ৰশাসক সকলে বছৰৰ শেষ কৰ্ম দিনত পি ডি হিচাপ বন্ধ কৰিব লাগে আৰু ব্যয় নোহোৱা পুঁজিখিনি একত্ৰিত পুঁজিলৈ হস্তান্তৰ কৰিব লাগে আৰু যদি প্ৰয়োজন হয় পৰৱৰ্তী বছৰত পি ডি হিচাপবোৰ পুনৰ খুলিব লাগে। অসম চৰকাৰে অৱশ্যে এই ব্যৱস্থা অনুসৰন কৰা নাছিল।

2024-25ৰ ভিতৰত ৰাজ্যৰ একত্ৰিত নিধিৰ পৰা পি ডি একাউণ্টলৈ কোনো ধৰণৰ ধন স্থানান্তৰ কৰা হোৱা নাছিল। 31 মাৰ্চ 2025লৈকে **সাৰণী 3.6**ত বিতংভাৱে উল্লেখ কৰা অনুসৰি 0.06 কোটি টকাৰ উদ্বৃত্ত থকা তিনিটা পি ডি একাউণ্ট আছিল।

সাৰণী 3.6: ব্যক্তিগত জমা হিচাপত পুঁজি পাৰ্কিং কৰা

(কোটি টকাত)

	2020-21	2021-22	2022-23	2023-24	2024-25
পি ডি একাউন্টত পৰি থকা পুঁজি	0.57	0.09	0.07	0.07	0.06
প্ৰশাসকৰ সংখ্যা	22	9	4	4	3

2024-25ৰ ভিতৰত এটা পি ডি হিচাপ বন্ধ হৈছিল, আনহাতে 0.06 কোটি টকা উদ্বৃত্ত থকা তিনিটা পি ডি হিচাপ অকাৰ্য্যকৰী হৈয়েই আছে।

লগতে, অসম চৰকাৰৰ কোষাগাৰ নিয়ম 2017-ৰ নিয়ম 323 আৰু 324ৰ ক্ষেত্ৰত, ব্যক্তিগত জমা হিচাপৰ প্ৰশাসকে কোষাগাৰৰ সৈতে উদ্বৃত্তৰ প্ৰয়োজনীয় প্ৰমাণীকৰণ আৰু পুনঃমিলন কৰিব লাগে আৰু প্ৰতি বছৰে 30 এপ্ৰিলৰ ভিতৰত কোষাগাৰ বিষয়াক এখন প্ৰমাণপত্ৰ প্ৰদান কৰিব লাগে। কোষাগাৰ বিষয়াই কোষাগাৰৰ ৰেকৰ্ডৰ সৈতে উক্ত প্ৰমাণপত্ৰৰ পৰীক্ষা কৰিব লাগে আৰু মহাগাণনিক (হিচাপ আৰু প্ৰাপ্য) লৈ এনে উদ্বৃত্তৰ প্ৰমাণীকৰণৰ প্ৰতিবেদন প্ৰেৰণ কৰিব লাগে। কিন্তু পি ডি হিচাপৰ তিনিজন প্ৰশাসকে কোনো ধৰণৰ সমিলমিলকৰণ বা উদ্বৃত্তৰ পৰীক্ষণ কৰা নাছিল, আৰু 2024-25 বৰ্ষৰ ভিতৰত তেওঁলোকে এ জি (এ এণ্ড ই), অসমক বাৰ্ষিক পৰীক্ষণৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা নাছিল।

এই ত্ৰুটিবোৰে বিত্তীয় অনুশাসন হ্ৰাস কৰে, পুঁজিৰ অপব্যৱহাৰৰ আশংকা বৃদ্ধি কৰে, আৰু পুঁজি ব্যৱস্থাপনাত দুৰ্বল আভ্যন্তৰীণ নিয়ন্ত্ৰণ প্ৰতিফলিত কৰে।

3.7 গৌণ শিতান-800ৰ পৰিপালন

অন্যান্য প্ৰাপ্তি আৰু অন্যান্য ব্যয়ৰ সৈতে জড়িত গৌণ শিতান-800 কেৱল তেতিয়াহে পৰিপালনৰ উদ্দেশ্য হৈছে যেতিয়া হিচাপত উপযুক্ত গৌণ শিতান প্ৰদান কৰা হোৱা নাই। গৌণ শিতান-800ৰ নিয়মীয়া পৰিপালনক নিৰুৎসাহিত কৰিব লাগে, যিহেতু ই হিচাপসমূহ অস্বচ্ছ কৰি তোলে। বহু উদ্দেশ্য সম্বলিত গৌণ শিতান 800ৰ অধীনত বৃহৎ পৰিমাণৰ শ্ৰেণীবিভাজনে বিত্তীয় প্ৰতিবেদনৰ স্বচ্ছতাক প্ৰভাৱিত কৰে আৰু আবণ্টনমূলক অগ্ৰাধিকাৰ আৰু ব্যয়ৰ মানদণ্ডৰ সঠিক বিশ্লেষণ বিকৃত কৰে।

2024-25 চনৰ ভিতৰত মুঠ ৰাজহ আৰু মূলধনী ব্যয়ৰ 12.03 শতাংশ (1,26,312.16 কোটি টকা) 70টা মুখ্য হিচাপৰ অধীনত 15,195.07 কোটি টকাক গৌণ শিতান-800- অন্যান্য ব্যয়ৰ অধীনত শ্ৰণীবিভাজন কৰা হৈছিল। ইয়াৰে নটা হিচাপৰ শিতানৰ অধীনত 1,050.73 কোটি টকা (20 কোটি টকাতকৈ অধিক ব্যয়)ক তাৰ অধীনত উপযুক্ত গৌণ শিতান উপলব্ধ হোৱাৰ পিছতো গৌণ শিতান-800-অন্যান্য ব্যয়ৰ অধীনত শ্ৰেণীবিভাজন কৰা হৈছিল, যিটো **সাৰণী 3.7**ত বিতংভাৱে উল্লেখ কৰা হৈছে।

সাৰণী 3.7: 2024-25ৰ ভিতৰত গৌণ শিতান 800-অন্যান্য ব্যয়ৰ অধীনত ভুল শ্ৰেণীবিভাজন কৰা ব্যয়

(কোটি টকাত)

ক্ৰ নং	ভুলকৈ শ্ৰেণী বিভাজন কৰা শিতানৰ সবিশেষ	পৰিমান	ব্যয়ৰ প্ৰকৃতি	শুদ্ধ শ্ৰেণীবিভাজন
1	2501-01-800-{6111} শ্হীদ কুশল কোঁৱৰ সৰ্বজনীন বৃদ্ধ পেঞ্চন আচঁনি (এছ কে কে এছ বি পি এ)	363.00	ৰাজহ-গৃহীত	2235-02-104 বৃদ্ধ, দুৰ্বল আৰু নিঃস্ব লোকৰ কল্যাণ
2	2202-02-800-{3952} ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (আৰ এম এছ এ)	162.01	ৰাজহ-গৃহীত	2202-02-113 সমগ্ৰ শিক্ষা
3	4250-00-800-{6103} পলিটেকনিক আৰু আই টি আইৰ আধুনিকীকৰণৰ বাবে টাটা প্ৰযুক্তিৰ সৈতে অংশীদাৰিত্ব	116.00	মূলধনী-গৃহীত	4202-02-104 পলিটেকনিক
4	2217-80-800-{0798} গুৱাহাটী পৌৰ নিগম	111.54	ৰাজহ-গৃহীত	2217-80-191 স্থানীয় সংস্থা, নিগম, নগৰ উন্নয়ন কৰ্তৃপক্ষ, নগৰ উন্নয়ন ব'ৰ্ড আদিলৈ সাহায্য।
5	3054-04-800-{0123} পি এম জি এছ ৱাই-ৰ এ এছ আৰ বি-লৈ ৰক্ষণাবেক্ষণ	100.00	ৰাজহ-গৃহীত	3054-04-338 প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক যোজনা
6	2202-02-800-{5764} শ্ৰেণী IXৰ পৰা Xলৈকে ছাত্ৰ-ছাত্ৰীলৈ বিনামূলীয়া পাঠ্যপুথি	80.00	ৰাজহ-গৃহীত	2202-02-106 পাঠ্যপুথি
7	2070-00-800-{3198} সমৰ্পণ কৰা বিপথে পৰিচালিত যুৱক-যুৱতীসকলৰ পুনৰ্বাসন	57.27	ৰাজহ-গৃহীত	2235-01-202 অন্যান্য পুনৰ্বাসন আঁচনি
8	2501-01-800-{0318} ৰাষ্ট্ৰীয় সামাজিক সাহায্য কাৰ্যসূচী	32.79	ৰাজহ-গৃহীত	2235-03-101 ৰাষ্ট্ৰীয় বৃদ্ধ পেঞ্চন আঁচনি
9	2702-00-800-{2555} প্ৰধানমন্ত্ৰী কৃষি সঞ্চয় যোজনা — হৰ খেট কো পানী	28.12	ৰাজহ-গৃহীত	2702-03-101 পানীৰ টেংক
	মুঠ	**1,050.73**		

উৎস: বিনিয়োজন হিচাপ আৰু একাউণ্টৰ মুখ্য আৰু গৌণ শিতানৰ তালিকা

একেদৰে 47টা হিচাপৰ মুখ্য শিতানৰ অধীনত 921.13 কোটি টকা, মুঠ ৰাজহ লাভৰ (96,907.91 কোটি টকা) 0.95 শতাংশ হিচাপ 800-অন্যান্য প্ৰাপ্তিৰ অধীনত শ্ৰেণীবিভাজন কৰা হৈছিল। ইয়াৰে **সাৰণী 3.8**ত

বিতংভাৱে উল্লেখ কৰা অনুসৰি উপযুক্ত গৌণ শিতান উপলব্ধ হোৱাৰ পিছতো 0.02 কোটি টকা গৌণ শিতান-800-অন্যান্য প্ৰাপ্তিৰ অধীনত শ্ৰেণীবিভাজন কৰা হৈছিল।

সাৰণী 3.8: 2024-25ৰ ভিতৰত গৌণ শিতান 800-অন্যান্য ব্যয়ৰ অধীনত ভুল শ্ৰেণী বিভাজন কৰা প্ৰাপ্তি

(কোটি টকাত)

ভুলকৈ শ্ৰেণী বিভাজন কৰা শিতানৰ সবিশেষ	পৰিমান	ব্যয়ৰ প্ৰকৃতি	শুদ্ধ শ্ৰেণীবিভাজন
0049-04-800-{4013} ৰাজ্য চৰকাৰৰ কৰ্মচাৰীলৈ এইচ বি এ-ৰ ওপৰত সুত	0.02	ৰাজহ-গৃহীত	0049-04-118 চৰকাৰী চাকৰিয়াললৈ ঋণৰ সুত

উৎস: এ জি (এ এণ্ড ই), অসমৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা মুখ্য আৰু গৌণ হিচাপৰ শিতান আৰু ভি এল চি-ৰ তথ্যৰ তালিকা

সেয়েহে, হিচাপৰ মুখ্য আৰু গৌণ শিতানৰ তালিকাত (এল এম এম এইচ এ) চিত্ৰণৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে গৌণ শিতান 800-ৰ অধীনত কৰা আঁচনিবোৰৰ সকলো শ্ৰেণীবিভাজন পৰ্যালোচনা কৰা উচিত আৰু মহাগাণনিক (এ এণ্ড ই)ৰ সৈতে পৰামৰ্শৰ পিছত, সেইসমূহক বিদ্যমান এল এম এম এইচ এ অনুসৰি সঠিকভাৱে শ্ৰেণীবিভাজন কৰিব লাগে আৰু প্ৰয়োজন হ'লে নতুন গৌণ শিতানত যোগ দিয়াৰ বাবে পৰামৰ্শ লোৱা উচিত, যাতে হিচাপৰ স্বচ্ছতা আনিব পাৰি।

19 ডিচেম্বৰ 2025ত অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে নিৰীক্ষণ পৰ্যবেক্ষণসমূহ লক্ষ্য কৰি কয় যে ভৱিষ্যতে গৌণ শিতান '800'ৰ ব্যৱহাৰ কম কৰিবলৈ বাজেট পৰ্যায়ত সংশোধনী ব্যৱস্থাৰ কথা বিবেচনা কৰা হ'ব।

জোখ-মাখৰ সৈতে জড়িত বিষয়সমূহ

3.8 মেজৰ ছাচপেন্স আৰু ডি ডি আৰ শিতানৰ অধীনত বকেয়া উদ্বৃত্ত

চৰকাৰী হিচাপত ছাচপেন্স হেডসমূহ এনে লেনদেন প্ৰতিফলিত কৰিবলৈ চলোৱা হয় যিবোৰ প্ৰথম অৱস্থাত কোনো কাৰণত বা আন কাৰণত তেওঁলোকৰ চূড়ান্ত হিচাপৰ শিতানলৈ বুকিং কৰিব নোৱাৰি। যেতিয়া ধনৰাশি ইয়াৰ চূড়ান্ত হিচাপৰ শিতানলৈ যোৱা হয় এইবোৰ অৱশেষত মাইনাছ ডেবিট বা মাইনাছ ক্ৰেডিটৰ দ্বাৰা ক্লিয়াৰ কৰা হয়। যদিহে ছাচপেন্স হেডৰ অধীনত থকা ধনৰাশিসমূহ অসামঞ্জস্যপূৰ্ণ হৈ থাকে, তেন্তে এই শিতানৰ অধীনত থকা উদ্বৃত্ত জমা হয় যাৰ ফলত চৰকাৰৰ প্ৰাপ্তি আৰু পৰিশোধৰ পৰিমাণ কমকৈ উল্লেখ কৰা হয়।

ৰেমিটেন্সে সকলো লেনদেনক সামৰি লয় যিবোৰে হিচাপৰ শিতানলৈ সামঞ্জস্য কৰি আছে আৰু এই শিৰোনামৰ অধীনত থকা ডেবিট বা ক্ৰেডিটসমূহ শেষত একেটাৰ ভিতৰত বা অন্য একাউণ্টিঙৰ বৃত্তত সংশ্লিষ্ট ক্ৰেডিট বা ডেবিটৰ দ্বাৰা ক্লিয়াৰ কৰা হয়।

বিত্তীয় হিচাপসমূহে ছাচপেন্স আৰু ৰেমিটেন্স হেডৰ অধীনত নিকা বেলেঞ্চ প্ৰতিফলিত কৰে। এই শিৰোনামৰ অধীনত বাকী থকা উদ্বৃত্তসমূহ বিভিন্ন শিৰোনামৰ অধীনত বাকী থকা ডেবিট আৰু ক্ৰেডিট উদ্বৃত্ত পৃথকে পৃথকে একত্ৰিত কৰি কাম কৰা হয়। যোৱা তিনি বছৰৰ বাবে উল্লেখযোগ্য ছাচপেন্স হিচাপৰ ভাৰসাম্য **সাৰণী 3.9**ত দেখুওৱা হৈছে।

সাৰণী 3.9: ছাচপেন্স আৰু ৰেমিটেন্স শিতানৰ অধীনত উদ্বৃত্ত

(কোটি টকাত)

হিচাপৰ শিতান		2022-23		2023-24		2024-25	
		Dr.	Cr.	Dr.	Cr.	Dr.	Cr.
8658	**ছাচপেন্স একাউণ্ট**						
101	পি এ অ'-ছাচপেন্স	294.73	155.76	342.09	240.06	520.23	533.28
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Dr. 138.97**		**Dr. 102.03**		**Cr. 13.05**	
102	ছাচপেন্স একাউণ্ট-সামৰিক	2,155.06	992.21	1,590.64	442.55	1,756.35	703.40
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Dr. 1,162.85**		**Dr. 1,148.09**		**Dr. 1,052.95**	
107	নগদ ধন নিষ্পত্তি নিলম্বন একাউণ্ট	82.73	15.65	82.73	15.65	82.73	15.65
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Dr. 67.08**		**Dr. 67.08**		**Dr. 67.08**	
109	ৰিজার্ভ বেংকৰ নিলম্বন — মুখ্য কার্যালয়	-33.50	376.29	-101.01	409.78	0.01	--
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Cr. 409.79**		**Cr. 510.79**		**Dr. 0.01**	
110	ৰিজার্ভ বেংকৰ নিলম্বন — চি এ অ'	14.30	18.27	1.65	44.75	18.45	84.64
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Cr. 3.97**		**Cr. 43.10**		**Cr. 66.19**	
112	উৎসত কর্তন কৰা কৰ (টি ডি এছ) নিলম্বন	--	0.02	--	0.06	--	341.23
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Cr. 0.02**		**Cr. 0.06**		**Cr. 341.23**	
123	এ আই এছ বিষয়াৰ গোট বীমা আঁচনি	0.07	1.27	0.04	1.25	0.01	1.24
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Cr. 1.20**		**Cr. 1.21**		**Cr. 1.23**	
8782	**একেজন একাউণ্ট বিষয়াক একাউণ্ট প্রদান কৰা বিষয়াসকলৰ মাজত নগদ ধন ৰেমিটেন্স আৰু সালসলনি**						
102	পি ডব্লিউ ৰেমিটেন্স	8,885.45	8,478.34	5,287.88	4,827.17	531.71	34.14
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Dr. 407.11**		**Dr. 460.71**		**Dr. 497.57**	
103	বন ৰেমিটেন্স	949.82	517.28	532.72	97.25	6,884.65	6,449.82
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Dr. 432.54**		**Dr. 435.47**		**Dr. 434.83**	
110	বিবিধ ৰেমিটেন্স	--	12.91	--	12.91	--	12.91
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Cr. 12.91**		**Cr. 12.91**		**Cr. 12.91**	
8793	**আন্তঃৰাজ্যিক নিলম্বন একাউণ্ট**						
		8.99	0.03	5.45	--	4.67	--
	প্রকৃত ব্যয় (Dr.)/ জমা (Cr.)	**Dr. 8.96**		**Dr. 5.45**		**Dr. 4.67**	

উৎস: বিত্তীয় হিচাপ

2024-25 চনৰ ভিতৰত উৎসত কর্তন কৰা কৰ (টি ডি এছ) নিলম্বন (8658-112)ৰ অধীনত প্রকৃত জমাৰ উদ্বৃত্ত 2023-24 চনত 0.06 কোটি টকা (Cr.)ৰ পৰা 2024-25 চনত 341.23 টকা (Cr.) লৈ যথেষ্ট বৃদ্ধি পাইছে। এই শিৰোনামসমূহৰ অধীনত বাকী থকা উদ্বৃত্তসমূহ নিষ্কাশন নকৰাৰ ফলত ৰাজ্য চৰকাৰৰ বিভিন্ন হিচাপৰ শিতানৰ অধীনত (যিবোৰ বছৰৰ পিছত বছৰ ধৰি আগবঢ়াই নিয়া হয়) প্রাপ্তি/ ব্যয়ৰ পৰিসংখ্যা আৰু উদ্বৃত্তৰ সঠিকতা প্রভাৰিত হয়। ৰাজ্য চৰকাৰে আন্তঃবিভাগীয় মিলন আৰু ব্যৱস্থাগত পৰীক্ষাৰ জৰিয়তে ছাচপেন্স আৰু ৰেমিটেন্স শিতানৰ অধীনত বাকী থকা উদ্বৃত্তসমূহ আগতীয়াকৈ ক্লিয়াৰ কৰাৰ বাবে প্রচেষ্টা চলাব লাগে যাতে প্রকৃত বিত্তীয় অৱস্থা বিকৃত কৰা ছাচপেন্স লেনদেন সঞ্চয় নহয়।

3.9 বিভাগীয় পৰিসংখ্যাৰ পুনৰ মিলন

প্রাপ্তি/ বিতৰণৰ ওপৰত ফলপ্রসূ বাজেট নিয়ন্ত্রণ প্রয়োগ কৰিবলৈ আৰু হিচাপত সঠিকতা নিশ্চিত কৰিবলৈ বিত্ত বিভাগৰ 20 জানুৱাৰী 2007 তাৰিখৰ পত্রত উল্লেখ কৰা হৈছে যে মুখ্য নিয়ন্ত্রক বিষয়াসকলে (চি চি

অ')/ নিয়ন্ত্রণ বিষয়াসকলে (চি অ') তেওঁলোকৰ বহীত লিপিবদ্ধ কৰা প্ৰাপ্তি আৰু বিতৰণৰ সৈতে ত্রিমাসিকভাৱে মহাগাণনিক (এ এণ্ড ই)ৰ পৰিসংখ্যাৰ সৈতে মিল ৰাখিব লাগিব।

নিয়ন্ত্রণকাৰী বিষয়াসকলে পৰিসংখ্যাৰ মিলনৰ অৱস্থা **সাৰণী 3.10** আৰু **চিত্র তালিকা- 3.3**ত দিয়া হৈছে।

সাৰণী 3.10: নিয়ন্ত্রণকাৰী বিষয়াসকলৰ দ্বাৰা প্ৰাপ্তি আৰু বিতৰণৰ মিলনৰ অৱস্থা

বর্ষ	নিয়ন্ত্রণকাৰী বিষয়াৰ মুঠ সংখ্যা	নিয়ন্ত্রণকাৰী বিষয়াৰ সংখ্যাই তেওঁলোকৰ প্ৰাপ্তি/ ব্যয়ৰ মিলন ঘটালে		
		সম্পূৰ্ণ মিলন	আংশিকভাৱে মিলন ঘটিছে	মিলন হোৱা নাই
প্রাপ্তি				
2022-23	58	11	02	45
2023-24	58	08	06	44
2024-25	58	18	08	32
ব্যয়				
2022-23	58	25	24	09
2023-24	58	17	33	08
2024-25	58	22	33	03

উৎস: মহাগাণনিকৰ কার্যালয় (এ এণ্ড ই), অসমৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা তথ্য

চিত্র তালিকা 3.3: 2022-25ৰ ভিতৰত প্ৰাপ্তি আৰু বিতৰণৰ মিলনৰ অৱস্থা

(কোটি টকাত)



উৎস: মহাগাণনিকৰ কার্যালয় (এ এণ্ড ই), অসমৰ দ্বাৰা ৰক্ষণাবেক্ষণ কৰা তথ্য

পৰিসংখ্যাৰ মিল নোহোৱাৰ কথা বছৰৰ পিছত বছৰ ধৰি হিচাপ পৰীক্ষাই ৰিপৰ্টত চি এ জি-য়ে আঙুলিয়াই দিছে। পি এ চি-য়ে 161 সংখ্যক প্রতিবেদনত (13 নং অনুচ্ছেদ) লগতে পৰামর্শ দিছিল (মার্চ 2020) যে বিভাগসমূহে নিজৰ পৰিসংখ্যাসমূহ মাহেকীয়া ভিত্তিত বা অন্ততঃ ত্রৈমাসিক ভিত্তিত মহাগাণনিক (এ এণ্ড ই)ৰ সৈতে মিলাই দিব লাগে যাতে পৰিসংখ্যাৰ ভুল বুকিংৰ পৰা হাত সাৰিব পাৰে। এই পৰামর্শৰ পিছতো 2024-25 চনৰ ভিতৰত বিভাগীয় কর্তৃপক্ষই বুকিং কৰা 34.48 শতাংশ প্রাপ্তি আৰু 35.09 শতাংশ বিতৰণৰ পৰিসংখ্যাৰ মাজত মিলন ঘটাব পৰা নাছিল।

পৰিসংখ্যাৰ মিলন আৰু পৰীক্ষণ বিত্তীয় ব্যৱস্থাপনাৰ এক গুৰুত্বপূৰ্ণ আহিলা। এই সন্দৰ্ভত ক'ডেল বিধান আৰু কার্যবাহী নির্দেশনাসমূহ ব্যৱহাৰ/ পালন নকৰাৰ ফলত হিচাপসমূহত প্রাপ্তি আৰু বিতৰণৰ ভুল শ্রেণীবিভাজন আৰু ভুল বুকিঙৰ ফলত ৰাজ্যিক হিচাপৰ সঠিকতাক প্রভাৱিত হয়। ৰাজ্য চৰকাৰৰ বিভাগসমূহে বিত্ত বিভাগৰ স্থায়ী আদেশৰ লগতে পি এ চি-ৰ পৰামর্শসমূহ মানি চলি সকলো প্রাপ্তি আৰু বিতৰণৰ মিলনৰ বাবে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব লাগে।

3.10 নগদ ধনৰ উদ্বৃত্তৰ মিলন

মহাগাণনিক (এ এণ্ড ই) অসমৰ হিচাপ অনুসৰি 31 মার্চ 2025লৈকে ৰাজ্য চৰকাৰৰ নগদ ধনৰ উদ্বৃত্ত 276.95 কোটি টকা (Cr.) হোৱাৰ বিপৰীতে ভাৰতীয় ৰিজার্ভ বেংকে একেখিনি 1.98 কোটি টকাৰ (Dr.) বুলি ৰিপর্ট কৰিছে। মূলতঃ কোষাগাৰ, আৰ বি আই, এজেন্সী বেংক আৰু এ জি (এ এণ্ড ই) কার্যালয়ৰ মাজত মিলন বাকী থকাৰ বাবেই 274.97 কোটি টকা (Cr.)ৰ নিকা পার্থক্য দেখা গৈছিল।

31 মার্চ 2024লৈকে পূর্বৰ মহাগাণনিক (এ এণ্ড ই), অসম আৰু আৰ বি আই-ৰ অভিলেখ অনুসৰি নগদ ধনৰ উদ্বৃত্তৰ পার্থক্য আছিল 247.16 কোটি টকা (Cr.)। সেয়েহে বছৰ বছৰ ধৰি এক স্থায়ী পার্থক্য আছে যিটোৰ বাবে নগদ ধনৰ অখণ্ডতা আৰু নির্ভৰযোগ্যতা নিশ্চিত কৰিবলৈ ৰাজ্যিক কোষাগাৰ, এ জি (এ এণ্ড ই) আৰু আৰ বি আইৰ মাজত সময়োপযোগী আৰু সমন্বিত মিলন প্রচেষ্টাৰ চৰকাৰী হিচাপত উদ্বৃত্তৰ পৰিসংখ্যা প্রয়োজন।

প্রকাশৰ সৈতে জড়িত বিষয়সমূহ

3.11 হিচাপ-নিকাচৰ মানদণ্ড অনুসৰণ

ভাৰতৰ সংবিধানৰ 150 নং অনুচ্ছেদ অনুসৰি ভাৰতৰ ৰাষ্ট্রপতিয়ে ভাৰতৰ নিয়ন্ত্রক আৰু মহানিৰীক্ষক (চি এ জি)ৰ পৰামর্শ মতে কেন্দ্র আৰু ৰাজ্যসমূহৰ হিচাপৰ ৰূপ নির্ধাৰণ কৰিব পাৰে। চি এ জি-ৰ পৰামর্শ অনুসৰি ভাৰতৰ ৰাষ্ট্রপতিয়ে এতিয়ালৈকে ভাৰত চৰকাৰৰ চাৰিটা হিচাপৰ মানদণ্ড (আই জি এ এছ) অৱগত কৰিছে। ৰাজ্য চৰকাৰে এই হিচাপ-নিকাচৰ মানদণ্ডসমূহ মানি চলাৰ লগতে 2024-25 চনৰ ভিতৰত ইয়াত থকা অভাৱসমূহৰ বিষয়ে **সাৰণী 3.11**ত বিতংভাৱে উল্লেখ কৰা হৈছে।

সাৰণী 3.11: হিচাপ-নিকাচৰ মানদণ্ড অনুসৰণ কৰা

ক্ৰ নং	হিচাপৰ মানদণ্ড	আই জি এ এছ-ৰ সাৰমর্ম	ৰাজ্য চৰকাৰৰ দ্বাৰা পালন	অভাৱ
1.	**আই জি এ এছ 1** *চৰকাৰী দ্বাৰা দিয়া নিশ্চয়তা প্রকাশৰ প্রয়োজনীয়তা*	এই মানদণ্ডৰ অধীনত চৰকাৰে বছৰৰ শেষত সংযোজন, বিলোপ, আমন্ত্রণ, নিষ্কাশন আৰু বাকী থকা নিশ্চয়তাৰ সৈতে বছৰৰ ভিতৰত দিয়া সর্বোচ্চ পৰিমাণৰ নিশ্চয়তা নিজৰ বিত্তীয় বিৱৰণীত প্রকাশ কৰিব লাগিব।	আংশিকভাৱে মানি চলিলে	চৰকাৰে বছৰটোত দিয়া সর্বাধিক পৰিমাণৰ নিশ্চয়তা প্রকাশ কৰাৰ বিপৰীতে প্রতিটো প্রতিষ্ঠানৰ বাবে নিশ্চয়তাৰ সংখ্যাৰ দৰে বিশদ তথ্য চিত্রিত কৰা হোৱা নাছিল।
2.	**আই জি এ এছ 2** *সহায়ক অনুদানৰ হিচাপ আৰু শ্রেণীবিভাজন*	সহায়ক অনুদানৰ শেষ ব্যৱহাৰ নির্বিশেষে অনুদানদাতাৰ হিচাপত ৰাজহ ব্যয় হিচাপে আৰু অনুদানপ্রাপ্তৰ একাউণ্টত ৰাজহ	আংশিকভাৱে মানি চলিলে	ৰাজ্য চৰকাৰে বাজেটৰ ব্যৱস্থা কৰি ৰাজহ শাখাৰ অধীনত নহয়, হিচাপৰ মূলধনী মুখ্য শিতানৰ অধীনত 30.96 কোটি টকাৰ জি

ক্ৰ নং	হিচাপৰ মানদণ্ড	আই জি এ এছ-ৰ সাৰমৰ্ম	ৰাজ্য চৰকাৰৰ দ্বাৰা পালন	অভাৱ
		প্ৰাপ্তি হিচাপে শ্ৰেণীভুক্ত কৰিব লাগে।		আই এ শ্ৰেণীভুক্ত কৰে। বছৰটোৰ ভিতৰত বস্তুগতভাৱে ধন পৰিশোধ কৰা জি আই এ-ৰ সন্দৰ্ভতো কোনো তথ্য প্ৰদান কৰা হোৱা নাছিল।
3.	**আই জি এ এছ 3** *চৰকাৰে দিয়া ঋণ আৰু অগ্ৰিম ধন*	এই মানদণ্ড সম্পূৰ্ণ, সঠিক আৰু একেধৰণৰ হিচাপ-নিকাচৰ পদ্ধতি নিশ্চিত কৰিবলৈ চৰকাৰে নিজৰ বিত্তীয় বিৱৰণীত কৰা ঋণ আৰু অগ্ৰিম ধনৰ ক্ষেত্ৰত স্বীকৃতি জোখ-মাখৰ মূল্যায়ন আৰু প্ৰতিবেদনৰ সৈতে জড়িত।	আংশিকভাৱে মানি চলিলে	ৰাজ্য চৰকাৰে মানদণ্ডৰ দ্বাৰা নিৰ্ধাৰিত ফৰ্মেট মানি চলিলেও এই সম্পৰ্কীয় তথ্য অসম্পূৰ্ণ যিহেতু ঋণক 'চিৰদিনৰ বাবে ঋণ' হিচাপে অনুমোদন জনোৱাৰ ক্ষেত্ৰসমূহ মহাগাণনিক (এ এণ্ড ই)ক প্ৰদান কৰা হোৱা নাই।
4.	**আই জি এ এছ 4** *পূৰ্বৰ সময়সীমাৰ সালসলনি*	এই মানদণ্ডই নিৰ্ধাৰণ কৰে যে এবাৰ চিনাক্ত কৰা ভুলকে ধৰি পূৰ্বৰ সময়ছোৱাৰ সালসলনিসমূহ হিচাপৰ নগদ ভিত্তিত চলিত বিত্তীয় বৰ্ষত উপস্থাপন আৰু প্ৰকাশ কৰা হ'ব।	মানি চলিলে	পূৰ্বৰ হিচাপ-নিকাচৰ সময়ছোৱাত দুটা এছ পি এছ ই-ক দিয়া জি আই এ-ক ইকুইটিলৈ ৰূপান্তৰিত কৰাৰ চৰকাৰী সিদ্ধান্তক হিচাপ কাৰ্যকৰী কৰাৰ বাবে ৰাজ্য চৰকাৰে মুঠ 842.85 কোটি টকাৰ বাবে পূৰ্বৰ সময়সীমা এডজাষ্টমেণ্টৰ আশ্ৰয় লৈছিল।

উৎস: বিত্তীয় হিচাপ

অধিসূচিত হিচাপৰ মানদণ্ড মানি চলাত ব্যৰ্থতাই চৰকাৰী হিচাপৰ সঠিকতা, স্বচ্ছতা আৰু তুলনামূলকতাত বিৰূপ প্ৰভাৱ পেলায়। ৰাজ্য চৰকাৰে উচ্চমানৰ বিত্তীয় প্ৰতিবেদন নিশ্চিত কৰিবলৈ নিৰ্ধাৰিত মানদণ্ডৰ কঠোৰ আনুগত্যৰ বাবে একাউণ্টিং কৰ্মচাৰীৰ প্ৰশিক্ষণ আৰু এ জি (এ এণ্ড ই) কাৰ্যালয়ৰ সৈতে উন্নত সমন্বয়কে ধৰি সংশোধনী পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

19 ডিচেম্বৰ 2025 তাৰিখে অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে পৰ্যবেক্ষণসমূহৰ প্ৰতি লক্ষ্য ৰাখি জনাই যে আই জি এ এছ-IIৰ বিধানসমূহ সম্পূৰ্ণৰূপে পালন কৰাটো নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপসমূহ অব্যাহত ৰখা হ'ব।

পূৰ্বৰ সময়ৰ সালসলনি

ভাৰত চৰকাৰৰ হিচাপৰ মানদণ্ড (আই জি এ এছ-4)ৰ বিধান অনুসৰি ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয়ে অধিসূচনা কৰা পূৰ্বৰ সময়সীমাৰ সৈতে জড়িত লেনদেনসমূহ বুক এডজাষ্টমেণ্টৰ জৰিয়তে সামঞ্জস্য কৰা আৰু হিচাপৰ নগদ ভিত্তিত চলিত বছৰৰ হিচাপত প্ৰকাশ কৰা প্ৰয়োজন।

2024-25 চনৰ ভিতৰত অসম চৰকাৰে আই জি এ এছ-4ৰ অধীনত অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এ পি ডি চি এল), অসম শক্তি উৎপাদন নিগম লিমিটেড (এ পি জি চি এল) আৰু অসম বিদ্যুৎ সংবহন নিগম লিমিটেড (এ ই জি চি এল)ৰ ক্ষেত্ৰত 2023-24 চনৰ পূৰ্বৰ সময়ছোৱাৰ সৈতে জড়িত সহায়ক অনুদানৰ ইকুইটিলৈ ৰূপান্তৰিত কৰাৰ বাবে বিত্তীয় নিষেধাজ্ঞা জাৰি কৰে। এনে পূৰ্বৰ সময়ৰ

সালসলনিৰ বাবে অনুমোদিত মুঠ ধনৰাশি আছিল 902.00 কোটি টকা যিয়ে এ পি ডি চি এল-ৰ ক্ষেত্রত 390.06 কোটি টকাৰ এ পি জি চি এল-ৰ ক্ষেত্রত 498.42 কোটি টকা আৰু এ ই জি চি এল-ৰ ক্ষেত্রত 13.52 কোটি টকাৰে গঠিত।

মুঠ অনুমোদিত ধনৰ ভিতৰত মাত্র 842.85 কোটি টকাহে প্রকৃততে বছৰটোৰ ভিতৰত পূর্বৰ সময়ৰ সালসলনি হিচাপে গণ্য কৰা হৈছিল, য'ত এ পি ডি চি এল-ৰ সৈতে জড়িত 390.06 কোটি টকা আৰু এ পি জি চি এল-ৰ সৈতে জড়িত 452.79 কোটি টকা আছিল। 59.15 কোটি টকাৰ উদ্বৃত্তৰ পৰিমাণ সালসলনি কৰা হোৱা নাছিল, য'ত মুখ্য কামৰ সৈতে জড়িত হিচাপৰ বিতং শিতান হিচাপে এ পি জি চি এল-ৰ সৈতে জড়িত 45.63 কোটি টকা অন্তর্ভুক্ত কৰা হৈছিল। এ ই জি চি এল-ৰ সৈতে জড়িত বাকী 13.52 কোটি টকাৰ হিচাপ লোৱা হোৱা নাছিল কাৰণ বিশদ হিচাপৰ শিতান তথ্য প্রযুক্তি (আই টি) আৰু এ আই এফ এ-ৰ সৈতে জড়িত হিচাপৰ শিতানৰ সৈতে জড়িত আছিল।

পূর্বৰ সময়ছোৱাত 842.85 কোটি টকাৰ সালসলনি বছৰটোৰ ভিতৰত প্রকৃত ব্যয় নোহোৱাকৈ ৰাজ্যখনৰ মূলধনী ব্যয়ৰ অংশ হিচাপে প্রতিফলিত হৈছিল। ফলত 2024-25 চনৰ মূলধনী ব্যয় সেই পৰিমাণে অতিৰিক্তভাৱে উল্লেখ কৰা হৈছিল কাৰণ পূর্বৰ সময়ছোৱাৰ সৈতে জড়িত সালসলনিসমূহ অন্তর্ভুক্ত কৰা হৈছিল।

3.12 স্বায়ত্তশাসিত পৰিষদ/ উন্নয়ন পৰিষদ/ চৰকাৰী সংস্থা/ কর্তৃপক্ষৰ হিচাপ দাখিল কৰা

চি এ জি-ৰ ডি পি চি আইনৰ 19(3) ধাৰা অনুসৰি ৰাজ্যপাল/ প্রশাসকে জনস্বার্থত চি এ জি-ক ৰাজ্যখনৰ বা কেন্দ্রীয় শাসিত অঞ্চলৰ বিধায়িনী দলে কৰা আইনৰ দ্বাৰা স্থাপিত নিগমৰ হিচাপ নিৰীক্ষণ কৰিবলৈ অনুৰোধ কৰিব পাৰে আৰু য'ত এনে অনুৰোধ কৰা হৈছে তেনে নিগমৰ হিচাপ নিৰীক্ষণ কৰিব আৰু এনে নিৰীক্ষণৰ উদ্দেশ্যে এনে নিগম হিচাপৰ বহী আৰু একাউণ্টত প্রৱেশৰ অধিকাৰ থাকিব।

ধাৰা 19ৰ বাহিৰেও য'ত কোনো সংস্থা বা কর্তৃপক্ষৰ হিচাপৰ কোনো আইনৰ দ্বাৰা বা আইনৰ অধীনত চি এ জি-ক অর্পণ কৰা হোৱা নাই, তেনে ক্ষেত্রত তেওঁ যদি কোনো ৰাজ্যৰ ৰাষ্ট্রপতি বা ৰাজ্যপাল বা ক্ষেত্র অনুসৰি বিধানসভা থকা কেন্দ্রীয় শাসিত অঞ্চলৰ প্রশাসকে অনুৰোধ কৰে তেন্তে তেওঁ চুক্তিবদ্ধ হ'ব পৰা চর্ত আৰু চর্তসমূহৰ ভিত্তিত এনে সংস্থা বা কর্তৃপক্ষৰ হিচাপৰ হিচাপ পৰীক্ষা কৰিব লাগিব যাতে তেখেত আৰু সংশ্লিষ্ট চৰকাৰৰ মাজত আৰু এনে নিৰীক্ষণৰ উদ্দেশ্যে সেই সংস্থা বা কর্তৃপক্ষৰ হিচাপ বহীত আৰু হিচাপ-নিকাচৰ প্রৱেশৰ অধিকাৰ থাকিব (ধাৰা 20)।

ওপৰত উল্লেখ কৰা স্বায়ত্তশাসিত সংস্থা আৰু কর্তৃপক্ষৰ ক্ষেত্রত নিৰীক্ষণ প্রমাণপত্র প্রদান কৰা হয় যদিহে চি এ জি একমাত্র নিৰীক্ষক হয়। এইদৰে এই সংস্থা আৰু কর্তৃপক্ষই বার্ষিক হিচাপ প্রস্তুত কৰি নিৰীক্ষণৰ বাবে এ জি (হিচাপ পৰীক্ষা)ৰ ওচৰত দাখিল কৰিব লাগিব।

ছেপ্টেম্বৰ 2025লৈকে 75খন স্বায়ত্তশাসিত পৰিষদ/ উন্নয়ন পৰিষদ/ চৰকাৰী সংস্থা/ কর্তৃপক্ষৰ (2024-25লৈকে) 494টা বার্ষিক হিচাপ নিৰীক্ষণৰ বাবে লাভ কৰা নাছিল। 494টা বাকী থকা বার্ষিক হিচাপৰ ভিতৰত সাতটা হিচাপ[35] সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত সৃষ্টি কৰা তিনিখন স্বায়ত্তশাসিত জিলা পৰিষদৰ সৈতে জড়িত। তদুপৰি, বাকী থকা বার্ষিক হিচাপসমূহৰ ভিতৰত 350টা 25খন স্বায়ত্তশাসিত আৰু জিলা পৰিষদৰ সৈতে জড়িত যিয়ে আৰম্ভণিৰ পৰাই নিজৰ হিচাপ দাখিল কৰা নাই।

---

[35] i) বডোলেণ্ড স্বায়ত্বশাসিত পৰিষদ, কোকৰাঝাৰ: তিনিটা বার্ষিক হিচাপ (2022-23ৰ পৰা 2024-25); ii) কার্বি আংলং স্বায়ত্তশাসিত পৰিষদ, ডিফু: এক বার্ষিক হিচাপ (2024-25); আৰু iii) উত্তৰ কাছাৰ হিলছ স্বায়ত্তশাসিত পৰিষদ, হাফলং: তিনিটা বার্ষিক হিচাপ (2022-23ৰ পৰা 2024-25)

সাৰণী 3.12: স্বায়ত্তশাসিত পৰিষদৰ একাউণ্টৰ বকেয়া/ সংমণ্ডল পৰিষদ/ চৰকাৰী সংস্থা/ কৰ্তৃপক্ষ

বছৰৰ সংখ্যাত পলম	হিচাপৰ সংখ্যা
0-1	75
1-3	105
3-5	70
5-10	143
10 তকৈ বেছি	101
মুঠ	**494**

স্বায়ত্তশাসিত পৰিষদ/ উন্নয়ন পৰিষদ/ চৰকাৰী সংস্থা/ কৰ্তৃপক্ষৰ পৰা প্ৰদান কৰিবলগীয়া হিচাপৰ বিভাগভিত্তিক বিৱৰণ ***পৰিশিষ্ট 3.4***ত দিয়া হৈছে।

এই 494টা একাউণ্টৰ বয়স অনুসৰি বকেয়া **সাৰণী-3.12**ত দিয়া হৈছে। পাঁচটা প্ৰধান বিভাগৰ ক্ষেত্ৰত বাকী থকা হিচাপৰ অৱস্থিতি **চিত্ৰ তালিকা-3.4**ত দিয়া হৈছে।

চিত্ৰ তালিকা 3.4: পাঁচটা প্ৰধান বিভাগৰ সৈতে জড়িত স্বায়ত্তশাসিত পৰিষদ/ উন্নয়ন পৰিষদ/ চৰকাৰী সংস্থা/ কৰ্তৃপক্ষৰ বাকী থকা হিচাপৰ স্থিতি



বাৰ্ষিক হিচাপ আৰু ইয়াৰ নিৰীক্ষণৰ অনুপস্থিতিত সেই সংস্থাসমূহ/ কৰ্তৃপক্ষক প্ৰদান কৰা অনুদান আৰু ঋণ আৰু তেওঁলোকৰ হিচাপৰ সঠিক ব্যৱহাৰৰ নিশ্চয়তা দিব নোৱাৰি।

10 ফেব্ৰুৱাৰী 2025ত অসম চৰকাৰৰ মুখ্য সচিবৰ ওচৰত ডিফল্ট কৰা সংস্থাসমূহৰ হিচাপ দাখিল নকৰাৰ বিষয়টো হিচাপ পৰীক্ষাই গ্ৰহণ কৰে। পৰৱৰ্তী সময়ত বিত্ত বিভাগে (16 ছেপ্টেম্বৰ 2025) সকলো বিভাগকে বাকী থকা হিচাপসমূহ পুনৰীক্ষণ কৰিবলৈ আৰু বাকী থকা হিচাপসমূহ আগতীয়াকৈ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে।

3.13 বিভাগীয় বাণিজ্যিক উদ্যোগ/ নিগম/ কোম্পানী

কোম্পানী আইন 2013ৰ ধাৰা 394 আৰু 395 অনুসৰি চৰকাৰী কোম্পানী এটাৰ বাৰ্ষিক সাধাৰণ বৈঠকৰ (এ জি এম) তিনিমাহৰ ভিতৰত কাম-কাজ আৰু কাম-কাজৰ বাৰ্ষিক প্ৰতিবেদন প্ৰস্তুত কৰিব লাগিব। এনে প্ৰস্তুতিৰ পিছত যিমান সোনকালে হ'ব পাৰে বাৰ্ষিক প্ৰতিবেদনখন নিৰীক্ষণ প্ৰতিবেদনৰ প্ৰতিলিপি আৰু চি এ জি-য়ে নিৰীক্ষণ প্ৰতিবেদনৰ ওপৰত কৰা যিকোনো মন্তব্য বা পৰিপূৰকৰ সৈতে সদন বা ৰাজ্যিক বিধানসভাৰ দুয়োটা সদনৰ সন্মুখত দাখিল কৰিব লাগে। বিধিগত নিগমসমূহ (বিভাগীয় উদ্যোগসমূহকে ধৰি) নিয়ন্ত্ৰণ কৰা নিজ নিজ আইনসমূহত প্ৰায় একেধৰণৰ বিধান আছে। বিভাগীয় উদ্যোগসমূহে বাণিজ্যিক/ অৰ্ধ-বাণিজ্যিক প্ৰকৃতিৰ কাম-কাজ সম্পন্ন কৰে। তেওঁলোকে বছৰি নিৰ্দিষ্ট ফৰ্মেটত প্ৰ'ফৰ্মা একাউণ্ট প্ৰস্তুত কৰি কাৰ্য্যকলাপৰ কামৰ ফলাফল দেখুৱাব লাগিব যাতে চৰকাৰে তেওঁলোকৰ কামৰ মূল্যায়ন কৰিব পাৰে। ওপৰৰ ব্যৱস্থাটোৱে ৰাজ্যৰ সমন্বিত পুঁজিৰ পৰা কোম্পানী আৰু নিগমসমূহত বিনিয়োগ কৰা ৰাজহুৱা ধনৰ ব্যৱহাৰৰ ওপৰত প্ৰয়োজনীয় আইনগত নিয়ন্ত্ৰণ প্ৰদান কৰে।

ইয়াৰ উপৰিও কোম্পানী আইন, 2013ৰ ধাৰা 96 অনুসৰি প্ৰতিটো কোম্পানীয়ে প্ৰতিটো কেলেণ্ডাৰ বছৰত এবাৰ শ্বেয়াৰহোল্ডাৰসকলৰ এ জি এম অনুষ্ঠিত কৰিব লাগিব। লগতে কোৱা হৈছে যে এটা এ জি এম-ৰ

তাৰিখৰ পৰা পৰৱর্তী এ জি এম-ৰ তাৰিখৰ মাজত 15 মাহতকৈ অধিক সময় হ'ব নালাগিব। আইনখনৰ ধাৰা 129ত উল্লেখ আছে যে বিত্তীয় বর্ষৰ নিৰীক্ষিত বিত্তীয় বিৱৰণী উক্ত এ জি এম-ত তেওঁলোকৰ বিবেচনাৰ বাবে ৰাখিব লাগিব। আইনখনৰ ধাৰা 129(7)ত আইনখনৰ ধাৰা 129ত উল্লেখ নকৰাৰ বাবে দায়বদ্ধ কোম্পানীটোৰ পৰিচালককে ধৰি ব্যক্তিসকলৰ ওপৰত জৰিমনা আৰু কাৰাদণ্ডৰ দৰে শাস্তি আৰোপ কৰাৰ ব্যৱস্থা আছে।

সময়মতে হিচাপ চূড়ান্ত কৰাৰ অভাৱত চৰকাৰৰ বিনিয়োগৰ ফলাফল ৰাজ্যিক বিধানসভাৰ পৰিসৰৰ বাহিৰত থাকে আৰু নিৰীক্ষকৰ দ্বাৰা নিৰীক্ষণ ৰক্ষা পৰে। ফলস্বৰূপে জবাবদিহিতা নিশ্চিত আৰু দক্ষতা বৃদ্ধিৰ বাবে যদি প্রয়োজন হয় তেন্তে সংশোধনী ব্যৱস্থা সময়মতে গ্রহণ কৰিব নোৱাৰিব। প্রৱঞ্চনা আৰু ৰাজহুৱা ধনৰ অপব্যৱহাৰৰ আশংকা নুই কৰিব নোৱাৰি।

চৰকাৰৰ বিভাগীয় মুৰব্বীসকলে বিভাগীয় উদ্যোগসমূহৰ এনে হিচাপ প্রস্তুত কৰাটো নিশ্চিত কৰিব লাগে আৰু নির্দিষ্ট সময়সীমাৰ ভিতৰত এইখিনি মহাগাণনিক (হিচাপ পৰীক্ষা)ক জমা দিব লাগে।

কিন্তু ছেপ্টেম্বৰ 2025লৈকে 44টা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ (2024-25 চনলৈকে) 240টা বার্ষিক হিচাপ হিচাপ পৰীক্ষাৰ বাবে চি এ জি লাভ কৰা নাই।

এই 240টা হিচাপৰ সময় অনুসৰি পেণ্ডেন্সি **সাৰণী-3.13**ত দিয়া হৈছে আৰু পাঁচটা প্রধান বিভাগৰ ক্ষেত্রত পেণ্ডিং একাউণ্টৰ অৱস্থা **চিত্র তালিকা-3.5**ত দিয়া হৈছে।

সাৰণী 3.13: ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ হিচাপৰ বকেয়া

বিলম্বিত বছৰৰ সংখ্যা	হিচাপৰ সংখ্যা
0-1	44
1-3	58
3-5	34
5-10	51
10 তকৈ অধিক	53
মুঠ	**240**

ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ পৰা প্রদান কৰিবলগীয়া হিচাপৰ বিভাগভিত্তিক বিৱৰণ (2024-25লৈকে) ***পৰিশিষ্ট 3.5***ত দিয়া হৈছে।

চিত্র তালিকা 3.5: পাঁচটা মুখ্য বিভাগৰ সৈতে জড়িত পি এছ ইউসমূহৰ বাকী থকা বার্ষিক হিচাপৰ সংখ্যা



44টা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ 240টা বাকী থকা বার্ষিক হিচাপৰ ভিতৰত 74টা বার্ষিক হিচাপ (30.83 শতাংশ) মাত্র পাঁচটা ৰাজহুৱা খণ্ডৰ উদ্যোগৰ[36] সৈতে জড়িত যিবোৰ অকার্য্যকৰী। হিচাপ পৰীক্ষাই (ডিচেম্বৰ 2024 আৰু ফেব্রুৱাৰী 2025) ৰাজ্যিক পি এছ ইউ আৰু অকার্য্যকৰী এছ পি এছ ইউ-ৰ বাকী

[36] অকার্য্যকৰী: অসম কৃষি উদ্যোগ উন্নয়ন নিগম লিমিটেড, অসম শক্তি তাঁতশাল সংমণ্ডল নিগম লিমিটেড, অসম স্পান ৰেচম মিলছ লিমিটেড, প্রাগজ্যোতিষ ফার্টিলাইজাৰছ এণ্ড কেমিকেলছ লিমিটেড, আৰু কাছাৰ চুগাৰ মিলছ লিমিটেড।

থকা হিচাপৰ বিষয়টো গ্ৰহণ কৰে আৰু ৰাজ্য চৰকাৰক বাকী থকা হিচাপসমূহ আগতীয়াকৈ দাখিল কৰিবলৈ আহ্বান জনায়। হিচাপ পৰীক্ষাৰ অহৰহ অনুসৰণৰ জৰিয়তে, 2013 চনৰ কোম্পানী আইন, 2013ৰ ধাৰা 248ৰ উপ-ধাৰা (5) অনুসৰি কোম্পানীসমূহৰ পঞ্জীয়কৰ পৰা মুঠ 16টা অকৰ্মক্ষম ৰাজ্যিক পি এছ ইউ-ৰ ভিতৰত আঠটাক বাদ দিয়া হৈছে।

এইদৰে ৰাজ্য চৰকাৰে কৰ্মৰত ৰাজ্যিক পি এছ ইউসমূহৰ বকেয়া হিচাপ দাখিলৰ লগতে অকাৰ্য্যকৰী ৰাজ্যিক পি এছ ইউসমূহ বন্ধ কৰি বকেয়া হিচাপ হ্ৰাস কৰাৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে। সংশ্লিষ্ট প্ৰশাসনিক বিভাগসমূহৰ দায়িত্ব এই সত্তাসমূহৰ কাৰ্যকলাপ তদাৰক কৰা আৰু তেওঁলোকৰ নিয়ন্ত্ৰণত থকা ৰাজ্যিক পি এছ ইউসমূহৰ হিচাপসমূহ যাতে নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰাজ্যিক পি এছ ইউসমূহে চূড়ান্ত গ্ৰহণ কৰাটো নিশ্চিত কৰে।

19 ডিচেম্বৰ 2025ত অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ উপায়ুক্ত আৰু সচিবে স্বায়ত্তশাসিত সংস্থা আৰু এছ পি এছ ই-ৰ হিচাপ দাখিলৰ ক্ষেত্ৰত বকেয়া সন্দৰ্ভত উদ্বেগ স্বীকাৰ কৰাৰ সমান্তৰালভাৱে উল্লেখ কৰে যে বাকী থকা হিচাপসমূহ আগতীয়াকৈ জমা দিয়াৰ বাবে সংশ্লিষ্ট বিভাগসমূহক প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰা হ'ব।

অন্যান্য বিষয়

3.14 সুত বহন কৰা ৰিজাৰ্ভ ফাণ্ড

3.14.1 ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (এছ ডি আৰ এফ)

ভাৰত চৰকাৰে পূৰ্বৰ দুৰ্যোগ সাহায্য পুঁজিৰ ঠাইত 01 এপ্ৰিল 2010ৰ পৰা কাৰ্যকৰী হোৱাকৈ ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি (এছ ডি আৰ এফ) স্থাপন কৰে। পুঁজিৰ নিৰ্দেশিকাৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু উত্তৰ-পূব আৰু হিমালয় ৰাজ্যসমূহে 90:10 অনুপাতত পুঁজিলৈ বৰঙণি আগবঢ়াব লাগিব আৰু বৰঙণিসমূহ মুখ্য শিতান - 8121ৰ অধীনত ৰাজহুৱা হিচাপলৈ হস্তান্তৰ কৰিব লাগিব। বছৰটোৰ ভিতৰত ব্যয় পৰিচালনা মুখ্য শিতান-2245ৰ দ্বাৰা কৰা হয়।

গাইডলাইনৰ 7.1 অনুচ্ছেদ অনুসৰি ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ অংশ তেওঁলোকৰ মিল থকা অংশৰ সৈতে হস্তান্তৰ কৰিব যদিহে ইতিমধ্যে লাভ কৰাৰ 15 দিনৰ ভিতৰত মুখ্য ৰাজহুৱা হিচাপলৈ হস্তান্তৰ কৰা হোৱা নাই। কেনেবাকৈ পলম হ'লে ৰাজ্য চৰকাৰে পলমৰ দিনৰ সংখ্যাৰ বাবে আৰ বি আইৰ বেংক হাৰত সুতৰ সৈতে ধনৰাশি মুকলি কৰিব লাগিব।

তদুপৰি, গাইডলাইনৰ 4 নং অনুচ্ছেদ অনুসৰি ৰাজ্য চৰকাৰে আৰ বি আইৰ অভাৰড্ৰাফ্ট ৰেগুলেচন গাইডলাইনৰ অধীনত অভাৰড্ৰাফ্টৰ ক্ষেত্ৰত প্ৰযোজ্য হাৰত এছ ডি আৰ এফক সুত দিব লাগিব। সুত ছয় মাহৰ ভিত্তিত জমা কৰিব লাগে। ইয়াৰ উপৰিও গাইডলাইনৰ 23 নং অনুচ্ছেদ অনুসৰি এছ ডি আৰ এফ-ৰ উদ্বৃত্ত তলত দিয়া এটা বা ততোধিক স্থানত বিনিয়োগ কৰিব লাগিব অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰে তাৰিখ নিৰ্ধাৰণ কৰা ছিকিউৰিটিজ নিলাম কৰা ট্ৰেজাৰী বিল আৰু সুত আদায় কৰা জমা আৰু অনুসূচিত বাণিজ্যিক বেংকত জমা ধনৰ প্ৰমাণপত্ৰসহ।

এই সন্দর্ভত হিচাপ পৰীক্ষাই তলত দিয়া কথাবোৰ পর্যবেক্ষণ কৰিলে:

- 01 এপ্রিল 2024লৈকে পুঁজিটোৰ উদ্বৃত্ত আছিল 527.69 কোটি টকা 2024-25 চনৰ ভিতৰত ৰাজ্য চৰকাৰে কেন্দ্রীয় চৰকাৰৰ অংশ হিচাপে 716 কোটি লাভ কৰিছিল। বছৰটোৰ ভিতৰত ৰাজ্য চৰকাৰৰ অংশীদাৰিত্ব আছিল 79.20 কোটি টকা। ৰাজ্য চৰকাৰে মুখ্য শিতান-8121-122 এছ ডি আৰ এফ-ৰ অধীনত হিচাপৰ পুঁজিলৈ 795.20 কোটি টকাৰ (ভাৰত চৰকাৰৰ অংশ: 716 কোটি টকা আৰু ৰাজ্যিক অংশ: 79.20 কোটি টকা) সম্পূর্ণ ধনৰাশি হস্তান্তৰ কৰে। বছৰটোত ৰাজ্য চৰকাৰেও এন ডি আৰ এফ-ৰ পৰা 29.02 কোটি টকা লাভ কৰিছিল আৰু এই ধনৰাশি পুঁজিৰ হিচাপলৈ স্থানান্তৰিত হৈছিল। সেয়েহে 2024-25 চনৰ ভিতৰত পুঁজিৰ হিচাপলৈ কোনো হ্রস্বম্যাদি হস্তান্তৰ হোৱা নাছিল।
- ৰাজ্য চৰকাৰে 2023-24 চনৰ ভিতৰত লাভ কৰা 340.40 কোটি টকা কেন্দ্রীয় অংশৰ লগতে 38 কোটি টকা ৰাজ্যিক অংশৰ 2024-25 চনৰ ভিতৰত পুঁজিৰ হিচাপলৈ (মুখ্য শিতান-8121-122) হস্তান্তৰ কৰে।
- 2024-25 চনৰ ভিতৰত ৰাজ্য চৰকাৰে কৰা দুর্যোগ সম্পর্কীয় ব্যয় 617.80 কোটি পুঁজিৰ উদ্বৃত্তৰ বিপৰীতে গঠন কৰা হৈছিল (এম এইচ: 2245-901)। 31 মার্চ 2025ৰ শেষত 1,112.50 কোটি টকাৰ বাকী ধন পুঁজিত বিনিয়োগ নকৰাকৈয়ে থাকিল।
- অসম চৰকাৰে গাইডলাইনত উল্লেখ কৰা কোনো এটা যন্ত্রত এছ ডি আৰ এফ-ত থকা উদ্বৃত্ত বিনিয়োগ কৰা নাছিল আৰু পুঁজিত থকা উদ্বৃত্তৰ আধা বছৰীয়া সুতও দিয়া নাছিল।
- 2024-25 চনৰ ভিতৰত অসম চৰকাৰে এছ ডি আৰ এফ গাইডলাইনৰ 4 নং অনুচ্ছেদৰ অধীনত প্রয়োজনীয় 527.69 কোটি টকা পুঁজিৰ উদ্বৃত্তৰ ওপৰত 94.90 কোটি টকাৰ সুত প্রদান কৰা নাছিল। ইয়াৰ উপৰিও লাভ কৰা কেন্দ্রীয় অংশৰ পলমকৈ হস্তান্তৰ হোৱাৰ বাবে 6.17 কোটি টকাৰ সুত পুঁজিলৈ প্রদান কৰিবলগীয়া হৈছিল, লগতে ৰাজ্যিক অংশৰ সৈতে পুঁজিৰ হিচাপলৈও প্রদান কৰিবলগীয়া হৈছিল। ইয়াৰ ফলত 2024-25 চনৰ ভিতৰত ৰাজহ ব্যয় সেই পৰিমাণে কমকৈ কোৱা হৈছিল আৰু তাৰে ভৱিষ্যতৰ বাবে সঞ্চয়ৰ দায়বদ্ধতাও আছিল।
- 31 মার্চ 2018 তাৰিখে সমাপ্ত হোৱা বর্ষৰ বাবে এছ এফ এ আৰ সম্পর্কে ৰাজস্বৱা হিচাপ সমিতিৰ (পি এ চি) বৈঠক (নৱেম্বৰ 2019)ৰ সময়ত প্রধান সচিব বিত্ত বিভাগে স্বীকাৰ কৰে যে এছ ডি আৰ এফ-ৰ ধন নিয়মীয়াকৈ বিনিয়োগ কৰা হোৱা নাই আৰু (জানুৱাৰী 2020) পি এ চি-ক আশ্বাস দিছিল যে চৰকাৰে নির্ধাৰিত নীতি অনুসৰি পুঁজিৰ বিনিয়োগৰ বাবে প্রয়োজনীয় ব্যৱস্থা গ্রহণ কৰিব।

ৰাজ্য চৰকাৰে 2024-25 চনৰ ভিতৰত য'ত বাধ্যতামূলক সুত পৰিশোধ নকৰা আৰু অনুমোদিত স্থানত পুঁজিৰ উদ্বৃত্ত বিনিয়োগ নকৰা আদিকে ধৰি এছ ডি আৰ এফ গাইডলাইনৰ মূল বিধানসমূহ মানি চলা নাছিল। এই লেপছৰ ফলত ৰাজহ ব্যয় আৰু ৰাজহ ঘাটিৰ পৰিমাণ 101.07 কোটি টকা কম কৰা হয় যাতে ভৱিষ্যতৰ দায়বদ্ধতাও ন্যায্য থাকে। এছ ডি আৰ এফ-ৰ নির্দেশিকা অমান্যতাই পুঁজিৰ স্বচ্ছতাৰ সৈতে আপোচ কৰিছিল আৰু সুতৰ উপার্জনৰ সম্ভাৱনা হ্রাস কৰিছিল, যিয়ে দুর্যোগৰ প্রতি সঁহাৰি জনোৱাৰ বাবে আর্থিক প্রস্তুতিত প্রভাৱ পেলাব পাৰে।

3.14.2 ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (এছ্ ডি এম এফ)

দুৰ্যোগ ব্যৱস্থাপনা আইন, 2005ৰ বিধান আৰু পোন্ধৰতম বিত্ত আয়োগৰ পৰামৰ্শৰ প্ৰতি লক্ষ্য ৰাখি ভাৰত চৰকাৰে ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি (এছ্ ডি এম এফ)ৰ ৰাজ্যিক পৰ্যায়ত প্ৰশাসনৰ বাবে নিৰ্দেশনাৱলী প্ৰস্তুত কৰিছে।

গাইডলাইনৰ অনুচ্ছেদ 7 অনুসৰি এছ্ ডি এম এফ সংশ্লিষ্ট ৰাজ্য চৰকাৰসমূহৰ হিচাপত প্ৰয়োজনীয় সকলো ক'ডাল আৰু অন্যান্য হিচাপ-নিকাচৰ আনুষ্ঠানিকতা পূৰণ কৰাৰ পিছত মুখ্য শিতান: 8121-সাধাৰণ আৰু অন্যান্য সংৰক্ষিত পুঁজি-130-ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি'ৰ স্বাৰ্থ বহন কৰি সংৰক্ষিত পুঁজিৰ অধীনত ৰাজহুৱা একাউণ্টত "ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি" নামকৰণেৰে গঠন কৰা হ'ব। গাইডলাইনৰ 8.4 অনুচ্ছেদত কোৱা হৈছে যে এছ্ ডি এম এফ-লৈ অৱদানৰ মুঠ পৰিমাণ (কেন্দ্ৰীয় অংশীদাৰিত্ব আৰু ৰাজ্যিক অৱদানৰ অংশ দুয়োটা) হস্তান্তৰ কৰিবলৈ ৰাজ্য চৰকাৰসমূহে তেওঁলোকৰ বাজেটৰ ব্যয়ৰ ফালে উপযুক্ত বাজেটৰ ব্যৱস্থা কৰিব "2245- প্ৰাকৃতিক দুৰ্যোগৰ একাউণ্টৰ ওপৰত সাহায্য-08-ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজি-797-সংৰক্ষিত পুঁজি আৰু জমালৈ হস্তান্তৰ" শিৰোনামৰ অধীনত হিচাপ"।

গাইডলাইনৰ অনুচ্ছেদ 12 অনুসৰি ৰাজ্য চৰকাৰে এছ্ ডি এম এফ-ৰ বিনিয়োগৰ পৰা উপাৰ্জিত আয়ৰ সৈতে এছ্ ডি এম এফ-ত বৃদ্ধি পোৱা ধনখিনি কেন্দ্ৰীয় চৰকাৰৰ সুৰক্ষা নিলাম কোষাগাৰ বিল, আৰু সুত আদায় কৰা জমা ধন আৰু অনুসূচিত বাণিজ্যিক বেংকত জমা ধনৰ প্ৰমাণপত্ৰৰ দৰে এটা বা ততোধিক স্থানত বিনিয়োগ কৰিব লাগিব। ৰাজ্য চৰকাৰে এছ্ ডি এম এফ-ৰ পৰা বিনিয়োগ নকৰা ধনৰ বাবে আৰ বি আই-ৰ অভাৰড্ৰাফ্ট ৰেগুলেচন গাইডলাইনৰ অধীনত অভাৰড্ৰাফ্টৰ ক্ষেত্ৰত প্ৰযোজ্য হাৰত এছ্ ডি এম এফ-ত সুত দিব লাগিব। ছয় মাহৰ মূৰে মূৰে সুত জমা কৰিব লাগিব।

01 এপ্ৰিল 2024লৈকে এই পুঁজিৰ উদ্বৃত্ত আছিল 169.99 কোটি টকা। 2024-25ৰ ভিতৰত ৰাজ্য চৰকাৰে এছ্ ডি এম এফ-ৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ কোনো অংশ লাভ কৰা নাছিল। ৰাজ্য চৰকাৰে অৱশ্যে বিগত বিত্তীয় বৰ্ষত (2023-24) লাভ কৰা 162.20 কোটি টকা কেন্দ্ৰীয় অংশীদাৰিত্বৰ লগতে ৰাজ্য চৰকাৰৰ 18 কোটি টকা অংশীদাৰিত্ব মুখ্য শিতান-8121-130ৰ অধীনত এছ্ ডি এম এফ-ৰ পুঁজি হিচাপলৈ হস্তান্তৰ কৰে।

ই পুঁজিৰ পৰা ব্যয় পূৰণ হোৱাৰ বাবে মুখ্য শিতান-2245ত 7.98 কোটি টকাৰ ধন নিৰ্ধাৰণ কৰা হৈছিল। 31 মাৰ্চ 2025ৰ শেষত এই পুঁজিত পৰি থকা মুঠ ধনৰাশি 342.22 কোটি টকা অসম চৰকাৰে নিৰ্ধাৰিত স্থানসমূহত গাইডলাইনৰ অধীনত প্ৰয়োজন অনুসৰি বিনিয়োগ কৰা নাছিল।

2024-25 বৰ্ষৰ ভিতৰত এছ্ ডি এম এফ গাইডলাইনৰ 12 নং অনুচ্ছেদৰ অধীনত প্ৰয়োজনীয় 170.00 কোটি পুঁজিৰ উদ্বৃত্তত অসম চৰকাৰে 22.00 কোটি টকাৰ সুত প্ৰদান কৰা নাছিল। ইয়াৰ উপৰিও ৰাজ্যিক অংশৰ সৈতে কেন্দ্ৰীয় অংশৰ সৈতে পুঁজিৰ হিচাপলৈ পলমকৈ হস্তান্তৰ হোৱাৰ বাবে পুঁজিলৈ 5.06 কোটি টকাৰ সুত প্ৰদান কৰিবলগীয়া হৈছিল। ইয়াৰ ফলত 2024-25 চনৰ ভিতৰত ৰাজহ ব্যয় আৰু ৰাজহ ঘাটি 27.06 কোটি টকা কমকৈ কোৱা হয় আৰু ভৱিষ্যতৰ বাবে সঞ্চিত দায়বদ্ধতা বৃদ্ধি পায়। এই লেপছসমূহে সম্ভাব্য সুতৰ আয়ৰ দুৰ্বল পুঁজি ব্যৱস্থাপনা ক্ষতিৰ ইংগিত দিয়ে আৰু দুৰ্যোগ প্ৰশমনৰ প্ৰচেষ্টাৰ প্ৰতি বিত্তীয় প্ৰতিশ্ৰুতিত প্ৰভাৱ পেলাব পাৰে।

3.14.3 ৰাজ্যিক ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি

ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি আইন, 2016ত ৰাজ্যৰ ৰাজহুৱা হিচাপৰ অধীনত "ৰাজ্যিক ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি" স্থাপনৰ ব্যৱস্থা কৰা হৈছে আৰু ইয়াক ক্ষতিপূৰণমূলক বনানীকৰণৰ দিশত ব্যৱহাৰকাৰী সংস্থাসমূহৰ পৰা লাভ কৰা ধন অতিৰিক্ত ক্ষতিপূৰণমূলক বনানীকৰণৰ দণ্ডনীয় ক্ষতিপূৰণমূলক বনানীকৰণৰ নিকা বৰ্তমান মূল্য আৰু বন (সংৰক্ষণ) আইনৰ অধীনত এনে সংস্থাসমূহৰ পৰা আদায় কৰা অন্যান্য সকলো ধনৰাশি জমা দিয়াৰ ব্যৱস্থা কৰা হৈছে 1980 চনত।

ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি (হিচাপ-নিকাচৰ পদ্ধতি) নিয়ম 2018ৰ 2 নং অনুচ্ছেদ অনুসৰি ব্যৱহাৰকাৰী সংস্থাসমূহৰ পৰা লাভ কৰা ধন ৰাজ্যখনৰ ৰাজহুৱা হিচাপৰ সুত বহনকাৰী অংশত মুখ্য শিতান "8336 অসামৰিক জমা — 103 ৰাজ্যিক ক্ষতিপূৰণমূলক বনানীকৰণ জমা"ৰ অধীনত জমা কৰা হ'ব। ইয়াৰে 90 শতাংশ মুখ্য শিতান "8121 সাধাৰণ আৰু অন্যান্য সংৰক্ষিত পুঁজি — 129 ৰাজ্যিক ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি (এছ চি এ এফ)"লৈ হস্তান্তৰ কৰা হ'ব আৰু 10 শতাংশ বছৰেকীয়া ভিত্তিত ৰাষ্ট্ৰীয় পুঁজিত জমা কৰা হ'ব। পুঁজিত থকা বেলেঞ্চ নন-লেপচেবল হ'ব আৰু বছৰৰ পিছত বছৰ ধৰি কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা হাৰ অনুসৰি সুত লাভ কৰিব লাগিব। পুঁজিৰ পৰা ব্যয় মুখ্য শিতান "2406 বন আৰু বন্যপ্ৰাণী"ৰ পৰা ক্ষুদ্ৰ মুৰব্বী "ৰাজ্যিক ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি (এছ চি এ এফ)ৰ পৰা পূৰণ কৰা ধনৰাশি কৰ্তন"ৰ অধীনত আদায় কৰ্তন হিচাপে হিচাপ সমন্বয়ৰ সৈতে কৰা হ'ব। ইয়াৰ দ্বাৰা নিশ্চিত কৰা হয় যে ব্যয় পুঁজিৰ পৰা সামঞ্জস্য কৰা হয় আৰু বাকীখিনি ৰাজহুৱা হিচাপত সুত বহনকাৰী নন-লেপচেবল পুঁজিত থাকিব। ইয়াৰ উপৰিও ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি আইনখনৰ 26 নং অনুচ্ছেদ অনুসৰি এছ চি এ এফ-ৰ উদ্বৃত্ত কেন্দ্ৰীয় চৰকাৰৰ সুৰক্ষা আৰু নিৰ্ধাৰিত বাণিজ্যিক বেংকত বিনিয়োগ কৰিব লাগিব।

2024-25 চনৰ ভিতৰত অসম চৰকাৰে ৰাষ্ট্ৰীয় ক্ষতিপূৰণমূলক বনানীকৰণ জমাত ব্যৱহাৰকাৰী সংস্থাসমূহে জমা কৰা 212.46 কোটি টকাৰ ভিতৰত ৰাষ্ট্ৰীয় ক্ষতিপূৰণমূলক বনানীকৰণ জমা ধনৰ পৰা 191.21 কোটি টকা লাভ কৰিছিল। ইয়াৰ উপৰিও ৰাজ্য চৰকাৰে পূৰ্বৰ বছৰবোৰৰ ব্যয় নোহোৱা উদ্বৃত্তৰ সুত হিচাপে 89.34 কোটি টকাৰ ধন পুঁজি হিচাপত জমা দিছিল।

"2406-04-103-2535-ক্ষতিপূৰণমূলক বনানীকৰণ পুঁজি ব্যৱস্থাপনা আৰু পৰিকল্পনা কৰ্তৃপক্ষ (কেম্পা)""ৰ শিৰোনামৰ অধীনত বছৰটোৰ ভিতৰত এছ চি এ এফ-ৰ অধীনত 85 কোটি টকা ব্যয় বুকিং কৰা হৈছিল। কিন্তু পুঁজি জমা হোৱাৰ পৰাই পুঁজিৰ উদ্বৃত্তৰ বিপৰীতে কোনো ব্যয় নিৰ্ধাৰণ কৰা হোৱা নাই (মুখ্য শিতান: 2406-904)। তদুপৰি, এম এইচ 8121-129ৰ অধীনত 1,033.34 কোটি টকাৰ সামৰণি উদ্বৃত্ত 31 মাৰ্চ 2025লৈকে ৰাজ্য চৰকাৰে বিনিয়োগ কৰা নাছিল।

19 ডিচেম্বৰ 2025ত অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সচিবে বিষয়টো বিতংভাৱে পৰীক্ষা কৰা হ'ব আৰু প্ৰযোজ্য নিৰ্দেশনাৰ সৈতে পুঁজি ব্যৱস্থাপনাক একাকাৰ কৰিবলৈ উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি উল্লেখ কৰে।

3.15 ৰিজাৰ্ভ ফাণ্ডৰ সুত বহন নকৰা

3.15.1 কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি পুঁজি (চি আৰ আই এফ)

ভাৰত চৰকাৰে নিৰ্দিষ্ট পথ প্ৰকল্পত ব্যয় কৰিবলৈ ৰাজ্য চৰকাৰক কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি পুঁজি (চি আৰ আই এফ) (পূৰ্বৰ চি আৰ এফ)ৰ অধীনত বাৰ্ষিক অনুদান প্ৰদান কৰে। (i) মটৰ স্পিৰিট (সাধাৰণতে পেট্ৰ'ল বুলি জনা যায়) আৰু দ্ৰুতবেগী ডিজেল তেলৰ ওপৰত আবকাৰী শুল্ক (ii) পথ আৰু আন্তঃগাঁথনি চেছ আৰু (iii) কেন্দ্ৰীয় চৰকাৰৰ অনুদান আৰু ঋণৰ পৰা এই পুঁজি গঠন কৰা হয়।

বৰ্তমানৰ হিচাপ-নিকাচ পদ্ধতিৰ ক্ষেত্ৰত অনুদানসমূহ প্ৰথম অৱস্থাত ৰাজহ ৰচিদ হিচাপে মুখ্য শিতান-"1601-06-104-কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি পুঁজিৰ পৰা অনুদান"ৰ অধীনত বুকিং কৰিব লাগে। ইয়াৰ পিছত তেনেকৈ লাভ কৰা ধনৰাশি ৰাজ্য চৰকাৰে ৰাজহ ব্যয়ৰ মুখ্য শিতান-"3054 পথ আৰু দলং"ৰ জৰিয়তে মুখ্য শিতান-"8449 অন্যান্য জমা-103 কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি পুঁজিৰ পৰা ৰাজসাহায্য"ৰ অধীনত ৰাজহুৱা হিচাপলৈ হস্তান্তৰ কৰিব লাগিব। এই প্ৰক্ৰিয়াই নিশ্চিত কৰে যে অনুদান লাভ কৰাৰ ফলত ৰাজহ উদ্বৃত্তৰ অতিৰিক্ত বিৱৰণ বা হিচাপত ৰাজহ ঘাটিৰ কম বিৱৰণ নহয়। চি আৰ আই এফৰ অধীনত নিৰ্ধাৰিত পথৰ কামৰ ব্যয়ৰ হিচাপ প্ৰথমে সংশ্লিষ্ট মূলধনী বা ৰাজহ ব্যয় ধাৰা (মুখ্য শিতান-5054 বা 3054)ৰ অধীনত হিচাপ কৰা হ'ব আৰু মুখ্য শিতান-8449ৰ অধীনত ৰাজহুৱা হিচাপৰ পৰা সংশ্লিষ্ট মুখ্য শিতানত (যি ক্ষেত্ৰ অনুসৰি 5054 বা 3054) ব্যয় কৰ্তন হিচাপে পৰিশোধ কৰা হ'ব।

2024-25 চনৰ ভিতৰত ৰাজ্য চৰকাৰে চি আৰ আই এফ-ৰ প্ৰতি 222.59 কোটি টকাৰ অনুদান লাভ কৰে। কেন্দ্ৰীয় পথ আন্তঃগাঁথনি পুঁজিৰ পৰা ৰাজহ ৰচিদ মুখ্য শিতান 1601-08-108 অনুদানত পুঁজিৰ লাভৰ হিচাপ সঠিকভাৱে কৰা হৈছিল যদিও ওপৰত বিতংভাৱে উল্লেখ কৰা ধৰণে চি আৰ আই এফ-ৰ অধীনত ব্যয় লিপিবদ্ধ কৰাৰ হিচাপ পদ্ধতি অনুসৰণ কৰা হোৱা নাছিল। মুখ্য শিতান- '3054-80-797- জমা একাউণ্টলৈ স্থানান্তৰ'ৰ অধীনত ৰাজহুৱা হিচাপত মুখ্য শিতান- '8449-অন্য জমা-103 কেন্দ্ৰীয় পথ আৰু আন্তঃগাঁথনি পুঁজিৰ পৰা সাহায্য'লৈ ধন হস্তান্তৰৰ বাবে কোনো বাজেটৰ ব্যৱস্থা কৰা হোৱা নাছিল। অৱশ্যে 5054-03-337-1857— কেন্দ্ৰীয় পথ পুঁজি (ব্লক অনুদান)ৰ পৰা 64 নং অনুদানত হিচাপৰ শিৰোনামৰ অধীনত চি আৰ আই এফৰ অধীনত 237.28 কোটি টকা বুকিং কৰা হৈছিল, ৰাজহুৱা হিচাপত পুঁজিৰ জৰিয়তে ৰুটিং নকৰাকৈ।

19 ডিচেম্বৰ 2025 তাৰিখে অনুষ্ঠিত হোৱা সামৰণি বৈঠকৰ সময়ত অসম চৰকাৰৰ বিত্ত বিভাগৰ আয়ুক্ত আৰু সম্পাদকে নিৰীক্ষণ পৰ্যবেক্ষণসমূহ লক্ষ্য কৰি কয় যে নিৰ্ধাৰিত হিচাপ-নিকাচৰ পদ্ধতিটো মহাগাণনিকৰ কাৰ্য্যালয় (এ এণ্ড ই), অসমৰ সৈতে আলোচনা কৰি পুনৰীক্ষণ কৰা হ'ব।

3.15.2 একত্ৰিত নিক্ষেপ নিধি

বজাৰৰ ঋণৰ লগতে অন্যান্য ঋণ আৰু ঋণৰ বাধ্যবাধকতাৰ ক্ষয়সাধনৰ বাবে দ্বাদশ বিত্ত আয়োগৰ (দ্বাদশ এফ চি) পৰামৰ্শ অনুসৰি ৰাজ্য চৰকাৰে নিক্ষেপ নিধি গঠন কৰিছিল। আঁচনিৰ নিতি-নিৰ্দেশনাৰ অধীনত ৰাজ্য চৰকাৰে পূৰ্বৰ বিত্তীয় বৰ্ষৰ শেষত বাকী থকা দায়বদ্ধতাৰ (আভ্যন্তৰীণ ঋণ যোগ ৰাজহুৱা হিচাপ) কমেও 0.5 শতাংশ পুঁজিলৈ বৰঙণি আগবঢ়াব পাৰে। সেই অনুসৰি ৰাজ্য চৰকাৰৰ আকাংক্ষিত অৱদান আছিল 661.66 কোটি টকা যিটো 31 মাৰ্চ 2024লৈকে বাকী থকা দায়বদ্ধতাৰ 0.5 শতাংশ (1,32,331.28 কোটি টকা)।

ইয়াৰ বিপৰীতে নিধিটোত মুঠ লাভ আছিল 3,513.06 কোটি টকা (চৰকাৰী অৱদান: 3,000 কোটি টকা; বিনিয়োগৰ ওপৰত আহৰণ কৰা জমা সুত: 483.72 কোটি টকা; আৰু বিনিয়োগৰ পৰা আহৰণ কৰা সুত: 29.34 কোটি টকা)। ৰাজ্য চৰকাৰে মুক্ত বজাৰ ঋণৰ সমাপ্তিৰ বাবে 2024-25 চনৰ ভিতৰত নিধি হিচাপৰ পৰা 1,900.00 কোটি টকা বিনিয়োগ কৰে। 31 মাৰ্চ 2025লৈকে এই পুঁজিৰ মুঠ সঞ্চয় আছিল 7,523.13 কোটি টকা যাৰ ভিতৰত 7,515.89 কোটি টকা ভাৰতীয় ৰিজাৰ্ভ বেংকে বিনিয়োগ কৰিছিল।

নূন্যতম প্রয়োজনীয়তা অতিক্রম কৰা অৱদানে দীর্ঘম্যাদী ঋণ বহনক্ষমতাৰ প্রতি ৰাজ্যখনৰ দায়বদ্ধতাক ইতিবাচকভাৱে প্রতিফলিত কৰে। ঋণ মুক্তিৰ বাবে পুঁজিৰ সময়মতে ব্যৱহাৰে বিত্তীয় সম্পদৰ ওপৰত হেঁচা হ্রাস কৰে আৰু ঋণ পৰিশোধৰ প্রফাইল মসৃণ কৰাত সহায় কৰে। কিন্তু তাৎক্ষণিক ঋণ পৰিশোধৰ বাবে বিনিয়োগ বন্ধ কৰাৰ প্রথাক নিবিড়ভাৱে নিৰীক্ষণ কৰাটো প্রয়োজন যাতে ই ভৱিষ্যতে ঋণ ক্ষয়ক্ষতিৰ বাবে এক শক্তিশালী কর্পাছ সৃষ্টিৰ দীর্ঘম্যাদী লক্ষ্যক পাতল নকৰে।

3.15.3 প্রত্যাভূতি বিমোচন পুঁজি

ৰাজ্য চৰকাৰে ৰাজ্য ৰাজহুৱা খণ্ডৰ উদ্যোগ বা অন্যান্য সংস্থাসমূহে জাৰি কৰা বণ্ড আৰু অন্যান্য ঋণৰ ক্ষেত্রত চৰকাৰে জাৰি কৰা নিশ্চয়তাৰ পৰা উদ্ভৱ হোৱা পেমেণ্টৰ বাধ্যবাধকতাসমূহ পূৰণৰ বাবে (ছেপ্টেম্বৰ 2009) এটা '*প্রত্যাভূতি বিমোচন পুঁজি*' গঠন কৰিছিল আৰু হিতাধিকাৰীসকলে আমন্ত্রণ জনাইছিল। অসম চৰকাৰে 30 জানুৱাৰী 2024 তাৰিখৰ গেজেট অধিসূচনা অনুসৰি সংশোধিত "অসম চৰকাৰৰ বাবে নিশ্চয়তা মুক্তি পুঁজিৰ সংবিধান আৰু প্রশাসনৰ আঁচনি" জাৰি কৰে।

অধিসূচনাখনত উল্লেখ কৰা হৈছে যে চৰকাৰে পাঁচ বছৰৰ ভিতৰত বাকী থকা নিশ্চয়তাৰ পাঁচ শতাংশলৈ জি আৰ এফ কর্পাছ গঢ়ি তোলাৰ দিশত সচেতন প্রচেষ্টা চলাব লাগে। চৰকাৰে নিজৰ বিবেচনা অনুসৰি আৰু লগতে নিশ্চয়তাৰ সম্ভাব্য আমন্ত্রণৰ মূল্যায়নৰ ভিত্তিত মুকলি পুঁজিলৈ বৰঙণি বৃদ্ধি কৰাটো বছৰি বা কম সময়ৰ ব্যৱধানত সময়ে সময়ে অৱদানৰ দ্বাৰা পুঁজিত থকা উদ্বৃত্ত বৃদ্ধি কৰা হ'ব।

31 মাৰ্চ 2025লৈকে পুঁজিটোত থকা মুঠ ধনৰাশি আছিল 91.87 কোটি টকা (2024-25 চনৰ বাবে 6.43 কোটি টকাৰ জমা সুতকে ধৰি) যিটো আছিল মুঠ বাকী থকা 2,690.09 কোটি টকা নিশ্চয়তাৰ 3.42 শতাংশ আৰু সমগ্র ধনৰাশি ভাৰতীয় ৰিজাৰ্ভ বেংকে বিনিয়োগ কৰিছিল।

3.16 ৰাজ্যিক বিত্ত হিচাপ পৰীক্ষা প্রতিবেদনৰ ওপৰত অনুসৰণমূলক ব্যৱস্থা

3.16.1 নিজাববীয়া কার্য্য গ্রহণ কৰা টোকা

অসম চৰকাৰৰ বিত্তৰ নিৰীক্ষণ প্রতিবেদনত ভাৰতৰ নিয়ন্ত্রক আৰু মহাহিচাপ পৰীক্ষকে ৰাজ্য চৰকাৰৰ বিভাগ/ কর্তৃপক্ষই নির্ধাৰিত পদ্ধতিৰ নিয়ম-নীতি আদি অমান্য কৰাৰ বিত্তীয় আৰু বাজেট ব্যৱস্থাপনা ক্ষেত্রসমূহৰ বিভিন্ন দিশৰ সৈতে জড়িত চিন্তাৰ বিষয়সমূহ চিহ্নিত কৰি আহিছে। এই প্রতিবেদনসমূহে চৰকাৰ/ প্রশাসনৰ পৰাই ইতিবাচক আৰু পর্যাপ্ত সঁহাৰি লাভ কৰিলেহে আকাংক্ষিত ফলাফল লাভ কৰিব পাৰে। নিৰীক্ষণ প্রতিবেদনত সন্নিৰিষ্ট বিষয়সমূহৰ সন্দর্ভত কার্যবাহীৰ জবাবদিহিতা নিশ্চিত কৰিবলৈ অসম বিধানসভাৰ ৰাজহুৱা হিচাপ সমিতি (পি এ চি)-য়ে নিৰীক্ষণ প্রতিবেদনসমূহ ৰাজ্যিক বিধানসভাত দাখিল কৰাৰ তিনিমাহৰ ভিতৰত সংশ্লিষ্ট প্রশাসনিক বিভাগসমূহে নিজাববীয়া কার্য্য গ্রহণৰ টোকা (এ টি এন) দাখিল কৰিবলৈ নির্দেশনা জাৰি কৰে (ছেপ্টেম্বৰ 1994)। অৱশ্যে এই কথা প্রায়বোৰ বিভাগে মানি চলা নাই।

3.16.2 পি এ চি-ৰ দ্বাৰা এছ্ এফ এ আৰ আৰু বিনিয়োজন হিচাপৰ বিষয়ে আলোচনা

31 মার্চ 2018ত সমাপ্ত হোৱা বছৰৰ ৰাজ্যিক বিত্ত নিৰীক্ষণ প্ৰতিবেদনত উল্লেখ কৰা হিচাপ পৰীক্ষা পৰ্যবেক্ষণসমূহৰ বিষয়ে পি এ চি-য়ে 19 নৱেম্বৰ 2019ত বিত্ত বিভাগৰ প্ৰধান সচিবৰ সৈতে আলোচনা কৰে আৰু এই সন্দৰ্ভত তেওঁৰ পৰা লিখিত সঁহাৰি লাভ কৰে। এই সন্দৰ্ভত পি এ চি-ৰ প্ৰতিবেদন অপেক্ষাৰত (অক্টোবৰ 2025)।

ইয়াৰ উপৰিও পি এ চি-য়ে দুটা পৃথক অনুষ্ঠানত (ফেব্ৰুৱাৰী 2020 আৰু ফেব্ৰুৱাৰী 2021) বিভিন্ন বছৰৰ বিনিয়োজন হিচাপৰ প্ৰতিবেদন দাখিল কৰা অতিৰিক্ত ব্যয়ৰ বিষয়টো আলোচনা কৰে আৰু ক্ৰমে 24 মার্চ 2020 আৰু 11 ফেব্ৰুৱাৰী 2021ত ৰাজ্যিক বিধানসভাৰ সন্মুখত ৰখা ইয়াৰ 161 নং আৰু 169 নং প্ৰতিবেদনৰ ভিত্তিত 13টা পৰামৰ্শ জাৰি কৰে, বিভাগসমূহক তিনিটা ক্ষেত্ৰত কাৰ্য্য গ্ৰহণ কৰা প্ৰতিবেদন (এ টি আৰ) প্ৰদান কৰিবলৈ জনাই। কিন্তু অক্টোবৰ 2025লৈকে মাত্ৰ দুখন কাৰ্য্য গ্ৰহণ কৰা প্ৰতিবেদন দাখিল কৰা হৈছে।

3.17 সামৰণি

- আঁচনিখন আৰম্ভ হোৱাৰ পৰাই ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় পেঞ্চন ব্যৱস্থালৈ 508.88 কোটি টকাৰ অৱদান আগবঢ়াই চৰকাৰৰ প্ৰতি ভৱিষ্যতে পৰিহাৰযোগ্য দায়বদ্ধতাৰ সৃষ্টি কৰে। 01 এপ্ৰিল 2024লৈকে ৰাজহুৱা হিচাপত 318.65 কোটি টকাৰ ধনৰাশি বাকী আছিল যাৰ ওপৰত 2024-25 চনত 17.05 কোটি টকাৰ সুত প্ৰদান কৰিবলগীয়া আছিল। কৰ্তন কৰা বৰঙণিৰ লগতে ৰাজ্য চৰকাৰৰ বৰঙণিৰ কম হস্তান্তৰ কৰাত পলম হোৱাটোৱে চৰকাৰী কৰ্মচাৰীৰ আৰ্থিক সুৰক্ষা ক্ষতিগ্ৰস্ত কৰে কাৰণ তেওঁলোকৰ অৱসৰৰ সঞ্চয় সম্পূৰ্ণৰূপে সময়মতে বিনিয়োগ নকৰাৰ বাবে তেওঁলোকে প্ৰাপ্ত কৰা লাভত প্ৰভাৱ পেলাব পাৰে।
- 31 মার্চ 2025লৈকে মুঠ 20,736.09 কোটি টকা (6,545 ইউ চি) অনুদানৰ সন্দৰ্ভত ব্যৱহাৰৰ প্ৰমাণপত্ৰ দাখিল কৰা হোৱা নাছিল। ইউ চি-ৰ অনুপস্থিতিত এইটো নিশ্চিত কৰিব পৰা নগ'ল যে গ্ৰাহকসকলে অনুদানসমূহ সেই উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিছিল নেকি যিবোৰৰ বাবে সেইবোৰ দিয়া হৈছিল আৰু সম্পত্তি সৃষ্টি কৰা হৈছিল।
- 31 মার্চ 2025লৈকে 39টা ৰাজ্যিক বিভাগে 1,222টা এ চি বিলৰ বিপৰীতে 753.61 কোটি টকাৰ ডি চি চি বিল দাখিল কৰা নাছিল। দীৰ্ঘ সময়ৰ বাবে অগ্ৰিম ধনৰ সালসলনি নকৰাটো অপব্যৱহাৰৰ আশংকাৰে ভৰি থাকে আৰু সেয়েহে ডি চি চি বিল দাখিল কৰাটো নিশ্চিত কৰাৰ বাবে নিজ নিজ ডি ডি অ' আৰু নিয়ন্ত্ৰক বিষয়াৰ তীক্ষ্ণ নিৰীক্ষণৰ প্ৰয়োজন হয়।
- 2024-25 চনৰ ভিতৰত মুঠ ৰাজহ আৰু মূলধনী ব্যয়ৰ 12.03 শতাংশ (1,26,312.16 কোটি টকা) 70টা মুখ্য হিচাপৰ অধীনত 15,195.07 কোটি টকাক হিচাপসমূহত গৌণ শিতান-800 — অন্যান্য ব্যয়ৰ অধীনত শ্ৰেণীবিভাজন কৰা হৈছিল। ইয়াৰে 1,050.73 কোটি টকা নটা মুখ্য হিচাপৰ অধীনত (ব্যয় 20 কোটি টকাতকৈ অধিক) উপযুক্ত গৌণ শিতান উপলব্ধ হোৱাৰ পিছতো গৌণ শিতান-800-অন্যান্য ব্যয়ৰ অধীনত শ্ৰেণীভুক্ত কৰা হৈছিল। বহু উদ্দেশ্য সম্বলিত গৌণ শিতান 800ৰ অধীনত বৃহৎ পৰিমাণৰ শ্ৰেণীবিভাজনে বিত্তীয় প্ৰতিবেদনত স্বচ্ছতাক প্ৰভাৱিত কৰে আৰু আবণ্টনমূলক অগ্ৰাধিকাৰ আৰু ব্যয়ৰ মানদণ্ডৰ সঠিক বিশ্লেষণ বিকৃত কৰে।

- বছৰটোৰ ভিতৰত 90,596 কোটি টকা (মুঠ লাভ 1,38,280 কোটি টকাৰ 65.52 শতাংশ) আৰু 93,034 কোটি টকা (মুঠ ব্যয় 1,43,330 কোটি টকাৰ 64.91 শতাংশ)ৰ বিতৰণৰ সমিলমিলকৰণ হৈছিল। এই সন্দর্ভত ক'ডেল বিধান আৰু কার্যবাহী নির্দেশনাসমূহ ব্যৱহাৰ/ পালন নকৰাৰ ফলত হিচাপত প্রাপ্তি আৰু ব্যয় দুয়োটাৰে ভুল শ্রেণীবিভাজন আৰু ভুল বুকিঙৰ আশংকা থাকিব পাৰে।
- 31 মার্চ 2025লৈকে 75খন স্বায়ত্তশাসিত পৰিষদ/ উন্নয়ন পৰিষদ/ চৰকাৰী সংস্থা/ কর্তৃপক্ষৰ 494টা বার্ষিক হিচাপ আৰু 44টা ৰাজ্যিক ৰাজহুৱা খণ্ডৰ উদ্যোগৰ (2024-25 চনলৈকে) বার্ষিক হিচাপ 240টা হিচাপ নিৰীক্ষণৰ বাবে চি এ জি-ত দাখিলৰ বাবে বাকী আছিল। একাউণ্ট ৰেণ্ডাৰ ইউনিট/ কর্তৃপক্ষই একাউণ্ট ৰেণ্ডাৰ কৰাত পলম হোৱাৰ ফলত ৰাজ্যৰ মাহেকীয়া লেনদেনৰ সঠিক চিত্রণ বিকৃত হৈছিল আৰু এই সংস্থাসমূহৰ ফলপ্রসূ বাজেট ব্যৱস্থাপনা আৰু জবাবদিহিতা পাতল কৰি পেলোৱাত প্রভাৱ পৰিছিল।
- 01 এপ্রিল 2024লৈকে ৰাজ্যখনৰ 527.69 কোটি টকাৰ বাকী ধন ৰাজ্যিক দুর্যোগ প্রতিৰোধ পুঁজিত আৰু 170 কোটি টকা ৰাজ্যিক দুর্যোগ প্রশমন পুঁজিত পৰি আছিল। অসম চৰকাৰে গাইডলাইনত উল্লেখ কৰা কোনো স্থানত উদ্বৃত্ত বিনিয়োগ কৰা নাছিল আৰু এছ ডি আৰ এফ/ এছ ডি এম এফ গাইডলাইন উলংঘা কৰি পুঁজিত থকা উদ্বৃত্তৰ ছমহীয়া সুতও দিয়া নাছিল। এছ ডি আৰ এফ-ৰ হিচাপত 101.01 কোটি টকা আৰু এছ ডি এম এফ-ৰ হিচাপত 27.06 কোটি টকাৰ অনাদায় সুতৰ ফলত সেইখিনিলৈকে (2024-25 চনৰ ভিতৰত) ৰাজহ ঘাটি কমকৈ উল্লেখ কৰা হৈছিল আৰু ভৱিষ্যতৰ বাবে সঞ্চিত দায়বদ্ধতা আছিল।

3.18 ভাল দিশসমূহ

1. আয়ুক্ত আৰু সচিব বিত্ত বিভাগে 13-14 অক্টোবৰ 2025ত বাকী থকা ইউ চি আৰু বাকী থকা ডি চি চি বিলৰ নিষ্পত্তি সম্পর্কে ধাৰাবাহিক বৈঠক আহ্বান কৰে। ডিচেম্বৰ 2025ৰ শেষৰ ফালে 100 শতাংশ ক্লিয়াৰেন্সৰ লক্ষ্যৰে 30 নৱেম্বৰ 2025ৰ ভিতৰত বাকী থকা ইউ চি-ৰ 50 শতাংশ দাখিল কৰিবলৈ সকলো বিভাগকে নির্দেশ দিয়া হয় নিজৰ নিজৰ বাকী থকা ডি চি চি বিলসমূহ এ জি (এ এণ্ড ই) অসমৰ কার্যালয়ত দাখিল কৰে।

2. 20 ছেপ্টেম্বৰ 2025ত বিভিন্ন বিভাগৰ সৈতে আহ্বান কৰা ধাৰাবাহিক বৈঠকত বিত্ত বিভাগে বিভিন্ন স্বায়ত্তশাসিত সংস্থা/ জিলা পৰিষদ আৰু এছ পি এছ ই-ৰ বকেয়া হিচাপৰ বিষয়টো গ্রহণ কৰে। কোম্পানী আইন 2013ৰ ধাৰা 248ৰ উপ-ধাৰা (5) অনুসৰি মুঠ 16টা অকর্মচাৰী ৰাজ্যিক পি এছ ইউ-ৰ ভিতৰত আৰু আঠটা কোম্পানী পঞ্জীৰ পৰা আঁতৰাই পেলোৱা হৈছে।

3. উল্লেখ্য এ চি বিলৰ বিপৰীতে বাকী থকা ডি চি চি বিলৰ মুঠ সংখ্যা 31 মার্চ 2024লৈকে 1,316টা বাকী থকা ডি চি চি বিলৰ পৰা 31 মার্চ 2025লৈকে 1222টা বাকী থকা ডি চি চি বিললৈ সামান্য হ্রাস পোৱা দেখা গৈছে।

3.19 পৰামর্শ

i. ৰাজ্য চৰকাৰে ইউ চিসমূহৰ ডি চি চি বিল আৰু হিচাপ পৰীক্ষাৰ বাবে দাখিলৰ সন্দর্ভত বিভাগসমূহে নির্ধাৰিত নিয়ম আৰু পদ্ধতিসমূহ মানি চলাটো নিশ্চিত কৰিবলৈ এক নিৰীক্ষণ ব্যৱস্থা স্থাপন কৰিব পাৰে।

ii. *ৰাজ্য চৰকাৰে বহু উদ্দেশ্য সম্বলিত গৌণ শিতান 800ৰ অধীনত নিৰ্মাণ কৰা আঁচনিসমূহৰ শ্ৰেণীবিভাজন এল এম এম এইচ এ-ত চিত্ৰিত কৰাৰ পোহৰত পুনৰীক্ষণ কৰি মহাগাণনিক (এ এণ্ড ই)ৰ সৈতে আলোচনা কৰি বৰ্তমানৰ এল এম এম এইচ এ অনুসৰি উপযুক্তভাৱে শ্ৰেণীবিভাজন কৰিব লাগে বা হিচাপত স্বচ্ছতা অনাৰ বাবে নতুন গৌণ শিতান সংযোজন কৰিব লাগে।*

iii. *আভ্যন্তৰীণ নিয়ন্ত্ৰণ ব্যৱস্থা শক্তিশালী কৰাৰ প্ৰয়োজন আৰু চৰকাৰে নিশ্চিত কৰিব লাগিব যে নিয়ন্ত্ৰণকাৰী বিষয়াসকলে নিৰ্দিষ্ট ব্যৱধানত তেওঁলোকৰ প্ৰাপ্তি আৰু ব্যয়ৰ পৰিসংখ্যা মহাগাণনিক (এ এণ্ড ই)ৰ পৰিসংখ্যাৰ সৈতে সমিলমিল কৰাই দিয়ে, যাতে চৰকাৰী লেনদেনৰ হিচাপ-নিকাচত স্বচ্ছতা আৰু সঠিকতা প্ৰদান কৰিব পৰা যায়।*

iv. *ৰাজ্য চৰকাৰে ধাৰাবাহিকভাৱে পলম কৰা/ ডিফল্ট কৰা স্বায়ত্তশাসিত জিলা পৰিষদ (এ ডি চি) আৰু অন্যান্য চৰকাৰী সংস্থাসমূহৰ হিচাপত বকেয়া পৰিষ্কাৰ কৰাৰ বাবে এক সুনিৰ্দিষ্ট পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে। ৰাজ্যৰ এ ডি চি/ স্বায়ত্তশাসিত সংস্থাসমূহক আৰ্থিক সাহায্য প্ৰদান কৰাটো তেওঁলোকৰ হিচাপ চূড়ান্ত কৰাৰ উন্নতিৰ সৈতে জড়িত হ'ব পাৰে।*

v. *ৰাজ্য চৰকাৰে নিজ নিজ নিৰ্দেশনা অনুসৰি ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজি আৰু ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিত থকা উদ্বৃত্ত বিনিয়োগ কৰিব পাৰে।*

(কুমাৰ অভয়)
মহাগাণনিক (হিচাপ পৰীক্ষা), অসম

গুৱাহাটী
তাৰিখ : 24 ফেব্ৰুৱাৰী 2026

প্ৰতিস্বাক্ষৰিত

(কে সঞ্জয় মূৰ্তি)
ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক

নতুন দিল্লী
তাৰিখ : 03 মার্চ 2026

পৰিশিষ্ট

পৰিশিষ্ট 1.1

(দ্রষ্টব্য : দফা 1.1.3)

ৰাজ্য চৰকাৰৰ বিত্তীয় ক্ষেত্রত সময় শৃংখলাৰ তথ্য

(কোটি টকাত)

সূচক	2020-21	2021-22	2022-23	2023-24	2024-25
অংশ A. প্রাপ্তি					
1. ৰাজহ প্রাপ্তি	**64,902.19 (78.34)**	**79,815.19 (80.15)**	**89,742.30 (79.13)**	**91,534.49 (74.67)**	**96,907.91 (75.44)**
(i) কৰ ৰাজহ (নিজা)	***17,133.61 (26.40)***	***19,533.10 (24.47)***	***24,502.02 (27.30)***	***28,178.12 (30.78)***	***30,052.36 (31.01)***
ৰাজ্যিক সামগ্রী আৰু সেৱা কৰ (এছ জি এছ টি)	*8,549.02 (49.90)*	*10,579.56 (54.16)*	*12,564.45 (51.28)*	*14,653.64 (52.00)*	*15,533.82 (51.69)*
কৃষি আয়ৰ ওপৰত কৰ	*(-)38.00 (-0.22)*	*-0.62 (0.00)*	*1.67 (0.01)*	*0.49 (0.00)*	*-1.09 (0.00)*
বিক্রী, বাণিজ্য আদিৰ ওপৰত কৰ।	*5,070.97 (29.60)*	*4,866.68 (24.92)*	*6,748.61 (27.54)*	*7,462.99 (26.49)*	*7,864.21 (26.17)*
বিদ্যুতৰ ওপৰত কৰ আৰু শুল্ক	*197.59 (1.15)*	*337.91 (1.73)*	*87.81 (0.36)*	*80.31 (0.29)*	*86.08 (0.29)*
ৰাজ্যিক আবকাৰী	*2,039.94 (11.91)*	*1,939.07 (9.93)*	*2,525.57 (10.31)*	*3,038.67 (10.78)*	*3,610.34 (12.01)*
বাহনৰ ওপৰত কৰ	*723.98 (4.23)*	*978.21 (5.01)*	*1,348.41 (5.50)*	*1,689.80 (6.00)*	*1,911.62 (6.36)*
মোহৰ আৰু পঞ্জীয়ন মাচুল	*280.75 (1.64)*	*439.46 (2.25)*	*851.51 (3.48)*	*694.78 (2.48)*	*649.94 (2.16)*
ভূমি কৰ	*116.81 (0.68)*	*185.02 (0.95)*	*158.50 (0.65)*	*333.63 (1.18)*	*160.59 (0.53)*
সামগ্রী আৰু যাত্রীৰ ওপৰত কৰ	*3.64 (0.02)*	*2.29 (0.01)*	*2.64 (0.01)*	*0.09 (0.00)*	*2.86 (0.01)*
অন্যান্য কৰ	*188.91 (1.10)*	*205.52 (1.05)*	*212.85 (0.87)*	*223.72 (0.79)*	*233.99 (0.78)*
(ii) অনা-কৰ ৰাজহ	***2,899.61 (4.47)***	***3,579.75 (4.49)***	***5,761.31 (6.42)***	***5,902.90 (6.45)***	***5,351.70 (5.52)***
(iii) কেন্দ্রীয় কৰ আৰু শুল্কৰ ৰাজ্যিক অংশ	***18,629.32 (28.70)***	***28,150.55 (35.27)***	***29,694.26 (33.09)***	***35,330.57 (38.60)***	***40,253.77 (41.54)***
(iv) ভাৰত চৰকাৰৰ পৰা প্রাপ্ত সহায়ক অনুদান	***26,239.65 (40.43)***	***28,551.79 (35.77)***	***29,784.71 (33.19)***	***22,122.90 (24.17)***	***21,250.08 (21.93)***
2. বিবিধ মূলধনী প্রাপ্তি	--	--	--	--	--
3. ঋণ আৰু অগ্রিম আদায়	**2.56 (0.00)**	**3,099.49 (3.11)**	**5.07 (0.00)**	**3,282.45 (2.68)**	**879.30 (0.68)**
4. মুঠ ৰাজহ আৰু ঋণ বহির্ভূত মূলধনী প্রাপ্তি (1+2+3)	**64,904.75**	**82,914.68**	**89,747.37**	**94,816.94**	**97,787.21**
5. ৰাজহুৱা ঋণ প্রাপ্তি	**17,940.18 (21.66)**	**16,670.15 (16.74)**	**23,661.38 (20.86)**	**27,771.60 (22.65)**	**30,673.01 (23.88)**
আভ্যন্তৰীণ ঋণ (অর্থোপায় অগ্রিম আৰু অধিবিকর্ষৰ বাহিৰে)।	*16,382.36*	*14,138.94*	*19,225.76*	*21,766.42*	*22,870.47*
অর্থোপায় অগ্রিম আৰু অধিবিকর্ষৰ অধীনত লেনদেন	*0*	*0*	*0*	*0*	*0*
ভাৰত চৰকাৰৰ পৰা লোৱা ঋণ আৰু অগ্রিম	*1,557.82*	*2,531.21*	*4,435.62*	*6,005.18*	*7,802.54*
6. একত্রিত নিধিত মুঠ প্রাপ্তি (4+5)[37]	**82,844.93**	**99,584.83**	**1,13,408.75**	**1,22,588.54**	**1,28,460.22**
7. আকস্মিক নিধি প্রাপ্তি	**0**	**0**	**1,800**	**0**	**0**

[37] 2022-23, 2023-24 আৰু 2024-25 বর্ষৰ পৰিসংখ্যা বিত্তীয় হিচাপৰ পৰিসংখ্যাৰ সৈতে মিল নাই কাৰণ ৰেজ এণ্ড মিনছ এডভান্সৰ পৰিসংখ্যা বাদ দিয়াৰ বাবে (2022-23: 4,608.64 কোটি টকা; 2023-24: 16,242.25 কোটি টকা; 2024-25: 9,819.70 কোটি টকা)।

সূচক	2020-21	2021-22	2022-23	2023-24	2024-25
8. ৰাজহুৱা হিচাপৰ প্ৰাপ্তি^	**1,49,056.68**	**1,77,344.64**	**1,19,146.12**	**80,297.03**	**1,00,069.99**
9. ৰাজ্যৰ মুঠ প্ৰাপ্তি (6+7+8)	**2,31,901.61**	**2,76.929.47**	**2,34,354.87**	**2,02,885.57**	**2,28,530.21**
অংশ B. ব্যয়/ বিতৰণ					
10. ৰাজহ ব্যয়	**64,519.59 (83.78)**	**82,547.96 (80.32)**	**1,01,814.65 (84.88)**	**94,162.90 (81.41)**	**99,907.96 (79.09)**
সাধাৰণ সেৱাসমূহ (সুত পৰিশোধৰ সৈতে)	22,892.34	36,368.53	34,483.17	38,120.59	41,005.93
সামাজিক সেৱাসমূহ	29,014.03	33,182.34	51,903.99	43,509.48	46,257.12
অর্থনৈতিক সেৱাসমূহ	12,236.27	12,690.96	14,911.26	12,199.60	12,293.24
সহায়ক অনুদান আৰু ৰৱঙণি	376.95	306.13	516.23	333.23	351.67
11. মূলধনী ব্যয়	**12,399.39 (16.10)**	**20,125.83 (19.58)**	**15,997.71 (13.34)**	**21,444.23 (18.54)**	**26,404.20 (20.90)**
সাধাৰণ সেৱাসমূহ	518.45	862.79	1,921.50	3,050.50	3,782.87
সামাজিক সেৱাসমূহ	2,354.34	3,000.52	2,638.13	4,610.79	6,509.50
অর্থনৈতিক সেৱাসমূহ	9,526.60	16,262.52	11,438.08	13,782.94	16,111.83
12. ঋণ আৰু অগ্ৰিমসমূহৰ বিতৰণ	**87.80 (0.11)**	**104.01 (0.10)**	**339.84 (0.28)**	**64.50 (0.06)**	**4.57 (0.00)**
13. আকস্মিক পুজিলৈ বিনিয়োজন	**0**	**0**	**1,800**	**0**	**0**
14. মুঠ ব্যয় (10+11+12+13)	**77,006.78 (97.29)**	**1,02,777.80 (96.68)**	**1,19,952.20 (97.78)**	**1,15,671.63 (96.33)**	**1,26,316.73 (94.61)**
15. ৰাজহুৱা ঋণ পৰিশোধ	**2,147.98 (2.71)**	**3,526.89 (3.32)**	**2,722.22 (2.22)**	**4,402.82 (3.67)**	**7,193.25 (5.39)**
আভ্যন্তৰীণ ঋণ (অর্থোপায় অগ্ৰিম আৰু অধিৰিকর্ষৰ বাহিৰে)	*1,998.55*	*3,372.86*	*2,562.42*	*4,237.26*	*7,125.11*
অর্থোপায় অগ্ৰিম আৰু অধৰিকর্ষৰ অধীনত লেনদেন	*0*	*0*	*0*	*0*	*0*
ভাৰত চৰকাৰৰ পৰা প্ৰাপ্ত ঋণ আৰু অগ্ৰিম	*149.43*	*154.03*	*159.80*	*165.56*	*68.14*
16. একত্ৰিত নিধিৰ পৰা মুঠ বিতৰণ (14+15)[38]	**79,154.76**	**1,06,304.69**	**1,22,674.42**	**1,20,074.45**	**1,33,509.98**
17. আকস্মিক নিধিৰ বিতৰণ	--	--	--	--	--
18. ৰাজহুৱা হিচাপৰ বিতৰণ ^	**1,52,030.29**	**1,76,148.11**	**1,10,528.11**	**82,359.89**	**95,074.18**
19. ৰাজ্যৰ দ্বাৰা মুঠ বিতৰণ (16+17+18)	**2,31,185.05**	**2,82,452.80**	**2,33,202.53**	**2,02,434.34**	**2,28,584.16**
অংশ C. ঘাটি[$]					
20. ৰাজহ ঘাটি (-)/ ৰাহি (+) (1-10)[39]	**(+)382.60**	**(-)2,732.77**	**(-)12,072.35**	**(-)2,628.41**	**(-)3,000.05**
21. বিত্তীয় ঘাটি (-)/ ৰাহি (+) (4-14)	**(-)12,102.03**	**(-)19,863.12**	**(-)30,204.83**	**(-)20,854.69**	**(-)28,529.52**
22. প্ৰাথমিক ঘাটি (-)/ৰাহি (+) (21+23)	**(-)6,902.85**	**(-)13,811.65**	**(-)23,329.86**	**(-)12,715.52**	**(-)19,061.77**
অংশ D. অন্যান্য তথ্য					
23. সুত পৰিশোধ[$] (ৰাজহ ব্যয়ত অন্তর্ভূক্ত)	**5,199.18**	**6,051.47**	**6,874.97**	**8,139.17**	**9,467.75**
24. স্থানীয় সংস্থা ইত্যাদিলৈ আর্থিক সাহায্য	**23,735.74**	**31,780.09**	**46,680.81**	**38,860.98**	**32,871.45**
25. অর্থোপায় অগ্ৰিম/ অধৰিকর্ষৰ প্ৰাপ্তি (দিন)					
লাভ কৰা অগ্ৰিম আৰু অর্থোপায় (দিন)	নাই	নাই	60	88	62
অধিৰিকর্ষ প্ৰাপ্তি (দিন)	নাই	নাই	নাই	নাই	নাই
26. অর্থোপায় আৰু অগ্ৰিম/ অধিৰিকর্ষৰ সুত	নাই	নাই	1.45	8.33	5.05

[38] 2022-23, 2023-24 আৰু 2024-25 বর্ষৰ পৰিসংখ্যা বিত্তীয় হিচাপৰ পৰিসংখ্যাৰ সৈতে মিল নাই কাৰণ ৰেজ এণ্ড মিনছ এডভান্সৰ পৰিসংখ্যা বাদ দিয়াৰ বাবে (2022-23: 4,608.64 কোটি টকা; 2023-24: 16,242.25 কোটি টকা; 2024-25: 9,819.70 কোটি টকা)।

[39] হিচাপ পৰীক্ষাৰ পিছত পৰিসংখ্যা : (2020-21: 4,954.12 কোটি টকা; 2021-22: 8,358.89 কোটি টকা; 2022-23: 18,801.42 কোটি টকা; 2023-24: 8,372.53 কোটি টকা; 2024-25: 3,090.85 কোটি টকা) (দ্ৰষ্টব্য : দফা 2.5.6)।

সূচক	2020-21	2021-22	2022-23	2023-24	2024-25
27. মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (জি এচ ডি পি)	**3,39,802.98**	**4,10,723.56**	**4,84,984.94**	**5,69,287.29**	**6,43,666.69**
28. বাকী থকা বিত্তীয় দায়বদ্ধতা	**87,407.79**	**99,918.54**	**1,23,214.80**	**1,46,927.84**	**1,72,775.07**
29. বাকী থকা প্ৰত্যাভূতি (বছৰৰ শেষত) (সুতকে ধৰি)	**77.72**	**311.76**	**1,166.49**	**2,241.29**	**2,690.08**
30. প্ৰত্যাভূতিৰ সৰ্ব্বোচ্চ পৰিমান (বছৰৰ শেষত)	**482.25**	**10,172.00**	**10,172.00**	**10,047.00**	**10,024.00**
